newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

‘দৈনিক অসম’ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০

RN-11989/65 । ৬১ বছৰ । ১৩৬ সংখ্যা, ৫ পুহ, দেওবাৰ, ১৯৪৭ শক । DAINIK ASAM : Assamese Daily । VOL. 61 NO. 136 । GUWAHATI, SUNDAY, DECEMBER 21, 2025 । পৃষ্ঠা ১২+৪ (Pages 12+4) ৯.০০ টকা (Rs. 9.00)



সত্যমেব জয়তে
অসম চৰকাৰ





## সাৰ উৎপাদনেৰে আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ দিশত সবল খোজ

ভূমিপূজন

অসম ভেলী ফাৰ্টিলাইজাৰ এণ্ড কেমিকেল কোম্পানী লিমিটেডৰ

## এম'নিয়া - ইউৰিয়া সাৰ প্ৰকল্প

নামৰূপ

মুখ্য অতিথি
**শ্ৰীনৰেন্দ্ৰ মোদী**
প্ৰধানমন্ত্ৰী

গৌৰৱময় উপস্থিতি

শ্ৰীলক্ষ্মণ প্ৰসাদ আচাৰ্য — ৰাজ্যপাল, অসম
ড° হিমন্ত বিশ্ব শৰ্মা — মুখ্যমন্ত্ৰী, অসম
শ্ৰীসৰ্বানন্দ সোণোৱাল — কেন্দ্ৰীয় মন্ত্ৰী, বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ বিভাগ
শ্ৰীবিমল বড়া — মন্ত্ৰী, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি বিভাগ, অসম
শ্ৰীপ্ৰশান্ত ফুকন — মন্ত্ৰী, শক্তি ইত্যাদি বিভাগ, অসম
শ্ৰীযোগেন মহন — মন্ত্ৰী, লোক নিৰ্মাণ (গৃহ নিৰ্মাণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) ইত্যাদি বিভাগ, অসম তথা অভিভাৱক মন্ত্ৰী, ডিব্ৰুগড় জিলা
শ্ৰীৰামেশ্বৰ তেলী — সাংসদ, ৰাজ্যসভা
শ্ৰীতৰংগ গগৈ — বিধায়ক, নাহৰকটীয়া বিধান সভা সমষ্টি
শ্ৰীপোনাকণ বৰুৱা — বিধায়ক, চাবুৱা বিধান সভা সমষ্টি
শ্ৰীতেৰছ গোৱালা — বিধায়ক, দুলীয়াজান বিধান সভা সমষ্টি
শ্ৰীচক্ৰধৰ গগৈ — বিধায়ক, মৰাণ বিধান সভা সমষ্টি
শ্ৰীবিনোদ হাজৰিকা — বিধায়ক, লাহোৱাল বিধান সভা সমষ্টি

২১ ডিচেম্বৰ ২০২৫ | দিনৰ ১১:০০ বজা | নামৰূপ, ডিব্ৰুগড়

প্ৰকল্প ব্যয়
**১০,৬০০ কোটি টকা**

### বিশ্বমানৰ এম'নিয়া - ইউৰিয়া সাৰ প্ৰকল্প

উৎপাদন ক্ষমতা
বছৰি ১২.৭ লাখ মেট্ৰিক টন
এম'নিয়া প্ৰতিদিনে ২,২০০ মেট্ৰিক টন
ইউৰিয়া প্ৰতিদিনে ৩,৮৫০ মেট্ৰিক টন

মুঠ এলেকা ৪২৫ একৰ
প্ৰকল্প এলেকা ১৮৫ একৰ

কাৰ্যকৰীকৰণৰ সময়সীমা ২০৩০ চন

DIPR/D/DA/536/21-Dec-25

### প্ৰকল্পৰ সুবিধাজনক দিশসমূহ

- অইল ইণ্ডিয়া লিমিটেডৰ পৰা প্ৰাকৃতিক গেছৰ যোগান
- দিল্লি নদীৰ পৰা পৰ্যাপ্ত পানী আহৰণ
- সবল ঔদ্যোগিক পৰিৱেশ আৰু সংযোগ ব্যৱস্থা
- উত্তৰ-পূব আৰু পূব ভাৰতৰ কৃষিজাত সামগ্ৰীৰ মূল বজাৰসমূহৰ সৈতে নিকট সম্পৰ্ক স্থাপন

### প্ৰকল্পৰ লাভালাভ

- ভাৰতৰ ইউৰিয়া আমদানি হ্ৰাস
- অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ইউৰিয়াৰ প্ৰয়োজন পূৰণ
- উত্তৰ-পূব আৰু পূব ভাৰতৰ অঞ্চলসমূহলৈ সময়মতে ইউৰিয়া যোগান
- যাতায়াত ব্যয় হ্ৰাসেৰে উত্তৰ-পূৰ্বাঞ্চলত ইউৰিয়াৰ মূল্য হ্ৰাস
- প্ৰকল্পৰ আশে-পাশে বৃহৎ পৰিসৰত অৰ্থনৈতিক কাম-কাজ বৃদ্ধি
- ৩০০+ প্ৰত্যক্ষ আৰু ১০০০+ পৰোক্ষ নিয়োগৰ সম্ভাৱনা

জনতাৰ চৰকাৰ | myGov মেৰী সৰকাৰ | তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

### ধেমাজিত জাতীয়তাবাদী যুৱ পৰিষদ, কৃষক মুক্তিৰ অনশন

# খাদ্য নিগমৰ গুদামৰ চাউল কেলেংকাৰীৰ চি বি আই তদন্তৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধেমাজি, ২০ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদৰ ধেমাজি জিলা সমিতি আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ধেমাজি জিলা সমিতিৰ যৌথ উদ্যোগত আজি ধেমাজি কাছাৰী ময়দানৰ সন্মুখত ৬ ঘণ্টীয়া অনশন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সংগঠন দুটাই ভাৰতীয় খাদ্য নিগমৰ ধেমাজি গুদামৰ পৰা ২৬,৮০০ বেগ চাউল হৰলুকি হোৱাৰ ঘটনাৰ তদন্ত শীঘ্ৰে চি বি আইক দিয়া আৰু অ' এম এছ এছৰ ঠিকাদাৰ অজয় আগৰৱালা আৰু নিৰঞ্জনলাল জাংগী, ভাৰতীয় খাদ্য নিগমৰ লখিমপুৰৰ সংমণ্ডলৰ পৰিচালকক তদন্তৰ আওতালৈ অনা, ভাৰতীয় খাদ্য নিগমৰ ধেমাজি গুদামৰ ৫ কোটি ২০ লাখ টকাৰ চাউল কেলেংকাৰীৰ ঘটনাটো শীঘ্ৰেই চি বি আইক অৰ্পণ কৰা, ভাৰতীয় খাদ্য নিগম লখিমপুৰস্থিত কাৰ্যালয়ৰ অন্তৰ্গত গুদামসমূহক তদন্তৰ আওতালৈ অনা, সুলভ মূল্যৰ দোকানীক কিয় বেয়া চাউল দিব লগা হ'ল তাৰ তদন্ত কৰা, ইয়াৰ আঁৰৰ ব্যক্তিক চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰা আৰু ভাৰতীয় খাদ্য নিগমৰ চাউল ধেমাজি ৰেল ষ্টেচনত দবাৰ পৰা কেনেকৈ চুৰি কৰে তাৰ তদন্ত কৰাৰ দাবীত আজি কাছাৰী ময়দানৰ সমীপত পুৱা ৯ বজাৰ পৰা আবেলি ৩ বজালৈ ৬ ঘণ্টীয়া অনশন কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ধেমাজি জিলাৰ দৰিদ্ৰ লোকসকলৰ বাবে চৰকাৰে প্ৰদান কৰা চাউল ভাৰতীয় খাদ্য নিগমৰ ধেমাজি গুদামৰ পৰা চুৰি কৰা আৰু ধেমাজিত থকা ভাৰতীয় খাদ্য নিগমৰ বিৰুদ্ধে বিভিন্ন পক্ষৰ পৰা অনিয়মৰ অভিযোগ উত্থাপন হৈ থকাৰ সময়তে নিগমত সংঘটিত ৫ কোটি ২০ লাখ টকাৰ বৃহৎ চাউল কেলেংকাৰীৰ চি বি আই তদন্তৰ দাবী জনাইছে অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে। উল্লেখ্য যে ইতিমধ্যে ভাৰতীয় খাদ্য নিগমৰ এক উচ্চস্তৰীয় তদন্তকাৰী দলে ধেমাজিৰ ভাৰতীয় খাদ্য নিগমৰ কাৰ্যালয়ত তদন্ত চলাই এই ভয়ংকৰ অনিয়ম ধৰা পেলায় আৰু তাৎক্ষণিকভাৱে ধেমাজিৰ ভাৰতীয় খাদ্য নিগমৰ বহু বিতৰ্কিত কৰ্মচাৰী ৰাকেশ দাসসহ অন্য ৫ কৰ্মচাৰীক নিলম্বন কৰে। অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি উজ্জ্বল কুমাৰ চুতীয়া, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ধেমাজি জিলা সমিতিৰ সভাপতি ভবেন হালৈ, সম্পাদক দুৰ্গা বৰা, ধেমাজি জিলা গণ অধিকাৰ মঞ্চৰ আহ্বায়ক লক্ষীনাৰায়ণ বুঢ়াগোহাঁই, সম্পাদক হৰিশ পেগু আদি উপস্থিত থাকে।

**SITUATION VACANT**

জৰুৰীভাৱে ছোৱালী প্ৰয়োজন। উজানবজাৰ, গুৱাহাটীত অৱস্থিত ৰেষ্টুৰেণ্ট এখনত ছোৱালীৰ প্ৰয়োজন হৈছে। লগতে থকা-খোৱাৰ সুবিধা দিয়া হ'ব। Ph.- 9706776650

DA/SV/371/1

**PUBLIC NOTICE**

মই Samo Devi, W/o Lt. Gopal Balmiki, Sutarpara, P.O.& P.S.- Azara, য়ে জনাওঁ যে মোৰ প্ৰকৃত নাম Samo Devi, যিটো মোৰ আধাৰকাৰ্ড, পান কাৰ্ডত উল্লেখ আছে। কিন্তু, মোৰ বেংক একাউণ্ট 2149736945, Central Bank of India, Azara Branchত ভুলবশতঃ Semo Balmiki বুলি উল্লেখ হৈছে। Magistrate 1st Class, Kamrup (M) শপতনামাযোগে মোৰ নামটো Semo Balmikiৰপৰা Samo Devi বুলি শুদ্ধ কৰিলোঁ।

DA/PN/383/1

কামৰূপ জিলাৰ (আমিনগাঁও) নটাৰীযোগে মোৰ পুত্ৰৰ নামটো সলনি কৰিলোঁ। এতিয়াৰপৰা ভৰচু দাস (BHARSU DAS)ৰ পৰিৱৰ্তে ভিভান দাস (BHIVAN DAS) বুলি পৰিচিত হ'ব।

**ধৰ্ম দাস,** আমৰাঙ্গা, পিন-৭৮১১২৫

DA/PN/384/1

**SITUATION**

গ্ৰামীণ খাদী যোজনাৰ অন্তৰ্গত অসমৰ সকলো ব্লক আৰু জিলাত বেচন কেন্দ্ৰ খুলিবলৈ আৰু প্ৰসাৰ-প্ৰচাৰৰ বাবে ল'ৰা-ছোৱালীৰ প্ৰয়োজন। আগ্ৰহীসকলে অনলাইন-অফলাইন আবেদন কৰিব পাৰিব।

যোগ্যতা ঃ ১০+২ৰপৰা
বয়স ঃ ২৫-৪০
দৰমহা ঃ ২০,০০০ৰপৰা
www.graminkhadyojna.com
ডাউন টাউন দিছপুৰ, অসম
03614522972, 7099994206, 7099995232

DA/SV/382/1

**LAND & PROPERTY**

For Immediate Sale 1.25 Katha Myadi Plot with G+1 Building at Patarkuchi, Basistha, Guwahati. Price 1.65 Crore. Brokers Excused.
Contact 7637842963/ 9435592331

DA/L&P/381/1

# শোণিতপুৰ আছুৰ শিল্পী দিগন্ত ভাৰতীলৈ পংকজ বৰদলৈ স্মাৰক বঁটা

**দৈনিক অসমৰ প্ৰতিনিধি**

**তেজপুৰ, ২০ ডিচেম্বৰ ঃ** সংগীত শিল্পী দিগন্ত ভাৰতীলৈ শোণিতপুৰ জিলা ছাত্ৰ সন্থাই আগবঢ়াব কণ্ঠশিল্পী পংকজ বৰদলৈ স্মাৰক বঁটা। উল্লেখ্য যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নীৰৱ সাধক কণ্ঠশিল্পী প্ৰয়াত পংকজ বৰদলৈ স্মাৰক বঁটা প্ৰথমবাৰৰ বাবে শোণিতপুৰ জিলা ছাত্ৰ সন্থাই প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নত আয়োজিত এক সংবাদমেলত সংগীত শিল্পী দিগন্ত ভাৰতীলৈ প্ৰথমবাৰৰ বাবে আগবঢ়াবলগীয়া এই বঁটাৰ বিষয়ে আছুৰ বিষয়ববীয়াই প্ৰকাশ কৰে। অহা ২৪ ডিচেম্বৰত পংকজ বৰদলৈৰ ওপজা দিনটোত জিলা ছাত্ৰ সন্থাই এই বঁটা প্ৰদান কৰিব। উল্লেখ্য যে প্ৰয়াত শিল্পী পংকজ বৰদলৈৰ ৬৪ সংখ্যক জন্ম দিৱস পালন কৰা হ'ব অহা ২৪ ডিচেম্বৰত। শিল্পীগৰাকীৰ জন্ম দিৱসৰ দিনটোতেই শোণিতপুৰ জিলা ছাত্ৰ সন্থাই গীতিকাৰ, সুৰকাৰ তথা কণ্ঠশিল্পী দিগন্ত ভাৰতীক এই বঁটা প্ৰদান কৰিব। এই বঁটাত থাকিব গামোচা, অংগবস্ত্ৰ, জাপি, স্মাৰক, শৰাই, কিছু আৰ্থিক মাননি। ২৪ ডিচেম্বৰৰ বিয়লি চাৰি বজাত এই বঁটা প্ৰদান কৰা হ'ব বুলি আজিৰ সংবাদমেলত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি নিতুল বৰা, প্ৰচাৰ সম্পাদক নয়নজ্যোতি গগৈ, শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিত নাথ আৰু সম্পাদক অৰূপ তালুকদাৰে প্ৰকাশ কৰে।

# হাহিমত মাছ ধৰা প্ৰতিযোগিতা



**দৈনিক অসমৰ প্ৰতিনিধি**

**বকো, ২০ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী হাহিমত আজি অনুষ্ঠিত মাছ ধৰা প্ৰতিযোগিতাত দুয়ো ৰাজ্যৰ শতাধিক লোকে অংশগ্ৰহণ কৰে। জানিব পৰা মতে, অসম আৰু মেঘালয়ৰ বিভিন্ন জনজাতি— খাচি, গাৰো, ৰাভা, বড়োকে ধৰি প্ৰায় ৩০০জন অংশগ্ৰহণকাৰীয়ে এই আনন্দোৎসৱত অংশ লয়। অংশগ্ৰহণকাৰীসকল মেঘালয়ৰ উত্তৰ গাৰোপাহাৰ আৰু পশ্চিম খাচিপাহাৰ জিলাৰ লগতে অসমৰ গোৱালপাৰা, কামৰূপ, শিৱসাগৰ তথা নাগালেণ্ডৰ পৰাও আহিছিল বুলি উদ্যোক্তাই জানিবলৈ দিয়ে। আয়োজক সমিতিৰ মুখ্য সদস্য কৈলাস শৰ্মাই জানিবলৈ দিয়ে— '২০১১ চনৰ পৰা প্ৰতি বছৰে এই মাছ ধৰা প্ৰতিযোগিতা আয়োজন কৰি আহিছোঁ। সীমান্তত বহু ঠাইত সংঘাত দেখা দিলেও হাহিমত সকলো ধৰ্ম, জাতি আৰু গোত্ৰৰ মানুহ একত্ৰিত হৈ খ্ৰীষ্টমাছৰ আনন্দত মাছ ধৰে আৰু দিনটো উপভোগ কৰে।' উল্লেখ্য যে প্ৰতিযোগিতাখন পুৱা ৯ বজাৰ পৰা দুপৰীয়া ২ বজালৈ এটা বৃহৎ পুখুৰীত অনুষ্ঠিত হয়। আনহাতে প্ৰথম স্থানত থকা অংশগ্ৰহণকাৰীক ১ লাখ টকা, দ্বিতীয় স্থানত থকাজনক ৩০ হাজাৰ টকা আৰু তৃতীয় স্থানত থকাজনক ১০ হাজাৰ টকা প্ৰদান কৰা হয়। লগতে ২৫জন অংশগ্ৰহণকাৰীক ২৫০০ টকাৰ সান্ত্বনা বঁটা দিয়া হয়। প্ৰতিযোগিতাৰ অন্তত প্ৰথম বঁটা লাভ কৰে গোৱালপাৰাৰ দৰংগিৰিৰ শিলচন মাৰাকে। তেওঁ ৩.৬১৫ কিলোগ্ৰাম ওজনৰ মাছ ধৰে। দ্বিতীয় স্থানত থাকে মেঘালয়ৰ পশ্চিম খাচিপাহাৰৰ টংঘৰৰ কাস্পাৰ আৰু তৃতীয় স্থানত থাকে বকোৰ শিংৰাৰ সীমান্ত দাস। লক্ষণীয় যে অংশগ্ৰহণকাৰীসকলে মাছ ধৰিবলৈ বিভিন্ন ধৰণৰ খাদ্য ব্যৱহাৰ কৰে, যেনে— মাটিৰ কেঁচা পোকা, পিঠা, ভোমোৰাৰ লাৰ্ভা, ৰেচম পোক ইত্যাদি।



# 'ৰাজপথত গান্ধাৰী' উন্মোচন

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ সভাগৃহত কালি তৰুণ কবি পিনাকপাণি বশিষ্ঠৰ কাব্যগ্ৰন্থ 'ৰাজপথত গান্ধাৰী' উন্মোচন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক ডঃ প্ৰশান্ত শৰ্মাই 'ৰাজপথত গান্ধাৰী' উন্মোচন কৰি আধুনিক অসমীয়া কবিতাৰ প্ৰসংগত এটি সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত উপস্থিত থাকি আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ মুৰব্বী অধ্যাপক ডঃ অনুৰাধা শৰ্মা আৰু জ্যেষ্ঠ অধ্যাপক ডঃ দিলীপ বৰাই কবিতা পুথিখনৰ বিষয়ে আলোচনা আগবঢ়ায়। উন্মোচকসকলৰ ভাষণৰ পাছত পিনাকপাণি বশিষ্ঠই তেওঁৰ নৱতম কাব্যগ্ৰন্থখনৰ সৃষ্টিৰ আঁৰৰ কাহিনী ব্যক্ত কৰে। ডঃ ধূৰ্জটি শৰ্মাই আঁত ধৰা উন্মোচনী অনুষ্ঠানৰ সামৰণি পৰে উন্মোচিত কবিতা পুথিখনৰ এটা কবিতা পাঠেৰে। এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰী, গৱেষক আৰু কাব্যানুৰাগী উপস্থিত থাকে। মুঠ ৩৩টা কবিতা সন্নিৱিষ্ট 'ৰাজপথত গান্ধাৰী' প্ৰকাশ কৰিছে অসমৰ সম্ভ্ৰান্ত প্ৰকাশন গোষ্ঠী বালিমাহী প্ৰকাশনে।

# ডিব্ৰুগড় গ্ৰন্থমেলাত চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ

### সাংবাদিক মনজিৎ বৰাৰ গ্ৰন্থ 'বীৰা' উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ২০ ডিচেম্বৰ ঃ** মিলনজ্যোতি সংঘৰ উদ্যোগত অনুষ্ঠিত চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ দ্বাৰা অনুষ্ঠিত হৈ যোৱা চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ আৰু সাংস্কৃতিক অনুষ্ঠান কালি সম্পন্ন হয়। সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁতধৰা অনুষ্ঠানত প্ৰয়াত সাংবাদিক হেৰম্ব বৰদলৈ, হৰি বিনোদ বাৰ্মা, সঞ্জীৱ নন্দী আৰু আদিত্য শইকীয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনাতাঁৰ শিল্পী ভুৱন গগৈৰ পৰিচালনাত তথা ডঃ মানসী গগৈ বৰগোহাঁইৰ দ্বাৰা ৰচিত আৰু মিনাক্ষী দাস বৰুৱাৰ ব্যৱস্থাপনাত উদ্বোধনী গীত পৰিৱেশন কৰা পাছতে আদৰণী ভাষণ দিয়ে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাই। বিশিষ্ট সমাজকৰ্মী তথা উদ্যোগপতি জ্যোতি প্ৰসাদ কানৈয়ে শুভ উদ্বোধন কৰা অনুষ্ঠানত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৰেন্দ্ৰ নাথ শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকা বঁটা বিতৰণী অনুষ্ঠানত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবে আগন্তুক ইংৰাজী নৱবৰ্ষৰ উপলক্ষে প্ৰকাশ কৰি উলিওৱা কেলেণ্ডাৰ উন্মোচন কৰে। উক্ত অনুষ্ঠানতে ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাৰ দ্বাৰা ৰচিত 'বীৰা' নামৰ এখন গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট লেখক, চিকিৎসক তথা অসম আদিত্য কাকতৰ মুখ্য সম্পাদক ডাঃ নিৰ্মল কুমাৰ চাহেৰালাই। মুখ্য অতিথিৰ ভাষণত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় উপাচাৰ্য হৰেন্দ্ৰ নাথ শৰ্মাই কয় যে আজিৰ প্ৰজন্ম গ্ৰন্থ অধ্যয়ন আৰু সৃষ্টিশীল কৰ্মত জড়িত হৈ থাকিলে সমাজখনৰ বাবে মঙলজনক হোৱাই নহয় সকলো দিশতে ভাল হ'ব। অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ উপাধ্যক্ষ উজ্জ্বল ফুকন, মিলনজ্যোতি সংঘৰ সভাপতি অমিয় হাজৰিকা, সাধাৰণ সম্পাদক নিৰোদ কুমাৰ দত্ত, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি ৰতন হাজৰিকা, মুম্বাই অসম ভৱনৰ বিষয়া ত্ৰিনয়ন সন্দিকৈ, প্ৰয়াত সাংবাদিক হেৰম্ব বৰদলৈৰ সুপুত্ৰ শ্ৰীমন্ত বৰদলৈ, হৰি বিনোদ বাৰ্মাৰ পুত্ৰ পংকজ বাৰ্মা, সঞ্জীৱ নন্দীৰ জ্যেষ্ঠ ভগ্নী গীতা নন্দী উপস্থিত থাকে। ডিব্ৰুগড় লোক সাংস্কৃতিক কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে জিতেন দাসৰ পৰিচালনাত আৰু মনদীপ গগৈৰ নেতৃত্বত দলীয়ভাৱে বাঁহীৰ জৰিয়তে জুবিন গাৰ্গ, দীপক শৰ্মা আৰু ভূপেন হাজৰিকাৰ এটাকৈ গীত পৰিৱেশন কৰে। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰা উদ্দীপ্ত কুমাৰলৈ আদিত্য শইকীয়া সোঁৱৰণী প্ৰথম পুৰস্কাৰ হিচাপে ট্ৰফী, গ্ৰন্থৰ টোপোলা, মানপত্ৰ আদি প্ৰদান কৰা লগতে ডাক বিভাগত এটা পি পি এফ একাউণ্ট খুলি দিয়া হয়। দ্বিতীয়- অন্বেষা বিশ্বাস, তৃতীয়- দিব্যান দাস, চতুৰ্থ- নিশান্ত বৰুৱা আৰু পঞ্চম- ৰুদ্ৰাণী মুখাৰ্জীক ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়। 'খ' শাখাত প্ৰথম স্থান লাভ কৰা ধৰিত্ৰী দত্তক সঞ্জীৱ নন্দী সোঁৱৰণী প্ৰথম পুৰস্কাৰ প্ৰদান কৰা লগতে ডাক বিভাগৰ জৰিয়তে সুকন্যা সমৃদ্ধি যোজনাৰ এটা একাউণ্ট খুলি দিয়া হয়। ডাক বিভাগৰ হৈ জ্যোতিষ্মান ভূঞাই প্ৰদান কৰে ডাক বিভাগৰ পাছবুক। দ্বিতীয়- সুপ্ৰতীক দে, তৃতীয়- লাচবি গগৈ, চতুৰ্থ- শুভাংশু দুৱৰা, পঞ্চম- ৰাগ অনুৰাগ দাসলৈ ট্ৰফী, মানপত্ৰ, গ্ৰন্থৰ টোপোলা আদি প্ৰদান কৰা হয়। 'গ' শাখাৰ প্ৰথম পুৰস্কাৰ আৰ্চিয়া দুৱৰালৈ হৰি বিনোদ বাৰ্মা সোঁৱৰণী প্ৰথম পুৰস্কাৰ প্ৰদান কৰা হয়। আনহাতে 'ঘ' শাখাত যুগান্তৰ লাহনলৈ হেৰম্ব বৰদলৈ সোঁৱৰণী প্ৰথম পুৰস্কাৰ প্ৰদান কৰা হয়।

## আজিৰ ৰাশিফল

**৫ পুহ, দেওবাৰ, ২১ ডিচেম্বৰ**

**মেষ ঃ** বিদেশ ভ্ৰমণ। সম্পূৰ্ণ ধৈৰ্যৰ আৰু শুদ্ধ যোজনাৰ দ্বাৰা আগবঢ়াটো অতি প্ৰয়োজন। খোৱা-বোৱাৰ ক্ষেত্ৰত অসাৱধান হ'ব আৰু এলাহ বৃদ্ধি হ'ব। স্বাস্থ্যৰ ক্ষেত্ৰত নকাৰাত্মক প্ৰভাৱ পৰিব। বাহু, কঁকাল, আঁঠু আদিৰ সমসা হ'ব পাৰে। শোৱা-বোৱা সঠিকভাৱে কৰাটো অতি আৱশ্যক।

**বৃষ ঃ** মানসিক কষ্ট। গৃহকন্দল। ব্যৱসায়ৰ ক্ষেত্ৰত অলপ অশুভ। আত্মবিশ্বাস আৰু ব্যস্ততা বৃদ্ধি হ'ব আৰু সকাৰাত্মক পৰিৱৰ্তন আহিব। ব্যৱসায়ৰ ক্ষেত্ৰত শুভফল পাব। প্ৰেম-প্ৰণয়ত নকৰাত্মক প্ৰভাৱ পৰিব পাৰে। প্ৰশংসা লাভ। নতুন ব্যৱসায় আৰম্ভ কৰাৰ ক্ষেত্ৰত শুভ।

**মিথুন ঃ** ভ্ৰমণত সিদ্ধি লাভ। শিল্পীৰ শুভ। পাবলগীয়া ধন হাতলৈ ঘূৰি আহিব। সম্পদ বৃদ্ধিৰ যোগ। মানসিক শান্তি আৰু আত্মীয়ৰ দ্বাৰা প্ৰীতি আৰু সন্মান লাভ। প্ৰেম-প্ৰণয়ৰ ক্ষেত্ৰত সৌভাগ্যৰ কাৰক। উদৰ ৰোগ, পতন কিম্বা আঘাত, কষ্ট আৰু স্নায়ৱিক দুৰ্বলতাকে আদি কৰি মানসিক উদ্বিগ্নতা বৃদ্ধিৰ শংকা থাকিব।

**কৰ্কট ঃ** ভ্ৰমণত সফলতা। শুভ সংবাদ প্ৰাপ্তি। খোৱা-বোৱাৰ ক্ষেত্ৰত অসাৱধান হ'ব আৰু এলাহ বৃদ্ধি হ'ব। স্বাস্থ্যৰ ক্ষেত্ৰত নকাৰাত্মক প্ৰভাৱ পৰিব। বাহু, কঁকাল, আঁঠু আদিৰ সমস্যা হ'ব পাৰে। শোৱা-বোৱা সঠিকভাৱে কৰাটো অতি আৱশ্যক। ব্যৱসায়িক শিক্ষা আৰু দূৰণিত থকা বিদ্যাৰ্থীসকলৰ শুভফল প্ৰাপ্তি।

**সিংহ ঃ** শাৰীৰিক অসুস্থতাৰ ফলত আৰ্থিকত অশুভ প্ৰভাৱ দেখা যায়। অৰ্থব্যয়ৰ লগতে ধনাগমনৰ যোগ দুৰ্বল হ'ব। ঠগ-প্ৰৱঞ্চকৰ দ্বাৰা অৰ্থহানি, সম্পদ নষ্ট হ'ব পাৰে।শুক্ৰ শুভ স্থানত অৱস্থান কৰাত ধনাগমনৰ যোগ উন্নত হ'ব। আত্মীয়-স্বজনৰ দ্বাৰা সন্মান লাভ।

**কন্যা ঃ** উত্তেজনা-ভয়। মানসিক কষ্ট। কৰ্মৰ নতুন যোগাযোগ বাঢ়িব, পদোন্নতি-সন্মান লাভ, ওপৰৱালাৰ মন জয় কৰিবলৈ সক্ষম হ'ব। উচ্চ শিক্ষাৰ্থীয়ে উন্নতমানৰ বিদ্যালাভৰ সুযোগ পাব। বিদ্যাত সুনাম কঢ়িয়াব পাৰিব। নানা হতাশা, কৰ্মনাশ। কৰ্মৰ প্ৰতি অৱহেলা আৰু সহকৰ্মীৰ স'তে মনোমালিন্য ঘটিব পাৰে। চিকিৎসা বিদ্যাৰ লগতে বাণিজ্য বিভাগৰ বিদ্যাৰ্থীয়ে সকলোপ্ৰকাৰৰ সুখ ভোগ কৰিব।

**তুলা ঃ** সম্পত্তি লাভৰ যোগ ।সামাজিক ক্ষেত্ৰত বা চৰকাৰৰ ফালৰ পৰা আপোনাৰ গুৰুত্বপূৰ্ণ পদপ্ৰাপ্তি হ'ব। সৰু-সুৰা যাত্ৰা হ'ব আৰু আপোনাৰ কঠোৰ পৰিশ্ৰমৰ ফলতসফলতা প্ৰাপ্তি হ'ব। সামাজিক সংস্থাত আপুনি মন খুলি দান দিব। স্বাস্থ্য আৰু পৰিয়ালত ৰোগ হ'ব পাৰে।

**বৃশ্চিক ঃ** যান-বাহন লাভ। সম্পত্তি লাভ হোৱাৰ সম্ভাৱনা আছে। পাৰিবাৰিক জীৱন সন্তোষজনক হৈ থাকিব। সহযোগীৰ দ্বাৰা লাভ প্ৰাপ্তি হ'ব। দৈনিক কৰ্মত ব্যস্ত হৈ থাকিব, দূৰণিৰ পৰা বা বিদেশৰ পৰা ভাল খবৰ পাব। স্বাস্থ্যৰ প্ৰতি সচেতন হৈ থকাৰ প্ৰয়োজন।

**ধনু ঃ** বন্ধুৰে বিবাদ, বন্ধুৰ বিচ্ছেদ। নাচ-গান, খেলা-ধূলা, কবিতা-গল্প লিখন আদিৰ জৰিয়তে সন্মান কঢ়িয়াবলৈ সক্ষম হ'ব। প্ৰেম-প্ৰণয়ত বাধা, অৰ্থব্যয়, মানসিক অশান্তি আৰু সন্মান হানিৰ সম্ভাৱনা দেখা যায়। পতি-পত্নীৰ আঁৰিয়াআঁৰি, পাৰিবাৰিক অশান্তিৰ যোগ চলিব। মিছা অপবাদ।

**মকৰ ঃ** বিবাদত জয়। পিত্তৰোগ, ৰক্তদূষিত কষ্ট। পিত্ত ৰোগ কফ, অস্ত্ৰাগ্নি, যানাদিৰ ভয়, শৌচ কিম্বা দন্ত পীড়া, ৰক্তহীনতা আদিৰ প্ৰভাৱ পৰিব। বৈবাহিক জীৱনৰ ক্ষেত্ৰত সহায়ক হ'ব। গাৰ্হস্থ্য জীৱনৰ ক্ষেত্ৰত শুভফল প্ৰাপ্তি হ'ব। শিল্পীৰ শুভ। পাবলগীয়া ধন হাতলৈ আহিব। সম্পদ বৃদ্ধিৰ যোগ, মানসিক শান্তি আৰু আত্মীয়ৰ দ্বাৰা প্ৰীতি আৰু সন্মান লাভ হ'ব।

**কুম্ভ ঃ** সন্তানাদিৰ শুভ। অৰ্থপ্ৰাপ্তি। উচ্চশিক্ষাৰ্থীৰ মানসিক অশান্তি, শাৰীৰিক অসুস্থতা আৰু প্ৰতিকূল পৰিৱেশৰ ফলত সুফল লাভ বিঘ্নিত হ'ব। বিবাহপ্ৰাৰ্থীৰ নতুন যোগাযোগ

**মীন ঃ** সম্পত্তি লাভ। ধন লাভ। সম্পত্তি ভাগ বিতৰণ আৰু আঁৰিয়াআঁৰিৰ সৃষ্টি হ'ব পাৰে। সন্মানহানি, মিছা অপবাদ, হিতে বিপৰীত, গুৰু স্থানীয় ব্যক্তিৰ সন্মান হানি। স্মৃতি শক্তি লোপ পোৱা আদিৰ প্ৰভাৱ পৰিব। সন্তনাদিৰ পীড়া। প্ৰাথমিক বিদ্যাৰ্থীৰ ক্ষেত্ৰত নানান অসুবিধাৰ সৃষ্টি কৰিব পাৰে।

**সূৰ্যোদয় ঃ** ঘ ৬।৭, **সূৰ্যাস্ত ঃ** ঘ ৪।২৯, তিথি-শুক্লা প্ৰতিপদ দিঘ ৯।১১, **নক্ষত্ৰ**- পূৰ্বাষাঢ়া ৰাঘ ৩।৩৬, যোগ-বৃদ্ধি দিঘ ৪।৩৫, **কৰণ**- ব'ব। **জন্মত**- ধনু ৰাশি, ক্ষতিয়বৰ্ণ বৰুণযোগ, নৰগণ গন্ধৰ্ব অস্থি, অষ্টোত্তৰী বৃহস্পতি আৰু বিংশোত্তৰী শুক্ৰৰ দশা, ৰাঘ ৩।৩৬ যোৱাত গৰুৰ অস্থি, বিংশোত্তৰী ৰবিৰ দশা। **আদ্যঋতু হ'লে**-৩মহীয়া পতিহীনাযোগ, মতান্তৰে ৭দিনীয়া শুভগাযোগ, ৰাঘ ৩।৩৬যোৱাত যাত্ৰা ঃ শুভ পশ্চিমে নাই। **শুভ কৰ্ম**- নাই। **যোগিনী**- পূবত দিঘ ৯।১১ যোৱাত উত্তৰত। **ভক্ষাভক্ষ্য**- কোমোৰা, দিঘ ৯।১১ যোৱাত তিতাভেকুৰী। **বাৰবেলা**-ঘ১।২ৰপৰা ১১।২১লৈ। **কালবেলা**-ঘ ১১।২১ৰপৰা ১২।৪০লৈ। **কালৰাতি**-ঘ ১।২ৰপৰা ২।৪৪লৈ। **মাহেন্দ্ৰযোগ - দিঘ** ৩।২২ৰ পৰা ৪।৫ লৈ। **অমৃতযোগ**-দিঘ ৬।৪১লৈ ৮।৫৯ লৈ ১১।৪৬ পৰা ২।৩০ ৰপৰা ৬।৬লৈ। দ্বিতীয় সপি।

## স্মৃতি তৰ্পণ


### অৱনী কুমাৰ ডেকা



জীৱনৰ দুৰ্বাৰ হেঁপাহবোৰ নিমিষতে সামৰি পুৱতি নিশাৰ নীৰৱ কোলাত শেষ শয়নৰ উম বিচাৰি, চিৰদিনৰ বাবে বিদায় ল'লে আমাৰ মৰমৰ দেওৰ অৱনী কুমাৰ ডেকাই (ভালবপু)। যোৱা ৯ ডিচেম্বৰ, মঙলবাৰে নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে তেওঁ। নলবাৰী জিলাৰ বৰনৰ্দ্দী গাঁৱৰ কৃপানাথ ডেকা আৰু নলিনী বালা ডেকাৰ তৃতীয় পুত্ৰ। তেওঁ গড়কাপ্তানী বিভাগত কাম কৰা সূত্ৰে মহানগৰীৰ নাৰিকলবাৰীত নিগাজীকৈ থাকিবলৈ লৈছিল। হস্তশিল্প বিদ্যাত তেওঁ আছিল অতিকৈ পাকৈত শিল্পী। সেয়ে তেওঁ সুন্দৰকৈ বাঁহ-বেতৰ সঁজুলি সাজিছিল। চোতালতে থকা মাটিখিনিত কোৰ মাৰি ফুলৰ পৰা লাও-কোমোৰালৈকে সুন্দৰ খেতি কৰিছিল। তামোল-পাণ, জাহাজী কলেৰে শুৱনি কৰি তুলিছিল তেওঁৰ ঘৰৰ পদূলিমুখ। তেওঁ সেই অঞ্চলৰ প্ৰতিটো অনুষ্ঠানৰ লগত বিশেষভাৱে জড়িত হৈ পৰিছিল। মহানগৰীত থাকিলেও বৰনৰ্দ্দীৰ ওপজা ঘৰখনলৈ প্ৰায়ে আহিছিল। গাঁৱৰ উৎসৱ-পাৰ্বণলৈও আহি সকলোৰে লগত মিলি সুন্দৰ কথা-বতৰাৰে মানসিকভাৱে সুখী হৈছিল। সদায় জন্মলোৱা ঘৰখনৰ শিপাডাল বুকুত সাৱটি ৰাখিছিল। কৰ্মব্যস্ততাৰ মাজেৰে তেওঁ চাৰিওটা ল'ৰা-ছোৱালীক উপযুক্তভাৱে গঢ় দি বিয়া-বাৰুৰ কৰ্ম শেষ কৰি পৰিয়ালটোক সুন্দৰকৈ সাৱটি ৰাখিছিল। তেওঁৰ পত্নীও এগৰাকী সৰবৰহী, ধৰ্মপ্ৰাণ, সমাজসেৱিকা গুণেৰে বিভূষিতা। বোৱাৰী আৰু দুই নাতি অনিক-অংকিতক লৈ তেওঁ সৰগীয় প্ৰশান্তিৰে দিন অতিবাহিত কৰিছিল। ৮৪ বছৰ বয়সত সিপুৰীলৈ গমন কৰা ভালবাপুৰ আজি আদ্যশ্ৰাদ্ধৰ এই পবিত্ৰ ক্ষণত তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানক প্ৰাৰ্থনা জনাইছোঁ। অশ্ৰুসিক্ত নয়নেৰে তেওঁলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

■ মামণি ডেকা


### নিৰঞ্জন সৰকাৰ



যোৱা ৩০ নৱেম্বৰত ৰংজুলি বণিক সন্থাৰ বাৰ্ষিক সভাত উপ-সভাপতিৰূপে নিৰ্বাচিত হোৱা নিৰঞ্জন সৰকাৰে সভাৰ অন্তত নিজৰ মটৰচাইকেলেৰে স্বগৃহলৈ যোৱাৰ পথত দুৰ্ঘটনাগ্ৰস্ত হৈ মগজুত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু অৱশেষত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত যোৱা ৯ ডিচেম্বৰত তেওঁ মৃত্যুবৰণ কৰে। গোৱালপাৰা জিলাৰ ৰংজুলি জাতীয় বিদ্যালয়, ৰংজুলি বণিক সন্থা, লক্ষীকান্ত দাস সোঁৱৰণী কলাভূমি আদিকে ধৰি বৃহত্তৰ ৰংজুলি, কায়স্থপাৰা আদি অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত, কায়স্থপাৰা নিবাসী নিৰঞ্জন সৰকাৰৰ পিতৃ আছিল প্ৰয়াত ৰমণীকান্ত সৰকাৰ আৰু মাতৃ প্ৰয়াত ক্ষীৰোদা বালা সৰকাৰ। ১৯৬২ চনত জন্মগ্ৰহণ কৰা নিৰঞ্জন সৰকাৰ এগৰাকী সফল ব্যৱসায়ী হোৱাৰ লগতে ভালেমান সামাজিক কামত ব্যস্ত থকা এগৰাকী জনপ্ৰিয় ব্যক্তি আছিল। সকলোৰে লগত সু-সম্পৰ্ক বৰ্তাই ৰখা সৰকাৰে মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ, চাৰিজন ককায়েকসহ বহু আত্মীয়-স্বজন আৰু অনুৰাগীক এৰি থৈ যায়। আজি ২১ ডিচেম্বৰৰ আদ্যশ্ৰাদ্ধৰ দিনা তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

■ মধুসূদন দাস

### ধনপতি কলিতা



মহানগৰীৰ শিলপুখুৰী-নৱগ্ৰহ ৰোডৰ চন্দনগিৰি অঞ্চলৰ বিশিষ্ট নাগৰিক তথা সমাজহিতৈষী ব্যক্তি ধনপতি কলিতা যোৱা ৯ ডিচেম্বৰত আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি গ'ল। মানৱীয় মূল্যবোধৰ সকলো গুণেৰে বিভূষিত তেওঁৰ আদৰ্শনিষ্ঠ জীৱন প্ৰণালীয়ে সকলোকে অনুপ্ৰাণিত কৰিছিল। বিগত শতিকাৰ ১৯৩১ খৃষ্টাব্দৰ ১৩ আগষ্টত নলবাৰীৰ বৰভাগ অঞ্চলৰ বঙালমূৰত জন্মলাভ কৰা ধনপতি কলিতাই চৌৰানব্বৈ বছৰীয়া জীৱন পৰিক্ৰমাত এটা সুদীৰ্ঘ জীৱন লাভ কৰিছিল। জীৱিকাৰ সন্ধানত গুৱাহাটীলৈ আহি কলিতাই ১৯৬০ চনতে গুৱাহাটী ক্লাবৰ সমীপৰ পঞ্চৱতীত 'দয়াময়' নামেৰে এখন সৰু দোকান প্ৰতিষ্ঠা কৰি সফলতাৰ দিশেৰে আগবাঢ়িছিল। কলিতাই আটাইকেইগৰাকী কন্যা আৰু একমাত্ৰ পুত্ৰক শিক্ষা-দীক্ষাৰে উপযুক্ত মানুহ হিচাপে গঢ়ি তুলি তেওঁলোকৰ সাংসাৰিক জীৱনৰো আৰম্ভণি কৰি নিজৰ কৰ্তব্য সম্পাদন কৰিছিল। বৃহত্তৰ শিলপুখুৰী অঞ্চলৰ সকলোৰে সুপৰিচিত কলিতাই নিজৰ একক প্ৰচেষ্টাৰে এক স্বকীয় ব্যক্তিত্ব গঢ়িব পাৰিছিল। মহানগৰীত বহুকাল বসবাস কৰিলেও ধনপতি কলিতা গাঁৱৰ সমাজখনৰ লগতো জড়িত আছিল। গাঁৱৰ সম্পৰ্কীয় মানুহৰ বিয়া-সবাহ আৰু উৎসৱ-পাৰ্বণতো তেওঁ আগ্ৰহেৰে যোগ দি নিজৰ উদাৰতাৰ পৰিচয় দিছিল। কৰ্মসংস্কৃতিৰ সাধনাৰে জীৱনত সুপ্ৰতিষ্ঠিত হোৱা ব্যক্তি ধনপতি কলিতা আমাৰ মাজৰপৰা কায়িকভাৱে আঁতৰি গ'লেও তেওঁৰ গুণাৱলীসমূহৰ স্মৃতি সকলোৰে হৃদয়ত সদায়ে সজীৱ হৈ থাকিব। সামাজিক অনুষ্ঠানসমূহেও তেওঁৰ অৱদানক নিশ্চয় স্বীকৃতি দিব বুলি আশা কৰিলোঁ। আজি আদ্যশ্ৰাদ্ধৰ দিনা তেওঁৰ বিদেহ আত্মাৰ সদ্গতিৰ বাবে শ্ৰদ্ধাঞ্জলি জনালোঁ।

■ বিনয় কুমাৰ শৰ্মা

## শব্দৰ ধেমালি ঃ ৮৪




**পথালিকৈ**

১। ৰাজকাপুৰ পৰিচালিত মন্দাকিনী-ৰাজীৱ কাপুৰ অভিনীত চিনেমা (২+২+২+৩)
৫। পৃথিৱী, বিশ্ব (৩)
৬। কোনোমতে (৪)
৭। বগা, উজ্জ্বল (৩)
৮। এবিধ পাচলি (২)
৯। পৰাজয় (২)
১০। দ'লৰ কলচী, আয়কৰ (২)
১১। সেই ঠাইত (২)
১২। অনাত্মীয়, পাছৰ (২)
১৩। ভৰি, পদ (২)
১৪। এটা অসমীয়া উপাধি (৩)
১৫। নিয়ম বা প্ৰচলিত দস্তুৰ মতে (৪)
১৬। তেজৰপৰা পোৱা একধৰণৰ হালধীয়া তৰল (৩)
১৭। এইজন ফুকনে লিখা এখন গ্ৰন্থ হ'ল এ ফিউ ৰিমাৰ্কছ অন আছামীজ লেংগুৱেজ (৫+৪)

**থিয়কৈ**

১। ভূপেনদাৰ গীত ঃ — — — দেশেই নাটঘৰ, কোনে কি ভাও ল'বা আহাঁ সময় যে তাকৰ (৩+২+৪)
২। তেওঁ, সেইজন (৩)
৩। শ্ৰীমন্ত শংকৰদেৱৰ গুপ্ত নামটো (৫)
৪। ভাৰতৰ হৈ এদিনীয়া ক্ৰিকেটত শতৰান কৰা প্ৰথমজন ক্ৰিকেটাৰ ——— — নিখাঞ্জ (৫+৪)
৬। কাৰখানা, ফেক্টৰী (৪)
৯। সকলোৰে মিলি, হুমেজাপে (৪)
১২। বিষ্ণুৰ এটা অৱতাৰ (৫)
১৬। পৰিচিত, জনা-শুনা (৩)

**শব্দৰ ধেমালি ঃ ৮৩ৰ উত্তৰ**



ঐশানুব্ৰত

# জৱাহৰ নৱোদয় বিদ্যালয়ৰ অধিৱেশন

**দৈনিক অসমৰ প্ৰতিনিধি**

**কলাইগাঁও, ২০ ডিচেম্বৰ ঃ** দৰং জিলাৰ জৱাহৰ নৱোদয় বিদ্যালয়ৰ বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী অনুষ্ঠান ১৯ ডিচেম্বৰত কলাইগাঁৱৰ ওচৰৰ উদমাৰীস্থিত বিদ্যালয় চৌহদত সম্পন্ন হয়। যোৱা ১৬ আৰু ১৭ ডিচেম্বৰত ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হোৱাৰ পাছত কালি মুকলি অধিৱেশন আৰু বঁটা বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। আবেলি ৪ বজাত জৱাহৰ নৱোদয় বিদ্যালয়, ওদালগুৰি আৰু জৱাহৰ নৱোদয় বিদ্যালয়, দৰঙৰ অধ্যক্ষদ্বয় ক্ৰমে ৰামনাথ যাদৱ আৰু মায়াবন গান্ধীয়ে বন্তি প্ৰজ্বলন কৰি অন্তিম দিনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। জৱাহৰ নৱোদয় বিদ্যালয়, দৰং জিলাৰ উপাধ্যক্ষ দীপক কলিতাই আদৰণী ভাষণ দিয়ে। বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে ৰামনাথ যাদৱে। টেঙাবাৰী গাঁও পঞ্চায়তৰ সভাপতি ভাৰতী ডেকা অধিৱেশনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত মনোগ্ৰাহী সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানৰ আঁত ধৰে জ্যেষ্ঠ শিক্ষক দেৱীকা দত্তই।

**'দৈনিক অসম'ত আকৰ্ষণীয় কেৰিয়াৰ সুযোগ**

আমাৰ সংবাদপত্ৰৰ মাৰ্কেটিং বিভাগত ফ্ৰেছাৰ নিযুক্তিৰ বাবে আবেদন বিচৰা হৈছে
(কেৱল মহিলা প্ৰাৰ্থীৰ কাৰণে)
শিক্ষাগত অৰ্হতা ঃ গ্ৰেজুৱেট (মাৰ্কেটিং/ মেনেজমেণ্টৰ অভিজ্ঞতাসম্পন্ন প্ৰাৰ্থীয়ে অগ্ৰাধিকাৰ পাব)।
দক্ষতা ঃ
উৎকৃষ্ট যোগাযোগ, আলোচনা, নেতৃত্ব আৰু স্পষ্ট প্ৰেজেণ্টেচনৰ দক্ষতা থকাটো বাঞ্ছনীয়।
বয়সৰ সীমা ঃ ২৭ বছৰৰ তলত।
আপোনাৰ চি ভি প্ৰেৰণ কৰক-
ফোন ঃ 9706021101

**বিজ্ঞাপন সেৱা**

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন
(Classified Advertisement)
প্ৰকাশৰ বাবে নিম্নোক্ত অনুমোদিত সংস্থাৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—
97060 21101
98642 63627
0361-3244633 (কাৰ্যালয়)

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in



ND24 newsdaily24.in সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত


আজিৰ পৰিপূৰিকা





RN-11989/65 । ৬১ বছৰ । ১৩৬ সংখ্যা, ৫ পুহ, দেওবাৰ, ১৯৪৭ শক । DAINIK ASAM : Assamese Daily । VOL. 61 NO. 136 । GUWAHATI, SUNDAY, DECEMBER 21, 2025 । পৃষ্ঠা ১২+৪ (Pages 12+4) ৯.০০ টকা (Rs. 9.00)




সৰুসজাইৰপৰা ৰাজ্যিক বিজেপিৰ কাৰ্যালয়লৈ হাত জোকাৰি জনতাৰ অভিবাদন গ্ৰহণ

## পথৰ দুয়োকাষে হেজাৰ হেজাৰ লোক, বিশাল ৰোড শ্ব'ৰে মোডীময় গুৱাহাটী

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** দেশৰ প্ৰধান সেৱক তেওঁ। দেশক বিকাশৰ উচ্চতম শিখৰলৈ লৈ যোৱাৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে তেওঁ। সেয়ে বিশ্বগুৰুৰ আসনত উপবিষ্ট হৈছে ভাৰত। সেইজন প্ৰধান সেৱক দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক এবাৰ ওচৰৰ পৰা চাবলৈ, যেনে-তেনে এবাৰ চুই চাবলৈ আজি সন্ধিয়াৰ ৰোড শ্ব'ত হেতা-ওপৰা লগালে হেজাৰ হেজাৰ লোকে। বৰঝাৰ বিমানবন্দৰৰ নতুন টাৰ্মিনেলৰ উদ্বোধনী অনুষ্ঠানত অংশ লোৱাৰ পাছতেই প্ৰধানমন্ত্ৰী মোডীয়ে আজি

৫ পৃষ্ঠাত চাওক

চৌদিশে 'মোডী মোডী' ধ্বনি, প্ৰিয় নেতাক এবাৰ চুই চাবলৈ হেতা-ওপৰা



গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উদ্‌ঘাটন, বৰঝাৰ বিমানবন্দৰৰ নতুন টাৰ্মিনেল উদ্বোধন প্ৰধানমন্ত্ৰীৰ

'অসমৰ পৰিচয় নিঃশেষ কৰাৰ বাবে ৰচিছিল ষড়যন্ত্ৰ'

# কংগ্ৰেছক অসমবিদ্বেষী আখ্যা মোডীৰ



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলক বিকাশৰ নতুন শিখৰলৈ নিয়াৰ প্ৰতিশ্ৰুতি দি আৰু দীৰ্ঘদিনে এই অঞ্চলটোক কৰা অৱহেলাৰ বাবে বিৰোধী কংগ্ৰেছক তুলাধুনা দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি গুৱাহাটীৰপৰা কাৰ্যতঃ অসম বিধানসভা নিৰ্বাচনৰ ৰণশিঙা বজায়। অসমৰ পৰিচয় বিলোপৰ ষড়যন্ত্ৰ ৰচাৰ পাপ কৰা বুলি কংগ্ৰেছক

২ পৃষ্ঠাত চাওক

বাজপেয়ী ভৱনত নেতা-কৰ্মীৰে মত-বিনিময় প্ৰধানমন্ত্ৰীৰ

## 'ঘৰে ঘৰে যাওক, মানুহৰ হৃদয় জয় কৰক'

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** 'মানুহৰ ঘৰে ঘৰে যাওক। সকলোৰে হৃদয় জয় কৰিবলৈ চেষ্টা কৰক'। —প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি সন্ধিয়া বিজেপিৰ ৰাজ্যিক কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত দলৰ নেতা, সাংসদ, বিধায়ক, মন্ত্ৰী, জিলা সভাপতি, মৰ্চাৰ সভাপতি, কেন্দ্ৰীয় মন্ত্ৰী আৰু একাংশ কৰ্মীৰ সৈতে মত বিনিময় কৰি এই আহ্বান জনায়। মোডীয়ে ৰাজ্যখনৰ বিজেপিৰ ২৬৫গৰাকী কৰ্মী আৰু নেতাৰ সৈতে মত বিনিময় কৰি কয় যে

২ পৃষ্ঠাত চাওক



নতুন টাৰ্মিনেলৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মা

## 'অসম আন্দোলনৰ শ্বহীদক শ্ৰদ্ধা জনোৱা মোডীয়েই হৈছে প্ৰথম প্ৰধানমন্ত্ৰী'

জানুৱাৰী-ফেব্ৰুৱাৰীত পুনৰ আহিব মোডী



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** অসমৰ বাঁহেৰে কপৌফুলৰ আৰ্হিত নিৰ্মাণ কৰা বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেলত কাজিৰঙাকে ধৰি অসমৰ চহকী জৈৱ-বৈচিত্ৰ্য, সংস্কৃতি আৰু ঐতিহ্যৰ অপূৰ্ব প্ৰতিফলন ঘটিছে বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। আজি নতুন টাৰ্মিনেল উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়— 'আজি আমাৰ ৰাজ্যখনৰ বাবে এটা গৌৰৱ আৰু আনন্দৰ দিন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ মূৰ্তি উন্মোচন কৰিছে। তাৰ লগে লগে গুৱাহাটী বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱনৰো শুভ উদ্বোধন কৰিছে। আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ এই টাৰ্মিনেলটো অসমৰ বাঁহেৰে নিৰ্মাণ কৰা

২ পৃষ্ঠাত চাওক

ইঞ্জিনসহ তিনিটা দবা লাইনচ্যুত, কথমপি প্ৰাণৰক্ষা শ শ যাত্ৰীৰ

## কামপুৰত পুৱতি নিশা তীব্ৰবেগী ৰাজধানী এক্সপ্ৰেছে মহটিয়াই নিলে বন্যহস্তীৰ জাক, নিহত ৭



দুজন চালকক আটক, জব্দ কৰি লৈ গ'ল ইঞ্জিন

দৈনিক অসমৰ প্ৰতিনিধি

**কামপুৰ/নগাঁও, ২০ ডিচেম্বৰ ঃ** প্ৰায় দুমাহ ধৰি নগাঁও জিলাৰ কঠীয়াতলী, তেঁতেলিসৰা, বৰক'লা আদি অঞ্চলত খাদ্যৰ সন্ধানত বিচৰণ কৰি থকা শতাধিক বন্যহস্তীৰ এটা জাকৰ আঠটা হাতী আজি পুৱতিনিশা কামপুৰ-যমুনামুখ ৰেল ষ্টেচনৰ মাজৰ চাংজুৰাইত ৰেলপথত উঠাৰ সময়ত এখন তীব্ৰবেগী ৰেলে মহটিয়াই নিয়ে। মিজোৰামৰ ছাইৰঙৰ পৰা নতুন দিল্লী অভিমুখী ৰাজধানী এক্সপ্ৰেছ ৰেলখনে যমুনামুখ

২ পৃষ্ঠাত চাওক

## 'মোডী উত্তৰ-পূৰ্বাঞ্চলৰ উন্নতিৰ ধ্বজাবাহক'

নতুন টাৰ্মিনেল উদ্বোধনত প্ৰধানমন্ত্ৰীক সংগ দিলে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমনৰ ঐতিহাসিক ক্ষণত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰী মোডীক অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নতিৰ ধ্বজাবাহক আৰু ৰূপকাৰ আখ্যা দিয়ে। তেওঁ কয় যে ২০১৪ চনৰ পৰা প্ৰধানমন্ত্ৰীৰ গতিশীল নেতৃত্বত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ দৃশ্যপট দ্ৰুত গতিত সলনি হৈছে। যি অসম তথা উত্তৰ-পূৰ্বাঞ্চল এসময়ত পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত

২ পৃষ্ঠাত চাওক

সাৰ কাৰখানাৰ চতুৰ্থ গোটৰ ভূমিপূজনৰ ব্যাপক আয়োজন

## আজি নামৰূপত ডেৰ লক্ষাধিক লোকক উদ্দেশ্যি প্ৰধানমন্ত্ৰীৰ ভাষণ

অস্থায়ী হেলিপেড নিৰ্মাণ, কটকটীয়া নিৰাপত্তা

দৈনিক অসমৰ প্ৰতিনিধি

**নামৰূপ, ২০ ডিচেম্বৰ ঃ** কাইলৈ নাহৰকটীয়া সমষ্টিৰ বাবে এক ঐতিহাসিক দিন। কাৰণ কাইলৈ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নামৰূপত উপস্থিত হৈ নামৰূপবাসীৰ বহু প্ৰত্যাশিত নতুন সাৰ প্ৰকল্পটোৰ শুভ উদ্বোধন কৰিব। দহ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ১২ লাখ মেট্ৰিক টন ইউৰিয়া উৎপাদনক্ষম নতুন সাৰ প্ৰকল্পটোৰ ভূমিপূজন কৰিব

৫ পৃষ্ঠাত চাওক

## ৰাজপথত নাই যান-বাহন, যমৰ যাতনা সৰ্বসাধাৰণৰ

কাঁহুদী




— দিয়া, ভালকৈ তেল সানি দিয়া। যাতে দলপতিয়ে মোক নিষ্কৰ্মা আৰু অপদাৰ্থ বুলি পাখি কাটিব নোৱাৰে!

গুৱাহাটীত বাছ ষ্টপত ঘণ্টা ঘণ্টা বোন্দাপৰ যাত্ৰীৰ ■ ৰাণী-জালুকবাৰীত তীব্ৰ যান-জঁট

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসমলৈ নিৰ্বাচনী ৰণশিঙা বজাবলৈ অহাৰ দিনটোত যান-বাহনক লৈ যমৰ-যাতনা ভুগিছে জনসাধাৰণে। আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা বিজেপি কৰ্মীয়ে বাছসমূহ ভাৰা কৰি লৈ অহাৰ বাবে অসুবিধাত পৰিছে সাধাৰণ লোক। ৰাজপথত যান-বাহন নাই বাবেই গাড়ীৰ কাৰণে ঘণ্টাৰ পাছত ঘণ্টা বাছ আস্থানসমূহত বোন্দাপৰ

২ পৃষ্ঠাত চাওক

ছবিৰ বাতৰি — দেওবৰীয়া বিশেষ

জৈৱিক শাক-পাচলি, ফল-মূলেৰে ৰাজ্যৰ বিভিন্ন বজাৰ দখল



## সেউজ বিপ্লৱেৰে ডিব্ৰুগড়ৰ কৃষক সঞ্জীৱ কুমাৰ শৰ্মাৰ চমক



১০ বিঘা ভূমিত ৫৬ বিধৰো অধিক ফচল, দেখুৱাইছে স্বাৱলম্বিতাৰ নিদৰ্শন

তপন শইকীয়া

**চাবুৱা, ২০ ডিচেম্বৰ ঃ** বহু নিবনুৱাক পথ দেখুৱাই বৰবৰুৱাৰ জামিৰা মটক গাঁৱৰ সঞ্জীৱ কুমাৰ শৰ্মাই জৈৱিক কৃষিকৰ্মৰ জৰিয়তে দাঙি ধৰিছে সুন্দৰ

৫ পৃষ্ঠাত চাওক

## ক্ষুদ্ৰ উদ্যোগেৰে নজিৰ দেখুৱাইছে লাহৰীঘাটৰ লক্ষীমাই ভৰালী শইকীয়াই



কমেও চাৰিটা পৰিয়ালক সংস্থাপন 'লখিমী ফুড প্ৰডাক্ট'ৰ

শূন্যত আৰম্ভ কৰি আকাশ চোৱাৰ দিশে ধাৱমান

বিষ্ণু ডেকা

**লাহৰীঘাট, ২০ ডিচেম্বৰ ঃ** বৰ্তমান সময়ত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত স্থানীয় সামগ্ৰীৰে জাম-জেলী, আচাৰ, লাড়ু, পিঠা আদি প্ৰস্তুত কৰি সুকীয়া সুকীয়া ব্যৱসায়ৰ জৰিয়তে স্বাৱলম্বী হ'বলৈ বহু মহিলা আগবাঢ়ি আহিছে। বহুতে এই ব্যৱসায়ৰ জৰিয়তে নিজক আত্মনিৰ্ভৰশীল আৰু স্বাৱলম্বী কৰি তোলাৰ লগতে বহুতকে সংস্থাপন আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰি দিছে। তেনে এগৰাকী 'জিৰো'ৰ পৰা 'হিৰো' হোৱা মহিলা হ'ল মৰিগাঁও জিলাৰ লক্ষীমাই ভৰালী শইকীয়া। লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত মাহদলা গাঁৱৰ লক্ষীমাই ভৰালী

২ পৃষ্ঠাত চাওক

# কামপুৰত পুৱতি নিশা

ষ্টেচন পাৰ হৈ প্ৰায় দুই কিলোমিটাৰ যোৱাৰ পাছত পুৱতিনিশা প্ৰায় ২.৩০ বজাত হাতীকেইটা মহটিয়াই নিয়াৰ ফলত গাভিনী হাতীসহ মুঠ সাতটাকৈ হাতী থিতাতে নিহত হয় আৰু এটা পোৱালি হাতী আহত হয়। আহত হাতী পোৱালিটো স্থানীয় ৰাইজে উদ্ধাৰ কৰে আৰু পাছত বন বিভাগে হাতী পোৱালিটো চিকিৎসাৰ বাবে কাজিৰঙালৈ প্ৰেৰণ কৰে। এই দুৰ্ঘটনাটোত ৰেলখনৰ ইঞ্জিন আৰু তিনিটা দবা লাইনচ্যুত হয় যদিও সৌভাগ্যক্ৰমে এজনো যাত্ৰী হতাহত হোৱা নাই। ভয়ংকৰ ঘটনাটোৰ পাছতে ৰেলযাত্ৰীসকলৰ মাজত হাহাকাৰ লাগে। অৱশ্যে আজি পুৱা অন্য ইঞ্জিনৰ দ্বাৰা লাইনচ্যুত নোহোৱা দবাসমূহ সংযোগ কৰি যাত্ৰীসকলক পলমকৈ হ'লেও আনটো ৰেলপথেৰে গুৱাহাটী অভিমুখে পঠিওৱা হয়। ইফালে কালি শেষনিশাৰ পৰা আজি প্ৰায় দুপৰীয়ালৈকে উক্ত পথেৰে ৰেলৰ চলাচল বন্ধ হৈ থাকে। হাতীকেইটাৰ মৃত্যুৰ পাছত নিশাই বন বিভাগৰ লোক আৰু ৰেল বিভাগৰ শীৰ্ষ বিষয়া প্ৰমুখ্যে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকল উপস্থিত হৈ বাতৰি লিখা পৰলৈকে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। আজি দিনৰ ভাগত স্থানীয় বিধায়ক জিতু গোস্বামী, হোজাই জিলাৰ আৰক্ষী অধীক্ষক, হোজাই জিলাৰ আয়ুক্ত প্ৰমুখ্যে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকল ঘটনাস্থলীত উপস্থিত হয়। ৰেলৰ তলত আবদ্ধ হাতীকেইটাৰ মৃতদেহ এক্সকেভেটৰৰ সহায়ত উলিওৱাৰ পাছত বন বিভাগৰ চিকিৎসকে মৰণোত্তৰ পৰীক্ষা কৰে। পাছত ৰেলপথৰ সমীপত গাঁত খান্দি হাতীকেইটা পুতি থোৱা হয়। হাতীকেইটাৰ কৰুণ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰা পৰিলক্ষিত হয়। ইফালে কঠীয়াতলী, বৰক'লা, তেঁতেলিসৰা অঞ্চলত বিচৰণ কৰি থকা হাতীৰ জাকটো দুটা ভাগত বিভক্ত হৈ চাংজুৰাইৰ কাষৰ বনপালি গাঁও আৰু পটিয়াপাম ৰিজাৰ্ভত অৱস্থান কৰি আছে বুলি জানিব পৰা গৈছে। সেই বন্যহস্তীৰ জাকটোৰ মাজত একাধিক আহত হাতী থাকিব পাৰে বুলি স্থানীয় ৰাইজে আশংকা কৰিছে। আনহাতে এই অবাঞ্ছিত ঘটনাটোৰ পাছতে সেই ঠাইত শ শ লোক উপস্থিত হৈ দুখ প্ৰকাশ কৰি বন বিভাগ আৰু ৰেল বিভাগৰ বিৰুদ্ধে ক্ষোভ উজাৰে। স্থানীয় লোকৰ ভাষ্য অনুসৰি বন বিভাগৰ সম্পূৰ্ণ গাফিলতিৰ বাবেই সাতটাকৈ বন্যহস্তীৰ কৰুণ মৃত্যু হোৱাৰ লগতে এটা পোৱালি হাতী আহত হ'বলগীয়া হৈছে। কিয়নো, প্ৰতিবছৰে অক্টোবৰৰ পৰা জানুৱাৰীৰ ভিতৰত কন্দলী পাহাৰৰ পৰা নামি অহা বন্যহস্তীৰ বৃহৎ জাক এটাই সেই অঞ্চলত বিচৰণ কৰে আৰু ৰেলপথো পাৰ হয়। আজিৰ পৰা প্ৰায় ৭-৮ বছৰ পূৰ্বে কালি দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ প্ৰায় এক কিলোমিটাৰ নিলগৰ পটিয়াপামত অনুৰূপ ঘটনা সংঘটিত হৈছিল। তেতিয়া তীব্ৰবেগী ৰেলৰ খুন্দাত গাভিনী হাতীসহ পাঁচটা বন্যহস্তীৰ মৃত্যু হৈছিল। সেই মৰ্মান্তিক ঘটনাৰ পাছতে আজিৰ পৰা সাত-আঠ বছৰ আগতে অঞ্চলটোক হস্তীদণ্ডি হিচাপে চিহ্নিত কৰি ৰেলপথৰ দাঁতিত ফলক আঁৰি দিয়া হৈছিল। অথচ পুনৰ কালি নিশা কাৰ গাফিলতিৰ বাবে সাতটাকৈ হাতীয়ে কৰুণ মৃত্যুক সাবটি ল'ব লগা হ'ল বুলি ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। অঞ্চলটোত আজি প্ৰায় দুমাহ ধৰি শতাধিক হাতীয়ে বিচৰণ কৰি থকাৰ পাছতো বন বিভাগে হাতীৰ জাকটো কিয় খেদি পঠিয়াব পৰা নাছিল বুলি ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে কালি সংঘটিত এই অবাঞ্ছিত ঘটনাৰ পাছতে ৰাজধানী এক্সপ্ৰেছৰ চালক ধৰ্মেন্দ্ৰ কুমাৰ আৰু মনোজ কুমাৰ শৰ্মাক সোধা-পোছাৰ বাবে আটক কৰাৰ লগতে ইঞ্জিনটো জব্দ কৰা বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে। ইফালে, আজি সন্ধিয়াৰ পাছতে কপিলী নৈ পাৰ হৈ হাতীৰ জাকটো গাৰোখুন্দা অঞ্চললৈ অহাৰ আশংকাত কপিলীপাৰৰ ৰাইজ আতংকিত হৈ আছে।

**বন্যহস্তী পাৰ হোৱাৰ সম্ভাৱনাৰ কথা ৰেল বিভাগক জনাইছিল বন বিভাগে**

কামপুৰৰ চাংজুৰাইত সংঘটিত দুৰ্ঘটনাৰ এঘণ্টা পূৰ্বেই সেই স্থানেৰে বন্যহস্তী পাৰ হোৱাৰ সম্ভাৱনাৰ কথা বন বিভাগে ৰেল বিভাগৰ দায়িত্বপ্ৰাপ্ত কৰ্মচাৰীক অৱগত কৰিছিল। 'দৈনিক অসম'ক এই সম্পৰ্কত কামপুৰৰ বনাঞ্চলিক বিষয়া শ্বামিম আখতাৰে কয়— আমি দুৰ্ঘটনাটো সংঘটিত হোৱাৰ এঘণ্টা পূৰ্বে ১.৩০ বজাত কামপুৰ ৰেল ষ্টেচনৰ কৰ্মচাৰীক সেই স্থানেৰে বন্যহস্তী পাৰ হ'ব পৰাৰ সম্ভাৱনাৰ বিষয়ে অৱগত কৰিছিলোঁ। যাতে সেই স্থানেৰে ৰেল পাৰ হোৱাৰ সময়ত ৰেলৰ গতি কম কৰে। আমি জনোৱাৰ পাছত অৱশ্যে এখন ৰেল সেই স্থানেৰে ধীৰ গতিত পাৰ হৈছিল। কিন্তু দুৰ্ঘটনা সংঘটিত কৰা ২০৫০৭ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছখন সেই স্থানেৰে তীব্ৰ গতিত যায়। ৰেলখনক আমাৰ টহলদাৰী বনকৰ্মীয়ে টৰ্চ জ্বলাই ইংগিত দিছিল যদিও সেয়াই কাম নিদিলে। তেওঁ লগতে কয় যে বন্যহস্তী পাৰ হোৱা সেই স্থানডোখৰ স্বীকৃত এলিফেণ্ট কৰিড'ৰ নহয় যদিও মাজে-সময়ে বন্যহস্তী পাৰ হয়। সাধাৰণতে জানুৱাৰী-ফেব্ৰুৱাৰী মাহত সেই স্থানেৰে হাতী অহা-যোৱা বেছিকৈ কৰে। গ্ৰামাঞ্চলত ধানখেতি কাটি শেষ হোৱাৰ পাছত পথাৰত থকা নৰা খাবলৈ আহে হাতীৰ জাক। ইতিমধ্যে ঘটনাস্থলীৰ আশে-পাশে দুটা হাতীৰ জাকৰ বিচৰণৰ সংকেত আমি পাইছিলোঁ। সেয়েহে আমাৰ দলে জাকটোক নিৰীক্ষণ কৰি আছিল। তেওঁ কয়— 'আমি ১২ ঘণ্টাৰ বাবে ৰেলখনৰ লকো-পাইলট দুজনক সোধা-পোছাৰ বাবে আটক কৰিছিলোঁ যদিও ব্যক্তিগত জিম্মাত আমি তেওঁলোকক জামিনত যাবলৈ দিওঁ। ইতিমধ্যে আমি ৰেলৰ লোকো-ইঞ্জিনটো জব্দ কৰি ৰেল বিভাগক গতাই দিছোঁ। আমাৰ তদন্ত অব্যাহত আছে। আনহাতে ৰেল বিভাগ আৰু বন বিভাগৰ সমন্বয়ৰ অভাৱ হলতেই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি আক্ষেপ কৰে 'হাতীবন্ধু' সংগঠনৰ কৰ্মকৰ্তা বিনোদ দুলু বৰাই।

**জিলা আয়ুক্তৰ দুৰ্ঘটনাস্থলী পৰিদৰ্শন**

**হোজাইৰ দৈনিক অসমৰ প্ৰতিনিধিঃ** চাংজুৰাইত ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত কেইবাটাও হাতীৰ কৰুণ মৃত্যু হোৱা ঘটনাৰ বুজ ল'বলৈ ঘটনাস্থলীলৈ উপস্থিত হৈছে হোজাইৰ জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী। দুৰ্ঘটনাস্থলীত উপস্থিত হৈ তেওঁ সামগ্ৰিক পৰিস্থিতিৰ বুজ লোৱাৰ লগতে আৰু ভৱিষ্যতে যাতে এনেধৰণৰ দুৰ্ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ বাবে বন বিভাগ আৰু ৰেলৱে কৰ্তৃপক্ষৰ সৈতে আলোচনামৰ্মে যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ কথা সদৰি কৰে।

# মোডী উত্তৰ-পূৰ্বাঞ্চলৰ

অৱহেলিত আৰু অনাদৃত হৈ আছিল, সেই সমগ্ৰ অঞ্চল এতিয়া ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ অন্যতম চালিকাশক্তি হিচাপে পৰিগণিত হৈছে। উত্তৰ-পূৰ্বাঞ্চল দেশৰ অষ্টলক্ষ্মী হিচাপে, নতুন ভাৰতৰ নতুন ইঞ্জিন হিচাপে উজলি উঠিছে। অসমলৈ বিকাশ, সমৃদ্ধি, প্ৰগতি আৰু শান্তিৰ জোৱাৰ কঢ়িয়াই অনা প্ৰধানমন্ত্ৰীজনৰ প্ৰতি অসমবাসী চিৰঋণী হৈ ৰ'ব। নতুন টাৰ্মিনেলটো উদ্বোধন কৰাৰ লগে লগে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিমান পৰিবহনৰ ক্ষেত্ৰত অসমত নতুন দিগন্তৰ সূচনা হৈছে। প্ৰধানমন্ত্ৰী মোডীয়ে প্ৰায়ে 'পৰিবহনৰ জৰিয়তে পৰিৱৰ্তন'ৰ কথা উল্লেখ কৰি অহা বুলি উল্লেখ কৰি সোণোৱালে আৰু কয় যে সমৃদ্ধি আৰু প্ৰগতিৰ অনিবন্ধ যাত্ৰাত এক মাইলৰ খুঁটি হ'ব— প্ৰধানমন্ত্ৰীয়ে আজি শুভ উদ্বোধন কৰা গুৱাহাটীৰ ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন। যাঠি বছৰৰো অধিক সময় ধৰি অসমৰ প্ৰধান বিমানবন্দৰে সীমিত ক্ষমতাৰে কাৰ্যক্ষম হৈ আছিল। ইফালে দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে গুৱাহাটীৰ ভূমিকা বৃদ্ধি পোৱাৰ ফলত এই নতুন টাৰ্মিনেলৰ নিৰ্মাণে সংযোগ তথা যাতায়াত ব্যৱস্থাত অসমৰ স্থিতি অধিক সুদৃঢ় কৰিব। ১.৪০ লাখ বৰ্গমিটাৰজুৰি বিস্তৃত- পূৰ্বৰ টাৰ্মিনেলতকৈ প্ৰায় সাতগুণ বৃহৎ এই নতুন টাৰ্মিনেলে সুবিধাই বাৰ্ষিক যাত্ৰী পৰিচালনা ক্ষমতা ৩.৪ মিলিয়নৰ পৰা ১৩ মিলিয়নলৈ অধিকলৈ বৃদ্ধি কৰিব। প্ৰায় ৫,০০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত এই নতুন টাৰ্মিনেলে গুৱাহাটীক বিশ্বমানৰ বিমানসেৱাৰ সৈতে সংযোজিত কৰিছে। আনহাতে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিৰ শুভ উদ্ঘাটন সন্দৰ্ভতো সোণোৱালে কয় যে আধুনিক অসমৰ খনিকৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ দূৰদৰ্শিতা, সাহস আৰু বলিষ্ঠ ভূমিকাৰ বাবেই ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ জটিল সন্ধিক্ষণত অসমৰ পৰিচয় আৰু অস্তিত্ব সুৰক্ষিত হোৱাৰ লগতে দেশৰ একতা আৰু অখণ্ডতা সুদৃঢ় হৈছিল। যিসকলৰ মহান নেতাই অসমৰ ভৱিষ্যৎ সুৰক্ষিত কৰিছিল, সেইগৰাকী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ এতিয়া দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখত শক্তিশালী প্ৰতীক হৈ থিয় হৈ আছে। ৰাষ্ট্ৰীয় ঐক্য, অখণ্ডতা আৰু বিকাশৰ প্ৰতি তেওঁৰ অনুকৰণীয় সেৱাই এখন শক্তিশালী আৰু বিকশিত ভাৰত গঢ়ি তোলাৰ দিশত প্ৰতিটো প্ৰজন্মকে অনুপ্ৰাণিত কৰি যাব। প্ৰধানমন্ত্ৰী মোডীৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপৰি আজি উপস্থিত থাকে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কে আৰ মোহন নাইডু, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া, আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানি প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল।

# ক্ষুদ্ৰ উদ্যোগেৰে নজিৰ

শইকীয়াই একমাত্ৰ জাম-জেলী, জুচ, আচাৰ আৰু মৌপালনৰ ব্যৱসায়ৰ জৰিয়তে সফল হৈছে। এসময়ত বহু কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি, সমাজৰ দুৰ্নাম বুকুত বান্ধি ওলাই অহা লক্ষীমাই এতিয়া এগৰাকী আত্মনিৰ্ভৰশীল মহিলা। মনত দৃঢ় বিশ্বাস আৰু সাহস থাকিলে যে শূন্য হাতেৰেও স্বাৱলম্বিতাৰ বাট মোকলাব পাৰি তাৰে জ্বলন্ত নিদৰ্শন দেখুৱাই লক্ষীমাই ভৰালীয়ে ২০০৮ চনৰ পৰা নিষ্ঠাৰে আৰম্ভ কৰা 'লখিমী ফুড প্ৰডাক্ট' এতিয়া পৰিচিত নাম।

উল্লেখ্য যে লক্ষীমায়ে ২০০৮ চনত মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত অনুষ্ঠিত জাম-জেলী, আচাৰ আদিৰ ১৬দিনীয়া প্ৰশিক্ষণ এটিত অংশগ্ৰহণ কৰিবলৈ সুযোগ লাভ কৰিছিল। প্ৰথমাৱস্থাত তেওঁৰ অষ্টম মানলৈকে শিক্ষাগত অৰ্হতা থকা বাবে প্ৰশিক্ষণকে আদি কৰি বিভিন্ন সময়ত তেওঁ অসুবিধাৰ সন্মুখীন হৈ আহিছিল যদিও মনত অদম্য সাহস আৰু বিশ্বাস লৈ এদিন নিজৰ লক্ষ্যত উপনীত হয়। আচৰিত কথাটো হৈছিল— তেওঁ কম শিক্ষাৰ বাবে সেই সময়ত ইংৰাজীত ফল-মূলকে ধৰি বহু কথাই নজনা কাৰণে আনকি প্ৰশিক্ষকে সফল হ'ব নোৱাৰিব বুলিও কৈছিল। প্ৰশিক্ষকৰ এই কথাত অধিক ত্যাগী লক্ষীমায়ে সেই ১৬দিনীয়া প্ৰশিক্ষণটোত ৪০গৰাকী প্ৰশিক্ষাৰ্থীৰ ভিতৰত প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। প্ৰশিক্ষণ সামৰিয়েই তেওঁ এগৰাকী প্ৰশিক্ষকৰ প্ৰচেষ্টাত অতি সাহসেৰে আৰম্ভ কৰে সপোনৰ ব্যৱসায়। লক্ষীমাই ভৰালী শইকীয়াই হাতত মাত্ৰ ৫০০ টকা লৈ সুদূৰ নগাঁৱৰ পৰা জুচ আৰু আচাৰ প্ৰস্তুতৰ বাবে কিছু সামগ্ৰী ক্ৰয় কৰি অতি সাহসেৰে ব্যৱসায় ক্ষেত্ৰত খোজ পেলায়। পিছে সেই সময়ত তেওঁৰ হাতত কেঁচা সামগ্ৰী ক্ৰয় কৰিবলৈও মূলধন বুলিবলৈ এক টকাও নাছিল। সেয়ে তেওঁ এদিন মৰিগাঁও ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ চৌহদত থকা এজোপা বেলগছৰ পৰা সৰি পৰা পকা বেল বুটলি বস্তাত ভৰাই প্ৰায় ১৮-১৯ কিলোমিটাৰ পথ চাইকেলত লৈ মাহদলা গাঁৱৰ স্বগৃহত উপস্থিত হৈছিল। সেই সময়ত পকা বেল বুটলি লৈ অহা দৃশ্য ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ বহু লোকে প্ৰত্যক্ষ কৰিছিল আৰু বিভিন্ন প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈছিল। পাছত কেইদিনমানৰ অন্তত বুটলি অনা বেলৰ দ্বাৰা প্ৰস্তুত কৰা জুচ বটলত ভৰাই লক্ষীমাই সেই ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীক কোনো বিনিময় নোলোৱাকৈ বেলৰ জুচ খাবলৈ দিয়ে। বহুতে খাইছিল যদিও বহুতে খোৱা নাছিল। তাৰে কিছুদিনৰ পাছত বেলৰ জুচ খাই ভাল পোৱা লোকসকলে লক্ষীমাইক জুচ ভাল পোৱাৰ কথা প্ৰকাশ কৰে আৰু প্ৰেৰণা যোগায়। তেনেদৰে বহুতৰ মৰম আৰু প্ৰেৰণা লাভ কৰি স্থানীয়ভাৱে পোৱা আম, কঁঠাল, ভোট-জলকীয়া, অমৰা, বগৰী, আমলখি, বাঁহগাজ, ভীমকল, বেল, লিচু আদি ক্ৰয় কৰি আচাৰ, জুচ আদি প্ৰস্তুত কৰি 'লখিমী ফুড প্ৰডাক্ট' নামৰ ক্ষুদ্ৰ উদ্যোগটো চলাই আহিছে। ইয়াৰ মাজতে তেওঁ ঘৰতে বহুখিনি মৌপালনো কৰি আহিছে।

এসময়ত অতি শোচনীয় অৱস্থাত গছৰ তলত পকা ফল বুটলি এটি উদ্যোগী মন গঢ়ি তোলা লক্ষীমাই ভৰালী শইকীয়াই এতিয়া চাৰি লাখ টকা ব্যৱসায়ত বিনিয়োগ কৰিবলৈ সক্ষম হৈছে। লক্ষীমাই ভৰালী শইকীয়াৰ ক্ষুদ্ৰ উদ্যোগটোত নিজৰ লগতে ফল-মূলৰ বতৰত ৪গৰাকী মহিলা কৰ্মচাৰী নিয়োগ কৰি আহিছে। অৱশ্যে তেওঁৰ এই ক্ষেত্ৰত নিজে জিলাখনৰ বিভিন্ন স্থানত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত উৎপাদিত জাম-জেলী, আচাৰ, জুচ আদি যোগান ধৰি অহাৰ লগতে তেওঁৰ স্বামীয়েও স্থানীয় বজাৰসমূহত উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰি এখন সুকীয়া বজাৰ দখল কৰি আহিছে। বছৰত তেওঁ চাৰিমহীয়া কৰ্মচাৰীকেইগৰাকীক ৪৮ হাজাৰ টকা পাৰিশ্ৰমিক দিয়াৰ পাছত সকলো খৰচ কৰি বছৰত লাখ টকা উপাৰ্জন কৰি আহিছে। ইয়াৰে তিনিজনীয়া পৰিয়ালটো সুন্দৰকৈ পোহপাল দিব পাৰিছে। ইফালে শেহতীয়াকৈ ২০২৪ চনত কৃষি বিভাগৰ সহযোগত প্ৰাইমেৰী ফুড প্ৰচেছিং চেণ্টাৰ এটাৰ বাবে ২৫ লাখ টকীয়া ঋণ লাভ কৰি ঘৰ এটা নিৰ্মাণ কৰাৰ লগতে জুচ প্ৰস্তুত কৰা ৬০ হাজাৰ টকীয়া মেচিন, পালপাৰ (ফলৰ ৰস উলিওৱা মেচিন) ৯২ হাজাৰ টকা, মিক্সাৰ আচাৰ প্ৰস্তুত মেচিন ৯৬ হাজাৰ, মিক্সাৰ গ্ৰেণ্ডাৰ ২৭ হাজাৰ টকা, আচাৰৰ কেঁচা সামগ্ৰী কটা মেচিন ৪৫ হাজাৰ টকা, কম্পিউটাৰ পাল্লা ৩০ হাজাৰ আৰু ড্ৰায়াৰ মেচিন এটা ১ লাখ ৭০ হাজাৰ টকাত ক্ৰয় কৰি নিজা ক্ষুদ্ৰ উদ্যোগটোৰ পৰিসৰ বৃদ্ধি কৰিছে। তদুপৰি তেওঁ চৰকাৰী সাহায্য হিচাপে ২০১৬ চনত তিৱা স্বায়ত্ত পৰিষদৰ ফালৰ ৩০ হাজাৰ টকা ৰাজসাহায্য লাভ কৰে।

নিজৰ কৰ্মৰাজিৰে এই ক্ষেত্ৰত দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱাত ২০১৪ চনত দিল্লীত প্ৰথম পুৰস্কাৰ ৫০ হাজাৰ টকা আৰু মানপত্ৰ লাভ কৰে। ২০১৯ চনত ৰাষ্ট্ৰীয় ফেষ্টিভেলত একেলগে পাঁচটা পুৰস্কাৰ আৰু ২০১৩ চনত গুজৰাটত ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত জেলী প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। লক্ষীমাই ভৰালী শইকীয়াই বৰ্তমান নিজা উদ্যোগটো চলাই থকাৰ উপৰি এগৰাকী মৌপালনৰ প্ৰশিক্ষক হিচাপেও সেৱা আগবঢ়াই আছে। আনহাতে তেওঁ শেহতীয়াকৈ পিঠা, লাড়ু, জলপান আদিৰ ব্যৱসায়য়ো নিজা ক্ষুদ্ৰ উদ্যোগটোত সংযোগ কৰিছে। এইবোৰ সামগ্ৰী জিলাখনৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত নিয়মীয়াকৈ যোগান ধৰাৰ উপৰি বিহু-পূজা আদি বিভিন্ন সময়ত অনুষ্ঠিত কৰা বাণিজ্যিক মেলাসমূহত নিজা ষ্টল খুলি এটা ভাল উপাৰ্জন কৰি আহিছে। তদুপৰি তেওঁ আচাৰ, জাম-জেলী, জুচ আদিৰ এগৰাকী প্ৰশিক্ষক হিচাপে কিছুবছৰ পূৰ্বে ডিফুৰ মাঞ্জাত কাৰ্বি স্বায়ত্ত পৰিষদৰ অধীনত দুবছৰ কাম কৰি আহিছে। এককথাত ক'ব পাৰি— আমাৰ সমাজৰ মহিলাসকলক স্বাৱলম্বিতাৰ নিদৰ্শন দেখুৱাইছে লক্ষীমাই ভৰালী শইকীয়াৰ আদৰ্শই।

# ঘৰে ঘৰে যাওক, মানুহৰ

২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে পুনৰ জয়লাভ কৰাটো নিশ্চিত। অসমৰ ৰাইজে আকৌ বিজেপিকে যে সমৰ্থন কৰিব তাৰ উমান পোৱা গৈছে। নিৰ্বাচনত বিজেপিয়ে ভাল ফল প্ৰদৰ্শন কৰাৰ লগতে ৰাইজৰো সমৰ্থন পাব। কিন্তু দলৰ কৰ্মী, বিধায়ক আদিয়ে অসমৰ ৰাইজৰ হৃদয় জয় কৰাটোহে মুখ্য কথা হ'ব লাগে। ৰাইজৰ হৃদয় জয় কৰিব পৰাটোৱেই আচল জয় হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে মানুহৰ হৃদয় জয় কৰিবৰ বাবে সকলো কৰ্মীয়ে বুথে বুথে যাব লাগিব। তৃণমূল পৰ্যায়ত থকা পৃষ্ঠাপ্ৰমুখসকলক সঘনাই সাক্ষাৎ কৰিবলৈ চেষ্টা কৰিব লাগিব। নেতাসকল ৰাইজৰ ঘৰে ঘৰে গ'লেহে তেওঁলোকে বিজেপিক পূৰ্বতকৈ আপোন কৰি ল'ব। প্ৰধানমন্ত্ৰী মোডীৰ এনে পৰামৰ্শৰ পাছত ৰাজ্যিক বিজেপিত উৎসাহজনক পৰিৱেশৰ সৃষ্টি হৈছে। উপস্থিত সকলোৱে কাইলৈৰ পৰাই অসমৰ ৰাইজৰ হৃদয় জয় কৰিবলৈ অধিক কষ্ট কৰাৰ সংকল্প গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। লক্ষণীয় যে প্ৰধানমন্ত্ৰীৰ সৈতে মত বিনিময় অনুষ্ঠানৰ পাছত একাংশ বিজেপি বিধায়ক আৰু নেতা কাৰ্যালয়ৰপৰা আনন্দমুখে ওলাই অহা প্ৰত্যক্ষ কৰা যায়। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বিজয়া চক্ৰৱৰ্তীয়ে কয়— '৩২ বছৰে বিজেপিত আছোঁ। কিন্তু আজিৰ দৰে পৰিৱেশ পূৰ্বতে দেখা মনত পৰা নাই।' চক্ৰৱৰ্তীয়ে কয় যে প্ৰধানমন্ত্ৰী মোডীয়ে আজি ভাষণ দিয়া নাই। কেইবাজনো কৰ্মীৰ ওচৰলৈ আহি কথা-বতৰা পাতে। মন্ত্ৰী অশোক সিংহলে সাংবাদিকক কয়— ৮-১০জন কৰ্মীৰ সৈতে প্ৰধানমন্ত্ৰীয়ে কথা পাতে। কৰ্মীক প্ৰশ্ন কৰি অনুভৱ জানিবলৈ চেষ্টা কৰে। সিংহলে কয় যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে যে আকৌ জয়লাভ কৰিব, মোডীয়ে মত বিনিময় অনুষ্ঠানত বিশ্বাস দিবলৈ চেষ্টা কৰে। নিৰ্বাচনত জয়লাভ কৰাটোৱে নহয়, মানুহৰ হৃদয় জয় কেনেদৰে কৰিব পৰা যায় তাৰো পৰামৰ্শ দিয়ে। প্ৰাক্তন সাংসদ তথা সভাপতি নাৰায়ণ বৰকটকীয়ে সাংবাদিক কয়— 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি আশাৰ বাৰ্তা দিছে। নিৰ্বাচনত জয়লাভ কৰাৰ লগতে মানুহৰ সমস্যা অনুধাৱন কৰি সহায় কৰিবলৈ আহ্বান জনাইছে।' বৰকটকীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে ৰাইজৰ কথাত প্ৰাধান্য দিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সৈতে বজপেয়ী ভৱনত অনুষ্ঠিত মত বিনিময় অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ বিষয়া, মন্ত্ৰী, বিধায়ক, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিভিন্ন মৰ্চাৰ নেতৃত্ব, মুখপাত্ৰ আদি সকলো উপস্থিত আছিল। ৰাজ্যিক বিজেপিৰ নেতৃত্বৰ লগতে বিজেপিৰ ৩৯খন সাংগঠনিক জিলাৰ সভাপতিসকল এই অনুষ্ঠানত উপস্থিত আছিল। অৱশ্যে মন্ত্ৰী যোগেন মহন, বিমল বড়া, ৰূপেশ গোৱালা, প্ৰশান্ত ফুকনকে ধৰি কেইবাজনো মন্ত্ৰী-বিধায়ক আজি উপস্থিত নাছিল। কাইলৈ প্ৰধানমন্ত্ৰীৰ উজনি অসমত কাৰ্যসূচী থকাৰ বাবে উল্লিখিত মন্ত্ৰী আৰু কেইবাজনো বিধায়ক মত বিনিময় অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে। বাজপেয়ী ভৱনত অনুষ্ঠিত মত বিনিময় অনুষ্ঠানৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালালৈ যায়। ৰাজ্যিক অতিথিশালাত তেওঁ নিশাটো কটাই কাইলৈ তিনিটা বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। আনহাতে, বিজেপিৰ এজন জ্যেষ্ঠ নেতাই কয় যে প্ৰধানমন্ত্ৰীয়ে 'দুৰ্নীতিমুক্ত অসম, দুৰ্নীতিমুক্ত ভাৰত' শ্ল'গানেৰে ৰাজ্যিক বিজেপিক আগবাঢ়ি যাবলৈ পৰামৰ্শ দিয়ে। সমান্তৰালকৈ চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহক নিৰ্বাচনী ইছ্যু কৰাৰ আহ্বান জনায়। তেওঁ অবৈধ বিদেশী নাগৰিকৰ বিৰুদ্ধে চলা অভিযান আৰু উচ্ছেদ অভিযানৰ প্ৰশংসা কৰে।

# ৰাজপথত নাই যান-বাহন

দিবলগীয়া হৈছে যাত্ৰীসকলে। মাহটোৰ তৃতীয় শনিবাৰ হোৱা বাবে বিদ্যালয়- মহাবিদ্যালয়, চৰকাৰী-বেচৰকাৰী কাৰ্যালয় খোলা আছিল যদিও ৰাজহুৱা যাতায়াতৰ অভাৱত হাহাকাৰ কৰিবলগীয়া হৈছে। বাছ -মেজিক আদি বন্ধ থকাৰ বাবে অ'লা-উবেৰকে ধৰি অনলাইন বুকিং বাহনসমূহৰো ভাৰা বৃদ্ধি কৰাত বিপদত পৰিছে লোকসকল। ৰজাৰ আগমনত প্ৰজাৰ এনে অসুবিধাক লৈ বিভিন্নজনে ক্ষোভ প্ৰকাশ কৰে। এগৰাকী মহিলাই মুখ্যমন্ত্ৰীক এটা ফেচবুক পোষ্টত লিখিছে — এই মিটিংবোৰ পাতিলে আমাৰ দৰে সাধাৰণ চাকৰিয়ালবিলাকৰ বাবে দুই-এখন বাছ এৰিব, নহ'লে স্কুল-কলেজবোৰ বন্ধ দিব। মিটিঙৰ নামত কি যে জালা খাবলগীয়া হয় আমিহে জানো। উল্লেখ্য যে আজিৰ অনুষ্ঠানৰ বাবে গুৱাহাটী মহানগৰীৰ লগতে কামৰূপ, নলবাৰী, মৰিগাঁও, নগাঁও জিলা আদিৰ পৰা বাছসমূহ ভাৰা লোৱাৰ বাবে সকলো শ্ৰেণীৰ লোক অসুবিধাত পৰিছে। আনটো বাদেই গুৱাহাটীৰ যান-জঁটৰ সমস্যাৰ উপৰি হাজো-নলবাৰী পথত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছে। যাৰ বাবে কৰ্মস্থলীলৈ অহা বহুলোক ঘণ্টাৰ পিছত ঘণ্টা ধৰি ৰাজপথত আৱদ্ধ হ'বলগীয়া হৈছে। যান-জঁটত আনকি জৰুৰী সেৱাৰ এম্বুলেন্স আবদ্ধ হোৱাও পৰিলক্ষিত হৈছে। ইফালে, পুৱাৰে পৰা জালুকবাৰীত পথ বন্ধ কৰি দিয়াৰ বাবে ভীষণ অসুবিধাৰ সন্মুখীন হৈছে জনসাধাৰণ। ব্যক্তিগত বাহনো চলাচল কৰিবলৈ অনুমতি নিদিয়াৰ বাবে একপ্ৰকাৰ হাহাকাৰ পৰিস্থিতি হৈছে। ইফালে, প্ৰধানমন্ত্ৰীগৰাকীয়ে বিজেপিৰ ৰাজ্যিক কাৰ্যালয় বাজপেয়ী ভৱনলৈ যাবৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথতো পুৱাৰে পৰা কোনো বাহন পাৰ্কিং কৰিব বা ৰখাব নিদিয়াত ৰাজহুৱা পৰিবহন ব্যৱহাৰ কৰা লোকৰ মাজত হাহাকাৰ লাগে। গুৱাহাটীৰ ভিতৰত গধুৰ যান-বাহন প্ৰৱেশ কৰিব নিদিয়াৰ বাবেই বাহনসমূহ ৰখাবলগীয়া হোৱাত দূৰ-দূৰণিলৈ ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰ যান-জঁটৰ সৃষ্টি হোৱা দেখা যায়। স্মৰ্তব্য যে দিল্লীৱালা নেতা অসমলৈ আহিলে সাধাৰণ লোকে যমৰ-যাতনা ভুগি আহিছে। নিৰ্বাচন আহিলেই ভোটাৰৰ কাষলৈ গৈ ভোট ভিক্ষা কৰা নেতাসকলক তেওঁলোকৰ ৰজা আহিলেও ভোটাৰক হাৰাশাস্তি নিদিবলৈ আহ্বান জনাইছে। দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ প্ৰধানমন্ত্ৰী মোডী অহাৰ বাবে বহুলোকৰ যে ক্ষতি হ'ব সেয়া সহজেই অনুমেয়। কিয়নো পদপথত ব্যৱসায় কৰি দুবেলা দুমুঠি যোগাৰ কৰা ব্যৱসায়ীসকলক এই দুদিন ব্যৱসায় কৰিবলৈ দিয়া নাই প্ৰশাসনে। গুৱাহাটীতো বাদেই দাঁতিকাষৰীয়া অঞ্চলসমূহতো ব্যৱসায়ীসকলৰ ক্ষেত্ৰত এনে কৰাৰ বাবেই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

**ৰাণী-জালুকবাৰীত তীব্ৰ যান-জঁট**

**জালুকবাৰীৰ দৈনিক অসমৰ প্ৰতিনিধিঃ** লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱনৰ উদ্বোধনী অনুষ্ঠানলৈ গৈ আজি ভীষণ হাৰাশাস্তিৰ সন্মুখীন হয় সৰ্বসাধাৰণ জনতা। চৰকাৰ নিৰ্দ্ধাৰিত কাৰ্যসূচী মতে, আজি বিয়লি ২.৪৫ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী বৰঝাৰ বিমান বন্দৰত বায়ু সেনাৰ এখন বিশেষ বিমানেৰে আহি উপস্থিত হয়। কিন্তু ইয়াৰ পূৰ্বে নতুন টাৰ্মিনেল ভৱনৰ শুভ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ ৰাজ্যখনৰ বিশেষকৈ নামনি অসমৰ গোৱালপাৰা, দুধনৈ, দৰংগিৰি, তামুলপুৰ, ঘগ্ৰাপাৰ, নলবাৰী, ছয়গাঁও আদিকে ধৰি লাখ লাখ লোক আহি দিনৰ ১১ বজাৰ পৰা সভাস্থলীত উপস্থিত হয়। ডাঙৰ ডাঙৰ যাত্ৰীবাহী বাছ আৰু সেউজীয় ৰঙৰ বৈদ্যুতিক বাছসমূহেৰে দূৰ-দূৰণিৰ পৰা অগণন লোক আহি উপস্থিত হয় বৰঝাৰ বিমান বন্দৰৰ বৃহদাকাৰ সভাস্থলীত। উল্লেখ্য যে আজাৰা-ভি আই পি হৈ শিশুগাঁৱৰ সন্মুখৰ পথছোৱা প্ৰশাসনে বন্ধ কৰি দিয়াৰ ফলত যাত্ৰীবাহী বাছসমূহ গড়ল হৈ ৰাওনা হয় সভাস্থলী অভিমুখে। ইপিনে, গড়লৰ পৰা দুচকীয়া আৰু চাৰিচকীয়া বাহনসমূহৰ প্ৰৱেশ বন্ধ কৰি দিয়াৰ পৰিপ্ৰেক্ষিতত দুচকীয়া আৰু চাৰিচকীয়া বাহন লৈ অহা লোকসকলে প্ৰায় দুই-আঢ়ৈ কিলোমিটাৰ পথ খোজকাঢ়ি যাবলগীয়া হয়। পৰিতাপৰ কথা এই যে দিনৰ ১১ বজাৰ পৰা বিয়লি ৪ বজাত আৰম্ভ হোৱা মূল সভাৰ সময়লৈ লাখ লাখ লোক অতিষ্ঠ হৈ পৰে। ভোকে-পিয়াহে জৰ্জৰিত হোৱা হেজাৰ হেজাৰ লোক স্বাভাৱিকতে অস্থিৰ হৈ পৰা পৰিলক্ষিত হয়। সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষই সভাস্থলীত একমাত্ৰ এটুপি খোৱাপানীৰ ব্যৱস্থা ৰাখিছে। লক্ষণীয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাষণ আৰম্ভ কৰাৰ লগে লগেই সভাস্থলীৰ পৰা ওলাই আহে অতিষ্ঠ জনতা। এইক্ষেত্ৰত সভাস্থলীত ইতিমধ্যে নিয়োজিত স্বেচ্ছাসেৱকে সৰ্বসাধাৰণ জনতাক সভাস্থলীৰ পৰা ওলাই যোৱাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰে যদিও স্বেচ্ছাসেৱকসকল বিফল হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাষণ দি থকাৰ মাজতে সভাস্থলীৰ বাহিৰত পৰিলক্ষিত হয় নিজ গৃহ অভিমুখে ৰাওনা হোৱা অগণন লোকৰ সমদল। নিজ গৃহ অভিমুখে যাত্ৰা কৰিবলগীয়া বাছ বিচাৰি বিচাৰি একপ্ৰকাৰ অথন্তৰৰ সন্মুখীন হয় তেওঁলোক। ন্যূনতম কিছু খোৱাখাদ্য যোগান নধৰাৰ গুৰুতৰ অভিযোগ তুলিছে একাংশ দূৰ-দূৰণিৰ পৰা অহা লোকে। ইপিনে, বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা ধাৰাপুৰ চাৰিআলিলৈ আজি সন্ধিয়া ভীষণ যান-জঁটৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈ পৰে সংশ্লিষ্ট যান-বাহন আৰক্ষী। তদুপৰি আজি নিশা প্ৰায় ৯ বজালৈ দূৰ-দূৰণিৰ পৰা অহা যাত্ৰীবাহী বাছসমূহ পাৰ্কিং স্থানৰ পৰা উলিয়াব নোৱাৰাত সৰ্বসাধাৰণ জনতা ভোকে-পিয়াহে জৰ্জৰিত হৈ পৰা বুলি জানিব পৰা গৈছে।

# অসম আন্দোলনৰ

হৈছে। কপৌফুলৰ আৰ্হিত ইয়াক নিৰ্মাণ কৰা হৈছে। কাজিৰঙাকে ধৰি আমাৰ অসমৰ জৈৱ-বৈচিত্ৰ্যক সন্মুখত ৰাখি এই সুন্দৰ টাৰ্মিনেল ভৱন নিৰ্মাণ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আশীৰ্বাদত গুৱাহাটীত এনে এক বিমানবন্দৰ লাভ কৰিছোঁ, যিটো দেশৰ ভিতৰত অন্যতম সুন্দৰ বিমাবন্দৰলৈ ৰূপান্তৰ হ'ব।' গুৱাহাটী বিমানবন্দৰত ১ কোটি ৩০ লাখ যাত্ৰীয়ে বছৰত অহা-যোৱা কৰাৰ সুবিধা লাভ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়— এই বিমানবন্দৰত নতুন টাৰ্মিনেল নিৰ্মাণৰো ব্যৱস্থা ইয়াতে সন্নিৱিষ্ট কৰা হৈছে। এই টাৰ্মিনেল ভৱনৰ লগে লগে এটা এৰ' হাব ৬০ একৰ মাটিত নিৰ্মাণ কৰা হ'ব। হোটেল কনভেনচন চেণ্টাৰকে ধৰি বিভিন্ন ধৰণৰ ইয়াত সংযোজন হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰচেষ্টাত ৰাজ্যখন চৌদিশে আগবাঢ়িছে বুলি মন্তব্য কৰি তেওঁ লগতে কয়— যোৱাবাৰ তেওঁ আমাৰ মাজলৈ আহি আমাক গুৱাহাটীৰ ৰিং ৰোড উপহাৰ দিছিল। কেইমাহমান পূৰ্বে তেওঁ আহি নুমলীগড় শোধনাগাৰত বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰা এটা নতুন কাৰখানা উপহাৰ দিছিল। এইবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে গুৱাহাটী বিমানবন্দৰত টাৰ্মিনেল উদ্বোধনৰ লগে লগে কাইলৈ নামৰূপত ১২ লাখ মেট্ৰিক টন উৎপাদন কৰিব পৰা এটা সাৰ কাৰখানাৰ ভূমিপূজন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসম আন্দোলনৰ জাতীয় শ্বহীদৰ স্মৃতিত বৰাগাঁৱত আমি নিৰ্মাণ কৰা শ্বহীদ স্মাৰকলৈও যাব। ভাৰতৰ তেওঁ প্ৰথম প্ৰধানমন্ত্ৰী হ'ব, যিয়ে অসম আন্দোলনৰ বীৰ শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। আমাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীৰ এই অসম ভ্ৰমণ অত্যন্ত গুৰুত্বপূৰ্ণ। আজি আমি এখন নৱ অসমৰ প্ৰতিচ্ছবি স্পষ্টভাৱে দেখিবলৈ পাইছোঁ। অহা জানুৱাৰীত প্ৰধানমন্ত্ৰী পুনৰ অসমলৈ আহিব বুলি সদৰি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে কাজিৰঙাৰ ওপৰত ৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিবলৈ তেওঁ আমাৰ মাজলৈ আহিব। গেলেফু আৰু কোকৰাঝাৰৰ মাজত নতুন ৰেললাইন নিৰ্মাণৰ আঁচনিও তেওঁৰ কৰকমলেৰে জানুৱাৰীত আৰম্ভ হ'ব। ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আমি পুনৰ আমন্ত্ৰণ কৰিছোঁ। যাতে তেওঁৰ কৰকমলেৰে ব্ৰহ্মপুত্ৰৰ ওপৰৰ দলঙৰ শুভ উদ্বোধনৰ লগতে বৰাক উপত্যকাৰ ডল' বিমানবন্দৰৰো আধাৰশিলা স্থাপন হ'ব পাৰে। এখন নতুন অসমৰ নিৰ্মাণ প্ৰধানমন্ত্ৰীৰ নেতৃত্বত আমি দেখা পাইছোঁ। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত অসমীয়াই আকাশ চুব পাৰিছে। অসমত ঔদ্যোগীকৰণৰ এক নতুন বাতাৱৰণ আৰম্ভ হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে এডভাণ্টেজ অসমৰ পাছত এটাৰ পাছত এটাকৈ অসমলৈ বিনিয়োগ আহিছে। আদানি গ্ৰুপে কেৱল বিমানবন্দৰেই নহয়, আমাৰ ৰাজ্যখনত ১ লাখ কোটি টকাৰ বিনিয়োগ কৰিবলৈ তেওঁলোকে সংকল্প লৈছে। নতুন টাৰ্মিনেল নিৰ্মাণৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুকো মুখ্যমন্ত্ৰীগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে ৰাজ্যত ২০৩২ চনত দ্বিতীয়টো নতুন টাৰ্মিনেল নিৰ্মাণৰ পৰিকল্পনা কৰিলেও যি গতিত ৰাজ্যখন বিকাশৰ দিশেৰে আগবাঢ়িছে, তালৈ চাই ২০২৮ চনতে ৰাজ্যত দ্বিতীয়টো নতুন টাৰ্মিনেলৰ প্ৰয়োজনীয়তা আহি পৰিব। কাৰণ অসম শান্তি-প্ৰগতি-বিকাশৰ দিশত। অসম এতিয়া অটল, অবিচলিত হৈ থিয় দি থকা দেশৰ এখন মহান ৰাজ্য। প্ৰধানমন্ত্ৰী মোডীয়ে কোৱাৰ দৰেই কিছুদিনৰ পাছত মানুহে 'এ ফৰ এপল'ৰ সলনি 'এ ফৰ আছাম' বুলি ক'বলৈ আৰম্ভ কৰিব। অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ বাহিৰে আন কোনো প্ৰধানমন্ত্ৰীয়ে প্ৰাপ্য সন্মান প্ৰদৰ্শন কৰা নাছিল বুলিও ডঃ শৰ্মাই কয়। উল্লেখ্য যে নতুন টাৰ্মিনেলটোত বাঁহেৰে ৫৭টা স্তম্ভ নিৰ্মাণ কৰা হৈছে। ইয়াৰ বাবে ১৪০ মেট্ৰিক টন বাঁহ ব্যৱহাৰ কৰা হৈছে।

# কংগ্ৰেছক অসমবিদ্বেষী

ক্ষুৰধাৰ সমালোনা কৰি প্ৰধানমন্ত্ৰী মোডীয়ে অনুপ্ৰৱেশকাৰীয়ে ৰাজ্যত জনগাঁথনি, থলুৱাৰ পৰিচয় আৰু ভূমিৰ প্ৰতি সৃষ্টি কৰা বৰ্তমানৰ ভাবুকিৰ বাবে কংগ্ৰেছক জগৰীয়া কৰে আৰু অসমবিদ্বেষী আখ্যা দিয়ে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল ভৱনৰ উদ্বোধন আৰু লোকপ্ৰিয়ৰ এটা প্ৰতিমূৰ্তি উদ্ঘাটনৰ পাছত বৰঝাৰত এখন বিশাল জনসভাত দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোডীয়ে অসমৰ প্ৰথমখন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে অসমক পূব পাকিস্তান (এতিয়াৰ বাংলাদেশ)ৰ অংশ হোৱাৰ পৰা ৰক্ষা কৰাৰ বাবে লোৱা স্থিতিৰ প্ৰসংগ টানি বৰদলৈৰ উত্তৰসূৰী কংগ্ৰেছৰ অবৈধ প্ৰব্ৰজনকাৰী প্ৰীতিক লৈ এই মন্তব্য কৰে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে অসম আৰু উত্তৰ-পূবক বিকাশৰ পৰা দূৰত ৰাখি কৰা পাপৰ ফল এই অঞ্চলে ভুগিলে বুলি কংগ্ৰেছক সমালোচনা কৰি মোডীয়ে কয়— 'কংগ্ৰেছে আৰু এটা পাপ কৰিছিল। এই অঞ্চলটোৰ পৰিচয় বিলোপৰ ষড়যন্ত্ৰ কৰিছিল। এই পাপ কেইবছৰমান পুৰণি নহয়, এই পাপৰ গুৰি স্বাধীনতাৰ আগৰে পৰাই আছিল। সেই সময়ত মুছলিম লীগ আৰু বৃটিছ শাসকে মিলি ভাৰত বিভাজনৰ ভেটি ৰচনা কৰাৰ সময়ত অসমক অবিভাজিত বংগৰ তথা পূব পাকিস্তানৰ অংশ কৰিবলৈ পৰিকল্পনা কৰা হৈছিল। কংগ্ৰেছ এই পৰিকল্পনাৰ অংশ আছিল। সেই সময়ত বৰদলৈয়ে দলৰ স্থিতিৰ উৰ্দ্ধলৈ গৈ অসমক ৰক্ষা কৰিছিল।' এই প্ৰসংগ অব্যাহত ৰাখি তেওঁ কয়— বৰদলৈয়ে স্বাধীনতাৰ পূৰ্বে অসমক ৰক্ষা কৰিছিল; কিন্তু স্বাধীনতাৰ পাছত কংগ্ৰেছে পুনৰ অসমবিৰোধী আৰু দেশবিৰোধী কাম আৰম্ভ কৰে। কংগ্ৰেছে ভোটবেংক বনাবৰ কাৰণে ধৰ্মীয় তুষ্টিকৰণৰ ষড়যন্ত্ৰ ৰচনা কৰি পশ্চিমবংগ আৰু অসমত ভোটবেংকৰূপী অনুপ্ৰৱেশকাৰীক সুৰক্ষা দিলে। কংগ্ৰেছে ৰক্ষণাবেক্ষণ দিয়া এই অনুপ্ৰৱেশকাৰীয়ে ইয়াৰ (ৰাজ্যৰ) জনগাঁথনি সলনি কৰিলে, অসমৰ বনাঞ্চল বেদখল কৰিলে, মাটি বেদখল কৰিলে। ফলত সমগ্ৰ অসমৰ সুৰক্ষা আৰু পৰিচয় বিপদাপন্ন হ'ল। এতিয়া হিমন্ত বিশ্ব শৰ্মা চৰকাৰে অসমৰ সম্পদ দেশবিৰোধী শক্তিৰ পৰা ৰক্ষাত নামি পৰিছে। অসমৰ সম্পদ অসমৰ লোকৰ হাতত ৰখাৰ বাবে অবৈধ প্ৰব্ৰজনকাৰীৰ বহিষ্কাৰৰ বাবে লোৱা পদক্ষেপত ভাৰত চৰকাৰে সহায় কৰিছে। কংগ্ৰেছ আৰু 'ইণ্ডি' মহাজোঁটে এতিয়া আকৌ দেশবিৰোধী এজেণ্ডা লৈ আগবাঢ়ি আহিছে; উচ্চতম ন্যায়ালয়ত তেওঁলোকৰ অধিবক্তা অনুপ্ৰৱেশকাৰীক বচোৱাত নামি পৰিছে। নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ সংহত পুনৰীক্ষণ কৰিছে। এই কামতো কংগ্ৰেছৰ লোকৰ গা জ্বলিছে বুলি প্ৰধানমন্ত্ৰীয়ে কটাক্ষ কৰে। আজিৰ ভাষণত মোডীৰ মুখতো মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ 'অচিনাকি লোক' অভিধা উচ্চাৰিত হয়। অনুপ্ৰৱেশকাৰীয়ে সৃষ্টি কৰা ভাবুকিৰ প্ৰসংগত তেওঁ কয়— কংগ্ৰেছে অসমীয়া ভাই-ভনীৰ হিত নকৰে। কংগ্ৰেছে অসমৰ বনাঞ্চল, ভূমিত অচিনাকি লোকক বহুৱাব। কংগ্ৰেছৰ এই দেশবিৰোধী মানসিকতাৰ বিৰুদ্ধে অসমৰ ভাই-ভনীসকল সাৱধান হ'ব লাগিব। অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে বৰদলৈয়ে যি কৰিলে তাক ৰক্ষা কৰিব লাগিব। অসমৰ লোক একত্ৰিত হৈ অসমৰ বিকাশক পথচ্যুৎ হোৱাৰ পৰা বচাব লাগিব আৰু কংগ্ৰেছৰ ষড়যন্ত্ৰক পদে পদে বিফল কৰিব লাগিব। অসমে ভাৰতৰ পূব দুৱাৰমুখ হিচাপে আত্মপ্ৰকাশ কৰিছেঃ প্ৰধানমন্ত্ৰী মোডীয়ে তেওঁৰ স্বভাৱসুলভ ভংগিমাৰে অসমীয়াতে উপস্থিত ৰাইজক সম্বোধন কৰে আৰু কয় যে আজি অসম তথা উত্তৰ-পূৰ্বাঞ্চলত উন্নয়ন আৰু প্ৰগতিৰ উৎসৱ চলিছে। আজি পুনৰবাৰ অসমৰ উন্নয়নত এক নতুন অধ্যায় সংযোজন কৰা হৈছে বুলি মন্তব্য কৰে আৰু ভাৰতৰত্ন ভূপেন হাজৰিকাৰ গীতৰ এটি কলি আওৰাই কয় যে ব্ৰহ্মপুত্ৰৰ প্ৰচণ্ড সোঁত যেনেকৈ কেতিয়াও বন্ধ নহয়, ঠিক তেনেদৰে কেন্দ্ৰ আৰু ৰাজ্যত তেওঁলোকৰ চৰকাৰৰ অধীনত চলি থকা অসমৰ উন্নয়নৰ ধাৰাও অনবৰত প্ৰৱহমান হৈ থাকিব। তেওঁ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰত নতুন টাৰ্মিনেল উদ্বোধনেই ইয়াৰ প্ৰমাণ বুলি উল্লেখ কৰে। এই নতুন টাৰ্মিনেল ভৱনৰ বাবে অসমবাসী আৰু দেশবাসীলৈ তেওঁ অভিনন্দন জ্ঞাপন কৰে। 'আধুনিক বিমানবন্দৰৰ সুবিধা আৰু উন্নত আন্তঃগাঁথনিয়ে যিকোনো ৰাজ্যৰ বাবে নতুন সম্ভাৱনা তথা সুযোগৰ দুৱাৰ মুকলি কৰে'— এই মন্তব্য কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰসমূহে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন কেতিয়াও তেওঁলোকৰ এজেণ্ডাত ৰখা নাছিল। কংগ্ৰেছৰ নেতাসকলে কৈছিল— অসম আৰু উত্তৰ-পূবলৈ কোন যায়? অঞ্চলটোত আধুনিক বিমানবন্দৰ, ঘাইপথ আৰু উন্নত ৰেলপথৰ কিবা দৰকাৰ আছে নেকি? এই মানসিকতাৰেই কংগ্ৰেছে দশক দশক ধৰি সমগ্ৰ অঞ্চলটোক উপেক্ষা আৰু অৱহেলা কৰি গৈছিল। ছয়ৰ পৰা সাত দশকত কংগ্ৰেছে কৰা ভুলসমূহ তেওঁৰ চৰকাৰৰ দিনত এটা এটাকৈ শুধৰণি কৰা হৈছে বুলি দাবী কৰি প্ৰধানমন্ত্ৰীজনে কয়— 'কংগ্ৰেছ নেতাসকলে উত্তৰ-পূবলৈ আহক বা নাহক, মই অসম আৰু এই অঞ্চললৈ আহিম।' আজি উদ্বোধন কৰা নতুন টাৰ্মিনেল ভৱনৰ জৰিয়তে গুৱাহাটী আৰু অসমৰ পৰা বছৰি ১.২৫ কোটিতকৈও অধিক যাত্ৰীয়ে যাত্ৰা কৰিব পাৰিব বুলি কৈ তেওঁ কয় যে ইয়াৰ ফলত অসমলৈ পৰ্যটকৰ আগমন বৃদ্ধি হ'ব আৰু ভক্তসকলৰ বাবে মা কামাখ্যাৰ দৰ্শনো সহজ হ'ব। তেওঁ কয় যে এই নতুন বিমানবন্দৰৰ টাৰ্মিনেলত ভৰি দিলে ঐতিহ্যৰ লগতে উন্নয়নৰ মন্ত্ৰৰ প্ৰকৃত অৰ্থ স্পষ্টভাৱে প্ৰতিফলিত হ'ব। বিমানবন্দৰটো অসমৰ প্ৰকৃতি আৰু সংস্কৃতিৰ প্ৰতি লক্ষ্য ৰাখি ডিজাইন কৰা হৈছে, সেউজীয়া পৰিৱেশ আৰু অৰণ্যৰ দৰে পৰিৱেশ ৰচনা কৰা হৈছে। টাৰ্মিনেলৰ নিৰ্মাণত বাঁহৰ বিশেষ ব্যৱহাৰৰ বিষয়ত আলোকপাত কৰি তেওঁ বাঁহ অসমৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ, শক্তি আৰু সৌন্দৰ্যৰ প্ৰতীক বুলি মন্তব্য কৰে। ভাৰতৰ উন্নয়নৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে আজি ভাৰতৰ প্ৰতি বিশ্বৰ দৃষ্টিভংগী সলনি হৈছে আৰু ভাৰতৰ ভূমিকাৰো পৰিৱৰ্তন ঘটিছে। ভাৰত এতিয়া বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ পথত আগবাঢ়িছে। মাত্ৰ ১১ বছৰৰ ভিতৰতে সম্ভৱ হোৱা এই অগ্ৰগতিত আন্তঃগাঁথনিৰ উন্নয়নে মুখ্য ভূমিকা গ্ৰহণ কৰা বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰতে এখন উন্নত দেশৰ সংকল্প পূৰণৰ বাবে আন্তঃগাঁথনিত গুৰুত্ব আৰোপ কৰি ২০৪৭ চনৰ বাবে প্ৰস্তুতি চলাইছে। উন্নয়নৰ এই অভিযানত প্ৰতিখন ৰাজ্য আৰু প্ৰতিটো অঞ্চলৰ অংশগ্ৰহণ আটাইতকৈ গুৰুত্বপূৰ্ণ। তেওঁ লগতে কয় যে চৰকাৰে অভাৱগ্ৰস্তসকলক অগ্ৰাধিকাৰ দিছে, প্ৰতিখন ৰাজ্যই যাতে একেলগে আগবাঢ়ি যায় আৰু উন্নত ভাৰতৰ অভিযানত অৰিহণা যোগাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলে এই অভিযানৰ নেতৃত্ব দিছে। তেওঁ কয়, 'এক্ট ইষ্ট পলিচীৰ জৰিয়তে উত্তৰ-পূবক অগ্ৰাধিকাৰ দিয়া হৈছে আৰু আজি অসমে ভাৰতৰ পূব দুৱাৰমুখ হিচাপে আত্মপ্ৰকাশ কৰিছে। অসমে আছিয়ান দেশৰ সৈতে ভাৰতক সংযোগ কৰা এখন দলঙৰ ভূমিকা পালন কৰি আছে। অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ উন্নয়নৰ নতুন দুৱাৰমুখ হৈ পৰিছে। এই আৰম্ভণি আৰু বহু আগুৱাই যাব, অসম বহু খণ্ডত উন্নত ভাৰতৰ ইঞ্জিন হৈ পৰিব।' তেওঁ অসমত নতুন দলং নিৰ্মাণ, নতুন মোবাইল টাৱাৰ স্থাপন আৰু প্ৰতিটো উন্নয়ন প্ৰকল্পৰ গতিয়ে উন্নয়নৰ সপোনক বাস্তৱত পৰিণত কৰিছে বুলি মন্তব্য কৰে আৰু কয় যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা দলঙে অসমক সংযোগৰ ক্ষেত্ৰত নতুন শক্তি আৰু আত্মবিশ্বাস প্ৰদান কৰিছে। স্বাধীনতাৰ পিছৰ ছয়-সাতটা দশকত ইয়াত মাত্ৰ তিনিখন ডাঙৰ দলং নিৰ্মাণ কৰা হৈছিল যদিও যোৱা দশকত চাৰিখন নতুন বিশাল দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে, লগতে কেইবাটাও ঐতিহাসিক প্ৰকল্প গঢ় লৈ উঠিছে। তেওঁ উল্লেখ কৰে যে বগীবিল আৰু ধলা-শদিয়াৰ দৰে দীঘল দলঙে অসমক কৌশলগতভাৱে শক্তিশালী কৰি তুলিছে। তেওঁ কয় যে ৰেল সংযোগৰ ক্ষেত্ৰতো এক বৈপ্লৱিক পৰিৱৰ্তন ঘটিছে, বগীবিল দলঙে উজনি অসম আৰু দেশৰ বাকী অংশৰ মাজৰ দূৰত্ব হ্ৰাস কৰিছে। তেওঁ কয়, 'জলপথৰ উন্নয়নৰ ফলত অসম লাভৱান্বিত হৈছে, মালবাহী জাহাজৰ যাতায়াত ১৪০ শতাংশ বৃদ্ধি পাইছে, যিয়ে প্ৰমাণ কৰিছে যে ব্ৰহ্মপুত্ৰ কেৱল নদী নহয়, বৰঞ্চ অৰ্থনৈতিক শক্তিৰ প্ৰৱাহ। পাণ্ডুত প্ৰথম জাহাজ মেৰামতিৰ সুবিধা গঢ়ি তোলা হৈছে আৰু বাৰাণসীৰ পৰা ডিব্ৰুগড়লৈ গংগাবিলাস ক্ৰুজক লৈ চাৰিওফালে উৎসাহে দেখা দিছে। এইবোৰে উত্তৰ-পূবক বিশ্বৰ নদী পৰ্যটনৰ মানচিত্ৰত স্থান দিছে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলক উন্নয়নৰপৰা আঁতৰাই ৰখাৰ বাবে কংগ্ৰেছ চৰকাৰসমূহক সমালোচনা কৰি মোদীয়ে কয় যে ইয়াৰ ফলত নিৰাপত্তা, ঐক্য আৰু অখণ্ডতাৰ ক্ষেত্ৰত দেশখনে আপোচ কৰিব লগা হৈছিল। কংগ্ৰেছৰ শাসনত দশক দশক ধৰি বিৰাজ কৰা হিংসাক যোৱা ১০-১১ বছৰত অন্ত পেলোৱাৰ প্ৰচেষ্টা চলোৱা হৈছে। এসময়ত হিংসা আৰু ৰক্তপাতৰ প্ৰকোপ থকা উত্তৰ-পূৰ্বাঞ্চলত আজি ৪জি আৰু ৫জি প্ৰযুক্তিৰ জৰিয়তে ডিজিটেল সংযোগ ঘটিছে। এসময়ত হিংসা প্ৰভাৱিত বুলি গণ্য কৰা জিলাসমূহ এতিয়া আকাংক্ষিত জিলা হিচাপে গঢ় লৈ উঠিছে আৰু অনাগত সময়ত এই অঞ্চলসমূহেই ঔদ্যোগিক কৰিড'ৰত পৰিণত হ'ব। উত্তৰ-পূবক লৈ এক নতুন আত্মবিশ্বাসৰ সৃষ্টি হোৱা বুলি উল্লেখ কৰি অধিক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰি তেওঁ কয়, 'আজি বিশ্বই আশাৰে ভাৰতৰ ফালে চাইছে আৰু ভাৰতৰ ভৱিষ্যতৰ নতুন সূৰ্য উদয় উত্তৰ-পূবৰ পৰাই আৰম্ভ হ'ব। নতুন টাৰ্মিনেলৰ কাষৰ বিশাল অস্থায়ী প্ৰেক্ষাগৃহত অনুষ্ঠিত আজিৰ অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানি, লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পুত্ৰ বলীন বৰদলৈ, কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডু, ৰাজ্যিক মন্ত্ৰী মুৰলীধৰ মহল, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে আজি বিয়লি প্ৰায় তিনি বজাত বিমানবন্দৰত অৱতৰণ কৰা প্ৰধানমন্ত্ৰীক ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা প্ৰমুখ্যে বিশিষ্টসকলে উষ্ম আদৰণি জনায়। বিমানবন্দৰৰপৰা ওলাই প্ৰধানমন্ত্ৰীয়ে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী, ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা বিশাল প্ৰতিমূৰ্তি উদ্ঘাটন আৰু মাল্যাৰ্পণ কৰে। তাৰ পাছতে সত্ৰীয়া সংস্কৃতি আৰু গায়ন-বায়নৰ দলে আগবঢ়াই অনা প্ৰধানমন্ত্ৰীজনে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানি, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া প্ৰমুখ্যে ব্যক্তিসকলৰ উপস্থিতিত নতুন টাৰ্মিনেল ভৱনটো উদ্বোধন কৰে। উদ্বোধনৰ পাছতে আদানি এয়াৰপ'ৰ্ট হ'ল্ডিং লিমিটেডৰ পৰিচালন সঞ্চালক জিৎ আদানিয়ে প্ৰধানমন্ত্ৰীক থ্ৰীডী মডেলৰ জৰিয়তে টাৰ্মিনেলটোৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে বাগীত উঠি সম্পূৰ্ণ টাৰ্মিনেল ভৱনটো পৰিদৰ্শন কৰে।

অসম কোষ

অসম সাহিত্য সভাৰ তৃতীয়গৰাকী সভাপতি আছিল কালিৰাম মেধি। ১৯১৯ চনত বৰপেটাত অনুষ্ঠিত সভাৰ তৃতীয় সন্মিলনত তেওঁ সভাপতিত্বত কৰিছিল।

# দৈনিক অসম

দিনটোৰ তাপমান (ডিগ্ৰী চেলছিয়াছ)

| | সৰ্বাধিক | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬.৪ | ১৩.৪ |
| ডিব্ৰুগড় | ২৭.০ | ৮.৬ |
| যোৰহাট | ২৫.৯ | ৯.০ |
| শ্বিলং | ১৬.৯ | ৭.৫ |

৬১ বছৰ। ১৩৬ সংখ্যা, গুৱাহাটী, ৫ পুহ, দেওবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 136। GUWAHATI, SUNDAY, DECEMBER 21, 2025



কোকৰাঝাৰত ভূ-মাফিয়াৰ সন্ত্ৰাস, প্ৰাণে মৰাৰ ভাবুকি

# দৰিদ্ৰ পৰিয়ালৰ ম্যাদী পট্টাৰ মাটি বেদখল

## ন্যায় বিচাৰি মুখ্যমন্ত্ৰীলৈ পত্ৰ ভুক্তভোগী পৰিয়ালৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**কোকৰাঝাৰ, ২০ ডিচেম্বৰ ঃ** বিটিচিৰ মুখ্য সদৰ কোকৰাঝাৰ চহৰত ভূ- মাফিয়াই এটা দৰিদ্ৰ পৰিয়ালৰ ম্যাদী পট্টাৰ মাটি প্ৰাণে মৰাৰ ভাবুকি দি বেদখল দিয়া এক ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সম্প্ৰতি ভূ-মাফিয়াৰ এনে কাৰ্যত অসহায় হৈ কোকৰাঝাৰৰ দৰিদ্ৰ পৰিয়ালটোৱে ন্যায় বিচাৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ ডাকযোগে এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰত সমগ্ৰ ঘটনাটো আদালতৰ লগতে সংশ্লিষ্ট বিভাগৰ ওচৰলৈ গৈ একো সুফল নোপোৱা বুলি উল্লেখ কৰি উচিত তদন্তৰে দোষীক শাস্তি বিহাৰ দাবী জনাইছে। জানিব পৰা মতে, ভুক্তভোগী দৰিদ্ৰ পৰিয়ালটো হ'ল কোকৰাঝাৰ চহৰৰ বালাগাঁও বজাৰৰ নিৰাসী সুৰেশ শৰ্মাৰ। অভিযোগ মতে, কোকৰাঝাৰ থানাৰ অন্তৰ্গত বালাগাঁও বজাৰৰ নিৰাসী সুৰেশ শৰ্মাৰ পৈতৃক সম্পত্তি হিচাপে তেওঁৰ নামত (মাটিৰ দাগ নং ৪৮; পট্টা নং ২৩৯) ম্যাদী পট্টাৰ মাটি এডোখৰ আছিল। কিন্তু উক্ত মাটি ডোখৰৰ আধা বিঘা মাটি বলপূৰ্বক দখল কৰে দুজন ভূ-মাফিয়াই। দুয়োজনে তেওঁক মাটি ডোখৰ চৰকাৰী খাচ মাটি বুলি কৈ বলপূৰ্বক দোকান দি বেদখল দিয়াৰ লগতে সুৰেশ শৰ্মাই বাধা দিওঁতে প্ৰাণে মৰাৰ ভাবুকি দিয়ে। অসহায় সুৰেশ শৰ্মাই বিষয়টো বিটিচিৰ ভূমি ৰাজহ বিভাগৰ লগতে আদালতৰ শৰণাপন্ন হয় যদিও ভূ-মাফিয়াৰ দলে দাদাগিৰি চলাই থকাৰ অভিযোগ কৰে। দৰিদ্ৰ ব্যক্তিজনে নিজৰ পৈতৃক মাটি ঘূৰাই পাবলৈ সাংবাদিকৰ কাষ চপাৰ লগতে আজি ন্যায় বিচাৰি মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰে। কোকৰাঝাৰত ভূ-মাফিয়াৰ দপ্‌দপনি আৰু আনৰ ম্যাদী পট্টাৰ মাটি বেদখল কৰি সন্ত্ৰাস চলোৱাৰ ঘটনা এইটোৱেই নহয়, কোকৰাঝাৰ চহৰৰ নাৰাবাৰী, শান্তিনগৰ, জয়পুৰকে ধৰি বিভিন্ন প্ৰান্তত বহুতৰ পৰিয়ালত অস্ত্ৰৰ ভাবুকি দি পৈতৃক সম্পত্তিৰ মাটি বেদখল কৰা ঘটনাৰ অভিযোগ আছে। অদৃশ্য ৰাজনৈতিক শক্তিৰে হলিগলি থকা এই ভূ-মাফিয়াসকলৰ বিৰুদ্ধে জিলা প্ৰশাসন বা আৰক্ষী প্ৰশাসনৰ কাষ চাপিও বহুত পৰিয়ালে আজিলৈ ন্যায় পোৱাটো দূৰৈৰ কথা ভূ-মাফিয়াৰ বেদখল নীৰৱে সহি থকা পৰিলক্ষিত হৈছে।

# জাগীৰোডত বাছৰ খুন্দাত এজনৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**

**জাগীৰোড, ২০ ডিচেম্বৰ ঃ** জাগীৰোডৰ ভোমোৰাগুৰিত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত হোৱা এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হয়। নিশা ৯.৩০ মান বজাত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ৰৈ থকা প্ৰসন্ন বৰা (৬০) লোকজনক এখন তীব্ৰবেগী ষ্টাৰ বাছে মহটিয়াই নিয়ে। ঘটনাস্থলীত জাগীৰোড আৰক্ষী উপস্থিত হৈ লোকজনক মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। মৃত প্ৰসন্ন বৰা নগাঁও জিলাৰ ৰহা নিৱাসী। প্ৰসন্ন বৰা জাগীৰোডৰ জোনবেলি ধাবাত মেনেজাৰ হিচাপে কৰ্মৰত আছিল। দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা এ এছ-১২ চি চি-০৩৪৭ নম্বৰৰ ষ্টাৰ বাছখন নিশা নেলী আৰক্ষীয়ে জব্দ কৰে।

NO.SDM.810/2025-26/58/ 1561

**ADDENDUM**

In reference to the Notice Inviting Tender issued vide this office letter No. SDM.810/2025-26/15/888, dt.9th December,2025, it is to inform to all interested bidders that the detailed product specification has been uploaded in the e-tender portal www.assamtenders.gov.in & https://sericulture.assam.gov.in/

Bidders are requested to download and refer to the uploaded product specification document and submit their bid accordingly.

Sd/-
Director,
Sericulture, Assam, Guwahati-22.

DIPR/C/DA/537/21-Dec-25



# বন বিভাগৰ তালাচীত ওৱাংত চোৰাং কাঠসহ ট্ৰাক জব্দ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ওৱাং, ২০ ডিচেম্বৰ ঃ** মাজবাট আঞ্চলিক বন বিভাগৰ ভাৰপ্ৰাপ্ত বন বিষয়া মিণ্টু বড়োৰ নেতৃত্বত অভিযানকাৰী দলৰ নিয়মিত তালাচীত পাছিঘাটৰ পৰা নলবাৰীলৈ অবৈধভাৱে কঢ়িয়াই অনা প্ৰায় দুই হাজাৰ কেবি চোৰাং কাঠসহ এ এছ- ০১আৰ চি-৯৬০৫ নম্বৰৰ যোল্লচকীয়া ট্ৰাক এখন ১৬ ডিচেম্বৰত নিশা ১০.২৮ বজাত ওৱাংত ১৫নং ৰাষ্ট্ৰীয় ঘাটপথত জব্দ কৰে। সেই সময়ত ট্ৰাকখনৰ কৰ্মচাৰীয়ে কোনোধৰণৰ নথিপত্ৰ বন বিভাগক দেখুৱাব নোৱাৰিলে।

■ বাংলাদেশত মৌলবাদীৰ উত্থানত উদ্বিগ্ন অজাপ ■

# সীমান্তত নিৰাপত্তা অধিক কটকটীয়া কৰাৰ দাবী

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** বাংলাদেশৰ শেহতীয়া ঘটনাপ্ৰৱাহক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে অসম জাতীয় পৰিষদে। জাতীয়তাবাদী আঞ্চলিক ৰাজনৈতিক দলটোৰ মতে, বাংলাদেশৰ ঘটনাৱলী অসমৰ বাবে উদ্বেগজনক এই কাৰণে যে এফালে সেই দেশত ধৰ্মীয় সংখ্যালঘুৰ ওপৰত (হিন্দু ধৰ্মাৱলম্বী) হৈ থকা নিৰ্যাতন মানৱতাবিৰোধী, আৰু আনহাতে উক্ত নিৰ্যাতনৰ ফলত সেই দেশৰ পৰা ভাৰতলৈ অনুপ্ৰৱেশ হ'ব পাৰে। দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই এক বিবৃতিত কয় যে ধৰ্মীয় উন্মাদনা কিমান বীভৎস আৰু ভয়াৱহ, সেয়া চুবুৰীয়া দেশখনৰ শেহতীয়া পৰিস্থিতিয়ে প্ৰমাণ কৰে। বাংলাদেশ মৌলবাদীৰ হাতলৈ গ'লে আটাইতকৈ ক্ষতিগ্ৰস্ত হ'ব ভাৰত, বিশেষকৈ অসম। গতিকে দেশখনৰ মৌলবাদ নিয়ন্ত্ৰণত ভাৰতৰ এটা ভূমিকা থকা উচিত। ভাৰত চৰকাৰে প্ৰয়োজনত বিষয়টো আন্তঃৰাষ্ট্ৰীয় মঞ্চত উত্থাপন কৰাৰ কথাও চিন্তা কৰা উচিত। বিশেষকৈ তাত সংখ্যালঘু হিন্দু লোকৰ ওপৰত মৌলবাদী শক্তিয়ে কৰা আক্ৰমণৰ সম্পৰ্কত আন্তঃৰাষ্ট্ৰীয় মহলৰ দৃষ্টি আকৰ্ষণেৰে দেশখনৰ ওপৰত কূটনৈতিক হেঁচা প্ৰয়োগ কৰা প্ৰয়োজন। যদি তৎসত্ত্বেও তেওঁলোক নিয়ন্ত্ৰণলৈ নাহে, তেতিয়াহ'লে ভাৰতে সামৰিক শক্তি প্ৰয়োগ কৰি হ'লেও দেশখনৰ সংখ্যালঘু লোকৰ নিৰাপত্তা নিশ্চিত কৰিব পাৰে বুলি দেশখনলৈ এটা বাৰ্তা দিয়া উচিত বুলি দলটোৱে কয়। আনহাতে, বাংলাদেশত হৈ থকা ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত সেই দেশৰ ধৰ্মীয় সংখ্যালঘু লোকৰ ভাৰতলৈ অবৈধ অনুপ্ৰৱেশ ঘটাৰ সম্ভাৱনা ব্যক্ত কৰি অজাপৰ সভাপতি গগৈ আৰু সাধাৰণ সম্পাদক ভূঞাই কয় যে দেশখনৰ অশান্ত পৰিস্থিতিৰ বাবে তাৰ পৰা ভাৰতলৈ অনুপ্ৰৱেশ হোৱাটো নতুন কথা নহয়। তেনে সমস্যাৰ আটাইতকৈ বেছি ভুক্তভোগী অসম। বৰ্তমানৰ পৰিস্থিতিৰ ফলত তাৰ পৰা অবৈধ অনুপ্ৰৱেশ হ'লে অসমেই উক্ত বোজা ল'ব লাগিব। গতিকে দেশখনৰ পৰা যাতে ভাৰতলৈ অনুপ্ৰৱেশ ঘটিব নোৱাৰে, তাৰ বাবে সীমান্তৰ পহৰা অধিক কটকটীয়া কৰাৰ লগতে তাৰ পৰা পলায়ন কৰি অহা লোকে 'কা'ৰ জৰিয়তে যাতে ভাৰতৰ নাগৰিকত্ব গ্ৰহণ কৰিব নোৱাৰে, তাৰ প্ৰতিও চৰকাৰ সচেষ্ট হৈ থাকিব লাগিব। আনকি এই ক্ষেত্ৰত অসমৰ ৰাইজকো জাগ্ৰত হৈ থাকিবলৈ জাতীয় পৰিষদে আহ্বান জনায়।

দেশবিৰোধী কাৰ্যত জড়িতৰ অভিযোগ

# ধুবুৰীত উত্তৰ প্ৰদেশ এ টি এছৰ অভিযান

## অভিযুক্ত যুৱকক বিচাৰি নাপালে

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোলোকগঞ্জ, ২০ ডিচেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ এ টি এছ আৰু আৰক্ষীৰ দলে কালি ধুবুৰীৰ ভাৰত-বাংলাদেশ সীমান্তৰ টাকিমাৰীত দেশবিৰোধী কাম-কাজত জড়িত থকাৰ অভিযোগত অভিযুক্ত এজন যুৱকৰ সন্ধানত অভিযান চলোৱা বুলি জানিব পৰা গৈছে। অৱশ্যে স্থানীয় আৰক্ষীৰ সহযোগত সেই দলটোৱে ছাদিক আলী ওৰফে ছাদিক শ্বেখ নামৰ সেই লোকজনৰ বাসগৃহত অভিযান চলায় যদিও তেওঁৰ সন্ধান উলিওৱাত ব্যৰ্থ হয়। বিগত প্ৰায় ৩ বছৰৰ পৰা আৰক্ষীৰ চকুত ধূলি দি পলাতক অৱস্থাত থকা ছাদিক আলীক ২০২৬ চনৰ ১৩ জানুৱাৰীৰ ভিতৰত এ টি এছ-নিয়া আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে আৰু নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত হাজিৰ নহ'লে তেওঁৰ সম্পত্তি জব্দ কৰাৰ আইনী প্ৰক্ৰিয়া আৰম্ভ কৰাৰ জাননী দিয়া বুলি জানিব পৰা গৈছে।

**PRESS NOTICE**

The Executive Engineer, PWD, Barpeta District Territorial Building Division, Barpeta on behalf of Governor of Assam invites fresh item rate bids in F2 Form for the work **"Repairing, Renovation of Conference Hall (Existing Store House) at Jt.DHS Office Campus in Barpeta District (Phase-I)** amounting to Rs. 14,09,476.00 and **Repairing, Renovation of Conference Hall (Existing Store House) at Jt.DHS Office Campus in Barpeta District (Phase-II)** amounting to Rs. 14,46,295.00 from APWD registered Contractor of Class-I (A/B/C), Class-II (under Nalbari Building Circle) and Class-III under this Division having experience of similar nature of work. Details of the bids may be seen in the office of the undersigned during office hours.

Note:-

(1) Details of Bids and any modification may be seen in the office of the undersigned during office hours.

(2) The prospective bidder must visit the work site before submission of tender. The bidders have to submit evidence of site visit in the form of a certificate duly certified by the Executive Engineer of this Division or self Undertaking with Geo tagged photographs.

**Sd/-**
**Executive Engineer, P.W.D.**
**Barpeta District Territorial Building Division, Barpeta**

**DIPR/C/DA/534/21-Dec-25**

অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781022

No.71PSC/DR-34/2/2022-23

**NOTIFICATION**

This is for information to all concerned that the Assam Public Service Commission will hold the Screening Test (OMR Based) for recruitment to the post of **Assistant Engineer (Civil) under Water Resources Department (Advt. No. 13/2025, Dated Guwahati the 10th April, 2025)** as per programme given below:

| PROGRAMME OF SCREENING TEST | | | |
|---|---|---|---|
| Name of Post | Date & Day | Time | Subjects |
| Assistant Engineer (Civil) under Water Resources Department | 11-01-2026 (Sunday) | 10:00 AM to 12 Noon | General Studies (Paper - I) |
| | | 1:30 PM to 3:30 PM | Civil Engineering (Paper - II) |

No intimation letter to the eligible candidates shall be sent separately by post. The list of candidates shall be uploaded on **02-01-2026** and e-Admission Certificate shall be uploaded on **06-01-2026** in the Commission's official website **(www.apsc.nic.in)**. The candidates shall have to download their own e-Admission Certificate from the aforesaid website.

The Commission would like to clarify that the Commission reserves the right **to cancel the candidature of any candidate on verification of their application form** at any time or stage even after the Screening Test, if it is found that they do not fulfill any of the eligibility criteria/conditions as per terms of the **aforementioned advertisement.**

**PwBD candidates willing to apply for scribe for the said Screening Test may inform in writing with supporting documents to the Commission or send mail to apsc-asm@nic.in on or before 04-01-2026.**

Sd/-
Secretary,
Assam Public Service Commission
Jawaharnagar, Khanapara, Guwahati - 22

DIPR/D/DA/533/21-Dec-25

রঙিয়াৰ ছাত্ৰৰ কৰ্মক নাছাই দিলে স্বীকৃতি

# দুটা গ্ৰহাণু আৱিষ্কাৰেৰে আৰিয়ানৰ চমক



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী,২০ ডিচেম্বৰ ঃ** সৌৰজগতৰ মঙল আৰু বৃহস্পতি গ্ৰহৰ মাজত থাকি সূৰ্যক প্ৰদক্ষিণ কৰি থকা দুটাকৈ গ্ৰহাণুৰ সন্ধান উলিওৱাৰ লগতে ইয়াৰ চিনাক্তকৰণৰ বাবে ইউনিভাৰ্ছিটী অব্ ছায়েন্স এণ্ড টেকন'লজী, মেঘালয়া (ইউ এছ টি এম)ৰ ছাত্ৰ আৰিয়ান জিছান আহমেদক আমেৰিকাৰ মহাকাশ অনুসন্ধান সংস্থা 'নাছা'ই বিশেষ প্ৰমাণপত্ৰৰে বিভূষিত কৰিছে। ৰঙিয়া চহৰৰ ৩ নং ৱাৰ্ডৰ দলৈ মূৰাৰ বাসিন্দা মিৰাজুল ইছলাম আৰু ৰুমা নাজৰিনৰ পুত্ৰ আৰিয়ান জিছান আহমেদ ইউ এছ টি এমৰ কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক শাখাৰ বি-টেক প্ৰথম যাণ্মাসিকৰ ছাত্ৰ। বিগত বৰ্ষৰ ২৫ অক্টোবৰত নাছাৰ সহযোগত আৰম্ভ হোৱা ইণ্টাৰনেচনেল এষ্ট্ৰ'নমিকেল ছাৰ্চ কলাব'ৰেচন প্ৰকল্পৰ অধীনত আৰিয়ানে হাৱাই বিশ্ববিদ্যালয়ৰ ইনষ্টিটিউট ফৰ এষ্ট্ৰ'নমীৰ দ্বাৰা পৰিচালিত 'পেন-ষ্টাৰছ'ৰ দ্বাৰা প্ৰাপ্ত গ্ৰহাণু সম্পৰ্কীয় পৰ্যৱেক্ষণমূলক তথ্যসমূহ বিশ্লেষণ কৰাৰ সুযোগ লাভ কৰিছিল। তথ্যসমূহ বিশ্লেষণৰ অন্তত আৰিয়ানে মঙল আৰু বৃহস্পতি গ্ৰহৰ মাজত থকা 'মেইন বেল্ট এষ্টৰইড'ৰ দুটা গ্ৰহাণুৰ সন্ধান উলিয়াবলৈ সক্ষম হয়। আই এ এছ চিয়ে সদ্যহতে গ্ৰহাণু দুটাৰ এটাক ২০২৪ ভিই৮ আৰু আনটোক ২০২৪ ভিচি২৩ হিচাপে নামকৰণ কৰিছে। 'মেইন বেল্ট এষ্টৰইড' হৈছে মঙল আৰু বৃহস্পতি গ্ৰহৰ মাজত সূৰ্যক প্ৰদক্ষিণ কৰা বৃহৎ শৈলখণ্ড। নাছাৰ সহযোগত চলোৱা এই অধ্যয়নে জ্যোতিৰ্বিজ্ঞানীসকলক সৌৰজগতৰ আৰম্ভণিৰ বিষয়ে বুজাত সহায় কৰাৰ লগতে মহাকাশত থকা বস্তুৰ দীৰ্ঘম্যাদী অনুসৰণ সহজ কৰি তোলে। আৰিয়ান জিছান আহমেদে তথ্যসমূহৰ বিশ্লেষণ কৰি আগবঢ়োৱা পৰ্যালোচনাৰ প্ৰতিবেদন 'নাছা'ই যোৱা প্ৰায় এটা বছৰ ধৰি কেইবাটাও প্ৰক্ৰিয়াৰ মাজেৰে পৰীক্ষা কৰি চাই এই সিদ্ধান্তত উপনীত হয় যে বিশ্লেষিত তথ্যৰ আধাৰ বস্তু দুটা প্ৰকৃতাৰ্থত গ্ৰহাণু, যি পূৰ্বতে আৱিষ্কাৰ হোৱা নাই। যোৱানিশা ডেৰ বজাত এই সন্দৰ্ভত 'আই এ এছ চি'ৰ তৰফৰ পৰা ই-মেইলযোগে আৰিয়ান জিছান আহমেদক তেওঁৰ সফলতাৰ বাবে শুভেচ্ছা জনোৱাৰ লগতে বিশেষ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ইউ এছ টি এমৰ ছাত্ৰ আৰিয়ান জিছান আহমেদে হাইস্কুলীয়া দিনৰ পৰাই জ্যোতিৰ্বিজ্ঞান সম্পৰ্কীয় বিভিন্ন বিষয়ৰ সৈতে জড়িত থকাৰ লগতে দূৰবীণ যন্ত্ৰৰ সহায়ত গ্ৰহ-নক্ষত্ৰৰ পৰ্যৱেক্ষণ অব্যাহত ৰাখিছে। মহাকাশ সম্পৰ্কীয় একাধিক গৱেষণা আৰু কাৰিকৰী পদক্ষেপৰ সৈতেও আৰিয়ান জড়িত হৈ আছে। এইসমূহৰ উপৰি আৰিয়ানে ৰঙিয়াৰ নিজ গৃহতে স্থাপন কৰিছে কৃত্ৰিম উপগ্ৰহৰ সৈতে যোগাযোগ স্থাপনৰ সামৰ্থ্যকাৰী এক গ্ৰাউণ্ড ষ্টেচন। 'টাইনি গ্ৰাউণ্ড ষ্টেচন' নামৰ এই ষ্টেচনৰ জৰিয়তে আৰিয়ানে বিগত বৰ্ষত চাৰিখন ৰাষ্ট্ৰৰ ১৭টা ক্ষুদ্ৰ কৃত্ৰিম উপগ্ৰহৰ সৈতে যোগাযোগ স্থাপন কৰিবলৈ সম্ভৱ হৈছিল। এই ষ্টেচনটো উত্তৰ-পূবৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহৰ সৈতে যোগাযোগৰ সামৰ্থ্যকাৰী 'টাইনি গ্ৰাউণ্ড ষ্টেচন' হিচাপে স্বীকৃতি লাভ কৰিছিল। 'বায়ুবাণী' নামৰ দেশীয় কৃত্ৰিম উপগ্ৰহ যোগাযোগকাৰী সংস্থা এটাৰ সৈতেও আৰিয়ান জড়িত। ভাৰতীয় মহাকাশ সংস্থা 'ইছৰো'ৰ সহযোগিতাত সম্পন্ন হোৱা ৰকেট প্ৰপালছন আৰু মহাকাশ গতিবিদ্যাৰ এক শৈক্ষিক পাঠ্যক্ৰমো সফলতাৰে সম্পূৰ্ণ কৰিছে আৰিয়ানে। উল্লেখ্য, আৰিয়ানৰ পিতৃ মিৰাজুল ইছলাম 'দৈনিক অসম'ৰ ৰঙিয়াৰ প্ৰতিনিধি।

# খৈৰাণীত হাতীৰ আক্ৰমণত নিহত এজন



**দৈনিক অসমৰ প্ৰতিনিধি**

**তামুলপুৰ, ২০ ডিচেম্বৰ ঃ** তামুলপুৰ জিলাৰ খৈৰাণী অঞ্চলৰ সোণমণিত অকলশৰীয়া বনৰীয়া হাতীৰ আক্ৰমণত আজি এজন লোক নিহত হয়। নিহত লোকজন সোণমণি গাঁৱৰ বাসিন্দা জোহান চৰেন(৫০)। এটা অকলশৰীয়া হাতীয়ে অঞ্চলটোত বিচৰণ কৰি আছিল আৰু আজি পুৱা গাঁওখনত প্ৰৱেশ কৰিছিল। কুমাৰীকাটা ৰেঞ্জৰ পৰা বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ জোহান চৰেনক কুমাৰীকাটা ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰাইছিল যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে।

# ভূৰবন্ধাৰ সোণাইপৰীয়া ভোলানাথ আশ্ৰমত চুৰি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ভূৰবন্ধা, ২০ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰবন্ধাৰ সোণাইপৰীয়া ভোলানাথ আশ্ৰমত যোৱানিশা চোৰে আশ্ৰমৰ ধন-সোণ আৰু বহু মূল্যবান সম্পদ লুটি নিয়ে। নিশা চোৰে আশ্ৰমখনত প্ৰৱেশ কৰি মন্দিৰটোত লুটপাত চলায়। পুৱাৰ ভাগত আশ্ৰমৰ পূজাৰীগৰাকীয়ে প্ৰাতঃকৰ্ম সম্পাদন কৰিবলৈ মন্দিৰত প্ৰৱেশ কৰাত সকলো সামগ্ৰী লণ্ডভণ্ড হৈ পৰি থকা প্ৰত্যক্ষ কৰে।

# হাজোত নৃশংস কাণ্ড, ডিঙি ৰেপি হত্যা কলেজীয়া ছাত্ৰীক

**দৈনিক অসমৰ প্ৰতিনিধি**

**হাজো, ২০ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো কোঁৱৰপুৰৰ এগৰাকী কলেজীয়া ছাত্ৰীক ডিঙি ৰেপি হত্যা কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। হত্যাৰ বলি হোৱা ছাত্ৰীগৰাকী মমী বেগম (১৮)। ঘটনাৰ সবিশেষ জানিব পৰা মতে, হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কোঁৱৰপুৰৰ আক্ৰাম আলীৰ কন্যা তথা হাজো সুৰেন দাস মহাবিদ্যালয়ৰ প্ৰথম যাণ্মাসিকৰ ছাত্ৰী মমী বেগম নামৰ ছাত্ৰীগৰাকীৰ অহা জানুৱাৰী মাহত বিবাহৰ দিন ধাৰ্য কৰা হৈছিল। সেই উপলক্ষে মমী বেগমৰ পিতৃ-মাতৃয়ে কালি বিয়লি পৰত মমী বেগমক ঘৰত থৈ বিবাহৰ বাবে নিমন্ত্ৰণ দিবলৈ আলহীৰ ঘৰলৈ গৈছিল। পিছত সন্ধিয়া সময়ত ঘৰলৈ উভতি আহি নিজ কন্যাক তেজেৰে ৰাঙলী হৈ দমকলৰ পাৰত পৰি থকা প্ৰত্যক্ষ কৰে আৰু চিঞৰি চিঞৰি কান্দিবলৈ ধৰে। লগে লগে অঞ্চলটিত হুৱা-দুৱা লাগে। পিছত হাজো আৰক্ষীক ঘটনাৰ সবিশেষ জনোৱাত হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহৰ ওচৰত এখন চোকা ব্লেড উদ্ধাৰ কৰাৰ লগতে মৃতদেহ চমজি লৈ তদন্ত আৰম্ভ কৰে। ইফালে, স্থানীয় সমৱেত লোকে প্ৰেমজনিত কাৰণত ঘৰত কোনো নথকাৰ সুযোগ লৈ দুৰ্বৃত্তই যুৱতীগৰাকীক হত্যা কৰি দমকলৰ পাৰত পেলাই থৈ যোৱাৰ সন্দেহ ব্যক্ত কৰে। হাজো আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় লৈ প্ৰেৰণ কৰে।

# আগমনিত মালবাহী বাহনৰ খুন্দাত নিহত ১

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোলোকগঞ্জ/ধুবুৰী, ২০ ডিচেম্বৰ ঃ** ধুবুৰী জিলাৰ আগমনিৰ গড়েৰহাটৰ সমীপৰ ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এখন দ্ৰুতগামী বলেৰো পিকআপ ভেনৰ খুন্দাত থিতাতে নিহত হয় এজন স্কুটী আৰোহী। ইপিনে, দুৰ্ঘটনাটো সংঘটিত কৰিয়েই ইটাবাহী সেই বলেৰো বাহনখনে পলায়ন কৰে। দুৰ্ঘটনাটোত থিতাতে নিহত হোৱা এএছ-১৭ পি/৬০৫৮ নম্বৰৰ স্কুটী আৰোহীজন গড়েৰহাট গাঁৱৰ হামিদুৰ বুলি জানিব পৰা গৈছে।

**NOTICE INVITING TENDER**

No.EcF.69037I/1343430/2025

Sealed tender in signed bid envelop affixing court fee stamp of Rs 8.25 (Rupees eight and twenty five paisa) only are hereby invited from the registered firm/vendor for supply of A4 paper and legal paper to the Directorate (Hqrs) and subordinate district offices. The tender document will be received upto 2:00 PM on 24/12/2025 and will be opened on the same day at 3:00 PM or on subsequent working day if it falls on Government holiday in presence of the intending tenderers or their authorized representatives. Tender Notice will be affixed in the office notice board and in State Public Procurement Portal Assam (SPPP). Intending tenderers may visit the office premises of the Directorate located at Jawahar Nagar, Tripura Road, Guwahati-28 for further information.

**Specification of Items:**

| SL No | Particulars of items | Per unit cost |
|---|---|---|
| 1 | A4 Paper GSM 75, 500 sheets (My choice/ JK Copier/ Centuary green) | |
| 2 | Legal paper GSM 75, 500 sheets (My choice/ JK Copier/ Centuary green) | |

**Terms and condition:**

1. The rates should be written both in figures & words properly. The basic cost and applicable tax (rate and amount) is to be shown separately. The bid should be submitted in two envelope (Technical and Financial bid) separately.
2. Earnest Money Deposit (EMD) of value Rs 10,000.00/- (Rupees five thousand) only in favor of the Director of Economics and Statistics , Assam payable at Guwahati in form of Demand Draft/ FDC/NCS from Nationalized Bank or any scheduled bank (but not from Cooperative or Gramin Bank) and no interest is payable on EMD by the Department. EMD amount in the form of cash or any other form like online payment shall not be accepted. EMD of unsuccessful bidders shall be refunded except L1- bidder after completion of bid. Vendors registered under MSME scheme are exempted.
3. The tenderers should furnish Pan Card, GST registration, IT return copy (2 years).
4. The Director of Economics and Statistics, Assam reserves the right to reject any or all the tenders without assigning any reasons thereof. The lowest rate may not compulsorily be accepted and the decision of Director in this matter will be final & binding on the tenderers.
5. Experience certificate working with the Government office (if any).

Sd/-
Director of Economics and Statistics, Assam

DIPR/C/DA/535/21-Dec-25

গৱেষণামূলক অধ্যয়নৰ ক্ষেত্ৰখনলৈ ভাল খবৰ

# 'আবিলাক'ৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুজাবুজিৰ চুক্তি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ২০ ডিচেম্বৰ ঃ** গৱেষণামূলক অধ্যয়নৰ ক্ষেত্ৰখনত এক গুৰুত্বপূৰ্ণ উন্নয়নৰ অংশস্বৰূপে আজি আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা (আবিলাক) আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া আৰু ইংৰাজী বিভাগৰ মাজত আনুষ্ঠানিকভাৱে এক বুজাবুজিৰ চুক্তি সম্পন্ন হয়। উল্লেখ্য যে ৫ ডিচেম্বৰতে এই বুজাবুজিৰ চুক্তিখন প্ৰস্তুত কৰা হৈছিল যদিও বিমান সেৱাৰ খেলিমেলিৰ বাবে আবিলাকৰ সঞ্চালকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত উপস্থিত হ'ব নোৱাৰাত আনুষ্ঠানিকভাৱে আজি এই বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই বুজাবুজিৰ চুক্তিখনে মূলতঃ চাৰিটা দিশত গুৰুত্ব আৰোপ কৰিছে অনুবাদ অধ্যয়ন, পূৰ্বোত্তৰ ভাৰতৰ থলুৱা



ভাষাসমূহৰ সংৰক্ষণ, বিভিন্ন ধৰণৰ সাংস্কৃতিক ক্ষেত্ৰত সহযোগিতামূলক গৱেষণা কাৰ্য আৰু ছাত্ৰ-ছাত্ৰীৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ। এই চাৰিটা দিশক আধাৰ হিচাপে লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু ইংৰাজী বিভাগৰ লগত 'আবিলাক'ৰ এই বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই অনুষ্ঠানত আনন্দৰাম বৰুৱা ভাষা, কলা, সংস্কৃতি সংস্থাৰ সঞ্চালিকা অধ্যাপিকা সুদেষ্ণা ভট্টাচাৰ্য তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জিতেন হাজৰিকা, পঞ্জীয়ক ডঃ পৰমানন্দ সোণোৱাল, আইন বিষয়া দেৱৰাজ শৰ্মা, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক নাচমীম ফাৰ্হিন আখতাৰ, অসমীয়া বিভাগৰ ভাৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ডঃ স্বাতী কিৰণৰ দুয়োটা বিভাগৰ অধ্যাপকসকল উপস্থিত থাকে।

# 'টাইম'ৰ বৰ্ষটোৰ ব্যক্তি

■ দীপাংকৰ কৌশিক

এ আইৰ ৰূপকাৰসকললৈ এইবাৰ আগবঢ়োৱা হৈছে 'টাইম' আলোচনীৰ 'পাৰ্ছন অব্ দি ইয়েৰ'ৰ সন্মান। কৃত্ৰিম বুদ্ধিমত্তাৰ দ্ৰুত বিকাশৰ হকে কাম কৰি অহাসকলক সামূহিকভাৱে আলোচনীখনে এইবাৰ নিৰ্বাচন কৰে।

'টাইম'ৰ বৰ্ষটোৰ ব্যক্তি সন্মান প্ৰদানৰ পৰম্পৰা ১৯২৭ চনত আৰম্ভ কৰিছিল। বিখ্যাত আলোচনীখনে সেই প্ৰথমবাৰ এই সন্মানৰ বাবে নিৰ্বাচন কৰিছিল অকলে আটলাণ্টিক মহাসাগৰ বিমান লৈ পাৰ হোৱা প্ৰখ্যাত বৈমানিক চাৰ্লছ লিণ্ডবাৰ্গক। সেই সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ২৫ বছৰ। তেতিয়াৰেপৰা আলোচনীখনে বৰ্ষটোত প্ৰভাৱ বিস্তাৰ কৰা কোনো ব্যক্তিবিশেষ, দল-সংস্থা আদিক 'মেন অব্ দি ইয়েৰ' হিচাপে ঘোষণা কৰি আলোচনীখনৰ বিশেষ সংখ্যা প্ৰকাশ কৰি আহিছে। ১৯৯৯ চনৰপৰা 'মেন অব্ দি ইয়েৰ'ৰ ঠাইত 'পাৰ্ছন অব্ দি ইয়েৰ' কৰা হয়। এয়া অৱশ্যে কোনো বঁটা নহয়, একধৰণৰ স্বীকৃতিহে। ১৯২৩ চনত ব্ৰিটন হেডেন আৰু হেনৰী লুছৰ অশেষ কষ্টৰ ফলত আৰম্ভ হোৱা 'টাইম' হৈছে আমেৰিকাৰ প্ৰথমখন সাপ্তাহিক আলোচনী। আলোচনীখনৰ 'বৰ্ষটোৰ ব্যক্তি'ৰ সন্মান লাভ কৰা প্ৰথম ভাৰতীয় ব্যক্তি আছিল মহামানৱ মহাত্মা গান্ধী। ১৯৩০ চনত গান্ধীজীৰ ছবি আলোচনীৰ বেটুপাতত প্ৰকাশ আৰু সেইবছৰৰ 'মেন অব্ দি ইয়েৰ' হিচাপে তেওঁক আখ্যা দিয়া হৈছিল। ১৯৩৬ চনত আকৌ প্ৰথম মহিলা হিচাপে ৱালিছ ছিম্পছন 'টাইম'ৰ বৰ্ষটোৰ ব্যক্তি বিবেচিত হৈছিল। তাৰ পাছত ১৯৩৭ চনত ছুং মেই-লিং, ১৯৫২ চনত ৰাণী এলিজাবেথ দ্বিতীয়, ১৯৮৬ চনত মাৰিয়া ক'ৰাজ'ন একুইনোৱে 'ৰমেন অব্ দি ইয়েৰ'ৰূপে 'টাইম'ৰ বেটুপাতত স্থান পাইছিল। ১৯৫৬ চনত আকৌ হাংগেৰীৰ স্বাধীনতা সংগ্ৰামীসকললৈ, ১৯৬০ চনত আমেৰিকাৰ বিজ্ঞানীলৈ, ১৯৭৫ চনত মাৰ্কিন মহিলাসকললৈ, ২০০৩ চনত আমেৰিকাৰ সৈন্যবাহিনীলৈ আলোচনীখনে দলগতভাৱে এই সন্মান আগবঢ়াইছিল। প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি ফ্ৰেংকলিন ডি ৰুজভেল্টে তিনিবাৰ 'টাইম'ৰ বৰ্ষটোৰ ব্যক্তি হিচাপে পৰিগণিত হৈছিল। ১৯৯৯ চনৰ ৩১ ডিচেম্বৰত




আলোচনীখনে মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনক 'শতিকাৰ ব্যক্তি'ৰূপে সন্মান যাচিছিল। সেইবাৰ শতিকাৰ শ্ৰেষ্ঠ ব্যক্তিৰ তালিকাত আইনষ্টাইনে মহাত্মা গান্ধী আৰু ফ্ৰেংকলিন ৰুজভেল্টক অতিক্ৰমি এই সন্মান পাইছিল। ১৯৪৯ চনত আকৌ 'টাইম'ৰ অৰ্দ্ধশতিকাৰ ব্যক্তিৰূপে সন্মানিত হৈছিল বৃটিছ প্ৰধানমন্ত্ৰী ছাৰ উইনষ্টন চাৰ্চিল। ১৯৮২ চনত আলোচনীখনে কোনো ব্যক্তিবিশেষৰ পৰিৱৰ্তে কম্পিউটাৰক 'মেচিন অব্ দি ইয়েৰ'ৰূপে অভিহিত কৰিছিল। ১৯৩৮ চনত আকৌ এডলফ হিটলাৰক এই সন্মান প্ৰদান কৰাত বিশ্বজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ১৯৩৯ আৰু ১৯৪২ চনত দুবাৰকৈ যোছেফ ষ্টেলিনক বৰ্ষটোৰ ব্যক্তি হিচাপে নিৰ্বাচিত কৰাক লৈও বিতৰ্কৰ সূত্ৰপাত হৈছিল। ১৯৭৯ চনত ইৰানৰ ধৰ্মীয় গুৰু আয়াতোল্লা খোমাইনীক 'মেন অব্ দি ইয়েৰ'ৰূপে সন্মানিত কৰাত আমেৰিকাত আলোচনীখনৰ জনপ্ৰিয়তা হ্ৰাস পাইছিল। ২০২২ চনত 'স্পিৰিট অব্ ইউক্ৰেইন' আৰু দেশখনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেনস্কী, ২০২৩ চনত বিখ্যাত শিল্পী টেইলৰ ছুইফ্টক, ২০২৪ চনত ড'নাল্ড ট্ৰাম্পক 'বৰ্ষটোৰ ব্যক্তি'ৰূপে নিৰ্বাচন কৰিছিল 'টাইম'-এ। সময়ে সময়ে বিতৰ্ক থাকিলেও কিন্তু 'টাইম'ৰ বৰ্ষটোৰ ব্যক্তিৰ গুৰুত্ব পূৰ্বতেও আছিল আৰু এতিয়াও আছে।

**বিচিত্ৰ**

১৯২৩ চনত ব্ৰিটন হেডেন আৰু হেনৰী লুছৰ অশেষ কষ্টৰ ফলত আৰম্ভ হোৱা 'টাইম' হৈছে আমেৰিকাৰ প্ৰথমখন সাপ্তাহিক আলোচনী।

## বিষয় জীৱন



ডঃ তপতী বৰুৱা কাশ্যপ

# পংখাম গাঁৱত কিছু সময়...

গাড়ীৰে যিমানেই সেউজীয়া পাহাৰৰ ঠেক ৰাস্তাটোৰে আগবাঢ়িছোঁ; সিমানেই মনটোও অধিক সেউজীয়া হৈ পৰিছে। একা-বেঁকা পাহাৰীয়া পথছোৱা, মাজে মাজে পাহাৰৰ ওপৰৰ পৰা বৈ অহা পানীৰ ধলে পথলৈ শিল-বালি আৰু ৰঙা-বোকা মাটি কঢ়িয়াই আনিছে। সেয়ে গাড়ীখন লাহে লাহে চলাব লগা হৈছে।

আমাক গাঁওখনলৈ লৈ যোৱা ছাত্ৰজনৰ নাম হৈছে ছালংগাৰ জমিৰ। তেওঁ নগালেণ্ড বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ। তেওঁ আমাক লৈ আহিছে, কাৰণ গাঁওখন তেওঁৰ চিনাকি, তেওঁৰ মতে গাঁওখনত বহুতো আকৰ্ষণীয় চাবলগীয়া ঠাই আছে।

সেয়ে আমি এই আও জনজাতিৰ গাঁওখনলৈ অহাৰ মূল উদ্দেশ্য



হৈছে— গাঁওখনত থকা শিলৰ উদ্যান, পুৰণি স্মৃতিস্তম্ভ, ওখ নিৰীক্ষণ টাৱাৰ, শিলেৰে তৈয়াৰী এখন অতি পুৰণি দলং আদি চোৱা।

এখন আটোমটোকাৰিকৈ ৰখা গাঁও। আমি প্ৰথমবাৰৰ বাবে এই গাঁওখনলৈ আহিছোঁ আৰু সেয়ে আমাক কৌতূহলে লগ এৰা নাই। গাঁওখনত উপস্থিত হোৱাৰ লগে লগে ছালংগাৰৰ এজন বন্ধু আমাৰ ওচৰলৈ আগবাঢ়ি আহিল, ল'ৰাজনৰ লগত পৰিচয় হ'লোঁ। নাম তেওঁৰ ৰংছেনমিৰেন। তেওঁ মুককচুং টাউনৰ (আওসকলৰ মতে মককচুং) এখন কলেজৰ ছাত্ৰ আৰু পৰীক্ষা শেষ কৰি বৰ্তমান গাঁৱৰ ঘৰত আছেহি।

তেওঁলোক দুজনে পোনপ্ৰথমে আমাক গাঁওখনৰ সোঁমাজত থকা নিৰীক্ষণ টাৱাৰটোলৈ লৈ গ'ল। টাৱাৰটোৰ ওপৰৰ পৰা নগা পাহাৰৰ দূৰৈৰ পাহাৰসমূহৰ লগতে দূৰৈৰ দয়াং নদীখনো সুন্দৰকৈ দেখিবলৈ পোৱা যায়। ওপৰৰপৰা সেই সৌন্দৰ্যৰ সোৱাদ লৈ যেতিয়া তললৈ নামি আহিলোঁ; তেতিয়া মন কৰিলোঁ যে গাঁওখনৰ ঘৰবোৰ বৰ শৃংখল। প্ৰতিঘৰ মানুহৰ ঘৰৰ সন্মুখত নানাৰঙৰ ফুলেৰে জকমকাই আছে। ক'তো কোনো হাই-উৰুমি নাই।

ইফালে-সিফালে খোজকাঢ়ি ঘূৰি আহি দেখিলোঁ— গাঁওখনৰ প্ৰখ্যাত শিলৰ বাগানখন, বহু বিশাল গছ-গছনিৰে আবৃত শিলৰ বাগানখন চাবলৈ আমি আগবাঢ়িলোঁ। ভিন ভিন ধৰণৰ, ভিন ভিন আকাৰৰ শিলসমূহ পৰি থকা ঠাইখনলৈ আমি খোজকাঢ়ি আগবাঢ়িলোঁ। অলপ ওপৰলৈ উঠি আকৌ অলপ তললৈ নমাৰ লগে লগে দেখিলোঁ— এখন শিলেৰে তৈয়াৰী সুন্দৰ দলং। দীঘল শিলৰ দলংখনৰ আনটো পাৰে বহু গছ-গছনি। সেয়ে আমি দলংখন পাৰ হোৱাৰ ইচ্ছা নকৰিলোঁ। গছ-গছনি আৰু ভিন ভিন আকৃতিৰ শিলবোৰ দূৰৈৰ পৰাই নিৰীক্ষণ কৰিলোঁ। মনতে ভাব হ'ল যে বাগিচাখন বহু পুৰণি, ৰংছেনমিৰেনে আমাক বাগিচাখনৰ লগত জড়িত পুৰণি আখ্যানটোৰ কথা ক'বলৈ আৰম্ভ কৰিলে। জনবিশ্বাস মতে, এডিবেন আৰু জিনা নামৰ দুগৰাকী প্ৰেমিক-প্ৰেমিকাই এই শিলৰ দলংখনৰ ওচৰতে বাস কৰিছিল, সেয়ে দলংখনৰ ওপৰত আৰু তলত তেওঁলোকৰ বোলে ভৰিৰ খোজো আছে। আও জনগোষ্ঠীৰ এই প্ৰেমিক-প্ৰেমিকা মপুনচুকেট নামৰ গাঁওখনৰ বাসিন্দা আছিল। অতীতৰ কোনোবা সময়ত এই শিলৰ দলংখনৰ তলত শিলাখণ্ডক ভগৱান হিচাপে মানি পূজা-অৰ্চনা আৰু বলি-বিধানো প্ৰচলন আছিল, সেই পূজা কৰা শিলাখণ্ডক 'টেকুলেম লং' বোলা হয়। আও জনগোষ্ঠীৰ লোকসকলে এই প্ৰেমিক-প্ৰেমিকাক ৰোমিঅ' আৰু জুলিয়েট বুলি আখ্যা দিয়ে।

আনহাতে, আওসকলে বিশ্বাস কৰে যে এই ঠাইখন হৈছে অতি পৱিত্ৰ ঠাই। মৃত্যু ঘটা লোকসকলৰ বাবে এই ঠাইখন অতিকৈয়ে প্ৰশান্তিৰ ঠাই। এই বিশেষ ঠাইখনতেই তেওঁলোকৰ আত্মাই কিছুদিনৰ বাবে জিৰণি লয় আৰু তাৰ পাছতহে স্বৰ্গলৈ উৰা মাৰে।

> এখন আটোমটোকাৰিকৈ ৰখা গাঁও। আমি প্ৰথমবাৰৰ বাবে এই গাঁওখনলৈ আহিছোঁ আৰু সেয়ে আমাক কৌতূহলে লগ এৰা নাই। গাঁওখনত উপস্থিত হোৱাৰ লগে লগে ছালংগাৰৰ এজন বন্ধু আমাৰ ওচৰলৈ আগবাঢ়ি আহিল, ল'ৰাজনৰ লগত পৰিচয় হ'লোঁ। নাম তেওঁৰ ৰংছেনমিৰেন।

শিলৰ বাগিচাখনত ইফালে-সিফালে ঘূৰি সৌন্দৰ্য উপভোগ কৰি কিছু সময় কটালোঁ, কেৱল নিৰ্জনতা আৰু নিৰ্জনতা, বলি থকা বতাহে সৃষ্টি কৰা গছৰ শুকান পাতৰ শব্দ আৰু দূৰৈত শুনিবলৈ পোৱা অচিনাকি চৰাইৰ মাতৰ বাহিৰে আন একো শব্দই শুনিবলৈ পোৱা নাযায়।

ৰংছেনমিৰেনে তাৰ পাছত আমাক লৈ গ'ল ওচৰতে থকা এখন স্মৃতি উদ্যানলৈ, ইমকংমেৰেন নামৰ এজন ব্যক্তিৰ স্মৃতিত স্থাপিত এখন সৰু উদ্যান আৰু লগতে আছে এটা স্মৃতিস্তম্ভ। ১৯৪৭ চনত যেতিয়া আংগামী জাপু ফিজোৱে নগাসকল ভাৰতবৰ্ষৰপৰা পৃথক পৃথক হোৱাৰ অৰ্থে নগা নেচনেল কাউন্সিল (এন এন চি) নামৰ সংস্থা গঠন কৰিছিল; তেতিয়া এই অঞ্চলৰে ইমকংমেৰেন নামৰ ব্যক্তিজন সেই সংস্থাৰ প্ৰথম উপ-সভাপতি হৈছিল।

আমি স্মৃতি উদ্যানখনৰ চৌদিশ ঘূৰি-পকি চালোঁ, লগতে আমি পশ্চিমফালে তলৰ দৈয়াং নদীৰ আবেলি বেলিৰ আভাৰে জিলমিলাই থকা সলিলৰাশি দেখিবলৈ পালোঁ, আৰু স্পষ্টকৈ ৱখা জিলাত অৱস্থিত দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ দৈয়াং বান্ধটো আৰু লগতে থকা হ্ৰদটো সুন্দৰকৈ দেখিবলৈ পালোঁ, অতি মনোমোহা সেই দৃশ্যৰাজি।

মুককচুং জিলাৰ দক্ষিণ-পশ্চিম দিশত থকা লংখাম গাঁওখন সাগৰপৃষ্ঠৰপৰা ১৮৪৬ মিটাৰ উচ্চতাত অৱস্থিত। গাঁওখনত প্ৰচুৰ পৰিমাণে শাক-পাচলি তথা ভিন ভিন খেতি হয়। প্ৰধানকৈ বিলাহী, আলু, জলকীয়া আৰু বন্ধাকবি আদিৰ খেতি হোৱা এই গাঁওখনক ৰাজ্যখনৰ শাক-পাচলি উৎপাদনৰ ক্ষেত্ৰত মূল ঘাটী ('ভেজিটেবল কেপিটেল অব্ নগালেণ্ড') বুলি আখ্যা দিয়া হয়। এখন বৃহৎ গাঁও হিচাপে পৰিগণিত হোৱা এই গাঁওখনৰ পশ্চিম দিশত এখন লোথা জনজাতিৰ গাঁও আছে আৰু দক্ষিণ দিশত ছুমি জনজাতিৰ গাঁও আছে। গাঁওখনৰ অনন্য সৌন্দৰ্য হৈছে ঘৰবোৰ অতি চাফ-চিকুণকৈ ৰখা হৈছে আৰু সন্মুখত ভিন ভিন বৰণৰ ফুল ফুলি থকা বাবে গাঁওখনত খোজকাঢ়ি ফুৰিবলৈ বৰ ভাল।

তেতিয়া আবেলিৰ বেলি লহিয়াইছিল। ঠাইখনৰ সৌন্দৰ্য চাই চাই এটা সময়ত ৰংছেনমিৰেন আৰু ছালংগাৰক ক'লোঁ— 'চাহ খাবৰ বৰ মন গৈছে। ক'ৰবাত চাহ খোৱা দোকান আছে নেকি?'

ৰংছেনমিৰেনে টপৰাই উত্তৰ দিলে— 'আমাৰ ঘৰলৈ বলক, মোৰ মায়ে চাহ কৰি খুৱাব।'

পৰিষ্কাৰকৈ ৰখা ঘৰটোলৈ সোমাই গ'লোঁ। আগফালে ভিন ভিন ৰঙৰ ফুলৰ শাৰী। প্ৰথমে পোৱা কোঠালিটো হৈছে— এখন সৰু দোকান, দোকানখনত বিস্কুট, বহী, পেঞ্চিল, ফলৰ ৰসৰ বটল আদি কিছুমান সামগ্ৰী সজাই থোৱা আছে। তেওঁ আমাক তাৰ ভিতৰৰ কোঠালিটোলৈ লৈ গ'ল।

কোঠালিটোৰ সোঁমাজত থকা পকাৰ চৌকাত মাকে ৰাতিৰ আহাৰ ৰান্ধি আছিল। আও ভাষাত সেই চৌকাটোক 'মি-মং' বুলি কোৱা হয়। দেউতাকে খেতিপথাৰৰপৰা আহি দুৱাৰখনৰ মুখতে এটা মুঢ়াত বহি জিৰণি লৈ আছিল। ৰংছেনমিৰেনৰ সৰু ভায়েক দুটাও কাষতে বহি আছিল। মাকে আমাক অতি সাদৰেৰে বহিবলৈ দিলে। আৰু অতি সুন্দৰকৈ আমাক চাহ কৰি খুৱালে। ৰংছেনমিৰেনে ক'লে— 'মায়ে দিনটো দোকানত বহি থাকে আৰু তাৰ মাজে মাজে ঘৰুৱা কাম-বনবোৰো কৰে।'

অতি তৃপ্তিৰে আমি চাহ খালোঁ। পৰিয়ালটোৰ আদৰ-আশ্বাসে আমাক অতিকৈয়ে সন্তোষ দিলে। তেওঁলোকৰপৰা বিদায় লোৱাৰ মুহূৰ্তত মই তেওঁলোকৰ সৰু দোকানখনৰপৰা কেইখনমান বহী আৰু পেন কেইটামান কিনিলোঁ। ৰংছেনমিৰেনে প্ৰথমে বস্তুকেইপদৰ দাম ল'বলৈ কুণ্ঠাবোধ কৰিছিল। জোৰ কৰি দিয়াতহে তেওঁ গ্ৰহণ কৰিলে।

বাহিৰলৈ ওলাই আহি তেওঁক সুধিলোঁ— 'তুমি ভৱিষ্যতে কি পঢ়িবা?'

অতি সহজতে উত্তৰ দি তেওঁ ক'লে— 'মই মুককচুঙত থকা থিয়'লজিকেল কলেজত পঢ়িবলৈ ইচ্ছা কৰিছোঁ।'

গাঁওখনৰপৰা ওলাই আহি মনতে ভাবিলোঁ— সঁচাকৈয়ে সেউজীয়া ধুনীয়া গাঁওখনৰ মানুহখিনিৰ মনবোৰো অতিকৈয়ে ধুনীয়া আৰু সহজ-সৰল।

*ফোন ঃ ৯৪৩৫৪-০৩৪৬২*

# অম্বিকাগিৰীৰ 'তুমি' আৰু আমাৰ বিচ্ছিন্নতা

ডঃ বিনীতা পাঠক

অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ অনন্য সৃষ্টি 'তুমি' কাব্য অসমীয়া কাব্য জগতৰ যুগমীয়া সম্পদ। অনেক যুগৰপৰা বিভিন্ন মনীষীয়ে এক পৰম সত্তাৰ অস্তিত্বৰ সন্ধান কৰি আহিছে আৰু বিশ্ব সাহিত্যৰ জৰিয়তে ইয়াৰ প্ৰকাশৰ বাট সাধাৰণজনৰ বাবে মুকলি কৰি দিছে। অম্বিকাগিৰী ৰায়চৌধুৰীয়ে বিশ্ব প্ৰকৃতিৰ সমস্ত প্ৰেমৰ ধাৰাৰ মাজেৰে সেই পৰম সত্তাৰ অস্তিত্ব অনুধাৱন কৰিছে আৰু তাৰ প্ৰকাশ ঘটাইছে 'তুমি' কাব্যৰ জৰিয়তে। কবিগৰাকীয়ে হৃদয়ত অনুভৱ কৰা এই অনুভূতিৰ বাবে মানৱীয় সম্পৰ্কৰ লগতে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ অৱলোকন কৰিছে গভীৰভাৱে। পাৰ্থিৱ জগতৰ মাজেৰে অপাৰ্থিৱ জগতখনক বিচাৰি হৃদয়ত অনুভূতিৰ গভীৰ একাত্মতাৰ ভাব থাকিব লাগিব। তেতিয়াহে তোমাতেই সকলোবোৰ বা সকলোতেই তুমি বুলি অনুভৱ কৰিব পাৰি; স্থূলদৃষ্টি এইক্ষেত্ৰত হেঙাৰ হৈ পৰিব পাৰে।

বৰ্তমান সময়ত প্ৰেমৰ হৃদয়বিদাৰক ৰূপ দেখি বাৰে বাৰে আশাহত হোৱাৰ বিপৰীতে; 'তুমি' কাব্যত কবিগৰাকীয়ে প্ৰেমিকাৰ প্ৰেমৰ মাজেদিয়েই ভগৱৎ প্ৰেমৰ সৈতে পৰিচয় কৰাই দিয়াৰ প্ৰয়াস কৰিছে। কি সেই অনুভূতি, কোনে সৃষ্টি কৰিলে সেই অনুভূতি— যি অনুভূতিয়ে জীয়াই থকা কালছোৱাত বিভিন্নজনক জীৱ আৰু জগতৰ বাবে শুভ কৰ্ম কৰিবলৈ প্ৰেৰণা দিয়ে। সেই প্ৰেৰণাই কবিক নিৰ্ভীক হৈ স্বদেশ-স্বজাতিৰ উত্তৰণৰ বাবে কাম কৰিবলৈ উৎসাহ যোগাইছিল। সাধাৰণ দৃষ্টিত প্ৰেমিকাৰ প্ৰেমময় ৰূপত দৈহিক প্ৰেমৰ আকৰ্ষণ থকা যেন লাগে যদিও কবিগৰাকীয়ে কিন্তু সেই প্ৰেমৰ মাজত তুমিৰূপী পৰম সত্তাৰ স্বৰূপ উপলব্ধি কৰিছিল। যিদৰে গুৰুজনাই কীৰ্তনত কৈ গৈছে—

অসন্ত জগত খান তোমাত উদ্ভৱ ভৈল
সন্ত হেন প্ৰকাশে সদায়।

ডেকা-গাভৰুৰ প্ৰেমৰ সম্মোহিনী ৰূপৰ মাজত ইন্দ্ৰিয়গ্ৰাহ্য বিলাসৰ স্বৰূপ প্ৰকাশ পায় যদিও; ৰাসক্ৰীড়াত লৌকিকতাক অতিক্ৰম কৰি অলৌকিক প্ৰেমৰ সম্ভেদ দিয়াৰ দৰেই যেন পাৰ্থিৱ প্ৰেমিকাৰ প্ৰেমে আধ্যাত্মিক প্ৰেমৰ পথ প্ৰশস্ত কৰিছে কবিৰ বাবে।

তুমি ডেকাৰ তৃপিতি ভোগ/ বেঢ়ি থকা ৰূপহীৰ কাষ।
সকলো তুমিয়েই নাথ!/জগতত দেখিছো যিমান
লোৱা এই অশ্ৰুটুপি/ ভেদি অহা মুগুধ পৰাণ।

ইন্দ্ৰিয়গ্ৰাহ্য এই প্ৰেমত মুগ্ধ হৈও কবি সেই স্তৰ অতিক্ৰমি ভগৱৎ প্ৰেমৰ স্তৰত প্ৰৱেশ কৰিছে। সকলো পৰমসত্তাময় হৈ পৰিছে কবিৰ দৃষ্টিত। সেইদৰে মাতৃৰ স্নেহ, পত্নীৰ স্নেহ, ভাই-ভনীৰ স্নেহৰ মাজতো ঈশ্বৰৰেই ৰূপ দৰ্শন কৰিছে। মাতৃৰ সুখৰ মূল সন্তানৰ মংগল কামনা।

তুমি পুত্ৰৰ মংগল হেতু/ অন্তৰৰ বীণখনি বাই,
মংগল আৰাধনা/ নিতে কৰা মৰমৰ আই।

সেইদৰে স্বামীৰ প্ৰতি পত্নীৰ প্ৰেমভৰা যি ত্যাগ আৰু আসক্তি তাক গভীৰভাৱে উপলব্ধি কৰি পত্নীৰ প্ৰেমৰ মাজতো তুমিৰূপী ঈশ্বৰক দেখিছে।

তুমি কত যতনেৰে ৰাখা/আঁতৰত দ্বন্দ্ব খৰিয়াল।
আপোন স্বামীক যাতে/থ'ব পাৰা সুখত বুৰাই

মাদকতাৰে ভৰা শৈশৱ কালৰ মধুৰ সম্পৰ্ক ভাই-ভনীৰ নিঃস্বাৰ্থ মৰমে জীৱনৰ বহু ঘাত-প্ৰতিঘাত সহিবলৈ শক্তি প্ৰদান কৰে। সেই সম্বন্ধৰ পৱিত্ৰতাত তথা সৰলতাত যেন তুমিৰূপী ঈশ্বৰ বিৰাজমান। আৰু সেই সৰল প্ৰেমৰ বান্ধোনৰ সৃষ্টিকৰ্তাও তুমিৰূপী পৰমসত্তাই। প্ৰকৃতিৰ অপৰূপ ৰূপ-সৌন্দৰ্যই চিৰদিন মানুহৰ মনোজতত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰি আহিছে। প্ৰকৃতিৰ জৰিয়তে মানৱসত্তা বিশ্বব্ৰহ্মাণ্ডৰ সৈতে সংযোগিত হৈ পৰে। দৰাচলতে জীৱকুললৈ প্ৰকৃতিৰ সমস্ত সম্ভাৰ ঈশ্বৰৰেই অৱদান। গতিকে প্ৰকৃতিৰ সৰ্বত্ৰ সেই শক্তি ব্যাপ্ত।

তুমি বিলাসিনী প্ৰকৃতিৰ/বুকুভৰা সীমাহীন তত্ত্ব!
তোমাৰে তৃপ্তিৰ হেতু/থাকা তুমি তাত মহামত্ত।

যিদৰে গুৰুজনাই কীৰ্তনত উল্লেখ কৰিছে—
দশ দিগপাল সমে জগত সমস্ত।
তোক্ষাতেসে উপজে তোক্ষাতে যায় অন্ত।

সমস্ত জগতত মানুহে শান্তিৰ সুধা বিচাৰি হাহাকাৰ কৰি ফুৰে; কিন্তু সেই শান্তিৰ সুধা ঈশ্বৰে প্ৰতিখন হৃদয়ত সিঁচি ৰাখিছে। যেতিয়া কপট বাসনা আঁতৰিব তেতিয়াই চৌদিশৰ প্ৰকৃতিৰ ফালে চাই জীৱনৰ মূলমন্ত্ৰ অনুধাৱন কৰিব পাৰিম। কিদৰে প্ৰকৃতিয়ে পোৱা-নোপোৱাৰ সীমাৰ পৰা ঊৰ্দ্ধত উঠি কাৰনো সুৰত বিভোৰ হৈ আছে; সেয়া অনুভৱ কৰাৰ লগে লগে আমাৰ অন্তৰবোৰো শান্তিৰ পৰশেৰে পূৰ্ণ হৈ পৰিব। ইয়াৰ বাবে ভোগসৰ্বস্ব প্ৰেমানুভূতিক ত্যাগ কৰিব লাগিব। তেতিয়া প্ৰেমৰ বিৰাটৰূপ ধৰা পৰিব।

কামনাৰ তলতীয়া/কামনাৰ মতলীয়া
সেই প্ৰেম মহা পৰাধীন/ইন্দ্ৰিয় ভোগৰ।

'তুমি'ৰূপী পৰমশক্তিৰেই সৃষ্টি 'মই'ৰূপী জীৱৰ। আৰু এই মইৰ দ্বাৰাই কবিতাটিত বন্দনা কৰা হৈছে তুমিৰ। ঈশ্বৰৰ সৃষ্টিতেই ঈশ্বৰ মোহাচ্ছন্ন। যিদৰে শিশু এটিয়ে ধেমালিতে নিজে সজা বালিঘৰৰ সৌন্দৰ্যত নিজেই মোহিত হয়। তেতিয়াই সৃষ্টিকৰ্তা আৰু সৃষ্টি অভিন্ন হৈ পৰে। ঈশ্বৰ আৰু মইৰ মাজৰ অভিন্ন সম্পৰ্ক জানিবলৈও আমি প্ৰকৃতিক নিবিড়ভাৱে ভাল পাব লাগিব।

নিজক বিলাই দিব/তাতেই নিজক পাব/প্ৰাণৰ মাজত
নিজক দিলেহে এৰি/প্ৰাণৰ আপোন হ'ব/ সকলো বিশ্বত।


মইহীন হ'লে এই বিশ্ব প্ৰকৃতিৰ ৰূপত মোহিত হৈ কোনেনো তুমিৰূপী পৰমশক্তিৰ আৰাধনা কৰিলেহেঁতেন। গতিকে মইৰ মাজেৰেই কবিয়ে তুমিৰ অনুভৱ কৰাৰ দৰে; আমিও যদি চেতনাৰ স্তৰৰ উত্তৰণ ঘটাব পাৰোঁ, তেতিয়া হয়তো বিশ্বপ্ৰেমৰ ভাবনা আমাৰ সকলোৰে অন্তৰত জাগি উঠিব। কাৰণ সকলোৰে সৃষ্টিকৰ্তা সেই একেই শক্তিৰ ধাৰা, কোননো কাৰ সৈতে পৃথক।

*ফোন ঃ ৭০০২৬ ০৪৫১২*

# এটা নিউজ... এখন বজাৰ... এবিধ পণ্য...

**জুবিন গাৰ্গ**

ইলোৰা গোস্বামী



এই যে এতিয়া জুবিন গাৰ্গৰ অবৰ্তমানত সকলোৱে কান্দিছে, সকলোৱে কৈছে, 'তেওঁ নিজৰ যত্ন ল'ব লাগিছিল', 'তেওঁক অলপ বিশ্ৰামৰ প্ৰয়োজন আছিল'। তেওঁ জিয়াই থাকোঁতে কিমানজনে কৈছিল এই কথা? কিমানজনে বিচাৰিছিল তেওঁ বিশ্ৰাম লওক বুলি? কিজানি এমুঠিমান! যিয়ে তেওঁক 'মাত্ৰ ভাল পাইছিল।' কোনো স্বাৰ্থ অবিহনে। যাৰ কোনো ধৰণৰ লাভ-লোকচানৰ হিচাপ নাছিল তেওঁৰ সৈতে। অন্য বহুতৰ বাবে জুবিন গাৰ্গ আছিল এবিধ পণ্য। এটা নিউজ আৰু এখন ৰমৰমীয়া বজাৰ।

আজি তেওঁৰ মহাপ্ৰয়াণৰ পাছত এইবোৰ শব্দ প্ৰয়োগ কৰিবলৈ লৈ হাতখন কঁপিছে। চকুহাল উপচি পৰিছে। কিন্তু এইবোৰ কথা নোকোৱালৈকে অশান্তিত ছট্‌ফটাই আছোঁ। সঁচা কথা ক'বলৈ হ'লে তেওঁৰ মৃত্যুৱে কন্দুৱাৰ লগতে তেওঁৰ জীৱনটোৱেও মোক বৰকৈ কন্দুৱায়। কাৰোবাক বৰ গভীৰভাৱে ভাল পালে বা সূক্ষ্মভাৱে বুজি পালে এনে কষ্ট হয়... এয়াই চাগে' সত্য!

তেওঁৰ ব্যক্তিগত জীৱনটোৰ সংঘাতবিলাক বুকুত লৈ তেওঁ মাত্ৰ দি গ'ল... মাত্ৰ দি গ'ল ...একোৱে নাছিল নিজৰ বুলিবলৈ ...একোৱে লৈ নগ'ল আজানা সেই পৃথিৱীখনলৈ। লৈ গ'ল তেওঁক বুকু ভৰি ভালপোৱা অগণন জনতাৰ মৰম, সন্মান আৰু কাহানিও নুশুকুৱা চকুপানী... বহুত কষ্ট হয় তেওঁক গভীৰভাৱে বুজিবলৈ গ'লে— তেওঁৰ চকুৰ কাৰুণ্য-অব্যক্ত বেদনা... কিবা এটা ৰিক্ততা... বিষাদ... প্ৰৱঞ্চনা... একাকীত্ব... কেতিয়াবা অসতৰ্ক মুহূৰ্তত কান্দি পেলোৱা তেওঁ... বেছিকৈ ভাবিব নোৱাৰি... সদায় বিতৰ্ক। তেওঁৰ ভৰিৰপৰা মূৰলৈ বিতৰ্ক। তেওঁ মুখ খুলিলেই বিতৰ্ক। অসতৰ্ক হৈ মনলৈ যি আহে কৈ দিয়ে তেওঁ। কোৱাৰ আগতে এবাৰো নাভাবে। কাৰো কথা নুশুনে। একেবাৰে অসংযত অৱস্থাতো তেওঁৰ মুখৰ আগত 'বুমৰ' ভিৰ। দেশ-ৰাজনীতি-সমাজ-প্ৰকৃতি। যিকোনো বিষয়ৰ উত্তৰ লাগে। মন্তব্য লাগে জুবিন গাৰ্গৰ পৰা। তেওঁলোকে আশা কৰে যেন বেছ কিছুদিনৰ 'যোগাৰ' পাই যায় তেওঁৰ মুখৰপৰা ওলোৱা মন্তব্যকেইটাৰ পৰা। তেওঁলোকে আশা কৰাৰ নিচিনাই হয়। জুবিন গাৰ্গে অদ্ভুত এটা মন্তব্য দি দিয়ে আৰু সেইটো সংগ্ৰহ কৰি মহা আনন্দৰে উভতে সাংবাদিকসকল। প্ৰকৃত নিউজ জুবিন গাৰ্গ। ব্ৰেকিং নিউজত সেইটো অহাৰ পাছত বিভিন্নজনৰ গালি-অপমানজনক প্ৰত্যুত্তৰ বিচাৰি ব্যস্ততা। মুঠতে বেছ কিছুদিনলৈ চিন্তা নাই। সংবাদ মাধ্যমৰ সৈতে ইমান বছৰে জড়িত হৈ থকাৰ সূত্ৰে জানো, ২৪×৭ চেনেল চলোৱা কিমান অসুবিধা! সদায় নিউজ লাগে, নতুন নতুন। তাতে চেনেলৰ ইমান ভিৰ! ব্ৰেকিং নিউজ কোনে চাব? মচলা লাগে। অপৰাধ, ৰাজনীতি, দুৰ্নীতি, যৌন কেলেংকাৰীৰ নিউজবোৰৰ বজাৰ ভাল। কিন্তু সেইবোৰ ফিক্সড নহয়। কিন্তু জুবিন গাৰ্গৰ বজাৰ সকলোৰে ওপৰত। নিশ্চিত নিউজ। নিঃসন্দেহে বিতৰ্কিত। মাত্ৰ তেওঁ ঘৰৰ বাহিৰ ওলালেই হ'ল। আৰু ভালকৈ সুৰাপান কৰিলেই হ'ল। বিভিন্ন শ্ৰেণীৰ মানুহৰ যে গালি খুৱালে তেওঁক! কিয়? বজাৰখন চলাবলৈ। লাভ কৰিবলৈ। আৰ্থিক লাভ। তেওঁক বৰকৈ ভালপোৱা সৰল কিছুমান মানুহে মনত আঘাত পাই চেনেলবিলাকক অনুৰোধ কৰে, 'আপোনালোকে এইবোৰ কথা নুসুধিবচোন' ... বেচেৰাহঁতে বুজিয়েই নাপায়। তেওঁৰ বিষয়ে কটু মন্তব্য, গালিবিলাকৰ বাবে দুখ প্ৰকাশ কৰি নিউজ কৰাৰো উদ্দেশ্য যে বজাৰ। তেতিয়াও কৈছিলোঁ; আজিও ক'ম। কিমানটা বিতৰ্কিত মন্তব্য তেওঁ প্ৰেক্ষক মাতি আনি দিছে! তেওঁ কেমেৰাক মাতিছে ওচৰলৈ। তেওঁৰ অপ্ৰস্তুত সময়তো প্ৰসংগবিহীন কথা কিয়? কিয় সকলো প্ৰশ্নৰে উত্তৰ দিব লাগিব তেওঁ? তেওঁৰ ভৰিৰ দুপাট বেলেগ বেলেগ জোতা। কেতিয়াবা মঞ্চৰ এচুকত গৈ খাই অহা চাধা। কেতিয়া ঢলং-পলংকৈ নিজৰ গাড়ীখনলৈ খোজ লোৱা জুবিন। কথাৰ লাগ-বান্ধ নাই। মানুহক সন্মান কৰিব নাজানে। সাজ-পোছাকৰ লাগ-বান্ধ নাই। গোটেই দিনটো মাত্ৰ শুয়েই থাকে। এটা এটা অনুষ্ঠানৰ নামত বিশাল ধন লয়। সময়ৰ কোনো ঠিকনা নাই।... আৰু ক'ত কি? এয়াই পৰিচয় আছিল জুবিন গাৰ্গৰ বিৰুদ্ধে জীৱন কালত তেওঁৰ। সেয়ে বহু মানুহে তেওঁৰ পৰা দূৰত থকা উচিত বুলি বিবেচনা কৰিছিল। 'মই আপোনাৰ ঘৰলৈ যাম' বুলি তেওঁ আগ্ৰহ কৰা দুই-এক বিদ্বান পৰিয়ালে শংকিত হয়, তেওঁ অহাটো বিচৰা নাছিল। মুঠতে 'বেড বয়' জুবিন গাৰ্গ! বহু মানুহৰ বাবে। কাৰণ সেইটো জুবিন গাৰ্গ, সহজে বিক্ৰী কৰিব পাৰে সকলোৱে। তেওঁ যদি অন্য শিল্পী-গায়ক আদিৰ দৰে সাজ-পোছাক পিন্ধে, তেওঁ যদিও সুৰা পান নকৰি সংযত অৱস্থাত থাকে, তেওঁৰ কথা-বতৰাত তেওঁৰ জ্ঞানৰ প্ৰকাশ হয়, কি লাভ হ'ব বজাৰ চলোৱাসকলৰ!

২০২৫ চনৰ কালিকা লগা ১৯ ছেপ্টেম্বৰৰ পাছত যিবিলাক ভিডিঅ', খবৰ, তেওঁৰ প্ৰকৃত মানুহজনৰ বতৰা, প্ৰকৃতি, জীৱ-জন্তু, অসহায় মানুহখিনিৰ বাবে হাহাকাৰ কৰা জুবিন গাৰ্গজনৰ পৰিচয় ৰাজহুৱা হৈছে, সেইবোৰ ইমান বছৰে ক'ত লুকাই আছিল? হাজাৰজন মানুহক তেওঁ তেজক পানী কৰি উপাৰ্জন কৰা ধন বিলাই দি আছিল বুলি কিমান মানুহে জানিছিল? সংবাদ মাধ্যমক বাদ দিলে বাৰু, কিন্তু যিবিলাক মানুহে ফেচবুকত তেওঁলোকৰ ওচৰত থকা এই তথ্য বা ভিডিঅ'বোৰ এতিয়া ৰাজহুৱা কৰিছে, আগতে কৰা নাছিল কিয়? তেওঁক সকলোৱে 'বেয়া মানুহ' বুলি গণ্য কৰি গালি পৰাৰ সময়ত, তেওঁ জীৱন দান দিয়া মানুহবোৰে প্ৰতিবাদ কৰা নাছিল কিয়? নে তেওঁৰ মৃত্যুলৈ অপেক্ষা কৰি আছিল তেওঁলোকেও। তেওঁ বিশ্ব সাহিত্য পঢ়িছে, কিতাপ পঢ়া তেওঁৰ অন্যতম চখ, দেশী-বিদেশী ভাল চলচ্চিত্ৰৰ তেওঁ ৰসিক, তেওঁ অবাবতে সময় নষ্ট কৰি থকা হ'লে বিভিন্ন ভাষাত ৪০ হাজাৰ গান গোৱাটো, হাজাৰটা গান নিজে ৰচনা কৰাটো, নিজে সুৰ দিয়াটো, বিগ বাজেটৰ অসমীয়া ভাষাৰ চলচ্চিত্ৰ নিৰ্মাণ কৰাটো, সংগীত-কণ্ঠ-মূল চৰিত্ৰ নিজে ৰূপায়ণ কৰাটো, প্ৰীতি ফুটবল খেলি দুখীয়া-ৰুগীয়াৰ বাবে পইচা গোটোৱাটো, প্ৰকৃতি, জীৱ-জন্তুৰ বাবে মাত মতাটো, নিশা উজাগৰে মঞ্চই মঞ্চই গীত গাই ফুৰাটো, সৃষ্টিৰ তাড়নাই নিদ্ৰা আৰু সুস্থিৰতা কাঢ়ি নিয়াটো যে সম্ভৱ নহ'লহেঁতেন— ইয়াৰ আগতে কিমানজনে বুজি উঠিছিল... তেওঁৰ ওচৰত থাকিলে বহুত সুবিধা, তেওঁৰ একেবাৰে ওচৰত থকাকেইজনে তেওঁক টানি ফুৰিছিল। কাৰণ তেওঁ জিৰণি ল'লে সিহঁতৰ বজাৰ নচলে, যিমান পাৰে গান গাব লাগে, সুৰ কৰিব লাগে, কিবা উদ্বোধন কৰিব লাগে, বিজ্ঞাপন, ষ্টুডিঅ' নৱীকৰণ, তেওঁক মান্তি কৰাব লাগে। বেংকত নহয়, নগদ ধন লয় তেওঁ। নিশা গভীৰ হোৱাৰ লগে লগে সুৰাৰ ৰাগি বাঢ়ে। পইচাৰ হিচাপ কোনে ৰাখে, তেওঁৰ গাতে লাগি থকাসকলে দেখিছে কিদৰে টকাবোৰ তেওঁৰ গাতে লাগি থাকে। তেওঁ চলিলেই সৰি সৰি পৰে। সেয়ে তেওঁ চলি থাকিব লাগিব। কাম কৰি থাকিব লাগিব। কিন্তু সুস্থিৰ হৈ থাকিব নালাগিব। তেওঁৰ আটাইতকৈ বিশ্বাসী বুলি পতিয়ন নিয়াবলৈ সক্ষম হোৱা সিহঁতবোৰৰ বিশ্বাসঘাতকতাবোৰ গম পাব নালাগিব।

সেই যে তেওঁ যুৱ প্ৰতিভা হৈ জিলিকি উঠা দিনটো, তেতিয়াৰপৰা তেওঁৰ নামত চলি আছে এই বিশাল বজাৰখন। তেওঁক পণ্যৰূপে কোনে কিমান ব্যৱহাৰ কৰিব পাৰে, তাৰেই অঘোষিত প্ৰতিযোগিতা এখন চলি আছে। তেওঁৰ ৰহস্যময় মহাপ্ৰস্থানৰ পাছত সেই বজাৰখনৰ আৰু বেছি দাম উঠিছে। এইবাৰ একেবাৰে নতুন আৰু সৰু-সুৰা ব্যৱসায়ীয়েও এইখন বজাৰত প্ৰৱেশ কৰিছে। লাভজনক ব্যৱসায়। তেওঁৰ জীৱন্ত কালৰ বজাৰখনতকৈও শক্তিশালী দামী মৃত কালৰ বজাৰখন। কিছুদিন পাছতে তেওঁৰ মৃত্যুৰ ৰায়দান হ'ব বুলি চিন্তিত হৈছে কোনোবা। নাই... তেওঁ পৃথিৱীলৈ আহিছিলেই সকলোকে কিবা নহয় কিবা এটা দিবলৈ... কোনোবাই বেয়া পাম বুলি ক'লৈই মৰমবোৰ হেৰুৱাৰ শংকা লৈ... আৰু এখন বজাৰ সাজু হৈছে... তেওঁৰ অবৰ্তমানত বুকু শুদা হোৱা মানুহবোৰক কন্দুৱাবলৈ সুৰৰ বজাৰ— কষ্ট হৈছে... তেওঁক বৰকৈ ভালপোৱাৰ কষ্ট... তেওঁক গভীৰভাৱে বুজি পোৱাৰ কষ্ট... তেওঁ ক'ৰবাত হঠাতে হেৰাই যোৱাৰ কষ্ট...।

*ফোন ঃ ৯৫১১৮-১৩৫২৬*

## বৰপেটা প্ৰেছ ক্লাবত সংবাদমেলত ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্টৰ বলেন বৈশ্য

# কেন্দ্ৰৰ ভুল নীতিৰ বাবে বাংলাদেশৰ আগ্ৰাসী ৰূপ




**দৈনিক অসমৰ প্ৰতিনিধি**
**বৰপেটা, ২০ ডিচেম্বৰ ঃ** ভাৰত চৰকাৰৰ ভুল বিদেশ নীতিৰ বাবেই বাংলাদেশে আগ্ৰাসী ৰূপ ধাৰণ কৰিবলৈ সাহস পাইছে বুলি মন্তব্য কৰিছে হিন্দু ফ্ৰণ্টৰ ৰাজ্যিক সভাপতি বলেন বৈশ্যই। আজি দুপৰীয়া বৰপেটা প্ৰেছ ক্লাবত অনুষ্ঠিত এক সংবাদমেলত এই মন্তব্য কৰে হিন্দু ফ্ৰণ্টৰ সভাপতিগৰাকীয়ে। সংবাদমেলত জানিবলৈ দিয়া অনুসৰি, ভাৰত চৰকাৰে বাংলাদেশৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিদেশ নীতিৰ ভুলৰ বাবেই আজিৰ বাংলাদেশে মুকলিকৈ ভাৰতৰ বিৰুদ্ধে থিয় দিবলৈ সাহস কৰিছে। পাকিস্তানৰপৰা পূব পাকিস্তানক আজুৰি আনি বাংলাদেশৰ জন্ম দি স্বাধীনভাৱে বিনাচৰ্তে থিয় হ'বলৈ সুবিধা কৰি দিয়াটো ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ ঐতিহাসিক ভুল আছিল। বৰপেটা প্ৰেছ ক্লাবত আয়োজিত সংবাদমেলত ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্ট, অসমৰ সভাপতি বলেন বৈশ্যই আৰু কয় যে বাংলাদেশক স্বাধীন কৰি তোলাৰ সময়ত যদি ৰংপুৰৰ চিটাগং নিজৰ দখললৈ আনিলেহেঁতেন, তেনেহ'লে আজি 'চিকেন নেক'ৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰপৰা বিচ্ছিন্ন কৰাৰ ধমকি বাংলাদেশ বা বাংলাদেশীয়ে দিব নোৱাৰিলেহেঁতেন আৰু অসম, উত্তৰ-পূৰ্বাঞ্চল বা ভাৰতো এই শংকাত ভুগিবলগীয়া নহ'লহেঁতেন বুলি বৈশ্যই মন্তব্য কৰে। বাংলাদেশত নিৰন্তৰভাৱে হিন্দুৰ ওপৰত অত্যাচাৰ চলি থকাৰ পাছতো ভাৰত চৰকাৰ উদাসীন হৈ থকাত আশ্চৰ্য প্ৰকাশ কৰিছে। বাংলাদেশে নিজৰ মাটিত ভাৰতবিৰোধী চীন-পাকিস্তানক ঘাটি স্থাপন কৰিবলৈ দিয়াৰ উপৰি অসম, উত্তৰ-পূৰ্বাঞ্চলৰ বিচ্ছিন্নতাবাদী সংগঠনসমূহক ঘাটি স্থাপনৰ সুবিধা দি ভাৰতক অশান্ত কৰাৰ পৰিকল্পনা কৰাৰ পাছতো ভাৰতে অহেতুক বাংলাপ্ৰীতি প্ৰদৰ্শন কৰি থকাটোৰে মাৰাত্মক ভুল হোৱা বুলি বৈশ্যই সাংবাদিকৰ আগত মন্তব্য কৰে। একেখন সংবাদমেলতে বৈশ্যই কংগ্ৰেছৰ দিনত সম্পন্ন কৰা ভাৰত-বাংলা ভূমি হস্তান্তৰ চুক্তিখন মোডী চৰকাৰৰ দিনত কাৰ্যকৰী কৰা ঘটনাৰো কঠোৰ ভাষাৰে সমালোচনা কৰে। অসমত থকা প্ৰায় ডেৰ কোটি মুছলমানৰ ৯০ শতাংশই বংগমূলীয় মুছলমান আৰু বাংলাদেশে ভাৰতৰ বিৰুদ্ধে চলোৱা এই আগ্ৰাসী পদক্ষেপৰ সমৰ্থক বুলিও বৈশ্যই আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰে। সংবাদমেলত ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্টৰ ৰাজ্যিক সভাপতি বলেন বৈশ্যৰ উপৰি উপস্থিত থাকে উপ-সভাপতি কিশোৰ ডেকা, সংযোজক অধিবক্তা বিপ্ৰদীপ দেৱ, বিত্ত সম্পাদক দীনেশ গোৱেংকা, ৰাজ্যিক সম্পাদক কাঞ্চন দেৱনাথ, বৰপেটা জিলাৰ সভাপতি মুকুট ৰঞ্জন দাসৰ লগতে জিলা বিষয়ববীয়াসকল উক্ত অনুষ্ঠানত উপস্থিত থাকে।

# মন্ত্ৰীগোটৰ মডেলিটী প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ, সংসদত উত্থাপনৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি**
**তামাৰহাট, ২০ ডিচেম্বৰ ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা মডেলিটী প্ৰতিবেদন আৰু প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ আৰু আগন্তুক বাজেট অধিৱেশনত সদনত উত্থাপন কৰাৰ দাবীত কোচ ৰাজবংশী জনগোষ্ঠীৰ বিভিন্ন জাতীয় দল-সংগঠনৰ ১১জনীয়া সঁজাতী দল এটাই ১৫ ডিচেম্বৰৰ পৰা দিল্লীত বাহৰ পাতি আছে। জানিব পৰা মতে, কোচ ৰাজবংশী জনগোষ্ঠীৰ উক্ত সঁজাতী দলটোৱে যোৱা ১৫ ডিচেম্বৰত বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী আৰু দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ তথা অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াক সাক্ষাৎ কৰি মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদন, প্ৰস্তাৱ আৰু ৰাজবংশী ভাষাক সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্তিৰ দাবীত পৃথকে পৃথকে একোখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰে। সেইদৰে ১৬ ডিচেম্বৰত সাংসদ প্ৰদান বৰুৱা, ১৭ ডিচেম্বৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ১৮ ডিচেম্বৰত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম, ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক নীতিন এনটনিক সাক্ষাৎ কৰি একেটা দাবীৰ সমৰ্থনত পৃথকে পৃথকে স্মাৰকপত্ৰ প্ৰদান কৰে। তদুপৰি জানুৱাৰী মাহত অনুষ্ঠিত হ'বলগীয়া বাজেট অধিৱেশনত জনজাতিকৰণৰ বিলখন উত্থাপন কৰাৰ লগতে পাছ কৰাৰ বাবেও দাবী জনায়। উক্ত ১১জনীয়া সঁজাতী দলটোত আছে কোচ ৰাজবংশী সাহিত্য সভাৰ সম্পাদক পিনাকী ৰায়, সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক ৰাণাদিত্য কুমাৰ বৰ্মন, কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি নাৰায়ণ কুমাৰ মেধিৰ লগতে কোচ ৰাজবংশীৰ জাতীয় দল-সংগঠনৰ আন আঠগৰাকী নেতৃস্থানীয় ব্যক্তি।




## লেখিকা সংস্থাৰ যোৰহাট শাখা-সংস্কৃতি প্ৰকাশৰ যৌথ উদ্যোগ

# যোগমায়া গগৈৰ কাব্যগ্ৰন্থ 'সূৰ্যমুখী হোৱাৰ হেঁপাহ' উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**
**যোৰহাট, ২০ ডিচেম্বৰ ঃ** লেখিকা সংস্থা অসম, যোৰহাট শাখা লেখিকা সংস্থা আৰু সংস্কৃতি প্ৰকাশৰ যৌথ উদ্যোগত লেখিকা সংস্থা অসমৰ প্ৰাক্তন সভাপতি, বৰ্তমান উপদেষ্টা, জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখিকা কাব্যপ্ৰভা যোগমায়া গগৈৰ গ্ৰন্থ উন্মোচনী সভাখন যোৰহাট চেণ্ট্ৰেল ক্লাবত সম্পন্ন হয়। লেখিকা সংস্থা অসমৰ সভাপতি মামণি গগৈ বৰুৱাই সভাপতিত্ব কৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে সংস্কৃতি প্ৰকাশৰ স্বত্বাধিকাৰ চৈয়দ পাৰভিজ হুছেইনে। অনুষ্ঠানৰ আৰম্ভণিতে যোৰহাট জিলা কবি সন্মিলনৰ সভাপতি ডঃ পৰাণ বৰুৱাই এগছি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটি শুভাৰম্ভ কৰে। ইয়াৰ পাছতে শাখাৰ সাংস্কৃতিক সম্পাদক ৰুণু গোস্বামীয়ে এটি বৰগীত পৰিৱেশন কৰাৰ লগতে সদস্যসকলে সমবেত সংগীতো পৰিৱেশন কৰে। যোগমায়া গগৈৰ 'সূৰ্যমুখী হোৱাৰ হেঁপাহ' (কবিতা সংকলন) উন্মোচন কৰে বিশিষ্ট কবি-সমালোচক তথা মৰিয়নি মহাবিদ্যালয়ৰ অধ্যাপক ডঃ কুমুদ ঘোষে, 'সমকালীন দহটা বাংলা গল্পৰ অসমীয়া অনুবাদ' (অনুবাদ গল্প সংকলন) উন্মোচন কৰে বিশিষ্ট সাহিত্যিক-আলোচক-গৱেষক ডঃ ৰাজশ্ৰী হাজৰিকাই। আনহাতে 'স্বপ্নত বিভোৰ' (কবিতা সংকলন) উন্মোচন কৰে কবি-সাহিত্যিক-আবৃত্তি ৰত্ন ডঃ গীতিমণি হাতীমূৰীয়াই। যোৰহাট শাখা লেখিকা সংস্থাৰ সভাপতি ডঃ নমিতা চুতীয়া শইকীয়াই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত গ্ৰন্থকাৰ যোগমায়া গগৈ, বন্তি প্ৰজ্বলক ডঃ পৰাণ বৰুৱা আৰু লেখিকা সংস্থা অসমৰ কাৰ্যকৰী সভাপতি হেমপ্ৰভা তাছায়ো মঞ্চৰ আসন শুৱনি কৰে। গ্ৰন্থ উন্মোচনী সভাখনত লেখিকাৰ নাতিনী আলফুল গগৈ আৰু শিশু লেখক অদিভিৎ বৰাই গীত-কবিতা পৰিৱেশন কৰাৰ উপৰি সমজুৱাৰ ফালৰ পৰা বিশিষ্ট সমাজসেৱিকা এলিজা বেগম, নিজৰা লাহন আৰু আৰতি গোস্বামীয়ে বক্তব্য আগবঢ়ায়। জাতীয় সংগীতেৰে সামৰণি পৰা সভাত শাখাৰ সম্পাদক মৃদুমণি ফুকনে শলাগৰ শৰাই আগবঢ়ায়।

১ পৃষ্ঠাৰ পৰা

# সেউজ বিপ্লৱেৰে ডিব্ৰুগড়ৰ কৃষক সঞ্জীৱ কুমাৰ শৰ্মাৰ চমক

স্বাৱলম্বিতাৰ নিদৰ্শন। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ লৰুৱা মৌজাৰ মটক গাঁৱৰ সঞ্জীৱ কুমাৰ শৰ্মাই প্ৰায় ১০ বিঘা মাটিত জৈৱিকভাৱে ৫৬ বিধৰো অধিক শাক-পাচলি আৰু ফল-মূলৰ খেতি কৰি বিভিন্ন বজাৰ দখল কৰিছে। কৃষিকৰ্ম আৰু অধ্যয়নৰ সম-নিয়মানুৱৰ্তিতা অটুট ৰাখি সঞ্জীৱ কুমাৰ শৰ্মাই ১৯৮১ চনত ডিব্ৰুগড় সমবায় সমিতিত সহকাৰী গাণনিক বিষয়া হিচাপে যোগদান কৰিছিল আৰু ২০১৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সহকাৰী পঞ্জীয়ক হিচাপে নিযুক্তি লাভ কৰি ২০২০ বৰ্ষত অৱসৰ গ্ৰহণ কৰে। উল্লেখনীয় যে সাম্প্ৰতিক সময়ত হাজাৰ হাজাৰ নিবনুৱাই চাকৰিৰ আশাত বহিঃৰাজ্যলৈ ঢাপলি মেলিবলগীয়া হৈছে, ঠিক তেনে সময়তে বৰবৰুৱাৰ জামিৰা মটক গাঁৱৰ সঞ্জীৱ কুমাৰ শৰ্মাৰ জৈৱিক কৃষিকৰ্মই বহু নিবনুৱা যুৱকক কৃষিৰ প্ৰতি আকৰ্ষিত কৰি তুলিছে। শৰ্মাই লাই, লফা, পালেং, মূলা, বাবৰি, ধনিয়া, ফ্ৰেন্স বীন, মটৰ, ডাংবড়ি, উৰহী, লাউ, ৰঙালাউ, বিলাহী, বেঙেনা, জলকীয়া, ওলকবি, বন্ধাকবি, ফুলকবি, বীট, গাজৰ আদি ৰবিশস্যৰ খেতিৰ উপৰি উদ্যানশস্যৰ হালধি, আদা, বিভিন্ন প্ৰজাতিৰ কল, জালুক, পাণ, থলুৱা প্ৰজাতিৰ অমিতা, তামোল, কুঁহিয়াৰকে ধৰি কঁঠাল, বৰথেকেৰা, মিৰিকা টেঙা, নগাটেঙা, মধুৰি, ৰবাব টেঙাৰ উপৰি বিশেষভাৱে কাজিনেমুৰ খেতি জৈৱিক কৃষি পদ্ধতিৰে কৰি সেউজ বিপ্লৱৰ সূচনাৰে নিবনুৱাৰ বাবে আদৰ্শস্বৰূপ হৈ পৰিছে। প্ৰায় ৫৬ বিধ বিভিন্ন প্ৰজাতিৰ শাক-পাচলি, ঔষধি গুণসম্পন্ন উদ্ভিদ, উদ্যানশস্য, ৰবিশস্যৰ খেতিৰ লগতে ফল-মূলৰ বিভিন্ন প্ৰজাতিৰ গছসহ মুঠ এশ এঘাৰবিধ (১১১) উদ্ভিদ শৰ্মাই জৈৱিক পদ্ধতিৰে ৰাসায়নিক দ্ৰব্য-সাৰ প্ৰয়োগ নকৰাকৈ উন্নতমানৰ উৎপাদন পাবলৈ সক্ষম হৈছে। প্ৰধানকৈ গোবৰ আৰু জৈৱিক সাৰ প্ৰয়োগ কৰি সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশৰ মাজত কৃষক সঞ্জীৱ কুমাৰ শৰ্মাই জৈৱিক খেতি কৰি ডিব্ৰুগড় জিলাখনত সেউজ বিপ্লৱৰ চমকপ্ৰদ প্ৰদৰ্শন সৃষ্টি কৰিবলৈ সক্ষম হৈছে। শৰ্মাই থলুৱা প্ৰজাতিৰ কাজিনেমু আৰু থলুৱা অমিতাৰ খেতি কৰি উন্নতমানৰ উৎপাদন অৰ্জন কৰাৰ লগতে অৰ্থ উপাৰ্জনৰ ক্ষেত্ৰতো সফলতা পাবলৈ সক্ষম হৈছে। পৰিদৰ্শন কালত বৰবৰুৱাৰ জামিৰা মটক গাঁৱৰ বিশিষ্ট জৈৱিক কৃষকগৰাকীয়ে জৈৱিক কৃষিকাৰ্যৰে কৰা শাক-পাচলি সম্পূৰ্ণ মানৱ দেহৰ বাবে স্বাস্থ্যসন্মত, নিৰোগী, শৰীৰৰ বাবে নিৰাপদ বুলি উল্লেখ কৰে তথা উক্ত জৈৱিক কৃষি পদ্ধতিৰে উৎপাদন কৰা শাক-পাচলি, উদ্যানশস্য আদিয়ে মানৱ দেহক সুষম খাদ্য, শৰীৰ সুস্থ কৰি ৰখাকৈ সম্পূৰ্ণ প্ৰাকৃতিক ভিটামিন যোগান ধৰে। জৈৱিক কৃষক শৰ্মাই অসমৰ নিবনুৱাসকলক জৈৱিক কৃষি পদ্ধতিৰে খেতি কৰি উন্নতমানৰ উৎপাদন কৰি উক্ত উৎপাদিত কৃষিজাত শাক-পাচলি, উদ্যানশস্য বিক্ৰীৰ জৰিয়তে অৰ্থনৈতিক দিশত ইতিবাচক স্বাৱলম্বিতা অৱলম্বন কৰা সন্দৰ্ভত আত্মনিৰ্ভৰশীলতা বৰ্তাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত জৈৱিক কৃষক সঞ্জীৱ কুমাৰ শৰ্মাই জৈৱিক কৃষি পদ্ধতিৰ সজাগতা, জৈৱিক কৃষি কৰা প্ৰক্ৰিয়া, পদ্ধতি আৰু জৈৱিক কৃষিৰে উৎপাদন কৰা শস্য, শাক-পাচলি খেতিৰ সন্দৰ্ভত চৰকাৰীভাৱে পদক্ষেপ গ্ৰহণ কৰিবলৈ অসম চৰকাৰৰ কৃষিমন্ত্ৰীৰ প্ৰতি আহ্বান জনায়। বৰ্তমান সঞ্জীৱ কুমাৰ শৰ্মাই তেওঁৰ কৃষিপামখন ফুল, কাজিনেমু, গোলনেমু, ড্ৰেগন ফল, অমিতা আৰু ৰবিশস্যজাত লাই, লফা, পালেং, ধনিয়া, কবি, মূলা, উৰহী, লাউ আৰু উদ্ভিদ উদ্যানশস্যৰ খেতিৰে সেউজীয়াকৈ গঢ়ি তুলিছে। বিশেষকৈ সঞ্জীৱ কুমাৰ শৰ্মাই উদ্যানশস্যজাত হালধি, আদা, নেমু, ৰবাব টেঙাকে ধৰি বিভিন্ন শাক-পাচলিৰে পৰিপূৰ্ণ কৰি জৈৱিক কৃষি পদ্ধতিৰে গঢ়ি তুলিবলৈ সক্ষম হৈছে। ইতিমধ্যে বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে সঞ্জীৱ কুমাৰ শৰ্মাৰ জৈৱিক কৃষিপামলৈ আহি কৃষিকাৰ্য সন্দৰ্ভত জ্ঞান অন্বেষণ কৰাৰ ক্ষেত্ৰত অধ্যয়ন কৰিছে বুলি জানিবলৈ দিছে। বৰবৰুৱাৰ জামিৰা জৈৱিক কৃষিপামখন পৰিদৰ্শনৰ সময়ত কৃষক সঞ্জীৱ কুমাৰ শৰ্মাই আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ লগতে নতুন প্ৰজন্মই যাতে কৃষিকাৰ্যৰ পদ্ধতি, জ্ঞান, কৃষি কৰা পৰিৱেশ গঢ়িব পাৰে তথা কৃষিকাৰ্যৰে উৎপাদন কৰা সতেজ শাক-পাচলিৰ খেতি কৰি পৰিশ্ৰমৰ মৰ্যাদা উপলব্ধি কৰিব পৰাৰ উপৰি ভৱিষ্যতৰ দিনত চাকৰি বা সংস্থাপন নহ'লেও খেতি কৰিয়েই জীৱন নিৰ্বাহ কৰাৰ সুযোগ পায়, সেই সুবিধা দিবলৈ অভিভাৱকৰ প্ৰতি আহ্বান জনাইছে।

# আজি নামৰূপত ডেৰ লক্ষাধিক

প্ৰধানমন্ত্ৰীগৰাকীয়ে। এই উপলক্ষে নামৰূপৰ হাপজান অঞ্চলৰ প্ৰায় ডেৰশ বিঘা ভূমি সৰ্বতোপ্ৰকাৰে সাজু কৰি তোলা হৈছে। হাপজান অঞ্চলৰ এই বৃহৎ কৃষি ভূমিতে লক্ষাধিক দৰ্শক সমৱেত হ'ব পৰাকৈ সাজু কৰি তোলা হৈছে অত্যাধুনিক অস্থায়ী সভাগৃহ। ইয়াৰ কিছু নিলগত অস্থায়ীভাৱে নিৰ্মাণ কৰা হৈছে হেলিপেড। প্ৰধানমন্ত্ৰীগৰাকী ডিব্ৰুগড় বিমানবন্দৰৰ পৰা হেলিকপ্টাৰেৰে আহি নামৰূপত নিৰ্মাণ কৰা হেলিপেডত অৱতৰণ কৰিব। ইয়াৰ পাছতে বিশেষ বাহনেৰে সমীপত থকা ভূমিপূজনথলী লৈ যোৱা হ'ব। ডিব্ৰুগড় জিলা প্ৰশাসনে কঠোৰ নিৰাপত্তা আবেষ্টনীত প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। লক্ষণীয় যে ২০০৬ চনতে নামৰূপত এটা নতুন সাৰ প্ৰকল্প স্থাপনৰ আধাৰশিলা স্থাপন কৰিছিল তদানীন্তন কংগ্ৰেছ চৰকাৰে। কেৱল আধাৰশিলাতে সামৰণি মৰা প্ৰকল্পত কংগ্ৰেছৰ চৰকাৰে উদ্যোগটো স্থাপনৰ বাবে ৰাইজৰ দাবী, কাতৰ আহ্বানক তিলমাত্ৰও গুৰুত্ব নিদিলে। অৱশেষত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নামৰূপৰ ৰাইজক দিয়া প্ৰতিশ্ৰুতি মৰ্মে সাৰ কাৰখানাৰ নতুন গোট এটা স্থাপনৰ আশা পূৰণ কৰিলে। এই ক্ষেত্ৰত নাহৰকটীয়া সমষ্টিৰ উদ্যমী বিধায়ক তৰংগ গগৈৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাও লক্ষণীয়। মুখ্যমন্ত্ৰীৰ নেতৃত্বত 'অসম ভেলী ফাৰ্টিলাইজাৰ এণ্ড কেমিকেল্‌ছ কৰ্পোৰেচন লিমিটেড' নামেৰে নতুন কোম্পানী স্থাপন কৰি নামৰূপৰ লেণ্ডমাৰ্ক ব্ৰাউনফিল্ড এমোনিয়া-ইউৰিয়া উৎপাদন কৰিবলৈ আগবঢ়াটো অত্যন্ত দুঃসাহসিক কাৰ্য হিচাপে চিহ্নিত হৈছে। এই প্ৰকল্পটো কেৱল এটা উদ্যোগ নহয়; ই হৈছে নাহৰকটীয়া সমষ্টিৰ জনসাধাৰণৰ দশক দশকজোৱা আকাংক্ষা। এই উদ্যোগটোৰ বাৰ্ষিক উৎপাদন ক্ষমতা হ'ব ১২ লাখ মেট্ৰিক টন, যাৰ ফলত সমগ্ৰ উত্তৰ-পূব আৰু পূব ভাৰতৰ কৃষকৰ বাবে ইউৰিয়াৰ উপলব্ধতা যথেষ্ট বৃদ্ধি পাব। আনহাতে নামৰূপৰ দৰে পিছপৰা সীমামূৰীয়া অঞ্চললৈ দেশৰ প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনৰ বিষয়টোত মুখ্যমন্ত্ৰীগৰাকীৰ নিষ্ঠা, বিশ্বাসভাজন মনোভাব প্ৰস্ফুটিত হৈছে। আনহাতে নতুন প্ৰকল্পটোৰ পৰিচালন সঞ্চালকৰ দায়িত্বত থকা ডঃ শিৱপ্ৰসাদ মহান্তীয়ে নতুন উদ্যোগটো স্থাপনৰ দিনৰ পৰা অহোপুৰুষাৰ্থ কৰি প্ৰাৰম্ভিক কামসমূহ আগবঢ়াই নিছে। ইফালে কাইলৈৰ বিশেষ অনুষ্ঠানটোৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ফাৰ্টিলাইজাৰ ডিপাৰ্টমেণ্টৰ শীৰ্ষ বিষয়া, এইচ ইউ আৰ এলৰ টীম, এন এফ এলৰ উচ্চপদস্থ বিষয়া আদি ইতিমধ্যে আহি নামৰূপত বাহৰ পাতিছে।

# পথৰ দুয়োকাষে হেজাৰ

সন্ধিয়া সৰুসজাইৰ পৰা বিজেপিৰ ৰাজ্যিক কাৰ্যালয়লৈ এক ৰোড শ্ব'ত অংশ লয়। দেশৰ জনপ্ৰিয় জননেতাগৰাকীৰ ৰোড শ্ব'ত ৰাষ্ট্ৰীয় ঘাইপথত সমৱেত হয় হাজাৰ হাজাৰ লোক। ৰোড শ্ব'ত অংশ লোৱা প্ৰধানমন্ত্ৰী মোডীৰ এবাৰ দৰ্শন পাবলৈ ঘণ্টাৰ পাছত ঘণ্টা ধৰি অপেক্ষা কৰি থাকিল তেওঁৰ অনুৰাগী। নাই কোনো অভিযোগ, নাই কোনো অনুযোগ। কোনোবাই মাত্ৰ এটি লহমাৰ বাবে দেখিলে প্ৰধানমন্ত্ৰীক, কোনোবাই এন্ধাৰৰ বাবে মাত্ৰ দেখিলে তেওঁৰ হাত দুখন। তাতো কাৰো অসন্তুষ্টি নাই। বৰং সন্তুষ্টিৰ হাঁহিৰে উভতিল ঘৰলৈ—মোডীক ওচৰৰ পৰা দেখি নয়ন সাৰ্থক হোৱা বুলি। প্ৰধানমন্ত্ৰীয়ে ক'লা এখন বাহনত উঠি হাস্যবদনে হাত জোকাৰি জোকাৰি ৰাইজলৈ নমস্কাৰ জনাই ৰোড শ্ব'ত অংশ লয়। প্ৰধানমন্ত্ৰীৰ এই ৰোড শ্ব'ত উজলি উঠিল অসমৰ লোক-সংস্কৃতি। অসমৰ বিভিন্ন জাতি-জনজাতিৰ বিবিধ কৃষ্টি-সংস্কৃতি, লোকনৃত্যৰে ৰোড শ্ব'ত অংশ লোৱা প্ৰধানমন্ত্ৰী মোডীক স্বাগতম জনালে বিভিন্ন সাংস্কৃতিক দলে। বিহুৰ পৰা কুশান, গোৱালনী নৃত্য, বাগৰুম্বাৰ পৰা কাৰ্বি, তিৱা, ৰাভা লোকনৃত্যৰ প্ৰদৰ্শনলৈ ৰোড শ্ব'ত প্ৰধানমন্ত্ৰীক আদৰণি জনোৱা অনুষ্ঠানত নাছিল কি। ঘণ্টাৰ পাছত ঘণ্টা ধৰি ওচৰৰ পৰা এবাৰ মোডীক চাবলৈ অপেক্ষা কৰি থকা কোনো অনুৰাগীয়ে যদি মোডীৰ ফটো থকা ফেষ্টুন আনিলে, কোনোবাই আনিলে ডাঙৰ বেনাৰ। আনিলে পদুম ফুল, দিলে মোডী মোডী ধ্বনি। এককথাত মোডীময় হৈ পৰিল গুৱাহাটীৰ আকাশ-বতাহ। ৰোড শ্ব'ৰ অন্তত প্ৰধানমন্ত্ৰী মোডী প্ৰথমবাৰৰ বাবে প্ৰৱেশ কৰে বিজেপিৰ বশিষ্ঠস্থিত ৰাজ্যিক মুখ্য কাৰ্যালয়ত।

# বৰপেটাৰোডৰ ভৱানী বায়নৰ বিয়োগ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বৰপেটাৰোড, ২০ ডিচেম্বৰ ঃ** বৰপেটাৰোডৰ চন্দনপুৰ নিবাসী, প্ৰয়াত কুঞ্জলাল বায়নৰ পত্নী ভৱানী বায়ন (৭৫)ৰ বৃহস্পতিবাৰে বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত বিয়োগ হয়। বৰপেটাৰ দলাহাটীত জন্মগ্ৰহণ কৰি পৰৱৰ্তী সময়ত গুৱাহাটী আৰু পাছত বৰপেটাৰোডত স্থায়ীভাৱে বসবাস কৰা প্ৰয়াত ভৱানী বায়নে জীৱিত অৱস্থাত চৰকাৰী পেন্সনাৰ সন্থাৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। বায়নৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ ডাঙৰ পুত্ৰ, সাংবাদিক দীপাংকৰ বায়ন (ৰণ্টু)সহ আন গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# আগমনি-সৰ্থেবাৰীত পথ দুৰ্ঘটনাত হতাহত দুই

**দৈনিক অসমৰ প্ৰতিনিধি**
**গোলোকগঞ্জ/ধুবুৰী, ২০ ডিচেম্বৰ ঃ** ধুবুৰী জিলাৰ আগমনিৰ গড়েৰহাটৰ সমীপৰ ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এখন দ্ৰুতগামী বলেৰো পিকআপ ভেনৰ খুন্দাত থিতাতে নিহত হয় এজন স্কুটী আৰোহী। ইপিনে, দুৰ্ঘটনাটো সংঘটিত কৰিয়েই ইটাবাহী সেই বলেৰো বাহনখনে পলায়ন কৰে। দুৰ্ঘটনাটোত থিতাতে নিহত হোৱা এএছ-১৭ পি/৬০৫৮ নম্বৰৰ স্কুটী আৰোহীজন গড়েৰহাট গাঁৱৰ হামিদুৰ বুলি জানিব পৰা গৈছে। অঞ্চলটোৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে গুৰু-গোসাঁই নমনাকৈ অতিৰিক্ত মালবাহী বাহন চলাচল কৰি থকাৰ বিষয়টোলৈ আৰক্ষীয়ে চকু মুদা কুলিৰ ভাও জুৰা বুলি ক্ষোভ উজাৰে অঞ্চলটোৰ একাংশই।

**সৰ্থেবাৰীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** সৰ্থেবাৰী-নসত্ৰ পথত আজি পুৱা এখন মালভৰ্তি ডাম্পাৰে এখন ই-ৰিক্সা মহটিয়াই নিয়াত ই-ৰিক্সা চালক আৰু ই-ৰিক্সাখনৰ আৰোহী কলেজীয়া ছাত্ৰী এগৰাকীৰ কোনোমতে প্ৰাণ ৰক্ষা পৰে। সৰ্থেবাৰী কাজিথেৰ চুপাৰপৰা ই-ৰিক্সাখনেৰে ছাত্ৰীগৰাকীয়ে কলেজ অভিমুখে যাত্ৰা কৰাৰ পিছতে ওজাথেৰ চ'কত বিপৰীত দিশৰপৰা অহা ডাম্পাৰ এখনে (এ এছ-০১টি চি-৫৯৯৯) ই-ৰিক্সাখন কিছুদূৰ মহটিয়াই নিয়ে। দুৰ্ঘটনাত ছাত্ৰীগৰাকীয়ে সামান্য আঘাত পায়। ঠেক পথত চালকে অসাৱধানতাৰে দ্ৰুতগতিত বাহনখন চলোৱাৰ বাবেই দুৰ্ঘটনাটো ঘটা বুলি জানিব পৰা গৈছে।

# বংশৰত গৰুচোৰৰ উপদ্ৰৱ বৃদ্ধি

**দৈনিক অসমৰ প্ৰতিনিধি**
**শুৱালকুছি, ২০ ডিচেম্বৰ ঃ** কামৰূপৰ শুৱালকুছি থানাৰ অন্তৰ্গত বংশৰত গৰুচোৰৰ উপদ্ৰৱত ত্ৰাহি মধুসূদন সুঁৱৰিছে কৃষক ৰাইজে। সঘনাই গৰু চুৰিৰ ঘটনা সংঘটিত হোৱাত উদং হৈ পৰিছে এটাৰ পাছত আনটো গোহালি। শেহতীয়াকৈ জানিব পৰা মতে শুৱালকুছি থানাৰ অন্তৰ্গত বংশৰত ১৭ ডিচেম্বৰৰ নিশা চোৰে একেনিশাই গোহালিৰ পৰা বান্ধি ৰখা অৱস্থাত ৰছী কাটি ৪টাকৈ খীৰতী গাই আৰু ২টাকৈ ছাগলী চুৰ কৰি নিয়ে। বংশৰৰ সস্তাৰ চুবুৰিৰ অৱসৰপ্ৰাপ্ত শিক্ষক অতুল বৈশ্যৰ গোহালিৰ পৰা এটা গাভিনী গৰু, এটা খীৰতী গাই, দুটা ছাগলী আৰু পুণ্য বৈশ্যৰ ২টা খীৰতী গাইগৰু চোৰে চুৰি কৰি নিয়ে বুলি অতুল বৈশ্যই জানিবলৈ দিয়ে। একে অঞ্চলৰে ভুবনেশ্বৰ বৈশ্যৰ বাসগৃহৰ চোতালৰ পৰাও ৫ মোনকৈ ধান চোৰে চুৰি কৰি নিয়ে। উল্লেখ্য যে সঘনাই গৰু চুৰি কাৰ্য সংঘটিত হৈ থকাৰ পাছতো আজিলৈকে এজনো চোৰক কৰায়ত্ত কৰিব পৰা নাই শুৱালকুছি আৰক্ষীয়ে। বংশৰ অঞ্চলত সঘনাই হৈ থকা গৰুচোৰৰ উপদ্ৰৱত এতিয়া কৃষক আৰু গো-পালকসকল চিন্তিত হৈ পৰিছে।

## ভূৰাগাঁৱত ছাত্ৰীক অপহৰণ

# ৰঙাঘৰৰ আলহী দুই সন্তানৰ পিতৃ

**দৈনিক অসমৰ প্ৰতিনিধি**
**লাহৰীঘাট, ২০ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত এখন গাঁৱৰ এগৰাকী অষ্টম মানৰ ছাত্ৰীক অপহৰণ কৰি ৰঙাঘৰৰ আলহী হৈছে দুই সন্তানৰ পিতৃ। ঘটনাৰ বিৱৰণীৰ মতে, ভূৰাগাঁৱৰ এখন ব্যক্তিগত বিদ্যালয়ৰ অষ্টম মানৰ এগৰাকী ছাত্ৰীয়ে ১২ ডিচেম্বৰত স্কুললৈ গৈ থকা অৱস্থাত অপহৰণকাৰী মঞ্জিল আহমেদে ৰাস্তাৰ পৰাই ছাত্ৰীগৰাকীক গাড়ীত উঠাই লৈ যায়। পাছত স্কুল ছুটীৰ সময়ত অভিভাৱকে ছাত্ৰীগৰাকীক নেদেখি স্কুলত খবৰ কৰাত স্কুল কৰ্তৃপক্ষই ছাত্ৰীগৰাকী স্কুললৈ অহা নাই বুলি জানিবলৈ দিয়ে। লগে লগে হুৱা-দুৱা লাগে কিশোৰীগৰাকীৰ ঘৰত। পাছত ঘটনাৰ সন্দৰ্ভত ছাত্ৰীগৰাকীৰ অভিভাৱকে ভূৰাগাঁও থানাত এজাহাৰ দাখিল কৰে। অভিভাৱকৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত কৰি সোধা-পোছা কৰাত টেঙাগুৰি গাঁৱৰ দুই সন্তানৰ পিতৃ মঞ্জিল আহমেদে ছাত্ৰীগৰাকীক অপহৰণ কৰা বুলি নিশ্চিত হয়। ইফালে, অপহৰণকাৰী মঞ্জিল আহমেদে ছাত্ৰীগৰাকীক লৈ চেন্নাইত আত্মগোপন কৰাৰ তথ্য লাভ কৰি ভূৰাগাঁও আৰক্ষীয়ে অভিযান আৰম্ভ কৰে। অৱশেষত বহিঃৰাজ্যত আত্মগোপন কৰা লম্পটজনক ১৮ ডিচেম্বৰত ভূৰাগাঁও আৰক্ষীয়ে জামছেদপুৰত গ্ৰেপ্তাৰ কৰাৰ লগতে অপহৰণকাৰীটোৰ কবলৰ পৰা অপহৃত ছাত্ৰীগৰাকীকো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আজি অপহৰণকাৰীক ভূৰাগাঁও আৰক্ষীয়ে জেল হাজোতলৈ প্ৰেৰণ কৰে।

## বজালীৰ ধান জ্বলোৱাৰ ঘটনা

# দুৰ্বৃত্তক সকীয়নি জিলা আয়ুক্তৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বজালী, ২০ ডিচেম্বৰ ঃ** বজালী জিলাৰ বৰবাং খান্দোপাৰাৰ এজন কৃষক দিলীপ চৌধুৰীৰ কৃষিভূমিত চপাই থোৱা ধান যোৱা ১৮ ডিচেম্বৰৰ নিশা দুৰ্বৃত্তই জুই জ্বলাই ধ্বংস কৰা নিকৃষ্ট ঘটনাৰ পাছত আজি ঘটনাস্থলী পৰিদৰ্শন কৰে বজালী জিলা আয়ুক্ত মৃদুল কুমাৰ দাস আৰু বজালী জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তীয়ে। ঘটনাৰ বুজ লৈ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকগৰাকীয়ে দুৰ্বৃত্তক কঠোৰ সকীয়নি দিয়াৰ লগতে অনাগত সময়ত এনেধৰণৰ ঘটনা সংঘটিত হ'লে তাৎক্ষণিকভাৱে প্ৰশাসনৰ লগত যোগাযোগ কৰিবলৈও বিষয়া দুগৰাকীয়ে গাঁওবাসীক আহ্বান জনায়। আনহাতে, জিলা আয়ুক্ত মৃদুল কুমাৰ দাসে এনেধৰণৰ দুষ্কাৰ্য সংঘটিত নহ'বৰ বাবে গাঁওৰক্ষী বাহিনী গঠনৰ পোষকতা কৰে। উল্লেখ্য যে বৰবাং খান্দোপাৰা নিৱাসী কৃষক দিলীপ চৌধুৰীয়ে কেইদিনমান পূৰ্বে খেতিপথাৰৰ পকা ধানসমূহ কটাৰ পাছত মৰণা মৰাৰ বাবে এঠাইত দ'ম কৰিছিল যদিও দুৰ্বৃত্তই কৃষকজনৰ ধানখিনিত জুই লগাই দি ধ্বংস কৰে।

# কাজিৰঙাৰ সমাৰোহত চাৰিখনকৈ তথ্যচিত্ৰৰ প্ৰদৰ্শন




## ডাঃ ৰবীন বেনাৰ্জীৰ 'কাজিৰঙা' প্ৰদৰ্শন, আলোচনাচক্ৰ সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**বোকাখাত, ২০ ডিচেম্বৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল কৰ্তৃপক্ষৰ উদ্যোগত চি এম এছ বাতাৱৰণৰ সহযোগত আজি 'ঐতিহাসিক লেন্সৰ জৰিয়তে বন্যপ্ৰাণী সংৰক্ষণ' শীৰ্ষক এক তথ্যচিত্ৰ সমাৰোহ অনুষ্ঠিত হয়। এই সমাৰোহত প্ৰথমবাৰৰ বাবে ডাঃ ৰবীন বেনাৰ্জীৰ তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰাৰ কনভেনচন চেণ্টাৰত অনুষ্ঠিত তথ্যচিত্ৰ সমাৰোহত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া গাঁৱৰ পাৰিপাৰ্শ্বিক উন্নয়ন সমিতি, স্থানীয় শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি স্থানীয় সংবাদকৰ্মীসকল আৰু বেচৰকাৰী প্ৰকৃতি সংগঠনৰ প্ৰতিনিধিসকলো উপস্থিত থাকে। পুৱা কাজিৰঙাৰ সঞ্চালক ডঃ সোণালী ঘোষৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা এই বিশেষ অনুষ্ঠানত নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ডঃ সমুদ্ৰগুপ্ত কাশ্যপে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ বিপৰীতে চি এছ এমৰ সঞ্চালকপ্ৰধান ডঃ পি এন বাসন্তীয়ে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। তথ্যচিত্ৰ সমাৰোহত ডাঃ ৰবীন বেনাৰ্জীৰ 'কাজিৰঙা', চম্পক ডেকাৰ 'গ্ৰেটাৰ ৱান হৰ্ন ৰাইনো', কৃষ্ণেন্দু বোসৰ 'হিৰোজ অব্ দ্য ৱাইল্ড ফ্ৰণ্টিয়াৰ্ছ ঃ দ্য বেটল অব্ দ্য হৰ্ন' আৰু সন্দেশ কাডুৰ 'নৰ্থ-ইষ্ট ডায়েৰী' তথ্যচিত্ৰ প্ৰদৰ্শনৰ সমান্তৰালকৈ 'বন্যপ্ৰাণীৰ প্ৰতিবেদনত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক এক আলোচনাচক্ৰও অনুষ্ঠিত হয়। বিশিষ্ট সাংবাদিক মুবিনা আখতাৰে সঞ্চালনা কৰা আলোচনাত সমুদ্ৰগুপ্ত কাশ্যপ, বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈ, 'নৰ্থ-ইষ্ট নাও'ৰ সম্পাদক অৰ্নিবাণ ৰয়, চি এম এছ বাতাৱৰণৰ উপ-সঞ্চালক ডঃ সব্যসাচী ভাৰতী, কাজিৰঙাৰ জ্যেষ্ঠ সাংবাদিক নীলপদ্ম শৰ্মা আৰু পৰিৱেশ কৰ্মী উত্তম শইকীয়াই অংশগ্ৰহণ কৰে। পৰিৱেশ কৰ্মী উত্তম শইকীয়া, বিশ্ব প্ৰকৃতি নিধিৰ সমন্বয়ক ত্ৰিদীপ শৰ্মা, সঞ্চালক কাৰ্যালয়ৰ অধীক্ষক গীতাঞ্জলি কলিতা আৰু সমাজ বিজ্ঞানী বিপাঞ্চি তামুলীয়ে আঁতধৰা বৈঠকত পাৰিপাৰ্শ্বিক উন্নয়ন সমিতিৰ বিভিন্ন সমস্যা আৰু ভৱিষ্যৎ পৰিকল্পনা সম্পৰ্কত আলোচনা কৰা হয়। বিয়লিলৈ বিবেকানন্দ কেন্দ্ৰ আৰু ৰবীন বেনাৰ্জী ট্ৰাষ্টৰ উদ্যোগত ১৯৭১ চনত নিৰ্মাণ কৰা ডাঃ ৰবীন বেনাৰ্জীৰ 'কাজিৰঙা' শীৰ্ষক তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়।

দৈনিক অসম

গুৱাহাটী, দেওবাৰ, ২১ ডিচেম্বৰ, ২০২৫

Guwahati, Sunday, December 21, 2025





# চতিয়াৰ প্ৰাক্তন কংগ্ৰেছী বিধায়কৰ বিৰুদ্ধে সৰৱ পদ্ম হাজৰিকা

**দৈনিক অসমৰ প্ৰতিনিধি**
**জামুগুৰিহাট, ২০ ডিচেম্বৰ ঃ** চতিয়া সমষ্টিৰ প্ৰাক্তন কংগ্ৰেছী বিধায়ক তথা বৰ্তমান ঢেকীয়াজুলি সমষ্টিৰ কংগ্ৰেছৰ সম্ভাব্য প্ৰাৰ্থী প্ৰাণেশ্বৰ বসুমতাৰীয়ে চতিয়া সমষ্টিৰ সৰ্বতো উন্নয়নৰ কৃতিত্ব দাবী কৰাক লৈ আজি জাঙুৰ খাই উঠিছে চতিয়া তথা বৰ্তমান নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা। প্ৰাক্তন কংগ্ৰেছী বিধায়ক প্ৰাণেশ্বৰ বসুমতাৰীয়ে জামুগুৰিহাটত বাৰেচহৰীয়া প্ৰকল্প, ছাত্ৰ সন্থাৰ কাৰ্যালয় আৰু সাহিত্য সভাৰ ভৱন নিৰ্মাণ কৰা বুলি কালি ঢেকিয়াজুলিত সাংবাদিকৰ আগত মন্তব্য কৰাৰ পাছতেই বিধায়ক পদ্ম হাজৰিকাই আজি জামুগুৰিহাটত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। বিধায়ক পদ্মই কয় যে প্ৰাণেশ্বৰ বসুমতাৰীয়ে মিছা কথাৰ আশ্ৰয় লৈছে। প্ৰাণেশ্বৰে প্ৰকল্প নিৰ্মাণ কৰা দূৰৰে কথা, তেওঁৰ বিধায়কৰ কাৰ্যকালত বাৰেচহৰীয়া ভাওনাই অনুষ্ঠিত নহ'ল। তেওঁৰ দিনত সমষ্টিত উগ্ৰপন্থীৰ সমান্তৰাল চৰকাৰহে চলিছিল বুলি কটাক্ষ কৰে পদ্মই। প্ৰাণেশ্বৰ বসুমতাৰীক ৰাজনৈতিক প্ৰমূল্যবোধ ৰক্ষা কৰি চলিবলৈ পৰামৰ্শ দিয়ে বিধায়ক পদ্ম হাজৰিকাই।

## অৰুণাচলীৰ আগ্ৰাসনৰ বিৰুদ্ধে উত্তাল লখিমপুৰৰ চেঁচা ৰাজগড়

# টায়াৰ জ্বলাই পথ অৱৰোধ ৰাইজৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বান্দৰদেৱা, ২০ ডিচেম্বৰ ঃ** অসম-অৰুণাচলৰ সীমাৱৰ্তী লোকসকলে দৈনিক ভয়-ভাবুকিৰে দিন পাৰ কৰি আহিছে। অৰুণাচলীয়ে সীমান্তৰ মাটি বেদখল কৰাই নহয়, ভয়-ভাবুকিৰে তাণ্ডৱ চলাই অহাত অস্থিৰ হৈ পৰিছে অসম-অৰুণাচল সীমাঞ্চল। সেয়েহে আজি শতাধিক গএগ ওলাই আহি লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমাৰ চেঁচা ৰাজগড়ত অৰুণাচলীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সচেতন যুৱ উন্নয়ন মঞ্চৰ উদ্যোগত এই প্ৰতিবাদী কাৰ্যসূচীত ৰাইজে টায়াৰ জ্বলাই পথ অৱৰোধ কৰে। 'অৰুণাচলী হুঁচিয়াৰ, অৰুণাচলী গ' বেক, সীমান্তবাসীক সুৰক্ষা দিয়ক, ধন-জন-সম্পত্তিৰ নিৰাপত্তা দিয়ক' আদি ধ্বনিৰে উত্তাল কৰি তোলে। উল্লেখ্য যে ১৮ ডিচেম্বৰৰ নিশা অৰুণাচলী দুষ্কৃতিকাৰীয়ে চেঁচা ৰাজগড়ৰ ব্যৱসায়ী বসন্ত বৰাৰ লগতে তেওঁৰ পুত্ৰক মাৰপিট কৰি গুৰুতৰভাৱে আহত কৰাই নহয়, তেওঁৰ ব্যৱসায় প্ৰতিষ্ঠানখনো ভাঙি লণ্ডভণ্ড কৰি বিস্তৰ ক্ষতিসাধন কৰে। অভিযোগ অনুসৰি সীমাৰ সিপাৰে থকা অৰুণাচলী দুষ্কৃতিকাৰীয়ে মাজে-সময়ে সীমাৱৰ্তী অঞ্চলটোত উপদ্ৰৱ চলাই আহিছে।




## ■ কৃষিভূমিৰ বিক্ৰী সন্দৰ্ভত নীৰ এক্সপানচন লিমিটেডৰ কাণ্ড ■

# সৰুপেটাত কৌশলেৰে এন অ' চি সংগ্ৰহ

**দৈনিক অসমৰ প্ৰতিনিধি**
**সৰুপেটা, ২০ ডিচেম্বৰ ঃ** সৰুপেটাত নীৰ এক্সপানচন লিমিটেড নামৰ বিদ্যুৎ সংৰক্ষণ আৰু সম্প্ৰসাৰণ সেৱাৰে জড়িত কোম্পানীটোৱে সহজ-সৰল গএগৰপৰা কৌশলেৰে আপত্তিবিহীন প্ৰমাণপত্ৰ অৰ্থাৎ এন অ' চি সংগ্ৰহ কৰাৰ কথা জানিব পৰা গৈছে। ইতিমধ্যে অঞ্চলটোত 'বৈদ্যুতিক জংচন' স্থাপনৰ গইনা লৈ চৰকাৰী নীতি উলংঘাৰে কৃষিভূমি ক্ৰয়ৰ দৰে কাৰ্যত লিপ্ত কোম্পানীটোৰ বিৰুদ্ধে অঞ্চলটোৰ স্থানীয় ৰাইজ সৰৱ হৈ উঠাৰ সময়তে কোম্পানীটোৰ এনে কাণ্ডক স্থানীয় সচেতন ৰাইজে সহজভাৱে নোলোৱা দেখা গৈছে। শালিধান খেতিৰ বাবে প্ৰসিদ্ধ বৃহৎসংখ্যক সাৰুৱা কৃষিভূমিৰে পৰিৱেষ্টিত অঞ্চলটোত কিছুসংখ্যক কৃষিভূমি ক্ৰয়ৰ ক্ষেত্ৰত কোম্পানীটোৱে সফল হ'ব পাৰিলেই ওচৰ-চুবুৰীয়া কৃষিভূমিৰ গৰাকী কৃষক ৰাইজে উদ্ভৱ হ'ব পৰা পাৰিপাৰ্শ্বিক কাৰণতেই কোম্পানীটোৰ ওচৰত পৰ্যায়ক্ৰমে তেওঁলোকৰ সাৰুৱা কৃষিভূমি বিক্ৰীৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি কোম্পানীৰ বিষয়াসকলে কৌশলী নীতিৰ আশ্ৰয় লোৱা বুলি সচেতন ৰাইজে মত প্ৰকাশ কৰিছে। অঞ্চলটোৰ কৃষক ৰাইজক কোম্পানীটোৰ এনেধৰণৰ প্ৰৰোচনামূলক কাৰ্যত ভোল গৈ জাতিৰ অস্তিত্বৰ প্ৰতি ভাবুকি আনিব পৰা কাৰ্যত লিপ্ত নহ'বলৈ স্থানীয় সচেতন ৰাইজে আহ্বান জনাইছে। কোম্পানীটোৰ প্ৰতিনিধিয়ে ইতিমধ্যে গৰাপীঠ পথাৰকে ধৰি ভোগপুৰ, গোমুৰা আদি গাঁৱৰ সমীপৱৰ্তী কৃষকৰ ম্যাদী পট্টাৰ কৃষিভূমি ক্ৰয়ৰ ক্ষেত্ৰত আগধন আদায় দিয়া কৃষকসকলৰ বহুসংখ্যক কৃষিভূমিৰ গৰাকী কৃষক ৰাইজৰপৰা এইদৰে আপত্তিবিহীনতাৰ প্ৰমাণপত্ৰ সংগ্ৰহ কৰাৰ কথা জানিব পৰা গৈছে। ইতিমধ্যে কোম্পানীটোৱে স্থানীয় একাংশ দালাল প্ৰকৃতিৰ লোকৰ সহায়ত অঞ্চলটোত গোপনে ১০০ বিঘাৰো অধিক কৃষিভূমি ক্ৰয় কৰাৰ কথা জানিব পৰা গৈছে। এই ক্ষেত্ৰত অঞ্চলটোত 'বৈদ্যুতিক জংচন' নিৰ্মাণৰ বাবে কোম্পানীটোক ৫০০ বিঘা মাটিৰ প্ৰয়োজন বুলি জানিব পৰা গৈছে। আনহাতে, কোম্পানীৰ বিষয়াসকলে কৃষক ৰাইজক আন স্থানত কৃষিভূমি ক্ৰয়ৰ সুবিধা হোৱাকৈ কৃষিভূমি ক্ৰয়ত অধিক দাম আদায় দিয়াৰ বাবে দেখুওৱা যুক্তিকো অগ্ৰাহ্য কৰে স্থানীয় সচেতন ৰাইজে।

# মৰিগাঁৱত তিনি ধৰ্ষণকাৰীক পক্‌ছ' আদালতৰ সশ্ৰম কাৰাদণ্ড

**দৈনিক অসমৰ প্ৰতিনিধি**
**ভূৰবন্ধা, ২০ ডিচেম্বৰ ঃ** মৰিগাঁও পক্‌ছ' আদালতে আজি জিলাখনৰ তিনি ধৰ্ষণকাৰীক সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। এই ধৰ্ষণকাৰীকেইটা ক্ৰমে জিলাখনৰ ভূৰাগাঁৱৰ কুবেদ আলী, লাহৰীঘাটৰ ৰজনী দৈমাৰী আৰু অতুল বৰা। প্ৰাপ্ত তথ্য মতে, ভূৰাগাঁৱৰ কুবেদ আলীৰ বিৰুদ্ধে সাত বছৰ পূৰ্বে অঞ্চলটোত এক জঘন্য ধৰ্ষণকাণ্ড সংঘটিত কৰাৰ অভিযোগত ভূৰাগাঁও থানাত ৯৯/২০১৮ নম্বৰত, লাহৰীঘাটৰ ৰজনী দৈমাৰী আৰু অতুল বৰাৰ বিৰুদ্ধে চাৰি বছৰ পূৰ্বে অনুৰূপ ধৰ্ষণকাণ্ড সংঘটিত কৰাৰ অভিযোগত লাহৰীঘাট থানাত ৮৮৮/২০২১ আৰু ৮২/২০২২ নম্বৰত একোটাকৈ গোচৰ ৰুজু কৰা হৈছিল। এই গোচৰকেইটাৰ তদন্তৰ প্ৰতিবেদন আৰু অভিযোগনামা আৰক্ষীয়ে মৰিগাঁও পক্‌ছ' আদালতত দাখিল কৰিছিল। তদন্তৰ প্ৰতিবেদন আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক্‌ছ' আদালতে বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ







অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক্‌ছ' আদালতৰ বিশেষ ন্যায়াধীশ ৰিণি ভড়ালীৰ আদালতে ধৰ্ষণকাণ্ডৰ অপৰাধী, ভূৰাগাঁৱৰ কুবেদ আলীক ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ ধাৰাত দোষী সাব্যস্ত কৰি ২০ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ১৫ হেজাৰ টকাৰ আৰ্থিক জৰিমনা আৰু লাহৰীঘাটৰ ৰজনী দৈমাৰীক পক্‌ছ' আইনৰ ৬ ধাৰাত দোষী সাব্যস্ত কৰি ২০ বছৰ আৰু ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ ধাৰাত ১০ বছৰ সশ্ৰম কাৰাদণ্ডৰ আদেশ জাৰি কৰে। আনহাতে, লাহৰীঘাটৰে অতুল বৰাক পক্‌ছ' আইনৰ ৮ ধাৰাত দোষী সাব্যস্ত কৰি একেখন আদালতে চাৰি বছৰ কাৰাদণ্ডৰে দণ্ডিত কৰিছে।

## 'জলজীৱন মিছন' আঁচনিত ব্যাপক দুৰ্নীতি-অনিয়ম

# কংগ্ৰেছৰ প্ৰতিবাদত উত্তাল মাজুলী-জাগীৰোড

### সাংসদ গৌৰৱৰ প্ৰশ্ন– মুখ্যমন্ত্ৰীয়ে কিয় নেদেখে দুৰ্নীতি?




**দৈনিক অসমৰ প্ৰতিনিধি**
**মাজুলী, ২০ ডিচেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নিৰ্দেশমৰ্মে মাজুলী জিলা কংগ্ৰেছে আজি মাজুলী জিলাৰ সদৰ গড়মূৰত শাসকীয় চৰকাৰৰ বিশুদ্ধ খোৱাপানী যোগানৰ জলজীৱন আঁচনিৰ বিফলতা আৰু দুৰ্নীতিৰ প্ৰতিবাদত ধৰ্ণা কাৰ্যসূচী পালন কৰে। দিনৰ ১২ বজাত গড়মূৰৰ ৰাজীৱ ভৱনৰপৰা উলিওৱা প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচীত সাংসদ গৌৰৱ গগৈ, অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক বিকাশ উপাধ্যায়, প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগু, জিলা কংগ্ৰেছৰ সভাপতি অমল পূজাৰী প্ৰমুখ্যে প্ৰাক্তন সভাপতি হিতেশ্বৰ বৰা, দধীৰাম বৰুৱা, উপ-সভাপতি জীৱন দলে প্ৰমুখ্যে যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছ, সেৱাদলৰ কৰ্মীসকল উপস্থিত থাকে। প্ৰতিবাদকাৰী দলটো ৰাজীৱ ভৱনৰপৰা ওলাই গড়মূৰ তিনিআলিৰে ঘূৰি আহি জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত চৰকাৰবিৰোধী বিভিন্ন শ্ল'গান দি উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে বিজেপি চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী হায় হায়, জয়ন্তমল্ল বৰুৱা মুৰ্দাবাদ, জলজীৱন আঁচনিত হোৱা দুৰ্নীতিৰ তদন্ত কৰক আদি শ্ল'গানেৰে জিলা সদৰ উত্তাল কৰে। প্ৰতিবাদত অংশগ্ৰহণ কৰা সাংসদ গৌৰৱ গগৈয়ে বিশুদ্ধ খোৱাপানী যোগানৰ নামত কোটি কোটি টকা লুণ্ঠন হোৱা বুলি উল্লেখ কৰে। তেওঁ আৰু কয়— খহনীয়া প্ৰতিৰোধৰ নামত কোটি কোটি টকাৰ লুণ্ঠন চলোৱা বিজেপি চৰকাৰে ৰাইজক এটুপি বিশুদ্ধ পানী খুৱাব পৰা নাই। মন্ত্ৰীৰ দুৰ্নীতি মুখ্যমন্ত্ৰীয়ে কিয় নেদেখে বুলি প্ৰশ্ন কৰি এই কথাবোৰ ৰাইজৰ হৈ সজোৰে উত্থাপন কৰিব লাগিব বুলি কয়।

**দল-সংগঠনৰ প্ৰতিনিধিৰে মত-বিনিময় ঃ** সাংসদ গৌৰৱ গগৈয়ে আজি বিয়লি দুই বজাত গড়মূৰ চাৰিআলিৰ এনচানটিং লজত জিলাখনৰ দল-সংগঠনৰ বিষয়ববীয়াৰে মাজুলীৰ বিভিন্ন দিশ সম্পৰ্কে মত-বিনিময় কৰে। ২০২৬ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ নিৰ্বাচনী ইস্তাহাৰত মাজুলীৰ হৈ দিবলগীয়া বিভিন্ন সমস্যা আদিৰ বিষয়ে বুজ লৈ আগন্তুক দিনত মাজুলীৰ উন্নয়নৰ বাবে কংগ্ৰেছ দলে কাম কৰিব বুলি মত-বিনিময় অনুষ্ঠানত প্ৰতিনিধিসকলক অৱগত কৰে। বিয়লি সাংসদগৰাকীয়ে সতীৰ্থসহ মাজুলীত হৈ থকা শিশু ভাওনা সমাৰোহত অংশগ্ৰহণ কৰি মাজুলীৰপৰা ৰাওনা হয়।

**জাগীৰোডৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা জলজীৱন আঁচনিখন বিফল আৰু ইয়াত দুৰ্নীতি হোৱা বুলি প্ৰতিবাদ সাব্যস্ত কৰি জাগীৰোডত আজি প্ৰতিবাদী সমদল উলিয়ায় জাগীৰোড আৰু মায়ং ব্লক কংগ্ৰেছ সমিতিয়ে। জাগীৰোডৰ ৰাজীৱ ভৱনৰপৰা উলিওৱা এই প্ৰতিবাদী সমদলটো জাগীৰোড-মৰিগাঁও পথেৰে গৈ শিৱ মন্দিৰ পথ হৈ পুনৰ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথেৰে ৰাজীৱ ভৱনত সামৰণি পৰে। বিজেপি চৰকাৰৰ বিৰুদ্ধে উলিওৱা এই প্ৰতিবাদী সমদলত অংশগ্ৰহণ কৰি প্ৰাক্তন মন্ত্ৰী বুবুল দাসে চৰকাৰক সমালোচনা কৰে। অগপ চৰকাৰৰ দিনৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী তথা আগন্তুক বিধানসভা নিৰ্বাচনৰ কংগ্ৰেছ দলৰ সম্ভাব্য প্ৰাৰ্থী বুবুল দাসে কয় যে জলজীৱন আঁচনিৰ নামত চৰকাৰে ৰাজহুৱা ধনৰ শৰাধ কৰিলে। ঘৰে ঘৰে নল, ঘৰে ঘৰে জল যি শ্ল'গান দিছিল, সেয়া কৰি গোটেই আঁচনিখনকে অকামিলা কৰিলে। আজি প্ৰদেশ কংগ্ৰেছে ৰাইজৰ পক্ষত থাকি দুৰ্নীতিগ্ৰস্ত চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ওলাই আহিব লগা হৈছে। এই দুৰ্নীতিৰ বিৰুদ্ধে ৰাইজ ওলাই আহি ৰাইজক আগন্তুক নিৰ্বাচনৰ বাবে সজাগ হৈ উচিত প্ৰত্যুত্তৰ দিবলৈ প্ৰাক্তন মন্ত্ৰী বুবুল দাসে আহ্বান জনায়। এই প্ৰতিবাদী কাৰ্যসূচীত প্ৰদেশ কংগ্ৰেছৰ সম্পাদিকা বিদিশা নেওগে অংশগ্ৰহণ কৰে। প্ৰতিবাদী সমদলত মৰিগাঁও জিলা কংগ্ৰেছৰ সভাপতি বীৰ কুমাৰ কোঁৱৰ, জাগীৰোড ব্লক কংগ্ৰেছৰ সভাপতি মেহন দাস, মায়ং ব্লক কংগ্ৰেছৰ সভাপতি দীপক মেধি, মৰিগাঁও জিলা কংগ্ৰেছৰ সম্পাদক চামচুদ্দিন আহমেদ, কংগ্ৰেছ নেতা ছাইমন বৰদলৈ, মৰিগাঁও জিলা সমিতিৰ সামাজিক মাধ্যমৰ উপ-সভাপতি চন্দন বৰদলৈৰ লগতে সহস্ৰাধিক দলীয় নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# ছয়গাঁও মহাবিদ্যালয়ৰ আলোচনী 'কলহী' উন্মোচন



**দৈনিক অসমৰ প্ৰতিনিধি**
**ছয়গাঁও, ২০ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ছয়গাঁও মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত আজি মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ৩৮-সংখ্যক বাৰ্ষিক আলোচনী 'কলহী' উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱ কুমাৰ কলিতাই সভাপতিত্ব কৰা অনুষ্ঠানটোত উন্মোচক হিচাপে উপস্থিত থাকে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডঃ নগেন কালিতা। তেওঁ আলোচনীখন উন্মোচন কৰে। অনুষ্ঠানটিৰ সঞ্চালনাৰ ভাৰ লয় আলোচনীৰ তত্ত্বাৱধায়ক তথা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডঃ ফণীন্দ্ৰ কলিতাই। অনুষ্ঠানত পৰিচালনা সমিতিৰ সদস্যসকল, আলোচনীখনৰ সম্পাদনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, অ-শিক্ষক কৰ্মচাৰীসকল আৰু বহুসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# ক্ষেত্ৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভূপেন কলিতাৰ দেহাৱসান

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**
**সোণাপুৰ, ২০ ডিচেম্বৰ ঃ** ক্ষেত্ৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভূপেন কলিতাৰ কালি নিশা প্ৰায় ৮-৩০ বজাত ৭৩ বছৰ বয়সত ক্ষেত্ৰী কলেজগেটৰ নিজ বাসগৃহত দেহাৱসান ঘটে। উল্লেখযোগ্য যে ভূপেন কলিতাই ক্ষেত্ৰী মধ্য আৰু উচ্চ ইংৰাজী বিদ্যালয়ত বিষয় শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত একেখন বিদ্যালয়ৰে প্ৰধান শিক্ষক হিচাপে অৱসৰগ্ৰহণ কৰিছিল। এজন নিষ্ঠাৱান, আদৰ্শৱান আৰু স্নেহশীল শিক্ষক হিচাপে তেওঁ ছাত্ৰ-ছাত্ৰী তথা সহকৰ্মীসকলৰ মাজত বিশেষ সন্মান লাভ কৰিছিল। তেওঁৰ বিয়োগে শিক্ষাজগতত এক অপূৰণীয় ক্ষতিসাধন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ আৰু দুজন জোঁৱাইসহ বহু আত্মীয়-স্বজনক এৰি যায়। ভূপেন কলিতাৰ আকস্মিক মৃত্যুৰ খবৰে ক্ষেত্ৰী অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে।



## পদ্ম-দৈৱকী পুথিভঁৰালৰ উদ্যোগ

# পলাশবাৰীত ৰচনা প্ৰতিযোগিতা

**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰামপুৰ, ২০ ডিচেম্বৰ ঃ** বিচিত্ৰ কুমাৰ ন্যাসৰ উদ্যোগত ভাগৱতীপাৰাত ২০২৪ চনত স্থাপন কৰা পদ্ম-দৈৱকী পুথিভঁৰালৰ অহা ২৫ ডিচেম্বৰত প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পলাশবাৰী সমজিলাভিত্তিক এখন থিতাতে লিখা ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ভাগৱতীপাৰাস্থিত মাধৱদেৱ হাইস্কুলত পুৱা ১১ বজাত প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। পলাশবাৰী সমজিলাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ সৰ্বোচ্চ দশম শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়েহে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। অসমীয়া আৰু ইংৰাজী— উভয় মাধ্যমৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। ইচ্ছুক প্ৰতিযোগীয়ে 'বাতৰি কাকত পঠনৰ গুৰুত্ব' বিষয়ত ৰচনা লিখিব লাগিব। ইচ্ছুক প্ৰতিযোগীয়ে বিতং তথ্যৰ বাবে ৬০০৩৩৭৮১৬৯/৭০০২২০১২৮৪ নম্বৰত যোগাযোগ কৰিব পাৰিব।

No. SSA/NGN/DPO(AS)/Engagement in KGBV & NSCBAV/84/24/806

**ADVERTISEMENT**

Applications are invited from eligible **Female candidates** below 45 years of age as on 1st January'2025 for the following positions for engagement at the Kasturba Gandhi Balika Vidyalaya (KGBV) in Nagaon district (A Residential Schools for Girls, Class VI-XII). The engagement will be purely on temporary & contractual basis initially for a period of 11 (eleven) months. The contractual engagement will neither be regularized under Samagra Siksha nor will be absorbed under any Job/Government of Assam in future.

| Sl. No. | Name of Position | Subject and Vacancy | Qualification | Fixed remuneration per month |
|---|---|---|---|---|
| 1 | Full Time Assistant Teacher (Arts) | Economics (3) History (3) Philosophy (1) Political science (1) | Master Degree in concerned subject with B.Ed. and Higher Secondary TET qualified. Preference: Experience in teaching in UP/HS/HSS level. On non availability of Higher Secondary TET qualified candidate. Minimum Educational qualification: Master degree in (subject) with B.Ed. Preference Experience in teaching in UP/HS/HSS level | Rs. 22,000.00 per month for TET qualified. Rs. 20,000.00 per month for Non-TET |
| 2 | Full Time Assistant Teacher Science | Mathematics (3) Physics (2) Zoology (2) | | |
| 3 | Part Time Assistant Teacher (Arts) | English (1) | | Rs. 18000.00 per month. |

- Non-TET (Higher Secondary) Candidates may also apply for the above positions subject to fulfillment of essentials Qualification.
- Only in case of Non-availability of TET (Higher Secondary) qualified candidate, Non-TET (Higher Secondary) candidates will be selected but the selected candidate should qualify Higher Secondary TET within 3 consecutive TET (Higher Secondary Examinations. **Full Time Assistant Teachers will have to stay within the school cum Hostel campus in all working days and in holidays except during the vacation when KGBV children will go home for vacation.**

**How to apply**

- ✓ **One candidate can apply for one position only.**
- ✓ Application to be submitted in Prescribe Format as given below as annexure – I along with self-attested all relevant documents /Passport size Photograph to the District Mission Co-ordinator, SSA, Nagaon during office hours on or before 06/01/2026. Incomplete application without relevant documents will be summarily rejected.
- ✓ List of shortlisted candidates with date, venue & time of Verification cum interview will be circulated on the office Notice Board by the District Mission Co-ordinator , SSA, Nagaon on 16/01/2026 after 2.00 pm. The Shortlisted candidates will have to appear in the verification cum interview on the date & time to be fixed for this purpose with all original testimonials. No separate call letters will be issued.
- ✓ No TA/DA will be paid for attending the verification cum interview. Upper age relaxation will be applicable as per Govt. Rules
- ✓ All Posts are reserved for **Assamese Medium(Except Part time Teacher-English) & Female** candidate only

Sd/-
Addl. District Commissioner cum
District Mission Coordinator,
SSA, Nagaon

**Annexure –I . Format for Apply (KGBV) Teaching Staff**

PHOTO

Post Applied For:-
1. Name of the candidate (In Capital Letters): -
2. Name of Father: -
3. a) Date of Birth (dd/mm/yyyy):-
   b) Age in years (as on 01/01/2025):-
4. Nationality: -
5. Whether ST/SC/OBC/General Category: -
6. Address (Permanent) :-
7. Address for communication: -
8. Contact details phone & with whatsapp no.:-
9. Education and Professional qualification for Teaching Post only

| Exam passed and Subject | Subject | Year of Passing | Name of University | Total Marks | Marks obtain | CGPA | % of Marks |
|---|---|---|---|---|---|---|---|
| Master degree | | | | | | | |
| Higher Secondary TET | | | | | | x | |
| Bachelor of Education(B.Ed) | | | | | | | |

**In case of CGPA candidates, they have to submit Xerox copies of both sides of Mark sheet along with updated circular of the concerned university for the conversion formula of CGPA to percentage of Marks.**

11. Experience in years:-
12. Medium of instruction at HSLC level :-

**Declaration**

I do hereby declare that the above information is true to the best of my knowledge.


Place:-
Date: -

**Full signature of candidate**

DIPR/DF/DA/1615/21-Dec-25

## উঃ পূঃৰ বিভিন্ন ৰাজ্যৰ নামি-দামী কুকুৰৰ প্ৰদৰ্শন

# যোৰহাটত কেনেল ক্লাবৰ উদ্যোগত ডগ শ্ব'



**দৈনিক অসমৰ প্ৰতিনিধি**
**যোৰহাট, ২০ ডিচেম্বৰ ঃ** আজি যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হয় দ্বিতীয় বাৰ্ষিক যোৰহাট ডগ শ্ব'। যোৰহাট কেনেল ক্লাবৰ উদ্যোগত অনুষ্ঠিত ডগ শ্ব'ত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ কেবাখনো ৰাজ্যৰপৰা অনা কুকুৰে যোৰহাট ডগ শ্ব'-২০২৫ত অংশগ্ৰহণ কৰে। আছাম ৰাইফলছৰ প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰৰ লগতে জাৰ্মান শ্বেফাৰ্ড, লাব্ৰাডৰ, বেলজিয়ান ৰটৱেইলাৰ, বেলজিয়ান শ্বেফাৰ্ড আদি বিভিন্ন প্ৰজাতিৰ কুকুৰে যোৰহাট ডগ শ্ব'ত অংশগ্ৰহণ কৰে। যোৰহাট কেনেল ক্লাবে ডগ শ্ব' আয়োজন কৰাৰ লগতে কুকুৰৰ প্ৰশিক্ষণ আৰু সজাগতামূলক কাৰ্যসূচীৰ অনুষ্ঠান আয়োজন কৰি জনসাধাৰণক দায়িত্বশীল পোহনীয়া জন্তুৰ মালিকীস্বত্ব আৰু পশু কল্যাণৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি আহিছে। যোৰহাট কেনেল ক্লাবে স্থানীয় প্ৰজাতিৰ কুকুৰৰ প্ৰজননকাৰীৰ সৈতে সহযোগিতা কৰি কুকুৰৰ প্ৰজননত বৈজ্ঞানিক তথা নৈতিক পদ্ধতি নিশ্চিত কৰে। বৃহত্তৰ যোৰহাট জিলাৰ অন্যতম প্ৰত্যাশিত এই বাৰ্ষিক অনুষ্ঠানৰ দ্বিতীয় সংস্কৰণে এক নৱ অভিজ্ঞতাৰ প্ৰতিশ্ৰুতি বহন কৰিছে, য'ত আছে শ্বিহ-ঝু আৰু গোল্ডেন ৰিট্ৰিভাৰ স্পেচিয়েলিটী শ্ব'ৰ সৈতে একাধিক জাতৰ প্ৰদৰ্শনীৰ লগতে প্ৰতিযোগিতা অনুষ্ঠিত কৰা, পশু চিকিৎসা সজাগতা আৰু স্বাস্থ্যসেৱা কেন্দ্ৰ স্থাপন কৰাৰ লগতে পশু ঔষধ, পশুখাদ্য আৰু আনুষংগিক ব্ৰেণ্ডৰদ্বাৰা প্ৰদৰ্শনী অনুষ্ঠিত কৰা।




### ১১খন বিদ্যালয়ৰ অংশগ্ৰহণেৰে সাংস্কৃতিক শোভাযাত্ৰা

# গেলেকীত ৰাইজৰ উৎসৱৰ উদ্‌যাপন

**দৈনিক অসমৰ প্ৰতিনিধি**

**নাজিৰা, ২০ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা অভিযান মিছন, শিৱসাগৰ জিলাৰ উদ্যোগত আৰু নাজিৰা শিক্ষাখণ্ডৰ অন্তৰ্গত গেলেকী মণ্ডল সমল কেন্দ্ৰৰ সমূহ বিদ্যালয়ৰ সহযোগত বদ্ৰি দাস মুদি প্ৰাথমিক বিদ্যালয়ত ১৮ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ৰাইজৰ উৎসৱ-২০২৫ উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কাৰ্যসূচী আৰম্ভ কৰা হয়। বিদ্যালয়ত গছপুলি ৰোপণৰ পাছতে ৰাইজৰ উৎসৱৰ পতাকা উত্তোলন কৰে গেলেকী মণ্ডল সমল কেন্দ্ৰৰ ৰাইজৰ উৎসৱ ব্যৱস্থাপনা সমিতিৰ সভাপতি শ্যাম নায়কে। ইয়াৰ পাছতে ১১খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ অংশগ্ৰহণেৰে এক সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰা উদ্বোধন কৰে গেলেকী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দীপালী বৰুৱাই। সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পাৰ-পানী, মিউজিক চেয়াৰকে, নৃত্য, গীত আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অভিভাৱক-অভিভাৱিকাসকলৰ মাজতো খেল-ধেমালিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান সভাপতিত্ব কৰে বি দাস মুদি গেলেকী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰশান্ত ৰাজকোঁৱৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় শ্যাম নায়কে। উক্ত সভাত সমল কেন্দ্ৰটোৰ বিদ্যালয়সমূহত ২০২৫ শিক্ষাবৰ্ষত অৱসৰ গ্ৰহণ কৰা মুঠ ছয়গৰাকী শিক্ষাগুৰুক সম্বৰ্দ্ধনা জনোৱা হয়। উক্ত সভাখনত জ্যেষ্ঠ শিক্ষক দীপালী বৰুৱা, বেণুধৰ গগৈ, অলকা দিহিঙীয়া, প্ৰণামী আৰক্ষা, মফিদা বেগম, ৰঞ্জন সভাপণ্ডিত, নীৰণ তাছা, অমৰ শৰ্মা, কুঞ্জলতা গগৈ, চাহ জনজাতি ছাত্ৰ সন্থা শিৱসাগৰ জিলা সহকাৰী সম্পাদক আমন নায়ক, বিদ্যালয়সমূহৰ পৰিচালনা সমিতিৰ সভাপতিসকল, চাহ বাগিচা পৰিচালকক ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক বঁটা প্ৰদান কৰা হয়। শলাগৰ শৰাই আগবঢ়োৱা বদ্ৰি দাস মুদি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী জুনুমণি গগৈয়ে। শেষত অসম সংগীত পৰিবেশনেৰে কাৰ্যসূচীৰ সামৰণি পৰে।

**গঁড়ৰ উপদ্ৰৱৰ মাজতে অফলামুখত বাঘৰ আতংক**

# মাজুলীত বৃদ্ধি পাইছে বন্যপ্ৰাণীৰ সন্ত্ৰাস

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ২০ ডিচেম্বৰ ঃ** মাজুলীত দিনক দিনে বৃদ্ধি পাইছে বন্য জন্তুৰ সন্ত্ৰাস। জিলাখনৰ অফলামুখ আৰু যোগীগাঁৱত বিগত তিনি বছৰ ধৰি বিচৰণ কৰি থকা গঁড়ৰ উপদ্ৰৱৰ মাজতে এইবাৰ নতুনকৈ বাঘৰ আতংকই ৰাইজক অধিক শংকিত কৰি তুলিছে। বন বিভাগেও অঞ্চলটোত বাঘৰ উপস্থিতি নিশ্চিত কৰিছে। ঘন কুঁৱলীৰ সুযোগ লৈ নিশাৰ ভাগত গঁড় আৰু বাঘে জনগাঁওত প্ৰৱেশ কৰাত অফলামুখবাসী আতংকিত হৈ পৰিছে। অঞ্চলটোত বিগত কেইবাদিন ধৰি এটা গঁড়ে অফলামুখ, ধাপাকগাঁও আদি অঞ্চলৰ



কৃষিপথাৰ তচনচ কৰি আহিছে। মাটিমাহ, আলু, কচু আদি খেতি নষ্ট হোৱাত কৃষকসকলে মূৰে-কপালে হাত দিছে। পথাৰত মাহ আৰু আলুৰ খেতি খাই ব্যাপক ক্ষতি কৰিছে গঁড়টোৱে। প্ৰচণ্ড শীত আৰু ঘন কুঁৱলীৰ বাবে বনকৰ্মীসকলে গঁড়টোক খেদি পঠিয়াবলৈ গৈ বাৰে বাৰে বিফল হৈছে। ইফালে, বন বিভাগৰ মতে টিকিবাই আৰু দেউটী চাপৰিৰ দিশৰ পৰা এটা বাঘ অফলামুখৰ পাইপলাইন আৰু বন্দৰ নিৰ্মাণস্থলীৰ ফালে অগ্ৰসৰ হৈছে। গঁড়টোৱে যদিও কেৱল শস্যৰ ক্ষতি কৰিছে, তথাপি বাঘৰ উপস্থিতিয়ে এতিয়া মানুহৰ জীৱনৰ প্ৰতিও গুৰুতৰ ভাবুকি কঢ়িয়াই আনিছে। বন বিভাগে গাঁওৰক্ষী বাহিনী আৰু গাঁওবুঢ়াৰ জৰিয়তে ৰাইজক সতৰ্ক কৰি দিছে। বিশেষকৈ পুৱাই মাছ মাৰিবলৈ যোৱা আৰু পথাৰলৈ যোৱা লোকসকলক অতি সাৱধান হ'বলৈ আহ্বান জনোৱা হৈছে। লগতে অফলামুখ ফেৰীঘাটলৈ অহা যাত্ৰীসকলক ঘাটৰ সমীপৰ হাবিলৈ নাযাবলৈ পৰামৰ্শ দিয়া হৈছে। জীৱিকা আৰু জীৱনৰ মাজত এতিয়া দোমোজাত পৰিছে মাজুলীৰ অফলামুখৰ খাটিখোৱা কৃষক আৰু মাছমৰীয়া ৰাইজ। আনহাতে, যোগীগাঁৱত এটা বাঘে আজি পুৱাৰ পৰা নলনিত আশ্ৰয় লৈ থকা বুলি জানিব পৰা গৈছে আৰু বন বিভাগে মাইকযোগে স্থানীয় ৰাইজক সজাগ হৈ থাকিবলৈ আহ্বান জনাইছে।

# বোকাখাতত প্ৰয়াস কাব্য কাননৰ দশম বৰ্ষপূৰ্তিৰ বিশেষ অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**বোকাখাত, ২০ ডিচেম্বৰ ঃ** বোকাখাত আৰু কমাৰগাঁৱত ২০১৫ চনতে আত্মপ্ৰকাশ কৰা আবৃত্তি শিক্ষণৰ অনুষ্ঠান প্ৰয়াস কাব্য কাননে দহ বছৰত ভৰি দিছে। এই উপলক্ষে ২১ ডিচেম্বৰত বোকাখাতৰ জাতীয় বিদ্যালয়ৰ মুকলি মঞ্চত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বোকাখাত জাতীয় বিদ্যালয় প্ৰাংগনত ২০১৫ চনত আবৃত্তিৰত্ন, অসম চৰকাৰৰ সাহিত্যিক পেন্সনাৰ শান্তিছায়া শইকীয়াৰ উপস্থিতিত 'প্ৰয়াস কাব্য কানন'-এ জন্মলাভ কৰিছিল। কমাৰগাঁও মহাবিদ্যালয়তো এই কাব্য কাননৰ এটা শাখা একেটা বৰ্ষতে মুকলি কৰি বিগত ১০ বছৰে নিৰৱচ্ছিন্ন পাঠদান আৰু ব্যৱহাৰিক প্ৰশিক্ষণ চলি আহিছে। কমাৰগাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ডঃ গায়ত্ৰী বৰা কাকতিক মুখ্য প্ৰশিক্ষক আৰু বোকাখাত জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ইনজু আহমেদক কেন্দ্ৰ সমন্বয়ক হিচাপে লৈ প্ৰতি দেওবাৰে বোকাখাত জাতীয় বিদ্যালয়ত আৰু প্ৰতি শনিবাৰে কমাৰগাঁও মহাবিদ্যালয়ত পদ্ধতিগত আবৃত্তি চৰ্চা চলি আহিছে। ইতিমধ্যে প্ৰয়াস কাব্য কাননৰ তত্ত্বাৱধানত ৩০গৰাকী শিক্ষাৰ্থীয়ে ৭ বছৰীয়া আবৃত্তি পাঠ্যক্ৰমৰ অন্তত বিশাৰদ ডিগ্ৰীও লাভ কৰিছে। উল্লেখ্য যে কলকাতাৰ সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদৰ অধীনত এই অনুষ্ঠানটো পৰিচালিত। প্ৰয়াস কাব্য কাননৰ ১০ বছৰীয়া পূৰ্তি উপলক্ষে আয়োজন কৰা বিশেষ অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট আবৃত্তিকাৰ, গণ্য-মান্য ব্যক্তি, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকে অংশগ্ৰহণ কৰিব বুলি প্ৰয়াস কাব্য কাননে অৱগত কৰিছে। এই অনুষ্ঠানতে ডঃ গায়ত্ৰী বৰা কাকতিৰ 'পৰিৱেশ্য কলা আবৃত্তি' আৰু গোলাপ চন্দ্ৰ বৰাৰ 'আবৃত্তি শিকোঁ আঁহা' নামৰ দুখকৈ গ্ৰন্থও উন্মোচন হ'ব। অনুষ্ঠানত শিক্ষাৰ্থীসকলে বিভিন্ন আবৃত্তি পৰিৱেশন কৰাৰ লগতে ইতিমধ্যে বিশাৰদ ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়াস কাব্য কাননৰ তৰফৰ পৰা সন্মান জনোৱা হ'ব।

# লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত ৰতন থিয়াম বিষয়ক আলোচনাচক্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**লখিমপুৰ, ২০ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ ফুলবাৰীৰ অগ্ৰণী নাট্যগোষ্ঠী অভিনৱ থিয়েটাৰৰ উদ্যোগত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ সহযোগত ১৭ ডিচেম্বৰত 'ৰতন থিয়ামৰ থিয়েটাৰ— আঞ্চলিকতাৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই আলোচনাচক্ৰত বক্তা হিচাপে উপস্থিত থাকে নাট্যকাৰ তথা আন্তঃৰাষ্ট্ৰীয় নাট্য সমালোচক কলকাতাৰ ডঃ আশিস কুমাৰ গোস্বামী। আলোচনাচক্ৰখনৰ শুভ উদ্বোধন কৰে লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ লোহিত হাজৰিকাই। আলোচনাচক্ৰৰ আঁত ধৰে ডঃ কুলদীপ নাৰায়ণ দত্তই। আলোচনাচক্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ নাট পৰিচালক দয়ালকৃষ্ণ নাথ উপস্থিত থাকি ৰতন থিয়ামৰ সান্নিধ্য আৰু কৰ্মৰাজি সন্দৰ্ভত বক্তব্য ৰাখে।





# মাৰ্ঘেৰিটাৰ কিডজী বিদ্যালয়ত ক্ৰীড়া-সাংস্কৃতিক সমাৰোহ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাৰ্ঘেৰিটা, ২০ ডিচেম্বৰ ঃ** মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত বৰগোলাইস্থিত কিডজী এণ্ড ছান ছাইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহ কালি বিয়লি ৪.৩০ বজাৰ পৰা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰাংগনত অনুষ্ঠিত অনুষ্ঠানত চেয়াৰমেন ডাঃ মনোজ গগৈয়ে আদৰণী ভাষণ আগবঢ়ায়। বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে মুখ্য অতিথি চেণ্টাৰ ফৰ হিউমেনিষ্টিক ডেভেলপমেণ্ট গুৱাহাটীৰ প্ৰতিষ্ঠাপক আৰু কাৰ্যবাহী চেয়াৰমেন ডঃ দিলীপ কুমাৰ শৰ্মাই। অনুষ্ঠানত বিশিষ্ট চিকিৎসক, বাংগালোৰ অসম এছ'চিয়েচনৰ সভাপতি ডাঃ মণি দীপা দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। মুখ্য অতিথি ডঃ দিলীপ কুমাৰ শৰ্মাই ভাষণ প্ৰসংগত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত কেৱল শিক্ষক-শিক্ষয়িত্ৰীসকলেৰে দায়িত্ব নহয়, এই ক্ষেত্ৰত অভিভাৱকসকলৰো গুৰুদায়িত্ব থাকে বুলি মন্তব্য কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সুন্দৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপ সন্দৰ্ভত বিশদভাৱে আলোচনা আগবঢ়ায়। বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সঞ্চালক পাপৰি বৰুৱা গগৈয়ে আঁত ধৰা অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সত্ৰীয়া নৃত্য পৰিৱেশনেৰে আৰম্ভ কৰা সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে বৰ্ণিল সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ গীতৰ আধাৰত নৃত্য পৰিৱেশনেৰে হিয়াৰ আমঠুগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠানে উপস্থিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। এই অনুষ্ঠানতে ক্ৰীড়া সমাৰোহৰ বঁটাসমূহ অতিথিসকলে বিতৰণ কৰে। ক্ৰীড়া সমাৰোহৰ ল'ৰাৰ শাখাত শ্ৰেষ্ঠ এথলীট শংকৰ চেত্ৰী আৰু ছোৱালীৰ শাখাত শ্ৰেষ্ঠ এথলীট সন্মান বয়িনী লক্ষ্মীয়ে লাভ কৰে। উল্লেখ যে বিদ্যালয়খনে ২০ বছৰীয়া সুদীৰ্ঘ এক প্ৰৰিক্ৰমা কালি সম্পন্ন কৰে।

**কৃষক-কৃষি বিজ্ঞানীৰ মাজত মত বিনিময় অনুষ্ঠান**

# বুঢ়ালিকচনত কৃষক মেলা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**দেৰগাঁও, ২০ ডিচেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বুঢ়ালিকচনৰ কুঁহিয়াৰ গৱেষণা, ঔষধি আৰু সুগন্ধি উদ্ভিদ গৱেষণা কেন্দ্ৰত ১৮ ডিচেম্বৰত পূৰ্বৰ দৰে এক কৃষক মেলা অনুষ্ঠিত হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্ভাৱিত বিভিন্ন কৃষি কৌশলসমূহৰ লগতে কুঁহিয়াৰ গৱেষণা কেন্দ্ৰত বিকশিত হোৱা কুঁহিয়াৰৰ উন্নত জাতসমূহ আৰু উৎপাদনৰ নতুন পদ্ধতিৰ বিষয়ে কৃষক ৰাইজৰক অৱগত কৰোৱাৰ উদ্দেশ্যে অনুষ্ঠিত এই কৃষক মেলাৰ উদ্বোধনী অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ বিদ্যুৎ চন্দন ডেকাই মুখ্য অতিথি হিচাপে প্ৰদান কৰা ভাষণত অসমৰ যুৱ শক্তিক কৃষিকাৰ্যত মনোনিৱেশ কৰিবলৈ আহ্বান জনাই কয় যে কৃষিজাত সামগ্ৰী উৎপাদন বৃদ্ধিত আন্দোলন আৰম্ভ কৰিলেহে আমাৰ অসমীয়া জাতি আগবাঢ়ি যাবলৈ সক্ষম হ'ব। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক ডঃ মৃণাল শইকীয়া, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ডঃ মনোৰঞ্জন নেওগে বিশিষ্ট অতিথি হিচাপে অনুষ্ঠানত অংশগ্ৰহণ কৰি কুঁহিয়াৰ খেতিৰ লগতে সুগন্ধি আৰু ঔষধি উদ্ভিদৰ খেতিৰ পৰিসৰ বৃদ্ধিত গৱেষণা কেন্দ্ৰটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। কৃষক মেলা উপলক্ষে উক্ত কেন্দ্ৰটোৱে সম্বৰ্দ্ধনা জনোৱা প্ৰগতিশীল কৃষক নিতুল পূজাৰীয়ে নিজা অভিজ্ঞতা ভিত্তিত এক মনোগ্ৰাহী ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণিতে গৱেষণা কেন্দ্ৰটোৰ প্ৰধান বিজ্ঞানী ডঃ ধীমান দেৱ সিংহই আদৰণী ভাষণ প্ৰদান কৰাৰ পাছতে বৰগীত পৰিৱেশন কৰে শিশু শিল্পী জিজ্ঞাস বৰবৰাই। কেন্দ্ৰটোৰ মুখ্য বিজ্ঞানী ডঃ তুলসী প্ৰসাদ শইকীয়া, তিতাবৰ ধান গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ডঃ ফুলেন কুমাৰ নাথ প্ৰমুখ্যে বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৃষি বিজ্ঞানী, ছাত্ৰ-ছাত্ৰী আৰু কৃষকসকলে অংশগ্ৰহণ কৰা কৃষক মেলা কৃষক আৰু কৃষি বিজ্ঞানীসকলৰ মাজত এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। কৃষক মেলা উপলক্ষে অনুষ্ঠিত আকৰ্ষণীয় কৃষি প্ৰদৰ্শনীও অনুষ্ঠিত হয়। প্ৰদৰ্শনীখন মুকলি কৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ বিদ্যুৎ চন্দন ডেকাই কৃষকসকলক মনোযোগেৰে প্ৰদৰ্শনী পৰ্যৱেক্ষণ কৰিবলৈ আহ্বান জনায়। প্ৰতিযোগিতামূলকভাৱে অনুষ্ঠিত এই প্ৰদৰ্শনীত তিতাবৰ ধান গৱেষণা কেন্দ্ৰ প্ৰথম, বিশ্ববিদ্যালয়ৰ শস্য বিজ্ঞান বিভাগ দ্বিতীয় আৰু পতংগতত্ত্ব বিভাগ তৃতীয় হয়। এই প্ৰতিযোগিতাৰ ক্ৰমে ডঃ বিজ্ঞান চন্দ্ৰ বৰদলৈ, ডঃ ৰূপম বৰদলৈ আৰু ডঃ মনোজ চৌহান বিচাৰক হিচাপে উপস্থিত থাকে।

# কলিয়ামাটি প্ৰাথমিক বিদ্যালয়ত ৰাইজৰ উৎসৱ

**দৈনিক অসমৰ প্ৰতিনিধি**

**লাকুৱা, ২০ ডিচেম্বৰ ঃ** বিদ্যালয়ৰ লগত ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক তথা সমাজখনৰ সম্পৰ্ক সুদৃঢ় কৰাত সহায় কৰি আহিছে ৰাইজৰ উৎসৱৰ উদ্‌যাপনে। চৰাইদেউ জিলাৰ এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ ১২খন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, মণ্ডল সমন্বয়কৰ উদ্যোগত আৰু অসম সমগ্ৰ শিক্ষা অভিযান মিছন সোণাৰি খণ্ডৰ সহযোগত ৭৫৩ নং কলিয়ামাটি প্ৰাথমিক বিদ্যালয়ত অহা ২৩ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে 'ৰাইজৰ উৎসৱ' অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা স্বচ্ছ ভাৰত অভিযানৰ অন্তৰ্গত পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, বিদ্যালয়সমূহৰ সমূহীয়া পতাকা উত্তোলন, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাইজৰ উৎসৱৰ লগত সংগতি ৰাখি এক বৰ্ণিল শোভাযাত্ৰা উলিওৱা হ'ব। ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ পাছতে অনুষ্ঠিত হ'বলগীয়া বঁটা বিতৰণী অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট অতিথি উপস্থিত থাকিব। ২৩ ডিচেম্বৰত ৰাইজৰ উৎসৱৰ দিনজোৰা কাৰ্যসূচীত সকলোৰে উপস্থিতি কামনা কৰিছে এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মেদিনী মোহন মিলি আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি- সম্পাদক ক্ৰমে ভূপেন গগৈ আৰু আমানুল হাজৰিকাই।

**'সোণাৰু-কাঞ্চন-কৃষ্ণচূড়া' পৰিৱেশ আন্দোলন**

# দিচাংপানীত ২-৪ জানুৱাৰীত বৰ্ষপূৰ্তি মহোৎসৱ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ২০ ডিচেম্বৰ ঃ** চৰাইদেউ জিলাৰ লগতে কাষৰীয়া অঞ্চলসমূহক সোণাৰু, কাঞ্চন আৰু কৃষ্ণচূড়া ফুলৰ উজ্জ্বল ৰঙেৰে সজাই তুলি স্থানীয় পৰ্যটন উন্নয়নক এক নতুন মাত্ৰা প্ৰদান কৰাৰ লক্ষ্যৰে আৰম্ভ হোৱা 'সোণাৰু-কাঞ্চন-কৃষ্ণচূড়া' আন্দোলনে এক বৃহৎ পৰিৱেশ-সামাজিক আন্দোলনৰ ৰূপ লৈছে। বিগত ২০১৯ বৰ্ষৰ ১ ডিচেম্বৰৰ পৰা প্ৰকৃতিপ্ৰেমী অনুপ পাটকাইৰ দক্ষ নেতৃত্বত চৰাইদেউ জিলাৰ সচেতন নাগৰিক, শিল্পী সমাজ, সাংবাদিক তথা বিভিন্ন দল-সংগঠনৰ সক্ৰিয় সহযোগত এই প্ৰচেষ্টা অব্যাহত আছে। ইতিমধ্যে ৩ লক্ষাধিক গছপুলি ৰোপণ সম্পন্ন হৈছে আৰু তাৰ ভিতৰত প্ৰায় এক লক্ষাধিক গছত ফুল ফুলি উঠি অঞ্চলসমূহক এক অনন্য প্ৰাকৃতিক সৌন্দৰ্য প্ৰদান কৰিছে। সংগঠনটোৱে আগন্তুক ২০২৬ চনত পুনৰ ২ লক্ষাধিক গছপুলি ৰোপণৰ আশা ব্যক্ত কৰিছে। এই বৃহৎ পৰিৱেশ সজাগতা অভিযানৰ লগত সংগতি ৰাখি আগন্তুক ইং ২, ৩ আৰু ৪ জানুৱাৰীত মৰাণৰ সমীপৱৰ্তী দিচাংপানীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে 'সোণাৰু-কাঞ্চন-কৃষ্ণচূড়া ষষ্ঠ বৰ্ষপূৰ্তি মহোৎসৱ' অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলিছে। আয়োজকসকলৰ মতে, এই মহোৎসৱৰ মুখ্য উদ্দেশ্য হৈছে পৰিৱেশ সংৰক্ষণৰ প্ৰতি জনসাধাৰণক অধিক সচেতন কৰা, থলুৱা অৰ্থনৈতিক কাৰ্যকলাপক উৎসাহিত কৰা আৰু অসমীয়া লোক-সংস্কৃতিৰ সুৰক্ষা আৰু প্ৰচাৰ কৰা। মহোৎসৱৰ কাৰ্যসূচীত পৰিৱেশ সজাগতামূলক আলোচনা সভা, ছাত্ৰ-ছাত্ৰীৰ মাজত শৈক্ষিক আৰু সাংস্কৃতিক প্ৰতিযোগিতা, খাদ্য মেলা, বাণিজ্য মেলা, প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ লগতে অসমীয়া লোক-সংস্কৃতিৰ অনুষ্ঠান আৰু আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। উৎসৱৰ এক বিশেষ আৰু ঐতিহাসিক আকৰ্ষণ হিচাপে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ 'মায়াবিনী' গীতটো ১৫০গৰাকী জনপ্ৰিয় কণ্ঠশিল্পী আৰু এক লাখ লোকৰ উপস্থিতিত পৰিৱেশন কৰা হ'ব। লগতে শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি জনাই মৰণোত্তৰভাৱে 'চিৰসেউজ বঁটা' প্ৰদান কৰা হ'ব।




**২২ ডিচেম্বৰৰপৰা ৫ দিনীয়া কাৰ্যসূচী**

# ধেমাজিৰ বৰদলনিত ভাওনা সমাৰোহ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধেমাজি, ২০ ডিচেম্বৰ ঃ** ধেমাজি জিলাৰ বৰদলনি অঞ্চলৰ সাংস্কৃতিক নাট্যগোষ্ঠী 'আৰাধনা নাট্যগোষ্ঠী'ৰ উদ্যোগত আৰু বৃহত্তৰ বৰদলনিবাসীৰ সহযোগত গুৰুজনাৰ অপূৰ্ব সৃষ্টি ভাওনা সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে অংকুৰিত আৰাধনা নাট্যগোষ্ঠীৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অহা ২২, ২৩, ২৪, ২৫ আৰু ২৬ ডিচেম্বৰত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বৰদলনি বৃদ্ধ পেন্সনাৰ ভৱনত আমন্ত্ৰণমূলক ভাওনা সমাৰোহৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে ইতিমধ্যে জয়চন্দ্ৰ বৰুৱাক সভাপতি, বিপুল দত্তক কাৰ্যকৰী সভাপতি আৰু মমিত ৰাজখোৱাক সম্পাদক হিচাপে লৈ এখন আদৰণী সমিতি গঠন কৰা হৈছে। ২২ ডিচেম্বৰত প্ৰথমদিনা পুৱা ৬.৩০ বজাত সমূহীয়া স্বচ্ছতা কাৰ্যসূচীৰ আঁত ধৰিব আৰাধনা নাট্যগোষ্ঠীৰ সমূহ কৰ্মকৰ্তাই। পুৱা ৭ বজাত নাট্যগোষ্ঠীৰ পতাকা উত্তোলন কৰিব আৰাধনা নাট্যগোষ্ঠীৰ সভাপতি প্ৰবীণ দত্তই। ভাওনা সমাৰোহ উদ্‌যাপন সমিতিৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি জয়চন্দ্ৰ বৰুৱাই। দিনজোৰা অন্যান্য কাৰ্যসূচীৰ পাছত সন্ধিয়া ৭ বজাত নাট 'পাৰিজাত হৰণ' শীৰ্ষক ভাওনা প্ৰদৰ্শন কৰা হ'ব জীৱন দত্তৰ পৰিচালনাত আৰু বৰদলনি সংগীত বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা। সন্ধিয়া ৭ বজাত ধেমাজিৰ মাটিখোলাৰ শংকৰ সূৰ্য সাংস্কৃতিক গোষ্ঠীয়ে 'সিন্ধু মুনিৰ পিতৃভক্তি দশৰথৰ স্বৰ্গ উদ্ধাৰ' নামৰ ভাওনা প্ৰদৰ্শন কৰিব। ২৪ ডিচেম্বৰৰ সন্ধিয়া ৭ বজাত 'বিপ্ৰ দামোদৰ আখ্যান, দন্তবক্ৰৰ মুক্তিলাভ' শীৰ্ষক ভাওনা পৰিৱেশন কৰিব কোচগাঁও আৰু চৌখাম গাঁৱৰ শিল্পীসকলে। ২৫ ডিচেম্বৰৰ আবেলি ১ বজাত 'নষ্টালজিয়া' শীৰ্ষক এক অন্তৰংগ মননশীল আধ্যাত্মিক অনুষ্ঠান। সন্ধিয়া ৭ বজাত গোবিন দত্ত আৰু ধৰ্মেন্দ্ৰ দত্তৰ পৰিচালনাত 'শ্ৰীশ্ৰী ভগৱত দৰ্শন' শীৰ্ষক ভাওনা পৰিৱেশন কৰিব বৰদলনিৰ আৰাধনা নাট্যগোষ্ঠীয়ে। অন্তিমদিনা ২৬ ডিচেম্বৰৰ আবেলি ২.৩০ বজাত মুকলি সভা, বঁটা বিতৰণী আৰু সম্বৰ্দ্ধনা অনুষ্ঠানৰ সঞ্চালনা কৰিব আদৰণী সমিতিৰ সভাপতি জয়চন্দ্ৰ বৰুৱাই। সন্ধিয়া ৭ বজাত 'হৰি-হৰৰ যুদ্ধ' শীৰ্ষক ভাওনা প্ৰদৰ্শন কৰিব কাকৈয়াল গাঁৱৰ শিল্পীসকলে। অনুষ্ঠানৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে আৰাধনা নাট্যগোষ্ঠীয়ে।

**'শিকলি'ৰ উদ্যোগ**

# টীয়কত কাকতৰ বিতৰকক সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**টীয়ক, ২০ ডিচেম্বৰ ঃ** টীয়কৰ অন্যতম সামাজিক অনুষ্ঠান 'শিকলি'ৰ উদ্যোগত ২৮ ডিচেম্বৰত বৃহত্তৰ টীয়ক আৰু মৰিয়নি সমষ্টিৰ বাতৰি কাকত বিতৰকসকলক সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰিছে। কাকত-আলোচনী বিতৰ্কৰ ত্যাগ, সাহস আৰু বদান্যতাক সন্মান জনোৱাৰ উদ্দেশ্যে টীয়কত আয়োজন কৰা এই অনুষ্ঠানত সমস্যাৰে জৰ্জৰিত বাতৰি কাকত-আলোচনী বিতৰকক যদি কোনো ব্যক্তিয়ে সহায় কৰিব বিচাৰে 'শিকলি'ৰ মুখ্য সম্পাদক অৰূপজ্যোতি হাজৰিকাৰ লগত যোগাযোগ কৰিব পাৰিব।

# মৰিয়নিৰ কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ সাংসদ গৌৰৱ গগৈৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰিয়নি, ২০ ডিচেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে কালি মৰিয়নি সমষ্টিৰ কেইবাটাও কাৰ্যসূচীত ভাগ লয়। ইয়াৰ মাজতে তেওঁ কেইবাটাও উন্নয়নমূলক কামৰো শুভাৰম্ভ কৰে। কালি পুৱা মৰিয়নিৰ নগাজাংকা পাঞ্চোৱাল গাঁৱত উপস্থিত হৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে দুদিনমান পূৰ্বে হাতীৰ আক্ৰমণত নিহত হোৱা মদন চুতীয়াৰ ঘৰলৈ গৈ পৰিয়ালটোক সমবেদনা জনায়। স্থানীয় ৰাইজে হাতী উপদ্ৰুত অঞ্চলৰ লগতে মৰিয়নি-নিউসোণোৱাল পথৰ পৰা নাগাজাংকা বছাবিহাৰী-পাঞ্চোৱাল গাঁৱলৈ সোমাই অহা পথৰ কাষে কাষে সৌৰ শক্তিসম্পন্ন লাইটৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায় আৰু সাংসদ গগৈয়ে এই ক্ষেত্ৰত শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰাৰো আশ্বাস দিয়ে। ইয়াৰ পাছতে সাংসদ গৌৰৱ গগৈয়ে মৰিয়নি সমষ্টিৰ আঠটাকৈ উন্নয়নমূলক কামৰ শুভাৰম্ভ অনুষ্ঠানত অংশগ্ৰহণ কৰে। মৰিয়নি সমষ্টিত বিজেপি



চৰকাৰ আৰু মৰিয়নিৰ বিধায়কে কি কৰিলে তাৰ ৰিপ'ৰ্ট কাৰ্ড ৰাইজৰ ওচৰত আছেই বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত বিভিন্ন ৰাজনৈতিক দলৰ দুই শতাধিকে কংগ্ৰেছত যোগদান কৰে।

# তৰমুজত চাবুৱাৰ বিধায়কক আঁকিলে লক্ষ্যজিতে

**তপন কুমাৰ শইকীয়া**

**চাবুৱা, ২০ ডিচেম্বৰ ঃ** এখন ৰিজ'ৰ্টত কাম কৰে তেওঁ। নাম লক্ষ্যজিৎ ফুকন। তেওঁৰ চৰ্চা আজি চৌদিশে। কিয়নো তেওঁৰ হাতৰ পৰশত প্ৰাণ পাই উঠে বিশেষ ব্যক্তিৰ প্ৰতিচ্ছবি। নিপুণ শিল্পীজনে ফলমূলত তৈয়াৰ কৰে মানুহৰ প্ৰতিচ্ছবি। হাতৰ যাদুৰে নিৰ্জীৱ পদাৰ্থক জীৱন্ত ৰূপ প্ৰদান কৰে। ফল, শাক-পাচলিৰ ওপৰত অতি সূক্ষ্মভাৱে বিভিন্নজনৰ ছবি খোদিত কৰি ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে চাবুৱাৰ যুৱক লক্ষ্যজিৎ ফুকন। তিনিচুকীয়াৰ ৰিজ'ৰ্টত কৰ্মৰত ফুকনে সম্প্ৰতি তৰমুজত চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাৰ প্ৰতিকৃতি অংকন কৰিছে। তৰমুজ, কেপচিকাম, গাজৰ, বীট আৰু ৰঙালাও আদিত ফুকনে হাতেৰে খোদিত কৰে চিত্ৰসমূহ। স্থানীয় পৰিৱেশ আৰু ঐতিহ্যক কেন্দ্ৰ কৰি তেওঁৰ আগৰ চিত্ৰসমূহে বিশেষ চৰ্চা লাভ কৰিছিল। এইবাৰ বিধায়ক পোনাকণ বৰুৱাৰ ছবিখন তৈয়াৰ কৰি প্ৰশংসা বুটলিছে। বিধায়ক পোনাকণ বৰুৱাই এই শিল্পকৰ্ম দেখি অভিভূত হৈ প্ৰশংসা কৰিছে লক্ষ্যজিতক। চাবুৱাৰ এনে প্ৰতিভাসমূহক সমৰ্থন আগবঢ়াব বুলি কৈ বৰুৱাই কয় যে লক্ষ্যজিৎ ফুকনৰ দক্ষতাই দেখুৱাইছে যে প্ৰতিভাৰ কোনো সীমা নাথাকে। ফুকনৰ এই বিশেষ দক্ষতাই কেৱল স্থানীয় লোককে নহয়, সমগ্ৰ অঞ্চলক আৰু পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিছে। তেওঁৰ শিল্পকৰ্মসমূহে কৃষিজাত সামগ্ৰীসমূহক কেৱল আহাৰ হিচাপে নহয়, এক শৈল্পিক মাধ্যম হিচাপেও দেখুৱাইছে। তেওঁ ৰিজ'ৰ্টত কাম কৰি ঘৰ চলোৱাৰ লগতে সৃষ্টিসমূহ প্ৰদৰ্শন কৰি উপাৰ্জন কৰিবলৈ সক্ষম হৈছে।

# চায়েৰা ৰহমানলৈ 'সেৱা'ৰ ভদ্ৰেশ্বৰ-দেৱে শইকীয়া সোঁৱৰণী সমাজ-সজ্জন অভিধা

**দৈনিক অসমৰ প্ৰতিনিধি**

**নিমাতীঘাট, ২০ ডিচেম্বৰ ঃ** অগ্ৰণী প্ৰকৃতিপ্ৰেমী বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান 'সেৱা'ৰ ষষ্ঠ বাৰ্ষিক ভদ্ৰেশ্বৰ-দেৱে শইকীয়া সোঁৱৰণী সমাজ-সজ্জন অভিধা এই বছৰ দীৰ্ঘকাল সমাজৰ দিব্যাংগসকলৰ বাবে সেৱা আগবঢ়োৱা যোৰহাট চিনামৰাৰ প্ৰতিবন্ধী শিশু বিকাশ কেন্দ্ৰ 'প্ৰেৰণা'ৰ অধ্যক্ষা চায়েৰা ৰহমানক প্ৰদান কৰা হ'ব বুলি সভাপতি হেমেন কুমাৰ শইকীয়া আৰু প্ৰধান সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই জনাইছে। কল্যাণী বাল্যভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নতুন চৌহদত ২৫ ডিচেম্বৰত স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰিব। সমাজৰ আৰ্তসকলৰ কল্যাণৰ বাবে ১৯৯২ চনতে চিনামৰাত প্ৰেৰণা নামৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰি দিব্যাংগসকলক সকলো দিশতে আগবঢ়াই নিবলৈ চায়েৰা ৰহমানে অদ্যাপি প্ৰচেষ্টা অব্যাহত ৰাখিছে। ২০০৯ চনত শ্ৰেষ্ঠ সাংগঠনিক বঁটা, ২০১১ চনত ভাৰত বিকাশৰত্ন বঁটা, ২০১২ চনত আজীৱন সমাজ বিকাশ বঁটা, ২০২১ চনত শিক্ষা-পাৰদৰ্শী বঁটা আদি ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মান লাভ কৰা বিশিষ্ট সমাজ সেৱিকাগৰাকীয়ে ২০২৪ চনত লায়ন্স ইণ্টাৰনেচনেলৰ কৰ্মযোগী উপাধি লাভ কৰিছিল। স্মৰ্তব্য, পূৰ্বতে এই বঁটা শিশুবন্ধু অৰুণ চন্দ্ৰ দাস, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশিষ্ট উদ্ভাৱক উদ্ধৱ ভৰালী, বিশিষ্ট সংগঠক ডঃ তপন দত্ত, বিশিষ্ট সৰ্প চিকিৎসক ডাঃ সুৰজিত গিৰি, গবিৰ বন্ধু বিৰাজ হাজৰিকাই লাভ কৰিছিল। সেৱাৰ কাৰ্যকৰী সমিতিৰ সভাপতি জগন্নাথ অগ্নিবৰা আৰু সম্পাদক ৰাজীৱ কুমাৰ নাজিৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে।






■ ৭৫ শিক্ষাৰ্থীৰ বাবে নাই পৰ্যাপ্ত শিক্ষাগুৰু, ৰাজ্য চৰকাৰে দিয়া নিযুক্তিয়ে এতিয়াও সামৰি ল'ব পৰা নাই শিক্ষানুষ্ঠানখন ■

# দুজন শিক্ষকৰে চলিছে খোখাপাৰা মধ্য ইংৰাজী বিদ্যালয়

## শীঘ্ৰে প্ৰয়োজনীয় শিক্ষকৰ ব্যৱস্থা কৰিবলৈ দাবী উত্থাপন পৰিচালনা সমিতিৰ



**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰাণী, ২০ ডিচেম্বৰ ঃ** অসমৰ চৰকাৰী খণ্ডৰ শিক্ষাব্যৱস্থা উন্নত কৰি তুলিবলৈ চৰকাৰে বিভিন্ন সময়ত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বিদ্যালয়সমূহত শিক্ষকৰ অভাৱ পূৰণ কৰিবলৈ হাজাৰ হাজাৰ শিক্ষকক নতুনকৈ নিযুক্তি দিয়া হৈছে। তেনে সময়তো ৰাজ্যখনৰ বহু চৰকাৰী বিদ্যালয়ত প্ৰয়োজনীয় শিক্ষক অবিহনেই পাঠদান চলি আহিছে। ইয়াৰ জ্বলন্ত উদাহৰণ হৈছে দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ খোখাপাৰা মধ্য ইংৰাজী বিদ্যালয়। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ চানডুবি পৰিষদীয় সমষ্টিৰ জনজাতীয় অধ্যুষিত বৃহৎ অঞ্চলটোৰ বাবে এইখন উচ্চপ্ৰাথমিক বিদ্যালয় যথেষ্ট গুৰুত্বপূৰ্ণ। কিয়নো জনজাতীয় অধ্যুষিত অঞ্চলটোৰ দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীসকলে অধ্যয়ন কৰা এইখনেই একমাত্ৰ উচ্চ প্ৰাথমিক বিদ্যালয়। কিন্তু ছাত্ৰ-ছাত্ৰীৰ অনুপাতে বিদ্যালয়খনত শিক্ষকৰ অভাৱ। তিনিটা শ্ৰেণীযুক্ত বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৭৫গৰাকী, বিপৰীতে শিক্ষকৰ সংখ্যা মাত্ৰ দুগৰাকী। এগৰাকী নতুনকৈ যোগদান কৰা নিয়মীয়া সহঃ শিক্ষয়িত্ৰী হীৰামণি দাস আৰু আনগৰাকী টিউটৰ শিক্ষক বিজ্ঞানৰ স্নাতক জিতেন্দ্ৰ ৰাভা। উল্লেখ্য যে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰদীপ দাসে চলিত বৰ্ষৰ ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ কৰিছে। ইতিমধ্যে হিন্দীৰ টিউটৰ শিক্ষক প্ৰদীপ কুমাৰ শৰ্মায়ো অৱসৰ গ্ৰহণ কৰিছে। আনহাতে বিদ্যালয়খনত কৰ্মৰত সহঃ শিক্ষয়িত্ৰী জুৰি মালাকৰেও আন এখন বিদ্যালয়লৈ বদলি হৈ গৈছে। বিদ্যালয়খনৰ শিক্ষকৰ সমস্যা দূৰ কৰিবলৈ পৰিচালনা সমিতিয়ে ৰামপুৰ শিক্ষাখণ্ডৰ খণ্ড শিক্ষা বিষয়াক বহুবাৰ কাকুতি-মিনতি কৰিছিল। সেই অনুসৰি খণ্ড শিক্ষা বিষয়াই খুটীয়ামাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা দুগৰাকী শিক্ষয়িত্ৰী প্ৰণীতা দাস আৰু বৰ্ণালী দাসক খোখাপাৰা মধ্য ইংৰাজী বিদ্যালয়লৈ বদলি কৰে। শিক্ষা বিষয়াৰ নিৰ্দেশ অনুসৰি দুয়োগৰাকী শিক্ষয়িত্ৰীয়ে নতুন বিদ্যালয়খনত যোগদান কৰে। কিন্তু প্ৰণীতা দাসে বিদ্যালয়খনত যোগদান কৰিয়েই এমাহৰ ছুটী লয়। এমাহৰ ছুটী শেষ হোৱাৰ পিছত শিক্ষয়িত্ৰীগৰাকীয়ে আন এখন বিদ্যালয়তহে যোগদান কৰে। ইপিনে বৰ্ণালী দাসেও এমাহ কাল দায়িত্ব পালন কৰি পুনৰ আন এখন বিদ্যালয়লৈ বদলি হৈ যায়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সোণেশ্বৰ দাসে 'দৈনিক অসম'ক সদৰী কৰা অনুসৰি তিনিটা শ্ৰেণীযুক্ত বিদ্যালয় এখন দুজনীয়া শিক্ষকে কোনো কাৰণতে চম্ভালিব নোৱাৰে। চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ সন্তোষজনক সংখ্যা নথকা বাবে ৰাজ্যখনৰ বহু বিদ্যালয় বন্ধ কৰি দিছে। আমাৰ বিদ্যালয়খনত সন্তোষজনক ছাত্ৰ-ছাত্ৰীৰ সংখ্যা থকাৰ পিছতো প্ৰয়োজনীয় শিক্ষকৰ ব্যৱস্থা কৰি দিয়া নাই। আমি জনাত, খুটীয়ামাৰী মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকৰ সংখ্যা ৮গৰাকী, কিন্তু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা শিক্ষকতকৈও কম। যিখন চৰকাৰী বিদ্যালয়ত প্ৰয়োজনীয় ছাত্ৰ-ছাত্ৰী নাই তাত শিক্ষকেৰে ঠাহ খাই আছে। অথচ প্ৰয়োজনীয় ছাত্ৰ-ছাত্ৰীৰে পৰিপূৰ্ণ আমাৰ এই চৰকাৰী বিদ্যালয়খনত শিক্ষকৰ ব্যৱস্থাই কৰি নিদিয়ে। লাডুগুৰি প্ৰাথমিক বিদ্যালয়ৰ পৰা টিউটৰ শিক্ষক জিতেন্দ্ৰ ৰাভাৰ সহযোগিতাৰে আমি বিদ্যালয়খন চলাবলগীয়া হৈছে। ৰামপুৰ শিক্ষাখণ্ডৰ খণ্ড শিক্ষা বিষয়াক আমি বহু কাকুতি-মিনতি কৰিছোঁ। শিক্ষা বিষয়াগৰাকীয়ে আমাৰ বিদ্যালয়খনলৈ শিক্ষকৰ ব্যৱস্থা কৰি দিয়ে। কিন্তু বিভিন্ন অজুহাত দেখুৱাই শিক্ষাগুৰুসকল আন বিদ্যালয়লৈ বদলি হৈ যায়। শীঘ্ৰে বিদ্যালয়খনত প্ৰয়োজনীয় শিক্ষকৰ ব্যৱস্থা কৰি দিবলৈ তেওঁ চৰকাৰক দাবী জনাইছে।

## অসমীয়া ভাষা-ব্যাকৰণ শিক্ষাৰ আলোচনাচক্ৰ



**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** মাতৃভাষা আৰু ৰাজ্যভাষা প্ৰয়োগ উপ-সমিতিৰ উদ্যোগত আজি বোন্দা আঞ্চলিক হাইস্কুলত সপ্তম, অষ্টম আৰু নৱম শ্ৰেণীৰ শতাধিক ছাত্ৰ-ছাত্ৰীক লৈ 'অসমীয়া ভাষা আৰু ব্যাকৰণ শিক্ষা'বিষয়ক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাত মাতৃভাষা আৰু ৰাজ্যভাষা প্ৰয়োগ উপ-সমিতিৰ আহ্বায়ক মুকুল চন্দ্ৰ গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া মাধ্যমত পঢ়া বাবে হীনমন্যতাত নুভুগি অতি ৰমণীয় আমাৰ ভাষাটো শুদ্ধকৈ শিকি আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিশিষ্ট কবি ডঃ পূৰ্ণ ভট্টাচাৰ্যই ছাত্ৰ-ছাত্ৰীসকলক শব্দৰ বিশেষ্য আৰু বিশেষণ ৰূপ, চন্দ্ৰবিন্দুৰ ব্যৱহাৰ, বানানৰ শুদ্ধ ৰূপ আদিৰ বিষয়ে সুন্দৰকৈ বুজাই দিয়ে। কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সম্পাদক অৰুণ কুমাৰ মহন্তই আখৰ লিখা পদ্ধতি আৰু যতি চিহ্নৰ ব্যৱহাৰ সম্পৰ্কে বুজাই দিয়ে। প্ৰধান শিক্ষক পংকজ দাসে সাহিত্য সভাৰ এনে প্ৰচেষ্টাৰ শলাগ লয় আৰু ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰত হ'বলৈ অনুপ্ৰেৰণা যোগায়। সভাত কবি প্ৰণমিকা শৰ্মাই স্বৰচিত কবিতাৰে সকলোকে আপ্লুত কৰে।

## এ চি এল অধিৱেশনত সভাপতিৰ দায়িত্ব গ্ৰহণ অধ্যাপক শিখৰ শৰ্মাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**জালুকবাৰী, ২০ ডিচেম্বৰ ঃ** গুৱাহাটী বিশ্ববিঃৰ তথ্য-প্ৰযুক্তি বিভাগৰ অধ্যাপক তথা বিভাগীয় মুৰব্বী আৰু প্ৰযুক্তি অনুষদৰ ডীন অধ্যাপক শিখৰ কুমাৰ শৰ্মাক এ চি এল সন্মিলনৰ সভাপতি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। এই সন্মিলন হৈছে প্ৰাকৃতিক ভাষা প্ৰসংস্কৰণ আৰু গণনামূলক ভাষাবিজ্ঞান ক্ষেত্ৰৰ বিশ্বখ্যাত শীৰ্ষস্থানীয় আন্তঃৰাষ্ট্ৰীয় সন্মিলন। অধ্যাপক শিখৰ শৰ্মা উত্তৰ-পূব ভাৰতৰ পৰা এ চি এল সন্মিলনৰ অধিৱেশনত সভাপতিত্ব কৰা প্ৰথমজন শিক্ষাবিদ। লগতে তেওঁ এই সন্মানীয় দায়িত্ব লাভ কৰা অতি সীমিতসংখ্যক ভাৰতীয় শিক্ষাবিদৰ মাজৰ এজন। এই সন্মিলন ২০ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ আইআইটি বোম্বেত অনুষ্ঠিত হৈছে। প্ৰাকৃতিক ভাষা-প্ৰযুক্তি আৰু গণনামূলক ভাষাবিজ্ঞান ক্ষেত্ৰৰ আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় গৱেষকসকল ইয়াত অংশগ্ৰহণ কৰিছে।

### সংবাদমেলত ক্ষোভ প্ৰকাশ সদৌ অসম ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাৰ

## মৌলিক দাবী বিবেচনা কৰিবলৈ পুনৰ আহ্বান প্ৰতিবাদকাৰীৰ



**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** সদৌ অসম ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাৰ প্ৰতিবাদে আজি কুৰি দিনত ভৰি দিয়াৰ পাছতো চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষৰ পৰা কোনোধৰণৰ ইতিবাচক সঁহাৰি নোপোৱাত সম্প্ৰতি হতাশাত ভাগি পৰিছে প্ৰতিবাদকাৰীসকল। আজি গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সংবাদমেলত সন্থাৰ সভাপতি প্ৰাঞ্জল শৰ্মাই কয়, বহু বছৰ ধৰি মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰীসহ সংশ্লিষ্ট সকলো পক্ষক লিখিত/মৌখিকভাৱে এই কথাবোৰ অৱগত কৰিও মৌখিক আশ্বাসৰ বাহিৰে কোনো ফল অথবা কাৰ্যকৰী পদক্ষেপ লাভ নকৰিলো। ১০৮ জৰুৰী সেৱাই আৰম্ভণিৰ দিনৰ পৰাই অসংখ্য আৰ্তজনক মৃত্যুৰ দুৱাৰডলিৰ পৰা ওভতাই আনিবলৈ বিশেষ ভূমিকা পালন কৰি আহিছোঁ। আমি জৰুৰীকালীন সেৱা প্ৰদানকাৰী হ'লেও আজিলৈকে জৰুৰী সেৱাৰ প্ৰাপ্য মৰ্যাদা, অৰ্হতা, সুবিধা আৰু চাকৰিৰ নিশ্চয়তা লাভ নকৰিলোঁ। সেয়েহে পুনৰায় মৌলিক দাবীসমূহ বিবেচনা কৰিবলৈ তেওঁ দাবী উত্থাপন কৰে। তেওঁ কয়, জৰুৰীকালীন সেৱাটি ব্যক্তিগত খণ্ডৰ পৰিৱৰ্তে চৰকাৰে চলোৱাৰ ব্যৱস্থা কৰক। ৩০০০ খিলঞ্জীয়া যুৱক-যুৱতীৰ চাকৰি নিয়মীয়াকৰণৰ ব্যৱস্থা কৰক। বৰ্তমানৰ মাননি ১৩-১৪ হাজাৰ টকাৰে এটা পৰিয়াল চলোৱা একেবাৰে অসম্ভৱ। সেয়ে আমাৰ দাবী— আমাক অতি দক্ষ শ্ৰমিকৰ ন্যূনতম মজুৰি প্ৰদান কৰিব লাগিব। ১২ ঘণ্টা কৰ্ম সময়সূচীৰ পৰিপূৰ্ণ অতিৰিক্ত মজুৰি দিয়ক। কাৰণ আমাৰ কৰ্মসময় ১২ ঘণ্টা আৰু ইআৰঅ'সকলৰ ৯ ঘণ্টা। কিন্তু বিধিসন্মতভাৱে ইএমটিসকলে ৪ ঘণ্টা আৰু ই আৰ অ'সকলে অতিৰিক্ত ১ ঘণ্টাৰ মজুৰি পাব লাগে। কিন্তু ই এম আৰ আই গ্ৰীন হেল্থ প্ৰতিষ্ঠানে শ্ৰম আইন উলংঘন কৰি কেৱল ই এম টিসকলক ২ ঘণ্টাৰ মজুৰি প্ৰদান কৰিছে। ২ ঘণ্টাৰ মজুৰি এতিয়ালৈকে দিয়া হোৱা নাই। আপোন ঘৰ, সেউজ ঘৰ, বেংকৰ ঋণ আদি চৰকাৰী আঁচনিবোৰত কৰ্মচাৰীসকলক অন্তৰ্ভুক্ত কৰাৰ দাবী জনায় সন্থাই। আজিৰ সংবাদমেলত ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ হৈ প্ৰণৱ দলে, বিদিশা বৰ্মন আৰু সুব্ৰত তালুকদাৰ উপস্থিত থাকে। ইপিনে, গুৱাহাটী শোধনাগাৰস্থিত ইউনাইটেড ৱৰ্কমেন ইউনিয়নৰ এটা সঁজাতী দল চচলত উপস্থিত হৈ সদৌ অসম ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাৰ প্ৰতিবাদলৈ পূৰ্ণ সমৰ্থন জনায় আৰু প্ৰতিবাদকাৰীসকললৈ এককালীন অৰ্থসাহায্য প্ৰদান কৰে। লগতে ইউনিয়নৰ সভাপতি বীৰেন কলিতা আৰু সাধাৰণ সম্পাদক গিৰীশ কলিতাই অতিশীঘ্ৰে প্ৰতিবাদকাৰীসকলৰ দাবীসমূহ আলাপ-আলোচনাৰ মাজেৰে সমাধান কৰিবলৈ চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়।

## ধৰ্মপ্ৰাণ মহিলা কিৰণ কলিতাৰ দেহাৱসান



**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** গুৱাহাটী মহানগৰীৰ চচলৰ ধৰ্মপ্ৰাণ মহিলা কিৰণ কলিতাৰ দেহাৱসান ঘটে। চচল অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, বিশেষকৈ চচল ৰাজহুৱা নামঘৰ সমিতি, যোগ কেন্দ্ৰ আৰু শিৰদী সাই বাবাৰ মন্দিৰ, ৰাধানগৰ, গুৱাহাটীৰ লগত জড়িত আছিল। দীৰ্ঘদিন ধৰি ৰক্তহীনতা, মধুমেহ আৰু বৃক্কৰ ৰোগত আক্ৰান্ত হৈ আছিল। চচল ৰাজহুৱা নামঘৰ সমিতি, নামঘৰৰ প্ৰাক্তন সভাপতি আদ্দেশ্বৰ মেধি আৰু আই মাতৃসকল, যোগ কেন্দ্ৰ আৰু শিৰদী সাই বাবা মন্দিৰ, ৰাধানগৰ, গুৱাহাটীৰ যোগ গুৰু উমেশ বৰা, যোগ কেন্দ্ৰৰ ডঃ মঞ্জুৰা মোহন কলিতা, চচল শতদল শাখা সাহিত্য সভা, বৃহত্তৰ চচল জ্যেষ্ঠ নাগৰিক সন্মিলন, ওপৰ চচল বিহু সন্মিলনৰ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি, পেৰামাউণ্ট গ্ৰীন এপাৰ্টমেণ্ট ছ'চাইটী, বহু ব্যক্তি তথা অনুষ্ঠানে তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছতে নশ্বৰ দেহৰ নৱগ্ৰহ শ্মশানত অন্তিম সংস্কাৰ কৰা হয়।

## জালুকবাৰীত ৰে'লৰ খুন্দাত নিহত এজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**জালুকবাৰী, ২০ ডিচেম্বৰ ঃ** মহানগৰীৰ জালুকবাৰীত আজি সংঘটিত হয় এক অঘটন। তীব্ৰবেগী ৰে'লৰ খুন্দাত থিতাতে নিহত হয় এজন লোক। উল্লেখ্য যে জালুকবাৰীৰ কাটিয়া দলঙৰ ৰে'ল লাইনৰ ওপৰত এই কৰুণ ঘটনাটো সংঘটিত হয়। মৃত লোকজনৰ পৰিচয় বৰ্তমানলৈ জানিব পৰা হোৱা নাই। ৰে'লৰ খুন্দাত বহুদূৰলৈ ছিটিকি যায় লোকজন। পিছত ঘটনাস্থলীত উপস্থিত হয় জালুকবাৰী আৰক্ষীৰ দল। জালুকবাৰী আৰক্ষীয়ে ঘটনাটো সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। ইপিনে লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে। এই ঘটনাই জালুকবাৰীত চাঞ্চল্যৰ সৃষ্টি কৰিছে। লোকজনৰ পৰিচয় উদ্ধাৰ কৰিবলৈ আৰক্ষীয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও জানিব পৰা গৈছে। ক'ৰ পৰা কিদৰে আহি লোকজন ৰে'ল লাইনত দুৰ্ঘটনাত পতিত হ'ল, সেয়া অদ্যাপি জানিব পৰা হোৱা নাই।

## ডঃ সত্যেন্দ্ৰ চৌধুৰী-প্ৰাৰ্থনা চৌধুৰীৰ ভিডিঅ' উন্মোচন

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডঃ সত্যেন্দ্ৰ চৌধুৰীয়ে ডঃ ভূপেন হাজৰিকাৰ গীতৰ আধাৰত প্ৰস্তুত কৰা 'আমি অসমীয়া নহওঁ দুখীয়া' আৰু 'দিল তৰপে তৰপে/মই এটি যাযাবৰ' শীৰ্ষক মেছআপ ভিডিঅ' আৰু তেওঁৰ কন্যা প্ৰাৰ্থনা চৌধুৰীয়ে ডঃ নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ আধাৰত প্ৰস্তুত কৰা 'এই কুঁৱলীৰ আঁৰত' শীৰ্ষক ভিডিঅ'টো গুৱাহাটী প্ৰেছ ক্লাবত আজি উন্মোচন কৰা হয়। ডঃ চৌধুৰীৰ ভিডিঅ' দুটা উন্মোচন কৰে ভূপেন হাজৰিকাৰ ভগ্নী স্তুতি পেটেলে। ভিডিঅ' উন্মোচন কৰি তেওঁ এনেদৰে সংগীতৰ মাজেৰে ভূপেনদাক ৰাইজৰ মাজত জীয়াই ৰখাৰ প্ৰচেষ্টাৰ কৃতজ্ঞতা জ্ঞাপন কৰে। ইপিনে প্ৰাৰ্থনা চৌধুৰীয়ে কণ্ঠদান কৰা ভিডিঅ'টো উন্মোচন কৰি ৰূপম তালুকদাৰে ডঃ চৌধুৰীৰ এনে প্ৰচেষ্টা আৰু প্ৰাৰ্থনাৰ গায়কী শৈলীৰ প্ৰশংসা কৰে।

## শিল্পগ্ৰামত সম্পন্ন সংগীত স্তুতি অনুষ্ঠান



**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** সংগীত সত্ৰ গুৱাহাটীৰ উদ্যোগত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয় আৰু উত্তৰ-পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰাম প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় সংগীত স্তুতি ২০২৫। নৃত্য-গীত-বাদ্যৰ ভ্ৰাম্যমাণ এই উৎসৱৰ আৰম্ভণিতে নৃত্যাচাৰ্য যতীন গোস্বামী, বৰ্ষীয়ান শিল্পী হৰিচৰণ শইকীয়া, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক মঞ্জু বৰা আৰু উত্তৰ-পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ডঃ প্ৰসন্ন গগৈয়ে বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত বিশিষ্ট কথক নৃত্যশিল্পী গুৰু বিপুল দাস সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। এই মহোৎসৱত দিল্লীৰ বিশিষ্ট শিল্পী নয়নিকা ঘোষে আমন্ত্ৰিত শিল্পী হিচাপে উপস্থিত থাকি কথক নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত সংগীত সত্ৰৰ সভাপতি স্বপ্নীল বৰুৱা আৰু সংগীত নাটক অকাদেমি বঁটাপ্ৰাপক শিল্পী তথা সংগীত সত্ৰৰ সাধাৰণ সম্পাদক, গুৰু ৰঞ্জুমণি শইকীয়া, সংগীত সত্ৰ বিদ্যালয়ৰ অধ্যক্ষ গুৰু ৰিঞ্জুমণি শইকীয়া উপস্থিত থাকে।

### জৰুৰী ফোন নম্বৰ

| | |
|---|---|
| আৰক্ষী | ঃ ১০০ |
| অগ্নি নিৰ্বাপণ | ঃ ১০১ |
| এম্বুলেন্স | ঃ ১০২ |
| মৃত্যুঞ্জয় | ঃ ১০৮ |
| চাইবাৰ | ঃ ১৯৩০ |

## ক্লিনিকেল এক্সপ'জাৰ কাৰ্যসূচী পিয়াৰলেছ হস্পিটালৰ



**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** মহানগৰীৰ পিয়াৰলেছ হস্পিটালে ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ সৈতে স্বাক্ষৰ কৰে এখন বুজাবুজিৰ চুক্তি। এই বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ পিছৰে পৰা পিয়াৰলেছ হাস্পতালৰ ৰয়েল স্কুল অৱ মেডিকেল এণ্ড এলাইড ছাইন্সেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেইবাটাও ক্লিনিকেল এক্সপ'জাৰ ছেছন, বিশেষজ্ঞৰ নেতৃত্বত বক্তৃতা আৰু সুসংগঠিত উদ্যোগৰ অভিজ্ঞতাৰ ব্যৱস্থা কৰিছে। এই অংশীদাৰিত্বৰ অধীনত আৰ এছ এম এ এছৰ ছাত্ৰ-ছাত্ৰীসকলে ক্লিনিকেল ট্ৰেইনিং, ইণ্টাৰ্নশ্বিপ, গৱেষণা আৰু শৈক্ষিক বিনিময়ৰ সুযোগ লাভ কৰি থাকিব। ইয়াৰ ফলত শ্ৰেণীকোঠাৰ শিক্ষাৰ সৈতে চিকিৎসা পদ্ধতিৰ মাজত এক সেতু নিৰ্মাণ হ'ব। এই বুজাবুজিৰ চুক্তিত পিয়াৰলেছ হস্পিটাল গুৱাহাটীৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ গৌতম কুমাৰ দাস, পিয়াৰলেছ হাস্পটাল গুৱাহাটীৰ মেডিকেল ছুপাৰিনটেনডেণ্ট তথা জৰুৰীকালীন বিভাগৰ সঞ্চালক ডাঃ প্ৰণৱ বৰুৱা, অসম ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটীৰ পঞ্জীয়ক (প্ৰশাসন) ডঃ দিগন্ত মুন্সী আৰু অসম ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটীৰ আৰ এছ এম এ এছৰ ডীন ডঃ অভিজিৎ দত্তই স্বাক্ষৰ কৰে।

## উঃ মাঃৰ চূড়ান্ত পৰীক্ষা কেন্দ্ৰৰ সমিতি গঠন

**দৈনিক অসমৰ প্ৰতিনিধি**
**উত্তৰ গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** আগন্তুক বৰ্ষত অনুষ্ঠিত হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে আজি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সুকলমে আৰু শান্তিপূৰ্ণভাৱে পৰিচালনা কৰাৰ বাবে ডঃ কোকিল বৰুৱাক সভাপতি, উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভাস্কৰজ্যোতি হাজৰিকাক সম্পাদক, আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা পূৰৱী ভৰালী, শৰাইঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তিলক চন্দ্ৰ গোস্বামী, ধন কলিতা, ডঃ তাইজুদ্দিন আহমেদ, পংকজ চৌধুৰী, ৰূপক ডেকা, সঞ্জীৱ বৰুৱা আৰু বিউটী কলিতাক সদস্য হিচাপে লৈ এখন নতুন সমিতি গঠন কৰা হয়।

## জগদ্ধাত্ৰী-হৰমোহন দাস সাহিত্য বঁটা ঘোষণা

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** বিশিষ্ট সত্ৰীয়া সংস্কৃতি সাধক, যোৰহাট কলেজৰ প্ৰাক্তন অধ্যক্ষ ডঃ পৱিত্ৰপ্ৰাণ গোস্বামীলৈ তেওঁৰ 'বিভিন্ন সত্ৰত চৰ্চিত বৰগীতৰ ৰাগ-তাল ঃ তুলনামূলক অধ্যয়ন আৰু মান্য ৰূপ' শীৰ্ষক গ্ৰন্থখনৰ বাবে আগবঢ়োৱা হৈছে জগদ্ধাত্ৰী-হৰমোহন দাস সাহিত্য বঁটা। উল্লেখ্য যে প্ৰতি দুবছৰৰ অন্তত চিন্তাগধুৰ মৌলিক গ্ৰন্থলৈ জগদ্ধাত্ৰী-হৰমোহন দাস সাহিত্য বঁটা আগবঢ়োৱা হয়। এই বঁটাত আছে এখনি মানপত্ৰ, এটি স্মৃতি ফলক আৰু নগদ ২৫ হেজাৰ টকা।

## জে পি দাসক মাখন দেৱান স্মাৰক বঁটা প্ৰদান



**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** শিল্পী সাহায্য নিধি, অসমৰ উদ্যোগত আজি চানমাৰিৰ গুৱাহাটী আৰ্টিষ্টছ গীল্ডত এক অনুষ্ঠানত বিশিষ্ট শিল্পী জে পি দাসক শিল্পপ্ৰাণ মাখন দেৱান স্মাৰক বঁটা-২০২৫ প্ৰদান কৰা হয়। অৱনী বৰাই আঁত ধৰা অনুষ্ঠানত বঁটা প্ৰদান কৰে নিধিৰ সভাপতি বিশিষ্ট অভিনেতা দীনেশ দাসে। বঁটাত মাখন দেৱানৰ পৰিয়ালৰ হৈ অনু দেৱানে ২৫ হাজাৰ টকাৰ এখন চেক প্ৰদান কৰে। তদুপৰি এখন তাম্ৰপত্ৰ আৰু চেলেং চাদৰ প্ৰদান কৰা হয় দাসক। আনহাতে, বঁটা প্ৰাপকক বিশিষ্ট অভিনেত্ৰী চেতনা দাসে এখন এৰী চাদৰ প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানত মাখন দেৱানৰ অৱদানৰ বিষয়ে ব্যাখ্যা কৰে ডঃ শ্যামা প্ৰসাদ শৰ্মাই। ইপিনে বঁটা প্ৰাপক জে পি দাসৰ সংগীত যাত্ৰাৰ বিষয়ে আলোকপাত কৰে যথাক্ৰমে মনীষা হাজৰিকা আৰু শান্তা উজীৰে।

### চিন্তাৰ বিশালতাই অসমীয়া জাতিৰ সন্মুখত জুবিনক একক আৰু অনন্য কৰি তুলিছে ঃ লোকনাথ গোস্বামী

## 'মায়াৱিনী ৰাতিৰ বুকুত জুবিন গাৰ্গ' শীৰ্ষক গ্ৰন্থ উন্মোচন




**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক তথা লেখক ডঃ পংকজ গোস্বামীৰ 'মায়াৱিনী ৰাতিৰ বুকুত জুবিন গাৰ্গ' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন হৈ যায়। গুৱাহাটীৰ এক আগশাৰীৰ প্ৰকাশন পূৰ্বায়ণ প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা এই গ্ৰন্থখন প্ৰকাশনটোৰ কাৰ্যালয়ত উন্মোচন কৰে ক্ৰমে বিশিষ্ট সংগীত শিল্পী লোকনাথ গোস্বামী, দৈনিক জনমভূমি কাকতৰ কাৰ্যবাহী সম্পাদক সঞ্জীৱ কুমাৰ ফুকন, প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়া, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক অচিন্ত্য শংকৰ আৰু বিশিষ্ট নাট্য সমালোচক অতুল মজুমদাৰে। গ্ৰন্থখন উন্মোচন কৰি লোকনাথ গোস্বামীয়ে কয় যে জুবিনৰ দৰ্শন, মনৰ বিশালতা আৰু চিন্তাৰ বিশালতাই অসমীয়া জাতিৰ সন্মুখত তেওঁক একক আৰু অনন্য কৰি তুলিছে আৰু অসমীয়া জাতিয়ে জুবিনৰ আধৰুৱা কামৰ দায়িত্ব বহন কৰিব লাগিব। দৈনিক জনমভূমি কাকতৰ কাৰ্যবাহী সম্পাদক সঞ্জীৱ কুমাৰ ফুকনে কয় যে দেখা জুবিন গাৰ্গ আৰু নেদেখা জুবিন গাৰ্গ বহুত বেলেগ, জুবিনৰ প্ৰতিভা, সৃষ্টি সম্যক বিশ্লেষণ আকৌ নতুনভাৱে কৰিব লাগিব আৰু এই গ্ৰন্থখনে জুবিন সম্পৰ্কত থকা মানুহৰ তৃষ্ণা দূৰ কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই কয় যে জুবিনে সকলো ক্ষেত্ৰতে অভিলেখ সৃষ্টি কৰিছে, মৃত্যুৰ পিছত জুবিনৰ বিষয়ে লিখা গ্ৰন্থৰ সংখ্যাই আজিৰ তাৰিখত অভিলেখ সৃষ্টি কৰিছে আৰু এই গ্ৰন্থখন সম্প্ৰতি প্ৰকাশ হোৱা উৎকৃষ্ট পাঁচখন গ্ৰন্থৰ ভিতৰত নিশ্চিতভাৱে এখন ৰূপে অভিহিত কৰিব পাৰি। বিশিষ্ট চলচ্চিত্ৰ পৰিচালক অচিন্ত্য শংকৰে জুবিনৰ সান্নিধ্য সুঁৱৰি তেওঁ এজন অত্যন্ত ছিৰিয়াছ অভিনেতা তথা পৰিচালক আছিল বুলি মন্তব্য কৰে। বিশিষ্ট নাট্য সমালোচক অতুল মজুমদাৰে ভাষণ প্ৰসংগত ভ্ৰাম্যমাণ থিয়েটাৰ জগতখনলৈ জুবিন গাৰ্গৰ অৱদানৰ কথা বিশেষভাৱে উল্লেখ কৰে। ৮০গৰাকী নিৰ্বাচনীয় ব্যক্তিৰ একো একোটা ভিন্নধৰ্মী লেখা, আলোচনা, পৰ্যালোচনা, সংবাদধৰ্মী লেখা আৰু সাক্ষাৎকাৰ সন্নিৱিষ্ট কৰি ৪৩৮ পৃষ্ঠাৰ এই গ্ৰন্থখন প্ৰকাশ কৰি উলিওৱা হৈছে।

# ২০৫বিধ দৰবৰ গুণমানক লৈ শংকা

## নমুনা পৰীক্ষাত ব্যৰ্থ



**ছিমলা, ২০ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় দৰবৰ মান নিয়ন্ত্ৰক সংগঠন (চি ডি এছ অ')ৰ পৰীক্ষাত দেশত প্ৰস্তুত কৰা ২০৫বিধ দৰবৰ নমুনা অনুত্তীৰ্ণ হৈছে। নমুনা পৰীক্ষাত ব্যৰ্থ হোৱা দৰববোৰৰ ভিতৰত ৪৭বিধ প্ৰস্তুত কৰা হৈছিল হিমাচল প্ৰদেশত। এই দৰববোৰ জ্বৰ, মধুমেহ (ডায়েবেটিছ), হৃদয়, মৃগী, সংক্ৰমণ আৰু পেটৰ ৰোগৰ চিকিৎসাত ব্যৱহাৰ কৰা হয়। হিমাচল প্ৰদেশত প্ৰস্তুত কৰা দৰববোৰৰ ইণ্ডাষ্ট্ৰিয়েল লৰিয়া বদ্দী, বৰোটিৱালা, নালাগড়, ছৌলন, কালাঅম্ব, পানৰতা ছাহিব আৰু ওনাত কাৰখানা আছে। চি ডি এছ অ'ৱে যোৱামাহত জাৰি কৰা সতৰ্কীকৰণ জাননী অনুসৰি গুণমান পৰীক্ষাত ব্যৰ্থ হোৱা দৰববোৰক 'নট অব্ ষ্টেণ্ডাৰ্ড কোৱালিটী' (এন এছ কিউ) ঘোষণা কৰা হৈছে। হিমাচল প্ৰদেশত প্ৰস্তুত কৰা ৩৫বিধ দৰবৰ নমুনা ৰাজ্যিক পৰীক্ষাগাৰত আৰু ১২বিধৰ নমুনা কেন্দ্ৰীয় পৰীক্ষাগাৰত কৰা পৰীক্ষাত অনুত্তীৰ্ণ হৈছিল। চি ডি এছ অ'ৱে 'নট অব্ ষ্টেণ্ডাৰ্ড কোৱালিটী'য়ে ঘোষণা কৰা দৰববোৰৰ ভিতৰত আছে পেৰাচিটাম'ল, মেটাফৰ্মিন, ক্লোপি ডিগ্ৰেল, এছপিৰিন, ৰেমিপ্ৰিল, ছ'ডিয়াম ভেলপ্ৰোৱেণ্ট, মেবেভেৰিন আৰু জেণ্টামাইছিন ইনজেকচন আদি। এই দৰববোৰ প্ৰস্তুত কৰা কোম্পানীবোৰলৈ ইতিমধ্যে জাননী জাৰি কৰা হৈছে। এই জাননীৰ জৰিয়তে সংশ্লিষ্ট দৰববোৰৰ 'ষ্টক' বজাৰলৈ প্ৰেৰণ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আনহাতে, নমুনা পৰীক্ষাত যিবোৰ কোম্পানীৰ দৰব বাৰম্বাৰ বিফল হৈছে সেই কোম্পানীবোৰক চিনাক্ত কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে।



## বিদেশলৈ গৈ ভাৰতক বদনাম কৰে ৰাহুল গান্ধীয়ে

**নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** বিদেশলৈ গৈ ভাৰতক বদনাম কৰে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে। কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিদেশ ভ্ৰমণক লৈ বিজেপিয়ে এই অভিযোগ কৰিছে। নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত বিজেপিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই আজি কয় যে ৰাহুল গান্ধীয়ে বিদেশলৈ গৈ ভাৰতবিৰোধী শক্তিবোৰক সাক্ষাৎ কৰাৰ লগতে দেশৰ হিতৰ পৰিপন্থী গতিবিধিত চামিল হয়। গৌৰৱ ভাটিয়াই লগতে কয় যে ৰাহুল গান্ধীয়ে সচৰাচৰ সংসদৰ অধিৱেশন চলি থকাৰ সময়তে বিদেশ ভ্ৰমণলৈ যায়। ৰাহুল গান্ধীৰ শেহতীয়া জাৰ্মানী ভ্ৰমণ তাৰেই উদাহৰণ। সংসদৰ অধিৱেশন চলি থকাৰ সময়ত সদনত উপস্থিত থকাটোৱেই বিৰোধী দলপতিজনৰ প্ৰাথমিক কৰ্তব্য আৰু দায়িত্ব হোৱা উচিত আছিল যদিও তেওঁ বিদেশ ভ্ৰমণলৈ গ'ল। ৰাহুল গান্ধীয়ে প্ৰায়েই সংসদৰ প্ৰতিখন অধিৱেশনৰ সময়ত অথবা পূৰ্বে বিদেশলৈ কিয় যায় আৰু ভাৰতৰ শত্ৰুক কিয় সাক্ষাৎ কৰে বুলি গৌৰৱ ভাটিয়াই প্ৰশ্ন কৰে। বিজেপিৰ মুখপাত্ৰজনে লগতে অভিযোগ কৰে যে ৰাহুল গান্ধীয়ে জাৰ্মানীৰ হাৰ্টি স্কুলত অধ্যাপক ডঃ কৰ্নেলিয়া ৰ'লক সাক্ষাৎ কৰে। ডঃ ৰ'লৰ শিক্ষানুষ্ঠানলৈ ভাৰতবিৰোধী মন্তব্য আৰু গতিবিধিত চামিল আমেৰিকাৰ পুঁজিপতি জৰ্জ ছোৰ'ছে পুঁজি যোগান ধৰে। ৰাহুল গান্ধীৰ ভাৰতবিৰোধী পুঁজিপতি জৰ্জ ছোৰছৰে ঘনিষ্ঠ সম্পৰ্ক আছে বুলি গৌৰৱ ভাটিয়াই কয়।

**বিজেপিৰ অভিযোগ**

## পাঁচ বছৰত এম জি এনৰেগাৰ ৪.৪৩ কোটি জবকাৰ্ড বাতিল

**নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** বিগত পাঁচ বছৰত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতি আঁচনি (এম জি এনৰেগা)ৰ ৪.৪৩ কোটি জবকাৰ্ড বাতিল কৰা হৈছে। বিহাৰত দেশৰ ভিতৰতে সৰ্বাধিক ১.০৪ কোটি জবকাৰ্ড বাতিল কৰা হৈছে। কেন্দ্ৰীয় গ্ৰামোন্নয়ন দপ্তৰৰ ৰাজ্যমন্ত্ৰী কমলেশ পাছোৱানে শুকুৰবাৰে ৰাজ্যসভাত এই তথ্য সদৰি কৰে। মন্ত্ৰী পাছোৱানে প্ৰকাশ কৰা তথ্য অনুসৰি জবকাৰ্ড বাতিলৰ ক্ষেত্ৰত দ্বিতীয় স্থানত আছে উত্তৰ প্ৰদেশ। উত্তৰ প্ৰদেশত ৯০.৪ লাখ জবকাৰ্ড বাতিল কৰা হৈছে। বিহাৰ আৰু উত্তৰ প্ৰদেশত দেশত বাতিল কৰা মুঠ জবকাৰ্ডৰ ৪৪ শতাংশ বাতিল কৰা হৈছে। বিহাৰ আৰু উত্তৰ প্ৰদেশৰ পাছত দেশৰ আন চাৰিখন ৰাজ্যতো সৰ্বাধিক জবকাৰ্ড বাতিল কৰা হৈছে। এই ৰাজ্যকেইখন হৈছে— ওড়িশা, মধ্য প্ৰদেশ, পশ্চিমবংগ আৰু ৰাজস্থান। এই তথ্য সদৰি কৰি মন্ত্ৰী পাছোৱানে কয় যে দেশত যিবোৰ জবকাৰ্ড বাতিল কৰা হৈছে সেইবোৰ ভুৱা, নকল আৰু ভুল তথ্যসম্বলিত জবকাৰ্ড আছিল। কেন্দ্ৰীয় চৰকাৰে নিয়মিতভাৱে জবকাৰ্ডৰ সত্যতা নিৰূপণ কৰি আহিছে। এই প্ৰক্ৰিয়াটো অধিক কাৰ্যক্ষম কৰি তোলাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষৰ ২৫ জানুৱাৰীত এছ অ' পি জাৰি কৰিছিল বুলি মন্ত্ৰী পাছোৱানে কয়।

## ভাৰত সীমান্তৰ সমীপলৈকে হাছিনা বিৰোধীৰ সমদল

# বাংলাদেশৰ পৰিস্থিতিক লৈ সতৰ্ক ভাৰতীয় সেনা

**নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** ভাৰত আৰু শ্বেখ হাছিনাবিৰোধী বাংলাদেশৰ নেতা ওছমান হাদীক হত্যাৰ বিৰোধিতাত 'ইনকিলাব মঞ্চ' নামৰ সংগঠনটো আৰু জামাত-এ-ইছলামীৰ কট্টৰপন্থীসকলে শুকুৰবাৰে বেনাপোলৰপৰা ভাৰত সীমান্তৰ সমীপলৈকে সমদল উলিয়ায়। সমদলকাৰীসকলে প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক বাংলাদেশক গতাই দিয়াৰ দাবী উত্থাপন কৰে। তেওঁলোকে চট্টগ্ৰামৰ চন্দ্ৰনাথ মন্দিৰৰ সন্মুখত ধৰ্মীয় ধ্বনি দিয়ে। ইনকিলাব মঞ্চ আৰু জামাতে ভাৰত সীমান্তলৈকে উলিওৱা এই প্ৰতিবাদী সমদলৰ পাছতেই সতৰ্ক হৈছে ভাৰতীয় সেনা। সম্প্ৰতি সেনাই বাংলাদেশৰ পৰিস্থিতিৰ প্ৰতি তীক্ষ্ণ নজৰ ৰাখিছে। ইয়াৰ মাজতে ভাৰতীয় স্থলসেনাৰ ইষ্টাৰ্ণ কমাণ্ডৰ মুৰব্বী লেফটেনেণ্ট জেনেৰেল আৰ চি তিৱাৰীয়ে ভাৰত-বাংলা সীমান্ত পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। আনহাতে, আজি বাংলাদেশৰ ৰাষ্ট্ৰীয় কবি কাজী নজৰুল ইছলামৰ কবৰৰ কাষত ওছমান হাদীক সমাধিস্থ কৰা হয়। বাংলাদেশৰ সংসদ ভৱনৰ ছাউথ প্লাজাত হাদীৰ জনাজাৰ নামাজ পঢ়া হয়। নেতাজনৰ অন্ত্যেষ্টিক্ৰিয়া অনুষ্ঠানত লাখ লাখ লোকৰ সমাগম হয়।




# ৰাজহুৱা হ'ল বিল ক্লিণ্টন, মাইকেল জেকছন প্ৰমুখ্যে বিখ্যাত ব্যক্তিৰ গোপন ফটো

## এপষ্টিন যৌন কেলেংকাৰীৰ ৩ লাখ নথি প্ৰকাশ








**ৱাশ্বিংটন, ২০ ডিচেম্বৰ ঃ** বিশ্বত তোলপাৰ লগোৱা এপষ্টিন যৌন কেলেংকাৰীৰ আৰু কেতবোৰ গুৰুত্বপূৰ্ণ নথি ৰাজহুৱা কৰা হৈছে। কালি নিশা ভাৰতীয় সময় অনুসৰি প্ৰায় ২-৩০ বজাত ৩ লাখ নথি ৰাজহুৱা কৰিছে আমেৰিকাৰ ন্যায় বিভাগে। সেই নথিৰ জৰিয়তে পোহৰলৈ আহিছে প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি বিল ক্লিণ্টন, পপ কণ্ঠশিল্পী মাইকেল জেকছন, হলীউডৰ অভিনেতা ক্ৰিছ টকৰ, বৃটেইনৰ যুৱৰাজ এণ্ড্ৰিউৰ দৰে কেইবাগৰাকীৰ প্ৰসিদ্ধ লোকৰ কিছু নতুন আলোকচিত্ৰ। তাৰে কেইবাখনো আলোকচিত্ৰত প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি বিল ক্লিণ্টনক যুৱতীৰ সৈতে ছুইমিং পুলত গা ধুই থকা আৰু পাৰ্টী কৰি থকা দেখা গৈছে। ৭টা ভাগত বিভাজিত কৰি প্ৰকাশিত ৩,৫০০ৰো অধিক ফাইলত ২.৫ জিবিৰো অধিক আলোকচিত্ৰ আৰু অন্য নথি অন্তৰ্ভুক্ত হৈ আছে। অৱশ্যে কিছু দৃশ্য ক'ত কেমেৰাত বন্দী হৈছিল, সেয়া স্পষ্ট নহয়। ৰাজহুৱা হোৱা নথিসমূহৰ প্ৰভাৱ কিমান ব্যাপক হ'ব, সেয়াও এতিয়ালৈ স্পষ্ট হোৱা নাই। কিয়নো নথিৰ সংখ্যা তিনি লাখৰো অধিক আৰু কিছু আলোকচিত্ৰ পূৰ্বেই ৰাজহুৱা হৈছিল। তদন্ত চলি থকা বা ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়জনিত কিছু নথি এতিয়াও গোপনে ৰখা বুলি প্ৰকাশ কৰিছে আমেৰিকাৰ ন্যায় বিভাগে। উল্লেখযোগ্য যে জেফ্ৰি এপষ্টিন এজন যৌন অপৰাধী। এপষ্টিন যৌন কেলেংকাৰীৰ নেপথ্যত আছিল। পাছত আৰক্ষীৰ জালত পৰা এপষ্টিনৰ কাৰাগাৰতে মৃত্যু ঘটিছিল। জেফ্ৰি এপষ্টিনৰ যৌন অপৰাধৰ চক্ৰ বিশ্বৰ বহু দেশত সম্প্ৰসাৰিত হৈ আছিল। তদন্তত পোহৰলৈ আহিছিল যে সেই যৌন অপৰাধত জড়িত হৈ আছে বিশ্বৰ বহু দেশৰ বিভিন্ন ক্ষেত্ৰৰ ভালেসংখ্যক প্ৰসিদ্ধ লোক। তাৰ মাজত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পো থকা বুলি চৰ্চিত হৈ আছে। ইতিমধ্যে এপষ্টিন কেলেংকাৰীৰে জড়িত গোপন নথিত ট্ৰাম্পৰ আলোকচিত্ৰও পোৱা গৈছে।

## বৰফে ঢাকিলে মৰুভূমি ■ ভিডিঅ' ভাইৰেল

# ছৌদি আৰবত তুষাৰপাত



**ৰিয়াধ, ২০ ডিচেম্বৰ ঃ** সঁচাকৈয়ে বিস্ময়কৰ এই প্ৰকৃতি! প্ৰচণ্ড গৰম আৰু শুকান মৰুভূমিৰ বাবে জনাজাত ছৌদি আৰবত পৰিল বৰফ। মৰুৰ দেশখনৰ টাবুক আৰু ট্ৰোজেনা নামৰ অঞ্চলত হৈছে প্ৰচণ্ড তুষাৰপাত। বৰফৰ শুভ্ৰ আচ্ছাদনে ঢাকি ধৰিলে এই অঞ্চল দুটা। ছৌদি আৰবত হোৱা তুষাৰপাতৰ দৃশ্যৰ ভিডিঅ' সম্প্ৰতি সামাজিক মাধ্যমত যথেষ্ট ভাইৰেল হৈছে। এই ভিডিঅ'বোৰ বহুতেই বিশ্বাস কৰিবলৈ টান পোৱাৰ বিপৰীতে একাংশই ইয়াক প্ৰকৃতিৰ বিস্ময় বুলি অভিহিত কৰিছে। ছৌদি আৰবৰ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি অনুসৰি যোৱা বুধবাৰে ৰাষ্ট্ৰখনৰ টাবুক আৰু ট্ৰোজেনা অঞ্চলৰ বিৰ বিন হিৰমাছ, আল-ওয়েনা, হালাড আম্মাৰ আৰু চিগৰী আদি ঠাইত প্ৰচণ্ড তুষাৰপাত হৈছিল। তুষাৰপাতৰ ফলত এই ঠাইকেইখনৰ মৰুভূমি, বালিৰ সৰু-বৰ টিলাবোৰ বৰফৰ শুভ্ৰ আচ্ছাদনে ঢাকি ধৰিছিল। মাইনাছ ৪ ডিগ্ৰী চেলছিয়াছলৈ নামি গৈছিল ঠাইকেইখনৰ উষ্ণতা। তুষাৰপাতৰ লগতে ঠাইকেইখন ঘন কুঁৱলীয়েও আৱৰি ধৰিছিল।

## নৃশংসভাৱে হত্যা কৰা হৈছিল দীপু চন্দ্ৰ দাসক

# বাংলাদেশত হিন্দু যুৱকৰ হত্যাকাণ্ডৰ ৭ অভিযুক্তক গ্ৰেপ্তাৰ



**ঢাকা, ২০ ডিচেম্বৰ ঃ** শ্বৰীফ ওছমান হাদী নামৰ এজন কট্টৰপন্থী যুৱনেতাক হত্যাক কেন্দ্ৰ কৰি বাংলাদেশত উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতিৰ মাজতে কালি মৈমনসিঙৰ ৰাজপথত এজন হিন্দু যুৱকক মৰিয়াই মৰিয়াই হত্যা কৰে দেশখনৰ মৌলবাদীৰ দলে। মৌলবাদীসকলে অভিযোগ কৰিছিল যে বিশ্ব আৰবী ভাষা দিৱস উপলক্ষে এটা কাৰখানাত আয়োজিত অনুষ্ঠানত দীপু চন্দ্ৰ দাস নামৰ হিন্দু যুৱকজনে ইছলাম আৰু পয়গম্বৰ মহম্মদ সম্পৰ্কত অপমানজনক মন্তব্য কৰিছিল। ঘটনাৰ তদন্তৰ দায়িত্বত থকা আব্দুল মালিক নামৰ আৰক্ষী বিষয়াজনে জনোৱা মতে, মৈমনসিং জিলাৰ স্কোৱাৰ মাষ্টৰবাৰী এলেকাৰ পায়নিয়াৰ নিউ কম্পোজিট ফেক্টৰীত শ্ৰমিকৰূপে কাম কৰি জীৱন নিৰ্বাহ কৰা দীপুক প্ৰথমে এটা বৃহৎ দলে ৰাজপথত আগচি ধৰে। তাৰ পাছত ইছলামক অপমান কৰাৰ অভিযোগ তুলি তেওঁক দলটোৱে নিৰ্মমভাৱে প্ৰহাৰ কৰে। প্ৰাণ নোযোৱা পৰ্যন্ত যুৱকজনৰ ওপৰত চলি থাকে অমানুষিক আক্ৰমণ। অৱশেষত দীপুৱে সেই স্থানতে প্ৰাণ ত্যাগ কৰে। তাৰ পাছত যুৱকজনৰ মৃতদেহ পথৰ দাঁতিত ৰখা হয় আৰু একাংশই তাত অগ্নি সংযোগ কৰে। তাতেই ক্ষান্ত নাথাকি পাছত দীপুৰ অৰ্দ্ধদগ্ধ শৰীৰ এজোপা গছত বান্ধি পুনৰ জ্বলাই দিয়ে। এই ঘটনাক লৈ জিলাখনত উত্তেজনা বৃদ্ধি পাইছে। ইফালে, সেই অমানৱীয় ঘটনাৰ বাবে তীব্ৰভাৱে সমালোচিত হোৱাৰ পাছত হত্যাত জড়িত মৌলবাদী চক্ৰৰ বিৰুদ্ধে তৎপৰ হৈছে মহম্মদ ইউনুছ নেতৃত্বাধীন বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰ। চৰকাৰৰ নিৰ্দেশত ঘটনাত জড়িত থকাৰ অভিযোগত মহম্মদ লিমোন সৰকাৰ (১৯), মহম্মদ তাৰেক হুছেইন (১৯), মহম্মদ মালিক মিঞা (২০), ইৰছাদ আলী (৩৫), নিজুম উদ্দিন (৩৬), আলমনীৰ হুছেইন (৩৮) আৰু মহম্মদ মিৰাজ হুছেইন একান (৪৩) নামৰ ৭জনক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।

# ছিৰিয়াত আমেৰিকাৰ অপাৰেচন হক আই ষ্ট্ৰাইক

**ডামাস্কাছ, ২০ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নিৰ্দেশ মৰ্মে ছিৰিয়াত সন্ত্ৰাসবাদী সংগঠন ইছলামিক ষ্টেট (আইছিছ)ৰ বিৰুদ্ধে 'অপাৰেচন হক আই ষ্ট্ৰাইক' নামেৰে বৃহৎ সামৰিক অভিযান আৰম্ভ কৰিছে মাৰ্কিন সেনাই। যোৱা ১৩ ডিচেম্বৰত পালমাইৰাৰ সন্ত্ৰাসবাদী ঘটনাটোৰ আক্ৰমণত এজন নাগৰিকৰ লগতে দুজন মাৰ্কিন সেনা নিহত হোৱাৰ পাছত প্ৰতিশোধমূলক ব্যৱস্থাস্বৰূপে ৰাষ্ট্ৰপতি ট্ৰাম্পে এই সামৰিক অভিযান চলোৱাৰ নিৰ্দেশ দিছে। সামাজিক মাধ্যমত মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে দেশৰ দুজন সেনাক হত্যাৰ প্ৰসংগ উত্থাপনেৰে আক্ৰমণৰ ঘটনাৰে জড়িত সন্ত্ৰাসবাদীসকলে গভীৰ পৰিণাম ভুগিব লাগিব বুলি ঘোষণা কৰিছে। মাৰ্কিন সেনাই ছিৰিয়াত থকা আইছিছৰ ঘাটীসমূহত ভয়ংকৰ আক্ৰমণ চলাই থকাৰ কথাও তেওঁ জানিবলৈ দিছে। সামাজিক মাধ্যমত ৰাষ্ট্ৰপতি ট্ৰাম্পে লিখিছে যে ছিৰিয়াৰ ভূমি ৰক্তৰঞ্জিত হৈ আছে আৰু দেশখনত বহু সমস্যা আছে। কিন্তু আইছিছক নিঃশেষ কৰিলে দেশখনৰ ভৱিষ্যৎ উজ্জ্বল হ'ব।

# ইউক্ৰেইন পৰাস্ত হ'লে পোলেণ্ড আক্ৰমণ কৰিব ৰুছিয়াই

**ৱাৰ্শ্ব', ২০ ডিচেম্বৰ ঃ** ৰুছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা যুদ্ধখনত ইউক্ৰেইন পৰাস্ত হ'লে ৰুছিয়াই পোলেণ্ডো আক্ৰমণ কৰিব। পোলেণ্ডৰ ৰাষ্ট্ৰপতি কেৰ'ল নভৰোকিৰ সৈতে এখন যুটীয়া সংবাদমেলত অংশগ্ৰহণ কৰি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কীয়ে এই মন্তব্য কৰে। সংবাদমেলখনত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিজনে কয় যে ইউক্ৰেইন সম্পূৰ্ণৰূপে স্বাধীন নহ'লে পোলেণ্ডৰ ওপৰত দৃষ্টি নিবদ্ধ হ'ব ৰুছিয়াৰ। সেয়ে ইউক্ৰেইন আৰু পোলেণ্ডৰ মাজত ঐক্য স্থাপন অত্যন্ত প্ৰয়োজনীয়। শুকুৰবাৰে পোলেণ্ডৰ ৰাজধানী ৱাৰ্শ্ব'ত এই সংবাদমেলখন অনুষ্ঠিত হৈছিল। চৰকাৰ পৰিৱৰ্তন হোৱা সত্ত্বেও পোলেণ্ডৰে পূৰ্বৰ দৰে বন্ধুত্বপূৰ্ণ সম্পৰ্ক অটুট ৰখাৰ উদ্দেশ্যে ৰাষ্ট্ৰখন ভ্ৰমণলৈ গৈছে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কী। চলিত বৰ্ষত তৃতীয়বাৰৰ বাবে পোলেণ্ড ভ্ৰমণলৈ গৈছে জেলেনস্কী। উল্লেখযোগ্য যে পোলেণ্ড চৰকাৰে পূৰ্বৰপৰা ইউক্ৰেইনৰ প্ৰতি সমৰ্থন জনাই আহিছে।

**ৱাৰ্শ্ব'ত ৰাষ্ট্ৰপতি জেলেনস্কীৰ মন্তব্য**



## তোছাখানা গোচৰ

# পত্নীসহ ইমৰান খানক ১৭ বছৰৰ কাৰাদণ্ড



**ইছলামাবাদ, ২০ ডিচেম্বৰ ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আৰু তেওঁৰ পত্নী বুছৰা বিবিক ১৭ বছৰৰ কাৰাদণ্ডৰে দণ্ডিত কৰিছে দেশখনৰ এখন আদালতে। তোছাখানা-২ গোচৰত পাকিস্তানৰ ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাৰ বিশেষ আদালতে সপত্নীক ইমৰান খানক এই শাস্তি বিহিছে। তোছাখানা কেলেংকাৰী গোচৰত ইমৰান খানৰ বিৰুদ্ধে অভিযোগ উঠিছিল যে ২০২১ চনৰ মে'ত আৰব ভ্ৰমণলৈ যোৱাৰ সময়ত তদানীন্তন প্ৰধানমন্ত্ৰী ইমৰান খানক দেশখনে উপহাৰস্বৰূপে দিয়া বহুমূলীয়া অলংকাৰ অতি কম দামত বিক্ৰী কৰা হৈছিল। দুৰ্নীতি প্ৰতিৰোধ অধিনিয়মৰ অপৰাধমূলক প্ৰৱঞ্চনা সম্পৰ্কীয় ৪০৯ ধাৰাৰ অধীনত চলা গোচৰত আদালতে দিয়া ৰায় অনুসৰি ইমৰান খানে ১০ বছৰ কঠোৰ কাৰাবাস খাতিব লাগিব। সমান্তৰালভাৱে জনসেৱকৰ অপৰাধমূলক কদাচাৰ সম্পৰ্কীয় ধাৰাৰ অধীনত অতিৰিক্তভাৱে ৭ বছৰ কাৰাবাসত থাকিব লাগিব। তেওঁৰ পত্নী বুছৰা বিবিয়েও অনুৰূপ শাস্তি ভোগ কৰিব লাগিব। কাৰাদণ্ডৰ লগতে পত্নীসহ ইমৰান খানক ১ কোটি ৬৪ লাখ টকাৰ জৰিমনাও বিহিছে আদালতে। জৰিমনাৰ ধন আদায় নিদিলে দুয়োজনৰে কাৰাদণ্ডৰ সময় বৃদ্ধি হ'ব। উল্লেখযোগ্য যে বিগত প্ৰায় আঢ়ৈ বছৰ ধৰি কাৰাগাৰত বন্দী হৈ আছে পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী।

## বাংলাদেশত দুৰ্বৃত্তই জীৱন্তে জ্বলালে সাত বছৰীয়া শিশুক

**ঢাকা, ২০ ডিচেম্বৰ ঃ** বাংলাদেশত সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা আৰু তাৰ মাজতে এটা নৱগঠিত ৰাজনৈতিক দলৰ কট্টৰপন্থী নেতা শ্বৰীফ ওছমান হাদীৰ হত্যাকাণ্ডক কেন্দ্ৰ কৰি দেশখনৰ পৰিস্থিতি ভয়াৱহ হৈ উঠিছে। কালি নিশা দেশখনত জীৱন্তে জ্বলাই হত্যা কৰা হৈছে এটি সাত বছৰীয়া কন্যাশিশুক। এই বৰ্বৰ ঘটনাই বাংলাদেশত নাগৰিকসকলৰ সুৰক্ষাক লৈ প্ৰশ্নৰ অৱতাৰণা কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি কালি নিশা বাংলাদেশৰ লক্ষ্মীপুৰ সদৰত দুৰ্বৃত্তৰ দলে এটা বাসগৃহত দুৱাৰসমূহ বাহিৰৰ পৰা বন্ধ কৰি পেট্ৰ'ল ঢালি অগ্নি সংযোগ কৰে। তাৰ পাছত বাসগৃহটোত থকা এটি সাত বছৰীয়া অবোধ কন্যাশিশু অগ্নিদগ্ধ হৈ কৰুণ মৃত্যুক সাৱটি লয়। একেটা বাসগৃহতে থকা অন্য তিনিজন লোক অগ্নিদগ্ধ হৈ সম্প্ৰতি সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ থকা বুলি জানিব পৰা গৈছে। তথ্য অনুসৰি দুৰ্বৃত্তই যিটো ঘৰত অগ্নি সংযোগ কৰিছিল তাৰ গৰাকী আছিল বি এন পি দলৰ নেতা বিলাল হুছেইন। আৰক্ষীয়ে প্ৰকাশ কৰা মতে নিশা প্ৰায় এক বজাত সংঘটিত সেই অগ্নিসংযোগৰ ঘটনাত বিলাল হুছেইনৰ সাত বছৰীয়া কন্যা আয়েশা আখতাৰৰ মৃত্যু ঘটিছে। আনহাতে বিলাল হুছেইন আৰু তেওঁৰ আন দুগৰাকী কন্যা ক্ৰমে সলমা আখতাৰ (৩৬) আৰু সামিয়া আখতাৰ (১৪) বেয়াকৈ অগ্নিদগ্ধ হৈ সম্প্ৰতি সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। আৰক্ষীয়ে প্ৰকাশ কৰিছে যে লক্ষ্মীপুৰ সদৰ চিকিৎসালয়ত বিলাল হুছেইনৰ চিকিৎসা চলি আছে। বিপৰীতে তেওঁৰ দুয়োগৰাকী কন্যাৰ অৱস্থা অতি সংকটজনক বাবে উন্নত চিকিৎসাৰ বাবে ৰাজধানী ঢাকালৈ প্ৰেৰণ কৰা হৈছে। দুয়ো ভগ্নীৰ শৰীৰৰ ৫০ শতাংশ অগ্নিদগ্ধ হোৱা বুলি জানিবলৈ দিছে চিকিৎসকে।

# বিজেপিৰ প্ৰাক্তন মন্ত্ৰীৰে কংগ্ৰেছ নেত্ৰীৰ বিবাহ

## ৪৩ বছৰীয়া কইনাৰ পাণি গ্ৰহণ ৬৩ বৰ্ষীয় দৰাৰ

**ভূপাল, ২০ ডিচেম্বৰ ঃ** দেশৰ ৰাজনীতিত পৰস্পৰৰ প্ৰধান শত্ৰু বিজেপি আৰু কংগ্ৰেছৰ দুগৰাকী নেতা-নেত্ৰীৰ মাজত সম্পন্ন হোৱা এখন বিবাহে ব্যাপক চৰ্চা লাভ কৰিছে। মধ্য প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত কৈলাস যোশীৰ পুত্ৰ তথা শিৱৰাজ সিং চৌহান চৰকাৰত মন্ত্ৰী ৰূপে কাৰ্যনিৰ্বাহ কৰা বিজেপি নেতা দীপক যোশীয়ে ৬৩ বছৰ বয়সত পত্নী ৰূপে গ্ৰহণ কৰিছে মহিলা কংগ্ৰেছৰ প্ৰাক্তন ৰাজ্যিক সম্পাদিকা ৪৩ বছৰীয়া পল্লৱী ৰাজ ছাক্সেনাক। দুয়োগৰাকীৰ বিবাহৰ আলোকচিত্ৰ সামাজিক মাধ্যমত প্ৰকাশ পোৱাৰ পাছতে বিষয়টোক লৈ কৌতূহলৰ সৃষ্টি হৈছে। আলোকচিত্ৰখনত বিজেপি নেতা দীপক যোশীয়ে কংগ্ৰেছ নেত্ৰী পল্লৱী ৰাজ ছাক্সেনাৰ শিৰত সেন্দূৰ লগাই থকা দেখা গৈছে। চৰ্চা অনুসৰি যোৱা ৪ ডিচেম্বৰত আৰ্যসমাজ মন্দিৰত দুয়োৰে বিবাহ সম্পন্ন হৈছে। বিবাহৰ কিছু আলোকচিত্ৰ পল্লৱী ৰাজ ছাক্সেনাই নিজৰ ছ'চিয়েল মিডিয়া একাউণ্টত পোষ্ট কৰিছিল যদিও পাছত সেই পোষ্ট আঁতৰাই দিয়ে। যাৰ বাবে বিবাহখনক লৈ ৰহস্যৰ সৃষ্টি হৈছে। অৱশ্যে কংগ্ৰেছ নেতা বৃজেন্দ্ৰ শুক্লাই বিবাহৰ আলোকচিত্ৰ ছ'চিয়েল মিডিয়াত পোষ্ট কৰি দুয়োকে শুভকামনা জনাইছে। লক্ষণীয়ভাৱে দীপক যোশী পূৰ্বেও দুবাৰ বিবাহপাশত আবদ্ধ হোৱাৰ খবৰ ওলাইছিল। সেই সম্পৰ্কীয় দুটা গোচৰ আদালতৰ মজিয়ালৈও গৈছিল। নম্ৰতা যোশী আৰু শিখা যোশী নামৰ দুগৰাকী মহিলাই নিজকে দীপক যোশীৰ পত্নী বুলি দাবী কৰাক লৈ বিতৰ্কৰ সৃষ্টি হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিততে এইবাৰ কংগ্ৰেছ নেত্ৰী পল্লৱী ৰাজ ছাক্সেনাৰ সৈতে দীপক যোশীৰ বিবাহৰ খবৰে কৌতূহলৰ সৃষ্টি কৰিছে।



সভানেত্ৰী-সচিবৰ সংঘাতে ল'লে চূড়ান্ত ৰূপ

# শ্ৰীভূমিৰ ৰাজপথত খেদি খেদি পঞ্চায়ত সচিবক প্ৰহাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিলচৰ, ২০ ডিচেম্বৰ ঃ** গাঁও পঞ্চায়তৰ সচিব আৰু সভানেত্ৰীৰ শীতল যুদ্ধক কেন্দ্ৰ কৰি ভয়ংকৰ কাণ্ড সংঘটিত হৈছে শ্ৰীভূমি জিলাৰ সুপ্ৰাকান্দি গাঁও পঞ্চায়তত। ৰাজপথত খেদি খেদি গাঁও পঞ্চায়তৰ সচিবক লপাথপা দিয়ে একাংশই। আনকি জলাশয়ত পেলাই সচিব মনোজ কুমাৰ দাসক মাৰপিট কৰে ক্ষুব্ধ লোকে। ঘটনাৰ সূত্ৰপাত হয় এখন সুৱাৰ বিপণীক লৈ। সুৱাৰ বিপণীৰ আপত্তিবিহীন প্ৰমাণপত্ৰ দিয়াক লৈ সভানেত্ৰী কল্পনা ৰয়ৰ সৈতে মনোমালিন্য আৰম্ভ হয় সচিবৰ। এটা সময়ত গাঁও পঞ্চায়তৰ সচিব মনোজ কুমাৰ দাসৰ বিৰুদ্ধে জিলা আয়ুক্তৰ ওচৰত অভিযোগ দাখিল কৰে গাঁও পঞ্চায়তৰ সভানেত্ৰীয়ে। এই লৈ যোৱা কেইবামাহ ধৰি গাঁও পঞ্চায়তৰ সচিব আৰু সভানেত্ৰীৰ মাজত শীতল যুদ্ধ চলি আছিল। ইয়াৰ মাজতে পঞ্চায়ত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ হস্তক্ষেপত সুপ্ৰাকান্দি গাঁওপঞ্চায়তৰ পৰা বদলি কৰা হয় সচিব মনোজ দাসক। নতুন সচিবৰ দায়িত্ব দিয়া হয় পল্লৱ চক্ৰৱৰ্তীক। পিছে এয়া মানি ল'ব পৰা নাই মনোজ দাসৰ সমৰ্থক পঞ্চায়ত সদস্যসকলে। গাঁও পঞ্চায়তৰ কাৰ্যালয়ত সচিব মনোজ দাসক লৈ এখন সভাৰ আয়োজন কৰে তেওঁৰ ঘনিষ্ঠ সদস্যসকলে। সভাখন আৰম্ভ হোৱাৰ পাছতে ঘটে এই ঘটনা। একাংশ লোক আৰু সভানেত্ৰীপন্থী সদস্যসকল সভাথলীলৈ আহি সচিবক মাৰপিট কৰে। এসময়ত ৰাজপথত খেদি খেদি সচিবক প্ৰহাৰ কৰাতে ক্ষান্ত নাথাকি জলাশয়ত পেলাই মাৰপিট কৰে তেওঁলোকে। ইপিনে, ঘটনাক কেন্দ্ৰ কৰি জাঙুৰ খাই উঠিছে শ্ৰীভূমি জিলা পৰিষদৰ অধীনত থকা সকলো গাঁও পঞ্চায়তৰ সচিব। এগৰাকী চৰকাৰী কৰ্মচাৰীক এনেদৰে আক্ৰমণ কৰাৰ বিৰুদ্ধে তেওঁলোকে শ্ৰীভূমিৰ নিলামবজাৰ থানাত গোচৰ দাখিল কৰাৰ লগতে শ্ৰীভূমি জিলা আয়ুক্তক লিখিত অভিযোগ দাখিল কৰি দোষীসকলক অনতি পলমে গ্ৰেপ্তাৰ কৰিবলৈ আহ্বান জনায়। ভুক্তভোগী মনোজ কুমাৰ দাসৰ মতে, সভানেত্ৰীয়ে নিজৰ স্বাৰ্থত ব্যাঘাত ঘটাৰ বাবেই এনে কাণ্ড সংঘটিত কৰাইছে। মূল কাৰণ হিচাপে তেওঁ কয়— 'দুমাহ পূৰ্বে পঞ্চদশ বিত্ত আয়োগৰ বিষয়ে তেওঁ পঞ্চায়তৰ ১০জনীয়া গ্ৰুপত জনাই দিছিল। ইয়াৰ পাছৰপৰাই তেওঁ সভানেত্ৰীগৰাকীৰ চক্ষুশূল হৈ পৰে।

চিনাক্তকৰণৰ বাবে ৰখা হৈছে মৰ্গত

# কাৰৈমাৰীত উদ্ধাৰ নৱজাতকৰ মৃতদেহ

**দৈনিক অসমৰ প্ৰতিনিধি**

**পুৰণিগুদাম, ২০ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ হয়বৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত পশ্চিম কাৰৈমাৰীত ১৮ ডিচেম্বৰৰ বিয়লিৰ ভাগত এটি নৱজাত শিশুৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে, ১৮ ডিচেম্বৰৰ বিয়লিৰ ভাগত স্থানীয় গাঁওপ্ৰধানৰ খবৰৰ ভিত্তিত হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ পথৰ দাঁতিত পৰি থকা এটি নৱজাত (ল'ৰা) শিশুৰ মৃতদেহ উদ্ধাৰ কৰে। পাছত মৃতদেহটি নগাঁও ৰাজহ চক্ৰ বিষয়াৰ অনুমতিক্ৰমে মৰণোত্তৰ পৰীক্ষা কৰোৱাৰ ব্যৱস্থা কৰা হয়। আৰক্ষীয়ে বৰ্তমান মৃতদেহটি চিনাক্তকৰণৰ বাবে নগাঁও মেডিকেল কলেজ হাস্পতালৰ মৰ্গত ৰখা হৈছে আৰু ৭২ ঘণ্টাৰ অন্তত সৎকাৰৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে।

অভিযান্ত্ৰিক মহাবিদ্যালয় নিৰ্মাণৰ গইনা লৈ প্ৰকৃতি ধ্বংস অভিযান

# নিশ্চিহ্ন হোৱাৰ দিশে শুৱালকুছিৰ ফাটনা পাহাৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ২০ ডিচেম্বৰ ঃ** চৌদিশে এতিয়া উন্নয়নৰ ঢৌ। নগৰসমূহৰ সমান্তৰালভাৱে এতিয়া গ্ৰাম্য অঞ্চলতো দেখা গৈছে বিভিন্ন উন্নয়নমূলক কাম-কাজ। কিন্তু এনেধৰণৰ উন্নয়নমূলক কামৰ বাবে ধ্বংস হৈছে বহু প্ৰাকৃতিক সম্পদ। এনে এক উদাহৰণ মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিৰ ফাটনা পাহাৰ। শুৱালকুছিত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় নিৰ্মাণৰ নামতে সৃষ্টি হৈছে এনে ধ্বংসযজ্ঞৰ। যি স্থানত মহাবিদ্যালয় নিৰ্মাণ কৰা হৈছে, উক্ত অঞ্চলটো বৃহৎ জলাশয়ৰে পূৰ্ণ অঞ্চল আছিল। সেয়ে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণৰ বাবে জলাশয় পূৰ কৰাৰ নামত প্ৰয়োজন হৈছিল বৃহৎ পৰিমাণৰ মাটিৰ। মাটিৰ প্ৰয়োজন হোৱাত নিৰ্মাণ প্ৰতিষ্ঠানটোৱে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ভূমি পুতিবলৈ চৰকাৰী অনুমতি লৈ শুৱালকুছি মুগা ফাৰ্ম সংলগ্ন ফাটনা পাহাৰ কাটি খাস্তাং কৰিলে। কিন্তু আচৰিত কথাটো হৈছে মহাবিদ্যালয়খন নিৰ্মাণৰ বাবদ যিমানখিনি মাটিৰ প্ৰয়োজন আছিল তাতোকৈ অধিক মাটি কটাৰ অভিযোগ উঠিছে। ইয়াৰে এগৰাকী জনপ্ৰতিনিধি আৰু দুজন স্থানীয় ব্যৱসায়ী। মহাবিদ্যালয়খন নিৰ্মাণৰ বাবে দৰকাৰ হোৱা মাটিৰ বাবেই সম্পূৰ্ণৰূপে নিঃশেষ কৰি পেলোৱা হ'ল শুৱালকুছিৰ ঐতিহ্যবহনকাৰী ফাটনা পাহাৰখন। কিছু বছৰ পূৰ্বলৈকে ফাটনা পাহৰখনেই গছ-গছনিৰে সৌন্দৰ্য বহন কৰি আহিছিল শুৱালকুছিৰ। উন্নয়নৰ নামত চকুৰ সন্মুখতে ফাটনা পাহাৰখন নিঃশেষ কৰি পেলোৱাৰ পাছতো নিমাত হাজো বন বিভাগ, নিমাত কামৰূপ প্ৰশাসন। অভিযান্ত্ৰিক মহাবিদ্যালয়খন স্থাপনৰ নামত ভুমি পূৰাবলৈ ঐতিহাসিক পাহাৰখনৰ ৮০ শতাংশ কাটি ভৈয়ামসদৃশ কৰি পেলোৱা হ'ল। এখন মহাবিদ্যালয়ৰ নামত প্ৰকৃতি ধ্বংস কিমান গ্ৰহণযোগ্য সেয়া সময়ে উত্তৰ দিব — এই মন্তব্য স্থানীয় দল-সংগঠন তথা সচেতন ৰাইজৰ। কিন্তু এনেকুৱা উন্নয়নৰ নামত যদি এখনৰ পাছত এখন পাহাৰ ধ্বংস কৰা হয় তেনেহ'লে এটা সময়ত হয়তো সাধুকথা আৰু কিতাপৰ পৃষ্ঠাতে নৱপ্ৰজন্মই বিচাৰি পাব শুৱালকুছি এখন ফাটনা পাহাৰ আছিল।

# যোগী সন্মিলনীৰ আন্দোলনৰ কাৰ্যসূচী

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰিগাঁও, ২০ ডিচেম্বৰ ঃ** ভূমিপুত্ৰ ৪০ লাখ নাথ যোগীৰ ৰাজনৈতিক ভৱিষ্যৎ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ২৫ ডিচেম্বৰৰপৰা সমগ্ৰ অসমতে অসম প্ৰাদেশিক যোগী সন্মিলনীয়ে এলানি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। অসম প্ৰাদেশিক যোগী সন্মিলনীয়ে সংশ্লিষ্ট জিলা সমিতিসমূহৰ জৰিয়তে ৰূপায়িত কৰিবলৈ ওলোৱা প্ৰথম পৰ্যায়ৰ গণতান্ত্ৰিক আন্দোলন 'জোঁৰ সমদল'ৰ সময়সূচী কালি ঘোষণা কৰিছে প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ধীৰেন নাথে। সেই অনুসৰি ২৫ ডিচেম্বৰত ঢলা, ধেমাজি, লখিমপুৰ আৰু মাজুলীত জোঁৰ সমদল ৰূপায়ণ কৰা হয়। তেনেদৰে ২৯ ডিচেম্বৰত বিশ্বনাথ আৰু শোণিতপুৰ জিলাত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। ২০২৬ চনৰ ২ জানুৱাৰীত নগাঁও আৰু মৰিগাঁও জিলাত, ৫ জানুৱাৰীত দৰং আৰু ওদালগুৰি জিলাত, ৭ জানুৱাৰীত তামুলপুৰ, বাক্সা, বজালী আৰু বৰপেটা জিলাত, ৮ জানুৱাৰীত গোৱালপাৰা আৰু বঙাইগাঁও জিলাত, ১০ জানুৱাৰীত গুৱাহাটীৰ চছলত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব অসম প্ৰাদেশিক যোগী সন্মিলনী আৰু নাথ যোগী ছাত্ৰ সন্থাৰ লগতে প্ৰতিটো ভাতৃ-ভগ্নী সংগঠনে। পুনৰ ১৭ জানুৱাৰীত বিলাসীপাৰা আৰু কোকৰাঝাৰ জিলাত জোঁৰ সমদল উলিওৱা হ'ব। ১৯ জানুৱাৰীত শিৱসাগৰ, গোলাঘাট আৰু গুৱাহাটী মহানগৰ আৰু উত্তৰ কামৰূপত যুটীয়াভাৱে গুৱাহাটীত জোঁৰ সমদল ৰূপায়ণ কৰা হ'ব। ২১ জানুৱাৰীত জোঁৰ সমদল ৰূপায়ণ কৰা হ'ব হাইলকান্দি আৰু কৰিমগঞ্জ জিলাত। সন্মিলনীয়ে কালি প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি বিশেষ এৰাব নোৱাৰা পৰিস্থিতিৰ উদ্ভৱ হ'লে সংশ্লিষ্ট জিলাই আন্দোলনৰ তাৰিখ সংশ্লিষ্ট জিলাৰ সভাপতি-সম্পাদকৰ লগত আলোচনা কৰি পৰৱৰ্তী তাৰিখ নিৰ্দ্ধাৰণ কৰা হ'ব। আন্দোলনৰ কাৰ্যসূচী সন্দৰ্ভত কালি গুৱাহাটীৰ নাথ যোগী সন্মিলনীৰ কাৰ্যালয়ত সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ লগত অসম প্ৰাদেশিক যোগী সন্মিলনীৰ এখন যুটীয়া সভা অনুষ্ঠিত হয়। সভাত নাথ যোগী সম্প্ৰদায়ৰ কেউটা সংগঠনে একেলগে এই আন্দোলনৰ কাৰ্যসূচী সৰ্বাত্মক ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰে।



# অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুলৰ বাৰ্ষিক অধিৱেশন

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰভাগ, ২০ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত সানেকুছি গাঁৱত অৱস্থিত পশ্চিম বড়িগোগ অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুলৰ বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভাখন কালি অনুষ্ঠিত হৈ যায়। তদুপলক্ষে পুৱা বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি ভূপেন চন্দ্ৰ লহকৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি নলবাৰী শংকৰদেৱ একাডেমীৰ অধ্যক্ষ ডঃ বিনয় কুমাৰ মজুমদাৰে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকাসকলক উদ্দেশ্যি পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়। তেওঁ লগতে কয় যে জীৱনটো এক অতি জটিল পৰিক্ৰমা। জীৱনটো কেনেকৈ আগবঢ়াই নিব সেইটো জানিব লাগিব। সভাত বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি ভূপেন চন্দ্ৰ লহকৰক বিগত ২০১৬ চনৰ পৰা ধাৰাবাহিকভাৱে দহ বছৰে সভাপতিৰ কাৰ্যকাল সুচাৰুৰূপে পালন কৰা বাবে বিদ্যালয় পৰিয়ালে সম্বৰ্দ্ধনা জনায়। সভাত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অচ্যুত শৰ্মা, হিতাকাংক্ষী নমিতা ডেকা, জিতু লহকৰ, অৱসৰী শিক্ষক ঈশ্বৰ শৰ্মা, ধৰণীধৰ বিদ্যাপীঠৰ প্ৰধান শিক্ষক উৎপল শৰ্মা, সমাজসেৱী ববিতা চৌধুৰী, নৰেন শৰ্মাকে ধৰি কেইবাজনো হিতাকাংক্ষী আৰু চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনায়। সভাত বছৰটোৰ শ্ৰেষ্ঠ অভিভাৱকৰ বঁটা অভিভাৱক তাইজুদ্দিন আহমেদৰ হৈ তেওঁৰ সহধৰ্মিণীৰ হাতত প্ৰদান কৰা হয়।

# গন্ধিয়াত কান্দেনী আইৰ মন্দিৰৰ সভা মহোসৎৱ

**দৈনিক অসমৰ প্ৰতিনিধি**

**চামতা, ২০ ডিচেম্বৰ ঃ** চামতাৰ ঐতিহ্যমণ্ডিত গন্ধিয়াৰ শ্ৰীশ্ৰীমা ঈশ্বৰী কান্দেনী আইৰ মন্দিৰত অহা ৫ জানুৱাৰীৰপৰা ৭ জানুৱাৰীলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পৰম্পৰাগতভাৱে চলি অহা সভা মহোসৎৱৰ এইবেলিও আয়োজন চলিছে। এই উপলক্ষে পয়োধৰ শৰ্মাক সভাপতি, চন্দন শৰ্মাক কাৰ্যকৰী সভাপতি, প্ৰতুল ভট্টক সম্পাদক, মানৱজ্যোতি শৰ্মা আৰু জ্যোতিপ্ৰসাদ শৰ্মাক সহঃ সম্পাদক আৰু বুলবুল শৰ্মা, প্ৰশান্ত শৰ্মা, দীনেশ শৰ্মা, নিৰেন শৰ্মা, মনোজ শৰ্মা, বুবুল কুমাৰ শৰ্মা, উৎপল শৰ্মা, হৰগোপাল শৰ্মা, ভূষণ শৰ্মা, প্ৰশান্ত শৰ্মা, মানস শৰ্মা, চম্পক শৰ্মা, বীৰেন শৰ্মাক সদস্য হিচাপে লৈ এখন সভা পৰিচালনা সমিতি গঠন কৰা হয়। কাৰ্যসূচী অনুসৰি ৫ ফেব্ৰুৱাৰীৰ চাৰি বজাত ঈশ্বৰী মা কান্দেনী আইৰ বিগ্ৰহ গাঁৱত পৰিভ্ৰমণ কৰা হ'ব। সন্ধিয়া ৬ বজাত প্ৰায় দহ হাজাৰ মাটিৰ চাকি জ্বলোৱা হ'ব। সন্ধিয়া ৭.৩০ বজাত শিশুৰ ৰং-ৰহইচ অনুষ্ঠান। ৮ বজাত সম্বৰ্দ্ধনা অনুষ্ঠান। নিশা ৯ বজাত যাত্ৰা দলৰদ্বাৰা নাট্যাভিনয়। ৬ ফেব্ৰুৱাৰীৰ পুৱা ৭ বজাত চাফাই অভিযান। ১১ বজাত ভাগৱত পাঠ। ১২ বজাত হোমযজ্ঞ। ৩ বজাত শান্তি প্ৰদান। আবেলি ৩ বজাৰপৰা ঢুলীয়া প্ৰদৰ্শন।

# দুৰ্ঘটনা সজাগতা আৰু প্ৰতিৰোধ সম্পৰ্কীয় সভা

বৰমাত জি এন আৰ চিৰ সংবাদমেল

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰমা, ২০ ডিচেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠান জি এন আৰ চি হাস্পতালৰ উদ্যোগত ডিচেম্বৰ মাহটো দুৰ্ঘটনা সজাগতা আৰু প্ৰতিৰোধ মাহ হিচাপে পালন কৰা হৈছে বুলি যোৱা ১৮ ডিচেম্বৰত বৰমাত এক সংবাদমেলত সদৰি কৰে হাস্পতাল কৰ্তৃপক্ষই। এই সন্দৰ্ভত বাক্সা প্ৰেছ ক্লাবত (বৰমা) এখন সংবাদমেলৰ আয়োজন কৰি দুৰ্ঘটনাৰ কাৰণসমূহ, ইয়াক নিৰাময়ৰ বিভিন্ন উপায়ৰ লগতে দুৰ্ঘটনাগ্ৰস্ত ৰোগীসকলৰ জীৱন কেনেদৰে ৰক্ষা কৰিব পাৰি সেই সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। হাস্পতালখনৰ হৈ স্নায়ুশল্য বিশেষজ্ঞ ডাঃ সুনীল পাঞ্চাল, মূত্ৰৰোগ বিশেষজ্ঞ ডাঃ ৰোহিত আগৰৱাল আৰু এম্বুলেঞ্চ সেৱাৰ মুৰব্বী ৰছিদুল ইছলামে সংবাদমেলত উপস্থিত সাংবাদিকসকলক সম্বোধি দুৰ্ঘটনাৰ বিভিন্ন দিশত আলোচনা দাঙি ধৰে। ভাৰতবৰ্ষত প্ৰতিবছৰে এক বুজনসংখ্যক লোক বিভিন্ন দুৰ্ঘটনাত মৃত্যুমুখত পৰে বা শাৰীৰিক অক্ষমতাত ভোগে। কেৱল পথ দুৰ্ঘটনাতেই প্ৰতি ১.৯ মিনিটত এজন লোকৰ মৃত্যু হয়। সমগ্ৰ বিশ্বতে হোৱা দুৰ্ঘটনাজনিত মৃত্যুৰ পথ দুৰ্ঘটনা এক প্ৰধান কাৰক বুলি কয় চিকিৎসক দুগৰাকীয়ে। তেওঁলোকে লগতে কয় যে ২০১০ৰপৰা ২০২১ চনৰ ভিতৰত ভাৰতত পথ দুৰ্ঘটনাৰ ফলত হোৱা মৃত্যুৰ হাৰ প্ৰায় ১৮ শতাংশ বৃদ্ধি পাইছে। যোৱা তিনি দশকত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৯৩,০০০ৰো অধিক দুৰ্ঘটনাগ্ৰস্ত ৰোগীক জি এন আৰ চি হাস্পতালত চিকিৎসা প্ৰদান কৰা হৈছে। ইয়াৰ ভিতৰত প্ৰায় ২,৩১২জন ব্যক্তি বাক্সা জিলাৰ আছিল। উপস্থিত সাংবাদিকসকলক সম্বোধি ডাঃ সুনীল পাঞ্চালে কয়— 'পথ দুৰ্ঘটনাৰ ফলত হোৱা মূৰ আৰু মেৰুদণ্ডৰ আঘাত আমাৰ সমাজৰ আটাইতকৈ নীৰৱ হত্যাকাৰী।



# অভয়াপুৰী শাখা সাহিত্য সভাৰ আজি কাব্যানুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**উত্তৰ শালমাৰা, ২০ ডিচেম্বৰ ঃ** অভয়াপুৰী শতদল শাখা সাহিত্য সভাই কাইলৈ বৃহত্তৰ অভয়াপুৰী অঞ্চলৰ নবীন-প্ৰবীণ কবি তথা কবিতা গীতৰ অনুৰাগীসকলক লৈ 'কুঁৱলীৰ কোমল পৰশত কবিতা আৰু গীতৰ গধূলি' শীৰ্ষক এটি অনুষ্ঠানৰ আয়োজন কৰিছে। অভয়াপুৰী ৰাজবাৰী পুখুৰীৰ পাৰত বিয়লি তিনি বজাৰ পৰা অনুষ্ঠিতব্য অনুষ্ঠানত অঞ্চলটোৰ প্ৰতিগৰাকী কবি, কাব্যানুৰাগী, কণ্ঠশিল্পীক অংশগ্ৰহণেৰে অনুষ্ঠানটিক কবিতাৰ ছন্দ আৰু গীতৰ সুৰেৰে জীপাল কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে শাখা সাহিত্য সভাই। অংশগ্ৰহণকাৰী কবিসকলে স্বৰচিত কবিতা অথবা অসমৰ শ্ৰেষ্ঠ কবিসকলৰ নিৰ্বাচিত কবিতাও পাঠ কৰিব পাৰিব। কবিতাসমূহ অতি কম সময়ৰ ভিতৰত পাঠ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

নগাঁৱৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক অভিযোগ

# কাগজ-কলমতে সীমাবদ্ধ পানী যোগান আঁচনিৰ মেৰামতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**নগাঁও, ২০ ডিচেম্বৰ ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে বিভিন্ন আঁচনি ৰূপায়ণৰ নামত ব্যাপক সংস্কাৰ সাধনৰ লক্ষ্যৰে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিলেও বিভাগটোৰ এচাম বিষয়া তথা কৰ্মচাৰীয়ে বছৰৰ পাছত বছৰ ধৰি নানা অনিয়ম আৰু খেলিমেলিৰ আশ্ৰয় লৈ আবণ্টিত চৰকাৰী পুঁজিৰ ওপৰত লুণ্ঠন অব্যাহত ৰাখিছে। বিভাগটোৰ অন্তৰ্গত নগাঁও জিলাৰ গড়াজান উন্নয়ন খণ্ডৰ ছাইদৰীয়া আৰু বগৰীগুৰি উন্নয়ন খণ্ডৰ হাতীপাৰা গাঁও পঞ্চায়তৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি অহা ছৈয়দ মাহমুদ হোছেইনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উঠিছে। স্থানীয় ৰাইজে নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ ওচৰত দাখিল কৰা অভিযোগ অনুসৰি সচিবগৰাকীয়ে গ্ৰামোন্নয়নৰ বিভিন্ন আঁচনি ৰূপায়ণৰ বেলিকা নিজে ঠিকাদাৰৰ ভাৰত অৱতীৰ্ণ হৈছে। সচিবগৰাকীয়ে গ্ৰামোন্নয়নৰ পঞ্চদশ বিত্তীয় আয়োগ আৰু বজাৰ অংশৰ পুঁজি ব্যয়ৰ বেলিকা নিজৰ পুত্ৰৰ মালিকানাধীন এম এইচ এণ্টাৰপ্ৰাইজ নামৰ প্ৰতিষ্ঠানে সামগ্ৰী যোগান ধৰা দেখুওৱাৰ গুৰুতৰ অভিযোগ উঠিছে। নিজৰ পুত্ৰৰ মালিকানাধীন ভেণ্ডৰ প্ৰতিষ্ঠানৰ নামত উল্লিখিত পঞ্চায়ত দুটাৰ আবণ্টিত পুঁজি মোকলাই দি সচিবগৰাকীয়ে গ্ৰামোন্নয়নৰ আঁচনি ৰূপায়ণৰ নামত ব্যাপক খেলিমেলি সংঘটিত কৰাৰ অভিযোগ উঠিছে। বিশেষকৈ গাঁও পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি নথকাৰ সময়ছোৱাত সচিবগৰাকীয়ে পুত্ৰৰ ভেণ্ডৰ প্ৰতিষ্ঠানৰ নামত ছাইদৰীয়া আৰু হাতীপাৰা গাঁও পঞ্চায়ত দুখনৰ আবণ্টিত বৃহৎ পৰিমাণৰ চৰকাৰী পুঁজি মোকলাই দিয়া ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰিছে স্থানীয় ৰাইজে। তদুপৰি পঞ্চদশ বিত্তীয় আয়োগৰ টাইড শিতানত উক্ত পঞ্চায়ত দুটাৰ কেইবাটাও পানী যোগান আঁচনি মেৰামতিৰ নামত আবণ্টিত পুঁজি অন্য ভেণ্ডৰৰ লগ লাগি ব্যয় কৰা দেখুৱাইছে যদিও মেৰামতিৰ নামত চলোৱা ভেঁকোভাওনাৰ বাবে ৰাইজে বিশুদ্ধ খোৱাপানীৰপৰা বঞ্চিত হৈছে। কাগজে-কলমে পানী যোগান আঁচনি মেৰামতি সীমাবদ্ধ ৰখাৰ বাবে গঞা ৰাইজে বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। আনহাতে, বিগত দিনত ৰূপহীহাট উন্নয়ন খণ্ডৰ একাধিক গাঁও পঞ্চায়তৰ উপৰি জুৰীয়া উন্নয়ন খণ্ডৰ সুঁতিপাৰ গাঁও পঞ্চায়তৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰোঁতে সচিবগৰাকীয়ে চৰকাৰী আঁচনি ৰূপায়ণৰ নামত সৃষ্টি কৰা খেলি-মেলিয়ে ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল।

# তামুলপুৰত মুখ্যমন্ত্ৰীৰ নৱবৰ্ষৰ উপহাৰ বিতৰণ কাৰ্যসূচী

**দৈনিক অসমৰ প্ৰতিনিধি**

**তামুলপুৰ, ২০ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পঠিওৱা সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ সোঁৱৰণত লিখা এখন গ্ৰন্থ আৰু গ্ৰিটিংছ কাৰ্ড তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত কালি বিতৰণ কৰা হয়। বিভিন্ন বিভাগৰ মুৰব্বীসকলে কৰ্মচাৰীসকলৰ মাজত নৱবৰ্ষৰ এই উপহাৰসমূহ বিতৰণ কৰিবলৈ চমজি লয়। এই উদ্যোগৰ মূল লক্ষ্য হৈছে অসমীয়াৰ সাংস্কৃতিক ঐতিহ্য আৰু ডঃ ভূপেন হাজৰিকাৰ সৃষ্টিশীল অৱদান সম্পৰ্কে জনসাধাৰণ তথা কৰ্মচাৰীসকলৰ মাজত অধিক সজাগতাৰ সৃষ্টি কৰা। চৰকাৰী কৰ্মচাৰীসকলৰ উপৰি জ্যেষ্ঠ নাগৰিক আৰু সাংবাদিক আদিলৈও এই উপহাৰ পঠিওৱা হৈছে। উল্লেখ্য যে তামুলপুৰ জিলালৈ ৯,০৯১টা উপহাৰ মুখ্যমন্ত্ৰীৰ তৰফৰপৰা প্ৰেৰণ কৰা হৈছে। উপহাৰৰ টোপোলাসমূহ বিতৰণৰ তদাৰকী কৰে নৱনিযুক্ত অতিৰিক্ত আয়ুক্ত জোনটি ডেকা আৰু সহকাৰী আয়ুক্ত কবিতা ফাংছ'ৱে। তেওঁলোকে বিভাগীয় মুৰব্বীসকলক কৰ্মচাৰী তথা জ্যেষ্ঠ নাগৰিক আৰু সাংবাদিকসকলৰ মাজত ২৫ ডিচেম্বৰৰ ভিতৰত উপহাৰসমূহ বিতৰণ কৰিবলৈ আহ্বান জনায়।

# বেদখল উচ্ছেদ, বৰপেটাক ৰেলপথেৰে সংযোগ কৰাৰ দাবী

মুখ্যমন্ত্ৰীক বৰপেটা জিলা হিন্দু জাগৰণৰ স্মাৰকপত্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ২০ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ বিভিন্ন অঞ্চলত বেদখল হৈ থকা চৰকাৰী ভূমিৰপৰা বেদখল উচ্ছেদ কৰা, বৰপেটা চহৰক ৰেলপথেৰে সংযোগ কৰা আদিকে ধৰি কেইবাটাও দাবীত বৰপেটা জিলা হিন্দু জাগৰণে মুখ্যমন্ত্ৰীক এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰখনৰ জৰিয়তে বৰপেটা জিলা হিন্দু জাগৰণে কয় যে বৰপেটা জিলা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীহৰিদেৱ আৰু শ্ৰীশ্ৰীদামোদৰদেৱৰ পদধূলিৰে ৰঞ্জিত, সত্ৰীয়া-সংস্কৃতিৰ সাধনাৰ কেন্দ্ৰ হিচাপে বিবেচিত বুলি উল্লেখ কৰি হিন্দু জাগৰণে কয় যে বৰপেটা জিলাতে সত্ৰ-নামঘৰ স্থাপন কৰি চাৰি গুৰুৱে অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল। তদুপৰি ভাষাবিদ ডঃ বাণীকান্ত কাকতি, অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰী, কৰ্নেল গুৰুপ্ৰসাদ দাস, মহেন্দ্ৰ মোহন চৌধুৰী, ডম্বৰুধৰ পাঠক, ব্ৰজনাথ শৰ্মা, পুৰুষোত্তম দাস, ভট্টদেৱ ইত্যাদি গুণী-জ্ঞানী লোকসকলৰ জন্মস্থান এই বৰপেটা জিলা বুলি উল্লেখ কৰি হিন্দু জাগৰণে কয় যে এনে ঐতিহ্যমণ্ডিত বৰপেটা জিলা নানান সমস্যাৰে জৰ্জৰিত। স্মাৰকপত্ৰখনত সংগঠনটোৱে উল্লেখ কৰে যে বৰপেটা জিলাখন আৰ্থিকভাৱে বহুত পিছপৰা আৰু ইয়াত কোনো উদ্যোগ নাই, যাৰ ফলত নিবনুৱা অধিক। গতিকে এই জিলাখনত যিমান চৰকাৰী ভূমি বেদখল হৈ আছে সেই সকলোবোৰ বেদখলমুক্ত কৰি বৃহৎ বৃহৎ উদ্যোগ বা কৃষিপাম গঢ়ি তুলি হাজাৰ হাজাৰ নিবনুৱা যুৱক-যুৱতীক পেটৰ ভাতমুঠি মোকলাই দিয়াৰ ব্যৱস্থা কৰাৰ লগতে থলুৱা কুটীৰ শিল্প যেনে— কাঁহ-পিতলৰ বাচন বনোৱা, কমাৰ, কুমাৰ, হীৰা, সোণাৰী, শিপিনী, আতছবাজী ইত্যাদি শিল্পলৈ আৰ্থিক সাহায্য প্ৰদান কৰাৰ দাবী জনায়। সত্ৰ-নামঘৰ-মন্দিৰৰ বেদখল হৈ থকা ভূমি মুক্ত কৰাৰ লগতে সঘনাই হৈ থকা চুৰিকাণ্ডবোৰ ৰোধৰ বাবে গোটেই অঞ্চলটোত চি চি টিভি কেমেৰাৰ ব্যৱস্থা কৰিব লাগে বুলিও হিন্দু জাগৰণে স্মাৰকপত্ৰখনৰ জৰিয়তে দাবী জনায়। বৰপেটা জিলাক সত্ৰীয়া-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ বুলি উল্লেখ কৰি হিন্দু জাগৰণে স্মাৰকপত্ৰখনৰ জৰিয়তে সংস্কৃতি জীয়াই ৰখাৰ স্বাৰ্থত অসমীয়া সংস্কৃতি প্ৰচাৰ-প্ৰসাৰ-গৱেষণাৰ বাবে এখন সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপন কৰাৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ত সত্ৰীয়া-সংস্কৃতিৰ বিষয় বাধ্যতামূলক কৰাৰ দাবী জনায়। শ শ বছৰ ধৰি বৰপেটা আৱৰ্ত ভৱনৰ সন্মুখত চাউলখোৱা নদীৰ পাৰত বিয়াৰ পানী তোলা, ধৰ্মীয় অনুষ্ঠানৰ পানী তোলা, মূৰ্তি বিসৰ্জন দিয়া, ষট পূজা কৰা ইত্যাদি উৎসৱ-পাৰ্বণৰ বাবে ব্যৱহাৰ হৈ থকা ঠাইখিনি স্থায়ীভাৱে নিৰ্মাণ কৰি ভৱিষ্যতে যাতে ধৰ্মীয় অনুষ্ঠানবোৰ কৰাত অসুবিধা নহয়, তাৰ ব্যৱস্থা কৰিব লাগে বুলিও স্মাৰকপত্ৰখনৰ জৰিয়তে সংগঠনটোৱে দাবী জনায়। যাতায়াতৰ ক্ষেত্ৰত বৰপেটা জিলাখন বহুত পিছপৰা বুলি উল্লেখ কৰি হিন্দু জাগৰণে ভেকুৰাম ব্ৰেকৰ আৱিষ্কাৰক কৰ্নেল গুৰুপ্ৰসাদ দাসৰ জন্ম ঠাই বৰপেটা চহৰক ৰেলপথেৰে সংযোগ কৰাৰ দাবী জনায়। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ পৰা ডক্ৰেশ্বৰ দেৱালয় আৰু বৈঠাপুতা ঘাট সত্ৰ সুৰক্ষিত কৰি সেই ঠাইতে জল পৰিবহনৰ সুবিধাৰ বাবে জাহাজঘাট নিৰ্মাণ কৰিবলৈও স্মাৰকপত্ৰখনৰ জৰিয়তে হিন্দু জাগৰণে দাবী জনায়। বৰপেটা জিলাখনত সঘনাই জেহাদী-মৌলবাদী আটক হৈ থকা ঘটনাই বৰপেটা জিলাৰ শান্তিপ্ৰিয় ৰাইজক চিন্তিত কৰি তুলিছে বুলি উল্লেখ কৰি বৰপেটা জিলা হিন্দু জাগৰণে বৰপেটাত স্থায়ীভাৱে এটা বৃহৎ স্থায়ী সেনা শিবিৰ স্থাপন কৰাৰো দাবী জনায়।

# প্ৰাকৃতিক কৃষি-গ্ৰামীণ স্বনিয়োজনৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি



**দৈনিক অসমৰ প্ৰতিনিধি**

**পশ্চিম দৰং, ২০ ডিচেম্বৰ ঃ** বহনক্ষম উন্নয়নৰ বাবে যোৱা এটা দশক সক্ৰিয়ভাৱে কাৰ্যৰত হৈ অহা সামাজিক সংস্থা 'চি আৰ এছ ডি টি'ৰ উদ্যোগত দৰং জিলাৰ দাৰিয়াপাৰা গাঁৱত জনস্বাস্থ্য তথা স্বাৱলম্বনৰ উদ্দেশ্য আগত ৰাখি 'প্ৰাকৃতিক কৃষি আৰু গ্ৰামীণ স্বনিয়োজন' প্ৰশিক্ষণ কেন্দ্ৰ এটিৰ শুভাৰম্ভ কৰা হয়। 'ঋষি কৃষি' নামৰ এই কেন্দ্ৰটিত বিজ্ঞানসন্মত গো-পালন, প্ৰাকৃতিক কৃষি 'কেঁচুসাৰৰ প্ৰয়োগ আৰু প্ৰস্তুত বিধি', মৌ পালন, আচাৰ প্ৰস্তুত আদি বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ১৮ ডিচেম্বৰত মুকলি হোৱা এই কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে ইস্কন মঙলদৈৰ বৈষ্ণৱ পুৰুষোত্তম গোবিন্দ দাসে। ইস্কন মঙলদৈৰ ভক্তসকলে হৰি নাম-কীৰ্তন কৰে। বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী অসম প্ৰান্তৰ যুৱ প্ৰমুখ দাদুল দাসে কৃষি অৰ্থনীতি, মহিলা সৱলীকৰণ আদি বিষয়ত মাৰ্গদৰ্শন আগবঢ়ায়। 'সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ অসম'ৰ সঞ্চালক গৌতম শৰ্মাই জনকল্যাণৰ দিশত এই প্ৰশিক্ষণ কেন্দ্ৰই নিশ্চিতভাৱে অৰিহণা যোগাব বুলি মত আগবঢ়ায়। অনুষ্ঠানটিৰ সামগ্ৰিক পৰিকল্পনাত বিশেষভাৱে সহযোগিতা আগবঢ়ায় দাৰিয়াপাৰা গাঁৱৰ মদন শৰ্মা, নয়নজ্যোতি ডেকা, টিমক শইকীয়া আৰু নৰেন ডেকাই। গ্ৰামোন্নয়নৰ বাবে এনে 'ঋষি কৃষি' কেন্দ্ৰ অসমৰ বিবিধ স্থানত স্থাপনৰ জৰিয়তে গ্ৰামোন্নয়নৰ ধাৰা ত্বৰান্বিত কৰা হ'ব বুলি 'চি আৰ এছ ডি টি'ৰ সচিব ভাৰ্গৱ কলিতাই মতপোষণ কৰে।

## খোৰাং হালধিবাৰীত কৃষক পৰিয়ালৰ হাহাকাৰ

# পানীৰ অভাৱত শুকাইছে শ শ বিঘা ৰবি শস্য



**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ২০ ডিচেম্বৰ ঃ** যোৱা প্ৰায় তিনি মাহ ধৰি বৰষুণ নোহোৱাত ডিব্ৰুগড় জিলাৰ খোৱাং বিধানসভা সমষ্টিৰ অন্তৰ্গত খোৱাং হালধিবাৰী অঞ্চলত ৰবি শস্যৰ খেতিৰ লগত জড়িত কৃষক পৰিয়ালসমূহ গভীৰ সংকটৰ সন্মুখীন হৈছে। বুঢ়ীদিহিঙৰ দাঁতিত কপালৰ ঘাম মাটিত পেলাই কৰা শ শ বিঘা ৰঙালাও, আলু আৰু তিয়ঁহৰ খেতি পানীৰ অভাৱত শুকাই যোৱাৰ উপক্ৰম হৈছে। দীৰ্ঘদিনীয়া খৰাং বতৰে কৃষকসকলৰ আশা-ভৰসা ভাঙি পেলোৱাৰ লগতে আৰ্থিক সংকট গভীৰ কৰি তুলিছে। পথাৰজুৰি এতিয়া সেউজীয়াৰ সলনি দেখা গৈছে শুকান পাত আৰু মৰহি যোৱা গছ। একমাত্ৰ এজাক ডাঙৰ বৰষুণৰ আশাত পথাৰৰ কাষে কাষে উৎকণ্ঠাৰে অপেক্ষা কৰি আছে কৃষক পৰিয়াল। উল্লেখযোগ্য যে বিগত বৰ্ষসমূহত বৃহত্তৰ খোৱাং অঞ্চলৰ পৰা ৰঙালাও ট্ৰাকে ট্ৰাকে বহিঃৰাজ্যলৈ ৰপ্তানি হৈ আহিছিল। এই ৰঙালাও খেতিৰ জৰিয়তেই বহু কৃষকে সমাজত সফল কৃষক হিচাপে সমাদৰ লাভ কৰিছিল আৰু আত্মনিৰ্ভৰশীলতাৰ দিশে আগবাঢ়িছিল। কিন্তু এইবাৰ অনাবৃষ্টিৰ বাবে কৃষকে হাহাকাৰ কৰিবলগীয়া হৈছে। স্থানীয় কৃষকসকলৰ অভিযোগ অনুসৰি, এনে জৰুৰী সময়তো কৃষি বিভাগৰ তৰফৰপৰা কোনোধৰণৰ গুৰুত্বপূৰ্ণ পদক্ষেপ বা সহায় আগবঢ়োৱা হোৱা নাই। জলসিঞ্চনৰ কোনো বিকল্প ব্যৱস্থা, পৰামৰ্শ অথবা সহায় নোপোৱাত কৃষকসকল গভীৰ হতাশাত ভুগিছে। এই পৰিস্থিতিৰ প্ৰতি শীঘ্ৰে দৃষ্টি আৰোপ কৰি সমাধানসূত্ৰ উলিয়াবলৈ ভুক্তভোগী কৃষক ৰাইজে জিলা কৃষি বিষয়াৰ লগতে ৰাজ্যৰ কৃষিমন্ত্ৰীক তৎকালীন হস্তক্ষেপৰ আহ্বান জনাইছে। অন্যথা খেতিৰ লগতে কৃষক পৰিয়ালৰ জীৱিকাও ভয়াৱহ সংকটৰ মুখামুখি হ'ব বুলি তেওঁলোকে আশংকা প্ৰকাশ কৰিছে।

# চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়ত নাই স্থায়ী শিক্ষক !

## ডুমডুমা সমজিলা কাৰ্যালয়ত কংগ্ৰেছৰ ধৰ্ণা

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডুমডুমা, ২০ ডিচেম্বৰ ঃ** উন্নত শিক্ষাৰ বাবে প্ৰতিষ্ঠা কৰা বাগিচাৰ আদৰ্শ বিদ্যালয়ৰ ঐতিহাসিক পদক্ষেপ প্ৰহসনত পৰিণত হোৱা বুলি কংগ্ৰেছে দাবী কৰিছে। ২০২২ চনতে বিদ্যালয়ৰ গৃহ নিৰ্মাণ হ'ল যদিও বিদ্যালয়সমূহত স্থায়ী শিক্ষক-কৰ্মচাৰী আজিও নিযুক্তি নাপালে। অসম চাহ মজদুৰ আদিবাসী কংগ্ৰেছ, তিনিচুকীয়া জিলা আৰু ডুমডুমা ব্লক কমিটীয়ে এই সন্দৰ্ভত কালি ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীলৈ ডুমডুমা সমজিলা আয়ুক্তৰ জৰিয়তে এখন আঠদফীয়া দাবীসম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। অসম চাহ মজদুৰ আদিবাসী কংগ্ৰেছৰ তিনিচুকীয়া জিলা কমিটীৰ সভাপতি সুৰেশ ভূমিজ, উপ-সভাপতি বিজয় ওৰাং আৰু ডুমডুমা ব্লক কমিটীৰ সভাপতি ৰাজীৱ ধান, সম্পাদক প্ৰবীণ ভূএগ্ৰা আৰু ডুমডুমা ব্লক কংগ্ৰেছৰ সভাপতি উদয় সিং লিম্বু, সম্পাদক ৰাজেশ কৰ্মকাৰৰ নেতৃত্বত কংগ্ৰেছ কৰ্মীসকলে ডুমডুমা সমজিলা আয়ুক্তৰ কাৰ্যালয়ত এঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰখনৰ দাবীসমূহ ক্ৰমে— চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়ত শীঘ্ৰে স্থায়ী এগৰাকী প্ৰধান শিক্ষক নিযুক্তি দিয়া, ছাত্ৰ-ছাত্ৰী অনুপাতে পৰ্যাপ্ত শিক্ষক নিযুক্তি দিয়া, চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়ত গণিত আৰু বিজ্ঞানৰ বিষয় শিক্ষক নিযুক্তি দিয়া, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তি দিয়া, আদৰ্শ বিদ্যালয়ৰ গৃহ নিৰ্মাণকাৰ্য আধৰুৱা হৈ থকা কামসমূহ যেনে— চিলিং, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰা, ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মধ্যাহ্ন ভোজনৰ ব্যৱস্থা কৰা, ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকক শিক্ষাৰ ওপৰত সজাগতাৰ বাবে বাগিচা কৰ্তৃপক্ষক নিয়োজিত কৰাৰ ব্যৱস্থা কৰা, আদৰ্শ বিদ্যালয়ৰ চাৰিবেৰ পকী দেৱালৰ ব্যৱস্থা কৰা। উল্লেখ্য যে চৰকাৰী পুঁজিৰে নিৰ্মাণ কৰা চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়সমূহত চহৰ-নগৰ আৰু গ্ৰাম্য অঞ্চলৰ শিক্ষক- শিক্ষয়িত্ৰীৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক পাঠদান কৰোৱাৰ লগতে বিদ্যালয় পৰিচালনা সমিতিয়ে অস্থায়ী শিক্ষক নিযুক্তিৰে আদৰ্শ বিদ্যালয় পৰিচালনা কৰা বিষয়টোক অসম চাহ মজদুৰ আদিবাসী কংগ্ৰেছ, তিনিচুকীয়া জিলা আৰু ডুমডুমা ব্লক কমিটীয়ে ৰাজ্যৰ শিক্ষা বিভাগক ক্ষুৰধাৰ সমালোচনা কৰিছে।

# লাহোৱাল মহাবিদ্যালয়ত প্ৰাক্তন সৈনিকৰ সজাগতা কাৰ্যসূচী

**দৈনিক অসমৰ প্ৰতিনিধি**

**চাবুৱা, ২০ ডিচেম্বৰ ঃ** ভাৰতীয় সশস্ত্ৰ বাহিনীৰ দেশপ্ৰেম, ঐক্য, অনুশাসন আৰু নিষ্ঠাৰ আদৰ্শক গ্ৰাম্য যুৱক-যুৱতীৰ মাজত প্ৰচাৰ কৰাৰ লক্ষ্যৰে কালি ডিব্ৰুগড় জিলাৰ লাহোৱাল মহাবিদ্যালয়ত অনুষ্ঠিত হয় এক সজাগতা কাৰ্যসূচী। জিলা আইনী সেৱা কৰ্তৃপক্ষ, ডিব্ৰুগড়ৰ সহযোগত আৰু জিলা সৈনিক কল্যাণ কাৰ্যালয়, ডিব্ৰুগড়ৰ উদ্যোগত আয়োজিত এই ৰেলীত অংশগ্ৰহণ কৰে বহু অৱসৰপ্ৰাপ্ত সৈনিক আৰু অঞ্চলটোৰ যুৱক-যুৱতীসকলে। কাৰ্যসূচীত জিলা সৈনিক কল্যাণ ব'ৰ্ডৰ সদস্য পৰমানন্দ হাজৰিকাই আঁত ধৰা অনুষ্ঠানটো শুভ উদ্বোধন কৰে লাহোৱাল মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জ্যোতিপ্ৰসাদ দত্তই। উদ্বোধনী ভাষণৰ অন্তত মহান শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত সেনা বিষয়া নিতেশ জাহাংগী, জিলা সৈনিক কল্যাণ কাৰ্যালয়ৰ বিষয়া এলিচাৰে। ইয়াৰ পাছতেই জাতীয় সংগীত পৰিৱেশন কৰা হয়। ২০২৫ চনত দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ সৈনিকসকলৰ স্মৃতিত এক মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। তাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ আগত ভাষণ আগবঢ়ায় আই কল নিতেশ জাহাংগী, জিলা কল্যাণ কাৰ্যালয়ৰ বিষয়া এলিচাৰে। তেওঁ ভাৰতীয় সশস্ত্ৰ বাহিনীৰ গৌৰৱময় ইতিহাস আৰু দেশসেৱাৰ মহান আদৰ্শৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। কাৰ্যসূচীত ভাৰতীয় সেনাত কেনেদৰে যোগদান কৰিব পাৰি সেই সন্দৰ্ভত বিস্তৃত তথ্য জনায়। স্থলসেনা, বায়ুসেনা আৰু জলসেনাত যোগদানৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰাৰ লগতে উল্লেখ কৰা হয় যে ইণ্ডিয়ান নেভিত বছৰত দুবাৰকৈ আবেদন কৰাৰ সুবিধা আছে। এই প্ৰাক্তন সৈনিক গ্ৰাম্য আউটৰিচৰ সজাগতা কাৰ্যসূচীৰ জৰিয়তে যুৱ সমাজৰ মাজত দেশপ্ৰেম আৰু সশস্ত্ৰ বাহিনীৰ প্ৰতি আগ্ৰহ বৃদ্ধি পোৱা দেখা যায়। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত সৈনিক ৰত্নেশ্বৰ দেৱনাথ, আই কল নিতেশ জাহাংগীসহ কেইবাজনো অৱসৰপ্ৰাপ্ত সেনা বিষয়া উপস্থিত থাকি নিজৰ জীৱনৰ অভিজ্ঞতা ব্যাখ্যা কৰে। লাহোৱাল মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জ্যোতিপ্ৰসাদ দত্তই ভাষণত কয় যে দেশৰ সুৰক্ষা ব্যৱস্থাত অংশগ্ৰহণ কৰিবলৈ যুৱক-যুৱতীসকল আগবাঢ়ি আহিব লাগিব।

# দৰিকিয়াল গাঁৱত ভাগৱত পাঠৰ আয়োজন

**লাইখুঁটা স্থাপন**

**দৈনিক অসমৰ প্ৰতিনিধি**

**লাকুৱা, ২০ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ শিমলুগুৰি দৰিকিয়াল গাঁৱত গোৱিন্দ নামঘৰ প্ৰাংগনত গোবিন্দক্ষেত্ৰত সাদিনীয়া কাৰ্যসূচীৰে অহা ১৬ জানুৱাৰীৰপৰা শ্ৰীমদ্ভাগৱত পাঠ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গোবিন্দ নামঘৰ আৰু দৰিকিয়াল বৰনামঘৰৰ উদ্যোগত আৰু কাষৰীয়া কেইবাখনো গাঁৱৰ সহযোগত আয়োজন কৰিবলৈ লোৱা শ্ৰীমদ্ভাগৱত পাঠ অনুষ্ঠানৰ কালি লাইখুঁটা স্থাপন কৰা হয়। স্থানীয় গাঁওসমূহৰ ভকত-বৈষ্ণৱৰ উপস্থিতিত লাইখুঁটা স্থাপন কৰা হয়। অনুষ্ঠানৰ প্ৰথমদিনা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণেৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতে তোৰণ উন্মোচন, ভাগৱত শাস্ত্ৰৰ আগমন, সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হ'ব। দ্বিতীয় দিনা ধৰ্মধ্বজা উত্তোলন,স্মৃতি তৰ্পণ, নাম-প্ৰসংগৰ পাছতে অবিৰত শ্ৰীমদ্ভাগৱত পাঠৰ শুভাৰম্ভ কৰা হ'ব। অবিৰত ভাগৱত পাঠৰ অন্তিমদিনা নাম-প্ৰসংগ, দিহানাম পৰিৱেশন কৰা হ'ব। সন্ধিয়া যোৰহাট নকছাৰীৰ উত্তৰণ কলা-কৃষ্টি কেন্দ্ৰৰ দ্বাৰা 'মৎস্য অৱতাৰ, চাৰিবেদ উদ্ধাৰ' ভাওনা প্ৰদৰ্শন কৰা হ'ব। দৰিকিয়াল গাঁৱৰ শ্ৰীবৎস শইকীয়া আৰু পৰিয়ালবৰ্গই আগবঢ়োৱা ভাওনা উদ্বোধন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে।

## বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সামৰণি

চৰাইদেউ জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সামৰণী অনুষ্ঠানটো দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সপ্তাহজোৰা বিদ্যালয়ৰ ক্ৰীড়া সপ্তাহৰ যোৱা ১৬ ডিচেম্বৰৰ সামৰণি দিনা বিভিন্ন কাৰ্যসূচীৰ অন্তত অনুষ্ঠিত হয় মুকলি সভা। অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী ইন্দিৰা ফুকন কাকতিৰ



সভাপতিত্বত অনুষ্ঠিত সভাখন বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে শুভাৰম্ভ কৰে শিক্ষয়িত্ৰী মঞ্জু বৰুৱাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক গোটৰ সম্পাদক আনন্দ ফুকনে। উদ্দেশ্য ব্যাখ্যাত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পঢ়াশুনাৰ লগতে ক্ৰীড়া পৃথিৱীত খোজ দি আগবাঢ়ি যাবলৈ আহ্বান জনায়। সামৰণী অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিতত থাকে সদৌ অসম মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ সম্পাদক ব্ৰজেন চেতিয়া, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলা মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থাৰ উপ-সভাপতি তথা শিমলুগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক মিছবাউল হক, ব্লচম পাব্লিক স্কুলৰ অধ্যক্ষা প্ৰণতি ৰাভা, অৱসৰপ্ৰাপ্ত শিক্ষক দীপক ৰাজকোঁৱৰ, নিমনাগড় গাঁও পঞ্চায়তৰ সভাপতি অজন্তা বৰুৱা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি লীলাৰাম গগৈ। বিদ্যালয়ৰ অধ্যক্ষ নৰকান্ত শইকীয়াই আদৰণী ভাষণেৰে সকলোকে স্বাগতম জনোৱা অনুষ্ঠনত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা ঝুমুৰ নৃত্য, জুবিন গাৰ্গৰ গীত পৰিৱেশন আৰু একক অভিনয়ে উপস্থিত সকলোকে আপ্লুত কৰে।

## সৰুপথাৰত এজনক চোকা অস্ত্ৰৰে হানি প্ৰাণেমৰাৰ অপচেষ্টা

### তিনিজনক আটক

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধনশিৰি, ২০ ডিচেম্বৰ ঃ** সৰুপথাৰ নগৰৰ ৰেলগেটৰ প্ৰায় সমীপত ১৮ ডিচেম্বৰৰ নিশা এজন লোকক তিনিজনীয়া লোকৰ এটা দলে চোকা অস্ত্ৰৰে হানি প্ৰাণেমৰাৰ চেষ্টা চলোৱাৰ ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, নগৰখনৰ ৰেলগেটৰ সমীপত পথৰ কাষত এজন লোক তেজেৰে তুমৰলি হৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰি কোনো লোকে সৰুপথাৰ আৰক্ষীক খবৰ দিয়ে। পাছত উক্ত স্থানত আৰক্ষী উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত লোকজন সৰুপথাৰ পৌৰ এলেকাৰ ৪নং ৱাৰ্ডৰ মাইনা আলী বুলি চিনাক্ত কৰাৰ লগতে ততাতৈয়াকৈ সৰুপথাৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। চোকা অস্ত্ৰেৰে হানি গুৰুতৰভাৱে আহত কৰা লোকজনক তৎকালীনভাৱে উন্নত চিকিৎসাৰ বাবে ডিমাপুৰলৈ নিয়া বুলি প্ৰকাশ। বৰ্তমান লোকজন সংকটমুক্ত বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে, ঘটনাটোৰ সৈতে জড়িত থকাৰ অভিযোগত সৰুপথাৰ পৌৰ এলেকাৰে ৭নং ৱাৰ্ডৰ একে পৰিয়ালৰ তিনিজন ককাই-ভাই আছিক আলী, মুজিবুৰ আলী আৰু চাবিৰ আলীক আৰক্ষীয়ে আটক কৰিছে যদিও কিছু পৰিমাণে হাতত আঘাতপ্ৰাপ্ত মুজিবুৰক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। আছিক আলীক আজি জেললৈ প্ৰৰণ কৰাৰ লগতে চাবিৰক আৰক্ষীয়ে নিজৰ জিম্মাত ৰাখি ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। ঘটনাৰ প্ৰকৃত কাৰণ বৰ্তমানেও স্পষ্ট হোৱা নাই যদিও টকা-পইচাৰ লেন-দেনৰ বাবেই ঘটনাটো সংঘটিত হৈছিল বুলি বিভিন্নজনে সন্দেহ প্ৰকাশ কৰিছে।

## কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৰূপালী জয়ন্তীৰ সামৰণী অনুষ্ঠান

# ২৬ ডিচেম্বৰৰপৰা তিনিদিনীয়া কাৰ্যসূচী

**দৈনিক অসমৰ প্ৰতিনিধি**

**নিমাতীঘাট, ২০ ডিচেম্বৰ ঃ** উত্তৰ যোৰহাটৰ একাংশ সচেতন ব্যক্তিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত ২০০০ চনৰ ১ জানুৱাৰীত 'কল্যাণী বাল্য ভৱন' নামেৰে এক শিক্ষানুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰিছিল। নানা ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি উক্ত ৰাজহুৱা খণ্ডৰ বিদ্যালয়খনে সফলতাৰে গৌৰৱোজ্জ্বল ২৫টা বছৰ অতিক্ৰম কৰিছে। এই যাত্ৰাৰ ইতিহাস আলোকিত কৰাৰ উদ্দেশ্যে ২৬, ২৭ আৰু ২৮ ডিচেম্বৰত ৰূপালী জয়ন্তীৰ সামৰণী অনুষ্ঠান উদ্‌যাপনৰ আয়োজন কৰিছে। ২৬ ডিচেম্বৰৰ পুৱা পতাকা উত্তোলন অনুষ্ঠান। পতাকা উত্তোলন কৰিব ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি নুৰুল জামান, কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষা বিশ্বজিতা বৰপূজাৰীয়ে। লগতে বিশিষ্ট ব্যক্তিৰ দ্বাৰা ২৫খন পতাকা উত্তোলন কৰা হ'ব। স্মৃতি তৰ্পণ কৰিব বৈকুণ্ঠ মহন্তই। প্ৰদৰ্শনীৰ দ্বাৰা উদ্‌ঘাটন কৰিব ভৃগুপ্ৰতি হাজৰিকাই। এই কাৰ্যসূচীৰ পাছতে নাম-প্ৰসংগ। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু ৫.৩০ বজাত 'ভাওনা সংস্কৃতি' শীৰ্ষক বক্তৃতা অনুষ্ঠান। মুখ্য বক্তৃতা প্ৰদান কৰিব শ্ৰীশ্ৰীকমলাবাৰী সত্ৰ, মহিমাবাৰী, তিতাবৰৰ সোণাৰাম শৰ্মা বুঢ়াভকতে। সন্ধিয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বসন্ত নেওগৰ পৰিচালনাৰে 'বিপ্ৰ দামোদৰ আখ্যান' ভাওনা প্ৰদৰ্শন কৰা হ'ব। ২৭ ডিচেম্বৰৰ পুৱা সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব টীয়ক সমজিলাৰ আয়ুক্ত মগেন নৰহে। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব লেখক, গোলাঘাট জিলাৰ প্ৰাক্তন পৌৰপতি ডাঃ অজিত বৰুৱাই আৰু 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০', মাধ্যমিক স্তৰত প্ৰয়োগ আৰু পৰিকল্পনা' শীৰ্ষক আলোচনাচক্ৰ উদ্বোধন কৰিব যোৰহাট জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বুলি গগৈ ভূঞাই। এই আলোচনাচক্ৰ সঞ্চালনা কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিভাগৰ অধ্যাপক ডঃ যোগেন কলিতাই আৰু আলোচকৰূপে অংশগ্ৰহণ কৰিব ডিফু ডায়েটৰ ৰাজু বৰুৱা আৰু তিতাবৰৰ ডায়েটৰ অধ্যাপক ডঃ মৌচুমী বৰুৱাই। সন্ধিয়া সাংস্কৃতিক সন্মিলন উদ্বোধন কৰিব যোৰহাটৰ বিশিষ্ট সমাজসেৱক ৰঞ্জিত বৰুৱাই। ২৮ ডিচেম্বৰৰ পুৱা ন-পুৰণি শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ সন্মিলন আৰু বঁটা বিতৰণী সভা সঞ্চালনা কৰিব বাহনা মহাবিদ্যালৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ প্ৰসন্ন কুমাৰ দত্তই। দুপৰীয়া যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ চেনিৰাম দত্তৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। এই সভা উদ্বোধন কৰিব অসম শৈক্ষিক কেন্দ্ৰৰ সম্পাদক ডঃ অশোক বৰঠাকুৰে আৰু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জিতেন হাজৰিকা আৰু সন্মানীয় অতিথিৰ আসন অলংকৃত কৰিব যোৰহাট সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীৰ লগতে বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিব উদ্যোগ আৰু আন্তঃগাঁথনি বিভাগ, অসমৰ অধ্যক্ষ শান্তনু পূজাৰী আৰু নীপকোৰ মহাপ্ৰবন্ধক জ্যোতিৰঞ্জন শইকীয়াই।

# ধেমাজিত বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা




**দৈনিক অসমৰ প্ৰতিনিধি**

**ধেমাজি,২০ ডিচেম্বৰ ঃ** তৃতীয় ধেমাজি সাহিত্য সমাৰোহত জিলাখনৰ বিশেষভাৱে সক্ষম, অনাতাঁৰ কণ্ঠশিল্পী, সমাজকৰ্মী, কৃতী শিক্ষক, কৃষক, যুৱ সাহিত্যিক, অৱসৰপ্ৰাপ্ত শিক্ষকসহ ২০গৰাকী বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিক ১২ আৰু ১৩ ডিচেম্বৰত সম্বৰ্ধনা জনায় ধেমাজি জিলা সাহিত্য সভাই। অনুষ্ঠানত ধেমাজিৰ বিশিষ্ট সমাজকৰ্মী তথা বিভিন্ন দল-সংগঠনৰ লগত জড়িত ৰিণি তামুলীক ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ সমাজসেৱক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত চিচিবৰগাঁও অঞ্চলৰ শাৰীৰিকভাৱে সক্ষম তথা অনাতাঁৰ শিল্পী চিৰন্তন ভূএগ্ৰা, ধেমাজিৰ নিৰলস সাহিত্য সাধনাৰ সাধক পুষ্পা চুতীয়া, ধেমাজিৰ আগশাৰীৰ মহিলা নেত্ৰী নিৰমা বৰুৱা, বৰদলনিৰ বিশিষ্ট সমাজসেৱক তথা অৱসৰপ্ৰাপ্ত শিক্ষক দুলাল দাস, ধেমাজিৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক অশ্বিনী কুমাৰ দুৱৰা, জ্যেষ্ঠ সাংবাদিক তথা গোগামুখ প্ৰেছ ক্লাবৰ সম্পাদক জিতু কুমাৰ ৰাজকোঁৱৰ, ধেমাজি জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সম্পাদক জীৱন কোঁৱৰ, জ্যেষ্ঠ সাংবাদিক তথা গোগামুখ প্ৰেছ ক্লাবৰ সভাপতি হেমচন্দ্ৰ বৰদেউৰী, ধেমাজি প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰবীণ সাংবাদিক দিলীপ কুমাৰ হাজৰিকা, ধেমাজিৰ বিশিষ্ট শিক্ষক অজিত দত্ত, ভূমিলেখ্য বিভাগৰ পৰ্যবেক্ষক তথা সমাজকৰ্মী খগেশ্বৰ দাস, সহযোগী অধ্যাপক অনুৰূপা চুতীয়া, বামচেনিয়াৰ দেউৰী সমাজৰ অগ্ৰণী নেতা তথা বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক ললিত দেউৰী, ধেমাজিৰ প্ৰবীণ মহিলা নেত্ৰী তথা শোকশ্ৰী বটাঁপ্ৰাপ্ত বিমলা গগৈ, শিক্ষয়িত্ৰী তথা লেখিকা ক্ষীৰোদা চুতীয়া, বৰদলনিৰ বিভিন্ন সংগঠনৰ লগত জড়িত বিশিষ্ট সমাজকৰ্মী ৰবীন্দ্ৰ বৰগোহাঁই, ধেমাজিৰ বিভিন্ন সংগঠনৰ লগত জড়িত সমাজকৰ্মী দীপক কলিতা, চিচিবৰগাঁও শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি তথা বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ পূৰ্ণচন্দ্ৰ চুতীয়া, বৰদলনি লেখিকা তথা শিক্ষয়িত্ৰী ৰেণুমাই সন্দিকৈ, গোগামুখৰ বিভিন্ন সংগঠনৰ লগত জড়িত সামাজিক কৰ্মী মোহন দত্ত, শিক্ষয়িত্ৰী তথা লেখিকা ভৱানী হাজৰিকা, টেকজুৰি শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জয়মল দত্ত, গোগামুখৰ যুৱ লেখিকা স্বপ্ন শিখা চুতীয়া, আজোহা শাখা সাহিত্য সভাৰ সভাপতি তথা সমাজকৰ্মী ভোগেশ্বৰী হাজৰিকা, জামুগুৰি পাঁচআলি হাইস্কুলৰ প্ৰধান শিক্ষক তথা সমাজকৰ্মী দ্বিপেন চিৰিং, সহকাৰী অধ্যাপক তথা লেখক ডঃ মানস বৰপূজাৰী, ধেমাজিৰ বিশিষ্ট সমাজকৰ্মী নেমী চান্দ কাব্ৰা, বিশিষ্ট সমাজকৰ্মী মানস প্ৰতিম ভৰালীসহ একুৰিতকৈ অধিক যুৱ সাহিত্যিক, লেখক, অনাতাঁৰ কণ্ঠ শিল্পী, সমাজসংগঠক, জ্যেষ্ঠ সাংবাদিকক ধেমাজি জিলা সাহিত্য সভাই তেওঁলোকৰ সমাজৰ বাবে আগবঢ়োৱা কৰ্মৰ চিনস্বৰূপে মানপত্ৰ, চেলেং, গামোচা, স্মাৰক, গলবস্ত্ৰ আদিৰে বিশেষভাৱে সম্বৰ্দ্ধনা জনায়। উক্ত অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামী, অসমৰ বিশিষ্ট সাহিত্যিক তথা সাহিত্য অকাডেমিৰ বঁটাপ্ৰাপক অনুৰাধা শৰ্মা পূজাৰী আদি উপস্থিত থাকে ।

# কাকডোঙাত কুইজ প্ৰতিযোগিতা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**দেৰগাঁও, ২০ ডিচেম্বৰ ঃ** মুক্তিযোদ্ধা ৰঙাই কলিতা সোঁৱৰণী ন্যাসৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত ১৩ ডিচেম্বৰত উত্তৰ কাকডোঙা মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগনত এখন সদৌ অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতা, গোলাঘাট জিলাভিত্তিক বিদ্যালয় পৰ্যায়ৰ কুইজ প্ৰতিযোগিতা আৰু কাকডোঙা মৌজা ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। পুৱা পৰিৱেশ নিকাকৰণৰ পাছতে প্ৰয়াত মুক্তিযোদ্ধা ৰঙাই কলিতা আৰু অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন কৰে স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তি গণেশ কলিতাই আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। তাৰ পাছত কমাৰবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক উৎপল কটকীয়ে প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে। কাকডোঙা মৌজা ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে ৰবীন্দ্ৰ শইকীয়া আৰু নিৰঞ্জন বৰা। জিলাভিত্তিক বিদ্যালয় পৰ্যায়ৰ অনুষ্ঠিত কুইজ প্ৰতিযোগিতাত দেৰগাঁও জাতীয় বিদ্যালয়ৰ ঋষিৰাজ কাশ্যপ আৰু শংকৰ জ্যোতি কলিতাই বিজয়ীৰ সন্মান লাভ কৰাৰ বিপৰীতে পি এম শ্ৰী কুৱালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অভিলাষ কাশ্যপ আৰু চানী বৰাই দ্বিতীয় স্থান, দেৰগাঁও জাতীয় বিদ্যালয়ৰ বিজয় কৃষ্ণ কলিতা আৰু অত্ৰেয়ী পৰাশৰে তৃতীয় স্থান দখল কৰে।

## লেখক-শিক্ষক নকুল কুৰ্মীলৈ 'চাইমন সিং হ'ৰ'- সন্তোষ কুমাৰ টপ্ন বঁটা'


# লখিমপুৰত আটছাৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**লখিমপুৰ, ২০ ডিচেম্বৰ ঃ** ১৯৪৭ চনত প্ৰতিষ্ঠা লাভ কৰা অসম ছোটনাগপুৰী ছাত্ৰ সন্মিলনে পাছলৈ 'অসম চাহ জনজাতি ছাত্ৰ সন্থা' চমুকৈ আটছা হিচাপে অসমৰ চাহ বাগিচা অধ্যুষিত অঞ্চল তথা বস্তি-গাঁৱত বসবাস কৰা লোকসকলক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিকভাৱে সচেতন কৰাৰ লগতে জাতিগত অধিকাৰ সন্দৰ্ভত সজোৰে মাত মাতি আহিছে। আটছা সাম্প্ৰতিক অসমৰ চাহ জনগোষ্ঠী তথা আদিবাসী লোকসকলৰ এক শক্তিশালী কণ্ঠ। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাই চলিত বৰ্ষত আঠসত্তৰটা বছৰ অতিক্ৰম কৰিব। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত ২৮ ডিচেম্বৰত লখিমপুৰ জিলাৰ চুকুলীভৰীয়া খেলপথাৰত ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলিছে। যোৱা ১৭ ডিচেম্বৰত ধৰ্মীয় ৰীতি-নীতিৰে প্ৰতিষ্ঠা দিৱসৰ লাইখুঁটা স্থাপন কৰে উদ্‌যাপন সমিতিৰ সভাপতি ডঃ বিমান চন্দ্ৰ চেতিয়াই। সেইদিনাই আটছাৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী উন্মোচন কৰে আটছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি জগদীশ বড়াইকে। ২৮ ডিচেম্বৰৰ পুৱা ৬ বজাত গছপুলি ৰোপণ কাৰ্যসূচীৰে আৰম্ভণি হ'ব লগা অনুষ্ঠানত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ লোহিত হাজৰিকাই মুখ্য দুৱাৰ মুকলি কৰিব। আটছাৰ সভাপতি জগদীশ বড়াইকে পুৱা দহ বজাত সংগঠনটোৰ পতাকা উত্তোলন কৰাৰ লগতে সাধাৰণ সম্পাদক সুনীল তিৰ্কীয়ে স্মৃতি তৰ্পণ কৰিব। ঝুমইৰ সন্মিলনী, অসমৰ সভাপতি তথা বিশিষ্ট ঝুমইৰ সাধক, ঝুমইৰ গুৰু ভদ্ৰ ৰাজোৱাৰে সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰিবলগীয়া অনুষ্ঠানত লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুৰজিৎ ভূএগ্ৰাই মঞ্চ মুকলি কৰিব। বিয়লি আটছাৰ সভাপতি জগদীশ বড়াইকৰ সভাপতিত্বত মুকলি সভাত উদ্‌যাপন সমিতিৰ সভাপতি তথা নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ বিমান চন্দ্ৰ চেতিয়া আৰু সংগঠনটোৰ সাধাৰণ সম্পাদক সুনীল তিৰ্কীয়ে উদ্বোধনী ভাষণ প্ৰদান কৰিব। মুকলি সভাতে আটছাৰ প্ৰতিষ্ঠাপক সভাপতি-সম্পাদকৰ নামত প্ৰৱৰ্তন কৰা 'চাইমন সিং হ'ৰ'-সন্তোষ কুমাৰ টপ্ন বঁটা' শোণিতপুৰ জিলাৰ বিশিষ্ট লেখক, ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক নকুল



কুৰ্মীক প্ৰদান কৰিব আটছাৰ নেতৃবৃন্দই। লখিমপুৰ জিলা চাহ জনজাতি ছাত্ৰ সন্থা, লখিমপুৰ জিলা চাহ জনজাতি মহিলা সন্থা, আটছাৰ শাখা সমিতিসমূহৰ লগতে লখিমপুৰবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত হ'বলগা প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথিৰূপে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকা, অতুল বৰা, ৰূপেশ গোৱালা, নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ মুকুল চন্দ্ৰ বৰা, এনডি ২৪ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱা বিশেষ আমন্ত্ৰিত অতিথি আৰু লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকা, দিগন্ত ঘাটোৱাল, কৃষ্ণ কমল তাঁতীয়ে আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে অসমৰ বিভিন্ন দল-সংগঠনৰ নেতৃবৰ্গই অতিথিৰূপে অংশগ্ৰহণ কৰিবলগীয়া আটছাৰ ৭৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সন্ধিয়া সংগীতানুষ্ঠান উদ্বোধন কৰিব অসম চৰকাৰৰ যুৱ আয়োগৰ সদস্য ঋষিৰাজ হাজৰিকাই।



ৰঞ্জী ট্ৰফীৰ প্ৰথমটো ৰান সংগ্ৰহকাৰী অসমীয়া

## প্ৰাক্তন ক্ৰিকেটাৰ নৱকমল ভূঞাৰ দেহাৱসান

**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** ৰঞ্জী ট্ৰফীৰ ইতিহাসত অসমে খেলা প্ৰথমখন মেচত প্ৰথম ৰান সংগ্ৰহকাৰী বেটছমেন নৱকমল ভূঞা আৰু নাই। অসমৰ প্ৰাক্তন ক্ৰিকেটাৰগৰাকীৰ আজি ৯৮ বছৰত দেহাৱসান হয়। বিগত কেইদিনমান ধৰি অসুস্থ হৈ থকা অসমৰ প্ৰথমটো ৰাজ্যিক ক্ৰিকেট দলৰ সদস্য ভূঞাই আজি পুৱা ৭.১০ বজাত চেন্নাইত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুৰ লগে লগে অসম ক্ৰিকেটৰ এটা যুগৰ অন্ত পৰিল। অসম ক্ৰিকেট সন্থাৰ জন্মৰ সাক্ষী আছিল বৰ্ষীয়ান ক্ৰিকেটাৰগৰাকী। অসম ক্ৰিকেটৰ কিম্বদন্তিগৰাকীৰ মৃত্যুত বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াই গভীৰ শোক প্ৰকাশ কৰে। অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈ, সম্পাদক সনাতন দাসৰ লগতে বিষয়ববীয়াসকলে প্ৰয়াত ভূঞালৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। অসমৰ ক্ৰিকেট ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁ চিৰস্মৰণীয় হৈ থাকিব বুলি সন্থাই উল্লেখ কৰে। উল্লেখ্য যে ১৯৪৮ চনৰ ১৮ ডিচেম্বৰত শ্বিলঙৰ গেৰিছন গ্ৰাউণ্ডত ইউনাইটেড প্ৰভিন্সৰ বিৰুদ্ধে অসমে প্ৰথমখন ৰঞ্জী মেচ খেলিছিল। সেই ঐতিহাসিক মেচখনত ৰহমত উল্লাহৰ বলত 'ছিংগল' লৈছিল নৱকমল ভূঞাই। সেয়াই আছিল ৰঞ্জী ট্ৰফীত অসমৰ ক্ৰিকেটাৰৰ প্ৰথমটো ৰান। ২০১৫ চনত নৱকমল ভূঞাৰ পত্নী প্ৰখ্যাত নৃত্য পটিয়সী পুষ্পা ভূঞাৰ মৃত্যু হৈছিল।

■ টী-২০ বিশ্বকাপৰ বাবে সূৰ্যকুমাৰ যাদৱৰ নেতৃত্বত ১৫জনীয়া ভাৰতীয় দল ঘোষণা ■

# বাদ পৰিল গীল, ঈশান কিষাণৰ প্ৰত্যাৱৰ্তন

**মুম্বাই, ২০ ডিচেম্বৰ ঃ** সূৰ্যকুমাৰ যাদৱৰ নেতৃত্বত সমাগত টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে আজি ১৫জনীয়া ভাৰতীয় দলটো ঘোষণা কৰা হয়। বি চি চি আইৰ মুখ্য কাৰ্যালয়ত সচিব দেৱজিৎ শইকীয়াই মুখ্য নিৰ্বাচক অজিত আগাৰকাৰ আৰু সূৰ্যকুমাৰ যাদৱৰ উপস্থিতিত দলটো ঘোষণা কৰে। প্ৰত্যাশিতভাৱেই দলত স্থান পাইছে ঈশান কিষাণে। সদ্যসমাপ্ত চৈয়দ মুস্তাক আলী ট্ৰফীত দুৰ্দান্ত প্ৰদৰ্শনেৰে তেওঁ ঝাৰখণ্ডক বিজয়ী কৰাবলৈ সক্ষম হয়। টুৰ্নামেণ্টখনৰ ফাইনেলত হাৰিয়ানাৰ বিৰুদ্ধে ৪৯টা বলত ১০১ ৰানৰ বিস্ফোৰক ইনিংছ খেলিছিল ঈশানে। এই প্ৰদৰ্শনৰ সুবাদতে টী-২০ বিশ্বকাপৰ দলত স্থান নিশ্চিত কৰে উইকেটকীপাৰ-বেটাৰজনে। ২০২৩ চনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতৰ হৈ অন্তিমখন টী-২০ মেচ খেলিছিল তেওঁ। এইবাৰৰ চৈয়দ মুস্তাক আলী ট্ৰফীৰ দহটা ইনিংছত তেওঁৰ সংগ্ৰহ ৫১৭ ৰান। ইফালে দুৰ্বল ফৰ্মৰ বাবে দলৰপৰা বাদ পৰিছে শুভমন গীল। বিগত ১৮টা ইনিংছত হাফ চেঞ্চুৰী অৰ্জন কৰিব পৰা নাই তেওঁ। এই সময়ছোৱাত গীলে ৩৭৭ ৰান সংগ্ৰহ কৰে। 'গীলে বেটত ৰান পোৱা নাই। আমি জানো যে তেওঁ শীঘ্ৰে ফৰ্ম ঘূৰাই পাব।'— মুখ্য নিৰ্বাচক আগৰকাৰে কয়। গীলৰ অনুপস্থিতিত অক্ষৰ পেটেলক সহ-অধিনায়কৰ দায়িত্ব দিয়া হৈছে। ইফালে ঈশান কিষাণৰ লগতে 'হাৰ্ড হিটিং' বেটাৰ ৰিংকু সিঙৰো দললৈ প্ৰত্যাৱৰ্তন ঘটিছে। ঘৰুৱা ক্ৰিকেটত সাফল্যৰ ধাৰাবাহিকতা অটুট ৰখাৰ বাবে দলত স্থান পাইছে বাঁওহতীয়া বেটাৰজনে। দলত উইকেটকীপাৰ হিচাপে ঈশানৰ সৈতে অন্তৰ্ভুক্ত কৰা হৈছে সঞ্জু ছেমছনক। অভিষেক শৰ্মা, তিলক বাৰ্মা, সঞ্জু ছেমছনৰ লগতে অধিনায়ক সূৰ্যকুমাৰ যাদৱৰ বেটিঙত প্ৰদৰ্শন লক্ষণীয় হ'ব। অলৰাউণ্ডাৰ হিচাপে দলত ৰখা হৈছে হাৰ্দিক পাণ্ডিয়া, শিৱম ডুবে, অক্ষৰ পেটেল আৰু ৱাশ্বিংটন সুন্দৰক। পেচ বলিঙৰ নেতৃত্বত



থাকিব যশপ্ৰীত বুমৰাহ। কুলদীপ যাদৱ আৰু বৰুণ চক্ৰৱৰ্তী হ'ব 'ট্ৰাম্প কাৰ্ড'। ভাৰতে ৭ ফেব্ৰুৱাৰীত মুম্বাইত আমেৰিকা যুক্তৰাজ্যৰ বিৰুদ্ধে টী-২০ বিশ্বকাপৰ অভিযান আৰম্ভ কৰিব। দিল্লীত ১২ ফেব্ৰুৱাৰীত নামিবিয়া, কলম্বোত ১৫ ফেব্ৰুৱাৰীত পাকিস্তান আৰু ১৮ ফেব্ৰুৱাৰীত আহমেদাবাদত নেদাৰলেণ্ডছৰ বিৰুদ্ধে খেলিব সূৰ্যকুমাৰ যাদৱ বাহিনীয়ে। আজি টী-২০ বিশ্বকাপৰ বাবে ঘোষণা কৰা দলটোৱেই নিউজিলেণ্ডৰ বিৰুদ্ধে জানুৱাৰীত হ'বলগীয়া পাঁচখন মেচৰ টী-২০ ছিৰিজতো খেলিব। **ভাৰতীয় দলটো ঃ** সূৰ্যকুমাৰ যাদৱ (অধিনায়ক), অক্ষৰ পেটেল (সহঃ অধিনায়ক), অভিষেক শৰ্মা, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, শিৱম ডুবে, ঈশান কিষাণ (উইকেটকীপাৰ), সঞ্জু ছেমছন (উইকেটকীপাৰ), যশপ্ৰীত বুমৰাহ, বৰুণ চক্ৰৱৰ্তী, অৰ্শদীপ সিং, কুলদীপ যাদৱ, হৰ্ষিত ৰাণা, ৰিংকু সিং আৰু ৱাশ্বিংটন সুন্দৰ।

এছেজ ছিৰিজ জয়ৰ বাবে অষ্ট্ৰেলিয়াক ৪টা উইকেটৰ প্ৰয়োজন

# অন্তিম দিনা ইংলেণ্ডৰ লক্ষ্য ২২৮ ৰান



**এডিলেইড, ২০ ডিচেম্বৰ ঃ** এছেজৰ তৃতীয় টেষ্টৰ পঞ্চমদিনা জয়লাভৰ বাবে ইংলেণ্ডক প্ৰয়োজন আৰু ২২৮ ৰানৰ। ইফালে ঘৰুৱা দল অষ্ট্ৰেলিয়াক ছিৰিজ জয়ৰ বাবে প্ৰয়োজন ৪টা উইকেটৰ। আজি চতুৰ্থ দিনৰ খেল শেষ হোৱাৰ সময়ত ইংলেণ্ডে দ্বিতীয় ইনিংছত ৬ উইকেটত ২০৭ ৰান সংগ্ৰহ কৰিছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই আজি পুৱা নিজৰ দ্বিতীয় ইনিংছত ৩৪৯ ৰান কৰে। এনেদৰে ইংলেণ্ডৰ সন্মুখত জয়ৰ বাবে বান্ধি দিয়ে ৪৩৪ ৰানৰ কঠিন লক্ষ্য। অ'পেনাৰ ট্ৰেভিছ হেডে ১৭০ ৰানত আউট হয়। তেওঁৰ বিদায়ৰ পাছতে ঘৰুৱা দলটোৰ ইনিংছ তাপচাতৰ দৰে খহি পৰে। মাত্ৰ ৩৮ ৰানতে ৬টাকৈ উইকেট হেৰুৱায় অষ্ট্ৰেলিয়াই। এলেক্স কেৰী ৭২ ৰানত আউট হয়। ইংলেণ্ডৰ হৈ জ'ছ টঙে সৰ্বাধিক ৪টা উইকেট দখল কৰে। বিশাল ৰানৰ লক্ষ্য আগত লৈ আলহী দলটোৰ অ'পেনাৰ জেক ক্ৰ'লীয়ে ৮৫ ৰানৰ দৰ্শনীয় ইনিংছ খেলে। বেন ডাকেট, অ'লী পোপ ব্যৰ্থ হয়। জো ৰুটে ৩৯ আৰু হেৰী ব্ৰুকে ৩০ ৰান কৰে। অধিনায়ক বেন ষ্টোক্‌ছ ৫ ৰানত নাথান লিয়নৰ 'চিকাৰ' হয়। অষ্ট্ৰেলিয়াৰ হৈ অধিনায়ক পেট কামিনছ আৰু স্পিনাৰ লিয়নে তিনিটাকৈ উইকেট দখল কৰে। প্ৰথম দুখন টেষ্টত শোচনীয়ভাৱে পৰাস্ত হোৱা ইংলেণ্ডৰ বাবে এইখন টেষ্ট ৰক্ষা কৰাও কঠিন হ'ব।

■ মুখ্যমন্ত্ৰী কাপ ফুটবল ■

## খুমটাইক হৰুৱাই গোলাঘাট সমষ্টি বিজয়ী



**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**
**গোলাঘাট, ২০ ডিচেম্বৰ ঃ** ১৭ বছৰ অনূৰ্দ্ধ চাহ জনজাতি আৰু আদিবাসী মুখ্যমন্ত্ৰী কাপ ফুটবল প্ৰতিযোগিতাৰ গোলাঘাট জিলাত চেম্পিয়নৰ খিতাপ দখল কৰে গোলাঘাট সমষ্টিয়ে। গোলাঘাটৰ দলটোৱে খুমটাই সমষ্টি দলক ৬-১ গ'লত পৰাস্ত কৰে। খেলৰ আৰম্ভণিতে সকলোকে আজি আদৰণি জনায় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈয়ে। অনুষ্ঠানৰ শেষত আয়োজিত সভাত বঁটা বিতৰণ কৰে জিলাৰ অতিৰিক্ত আয়ুক্ত ডেভিদ বৰা, জিলা আটছাৰ সভাপতি দুলাল বৰাইক, ক্ৰীড়া সংগঠক মুনীন্দ্ৰ গগৈয়ে।



*বি ডব্লিউ এফ ৱৰ্ল্ড ট্যুৰ বেডমিণ্টন টুৰ্নামেণ্টৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত জাপানৰ একানে য়ামাগুছিক পৰাস্ত কৰি দক্ষিণ কোৰিয়াৰ এন ছে য়ঙৰ উল্লাস, শনিবাৰে।*

## হাৰমতী কাপৰ ফাইনেলত কাৰ্চিং একাদশ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বান্দৰদেৱা, ২০ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ হাৰমতী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত মণিৰাম বিশ্বাস সোঁৱৰণী হাৰমতী কাপ নৈশ আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত কালি নিশা অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত বাৰ্মা চিটি এফ চি বাক্‌সাক পৰাস্ত কৰি কাৰ্চিং ফুটবল একাদশ মাজুলী দল ফাইনেলত উপনীত হয়। হাৰমতী আঞ্চলিক যুৱক সংঘৰ উদ্যোগত অনুষ্ঠিত নৈশ ফুটবল খেলখনত প্ৰথমাৰ্দ্ধত বাক্‌সাই আধিপত্য বিস্তাৰ কৰিছিল যদিও গ'ল দিয়াত ব্যৰ্থ হয়। দ্বিতীয়াৰ্দ্ধত কাৰ্চিং ফুটবল একাদশে নিৰ্ণায়ক গ'লটো দি ফাইনেলত উপনীত হয়।

## বাঁহজানীত ক্ৰিকেট প্ৰতিযোগিতা

**দৈনিক অসমৰ প্ৰতিনিধি**
**বাঁহজানী, ২০ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত জালকুছি সন্মিলিত যুৱ মঞ্চৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ তৃতীয় বাৰ্ষিক প্ৰাইজমানী দিবা ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে। স্থানীয় জালকুছি খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাখন আজি উদ্বোধন কৰে নলবাৰী বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাই।

নিউজিলেণ্ডৰ বিৰুদ্ধে তৃতীয় টেষ্ট

# হজৰ চেঞ্চুৰীৰে ৱেষ্ট ইণ্ডিজৰ সংগ্ৰাম



**ৱেলিংটন, ২০ ডিচেম্বৰ ঃ** নিউজিলেণ্ডৰ বিৰুদ্ধে ছিৰিজৰ তৃতীয় টেষ্টত যুঁজ দিছে ৱেষ্ট ইণ্ডিজে। ঘৰুৱা দলটোৱে প্ৰথম ইনিংছত ৫৭৫ ৰানৰ বিশাল স্ক'ৰ কৰাৰ পাছত কেৰিবিয়ান দলটোৱে তৃতীয় দিনৰ খেল শেষ হোৱাৰ সময়ত ৬ উইকেটত ৩৮১ ৰান সংগ্ৰহ কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ কাভেম হজে ১০৯ ৰানত অপৰাজিত হৈ থাকে। ২২৪টা বল খেলি তেওঁ চেঞ্চুৰী সম্পূৰ্ণ কৰে। কালিৰ বিনা উইকেটত ১১০ ৰানৰপৰা খেল আৰম্ভ কৰি আলহী দলটোৱে ২০৬ ৰানত দুয়োজন অ'পেনাৰকে হেৰুৱায়। ইয়াৰ পাছত হজে ইনিংছ চম্ভালি লয় আৰু তৃতীয় উইকেটত টেবিন ইম লাচৰ সৈতে ৬৬ ৰান যোগ দিয়ে। এলিক এথানজেই ৪৫, জাষ্টিন গ্ৰীভছে ৪৩ ৰান কৰে। দিনান্তত হজৰ সৈতে এণ্ডাৰছন ফিলিপে ১২ ৰান কৰি নট আউট হৈ থাকে। ৱেষ্ট ইণ্ডিজ দলটো এতিয়াও ১৯৪ ৰানত পিছপৰি আছে। কিৱি দলটোৰ হৈ জেকব ডাফী আৰু এজাজ পেটেলে দুটাকৈ উইকেট দখল কৰে।

আইদেউ কাপ ফুটবল প্ৰতিযোগিতা

## নাজিৰা কলেজ ফাইনেলত

**দৈনিক অসমৰ প্ৰতিনিধি**
**আমগুৰি, ২০ ডিচেম্বৰ ঃ** আইদেউবাৰী স্কুল খেলপথাৰত অনুষ্ঠিত আইদেউ কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত নাজিৰা কলেজ এফ চিয়ে চকীমুখ এফ চিক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। নিৰ্দ্ধাৰিত সময়ত ২-২ গ'লত অমীমাংসিত হোৱা খেলখনত টাইব্ৰেকাৰৰ সহায়ত নাজিৰা কলেজ এফ চি ৫-৪ গ'লত জয়ী হয়।

## অক্সফৰ্ড বিদ্যাপীঠ চেম্পিয়ন

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**
**তিনিচুকীয়া, ২০ ডিচেম্বৰ ঃ** ডুমডুমাৰ সমীপৰ কৰদৈগুৰি অঞ্চলৰ অক্সফৰ্ড বিদ্যাপীঠৰ উদ্যোগত, নৱজ্যোতি স্প'ৰ্টছ ক্লাবৰ সহযোগত অনুষ্ঠিত আন্তঃপ্ৰাথমিক বিদ্যালয় ফুটবলৰ ফাইনেলত অক্সফ'ৰ্ড বিদ্যাপীঠ, কৰদৈগুৰিয়ে কেছেৰুগুৰি প্ৰাথমিক বিদ্যালয়ক ২-০ গ'লত পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। এই প্ৰতিযোগিতাত ১১খন প্ৰাথমিক বিদ্যালয়ে অংশগ্ৰহণ কৰিছিল।

# সাত্ত্বিক-চিৰাগ ছেমিত পৰাস্ত

বি ডব্লিউ এফ ৱৰ্ল্ড ট্যুৰ বেডমিণ্টন টুৰ্নামেণ্ট



**বেইজিং, ২০ ডিচেম্বৰ ঃ** ভাৰতৰ তাৰকা যুটি সাত্ত্বিক ছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ শেট্টী যুটিয়ে বি ডব্লিউ এফ ৱৰ্ল্ড ট্যুৰ বেডমিণ্টন টুৰ্নামেণ্টৰ ছেমি ফাইনেলত পৰাস্ত হয়। চীনৰ লিয়াং ৱে কাং আৰু ৱাং চাঙৰ বিৰুদ্ধে আজি অনুষ্ঠিত টুৰ্নামেণ্টৰ ছেমি ফাইনেলত ভাৰতীয় যুটিটো ২১-১০, ১৭-২১, ১৩-২১ ব্যৱধানত পৰাস্ত হয়। এঘণ্টা তিনি মিনিটৰ যুঁজত সাত্ত্বিক-চিৰাগ যুটিয়ে প্ৰথমটো গেম সহজে জয়ী হৈ সুন্দৰ আৰম্ভণি কৰিছিল যদিও পৰৱৰ্তী দুটা গেমত আশানুৰূপ প্ৰদৰ্শনত ব্যৰ্থ হয়। গ্ৰুপ পৰ্যায়ত ভাৰতীয় যুটিটো অপ্ৰতিৰোধ্য হৈ আছিল আৰু কালি বিশ্বৰ দুই নম্বৰ স্থানৰ মালয়েছিয়াৰ যুটি আৰন চিয়া আৰু ছোহ বুই য়িকক হৰুৱাই প্ৰথমটো ভাৰতীয় যুটি হিচাপে টুৰ্নামেণ্টখনৰ ছেমি ফাইনেলত উপনীত হৈছিল।

## কুসুমটোলাত ৰাজ্যিক ভিত্তিত ক্ৰিকেট প্ৰতিযোগিতা

**দৈনিক অসমৰ প্ৰতিনিধি**
**জামুগুৰিহাট, ২০ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ কুসুমটোলাত আয়োজন কৰা হৈছে অসম ভিত্তিক এখন দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা। কুসুমটোলা ক্ৰিকেট ক্লাবৰ উদ্যোগত আৰু কুসুমটোলাবাসী ৰাইজৰ সহযোগত ২৪, ২৫ আৰু ২৬ ডিচেম্বৰত কুসুমটোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব এই প্ৰাইজমানী ক্ৰিকেট প্ৰতিযোগিতা। প্ৰতিযোগিতাখনত বিজয়ী দলে লাভ কৰিব প্ৰফুল্ল ভূঞা সোঁৱৰণী সুদৃশ্য ট্ৰফীসহ নগদ ৭০ হাজাৰ টকা আৰু ৰানাৰ্ছ আপ দলে লাভ কৰিব ট্ৰফীসহ নগদ ৩০ হাজাৰ টকা। ইচ্ছুক দলসমূহে ৯১০১০৯৪৩২৮ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি উদ্যোক্তাই জনাইছে।

মৰিগাঁৱত আন্তঃজিলা মাষ্টাৰ্ছ এথলেটিক্‌ছ

## ৩২খন জিলাৰ ১৩০০ প্ৰবীণ খেলুৱৈৰ অংশগ্ৰহণ

**দৈনিক অসমৰ প্ৰতিনিধি**
**মৰিগাঁও, ২০ ডিচেম্বৰ ঃ** প্ৰচণ্ড শীতকো নেওচি ৫০ৰ পৰা ৯০ বছৰীয়া প্ৰবীণ খেলুৱৈৰ অংশগ্ৰহণেৰে মৰিগাঁৱৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈছে ৩১ সংখ্যক আন্তঃজিলা মাষ্টাৰ্ছ এথলেটিক্‌ছ প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ বিভিন্ন ইভেণ্টত ৩২খন জিলাৰ ১৩০০ৰো অধিক প্ৰবীণ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। বিভিন্ন বয়সৰ পুৰুষ আৰু মহিলা শাখাত আজি অনুষ্ঠিত হয় ১৫০০ মিটাৰ দৌৰ, ৮০০ মিটাৰ দৌৰ আৰু ৪০০ মিটাৰ দৌৰৰ লগতে হাৰ্ডল ৰেচ, হেমাৰ থ্ৰ' আদিকে ধৰি বিভিন্ন বিভাগৰ খেল।

# বাৰৈগামক হৰুৱাই উকিয়াম বিজয়ী



**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** উকিয়াম য়ুথ ফুটবল ক্লাবৰ দ্বাৰা আয়োজিত আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত ঘৰুৱা দল উকিয়াম চেম্পিয়ন হৈছে। উকিয়াম মধ্য ইংৰাজী বিদ্যালয় খেলপথাৰত আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত উকিয়ামে বাৰৈগাম এফ চিক ২-০ গ'লত পৰাস্ত কৰে। অসম আৰু মেঘালয়ৰ বিভিন্ন গাঁৱৰ ২৪টা ক্লাবে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিছিল। বিশিষ্ট সমাজকৰ্মী বাবলু চাংমা আৰু দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সুকুমাৰ মেধিয়ে প্ৰতিযোগিতাৰ বঁটাসমূহ বিতৰণ কৰে।

## বৰপেটাত মিষ্টাৰ অসম প্ৰতিযোগিতা

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** ৩৭ সংখ্যক মিষ্টাৰ অসম-২০২৫ দেহশ্ৰী প্ৰতিযোগিতা ২৮ ডিচেম্বৰত বৰপেটাৰ ৰাইনো ক্লাব প্ৰাংগণত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখন সদৌ অসম শৰীৰ চৰ্চা সংস্থাৰ উদ্যোগত, বৰপেটা জিলা শৰীৰ চৰ্চাবিদ সংস্থা আৰু ক্লাব ৰাইনোৰ আতিথ্যত আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ বিভিন্ন শাখাসমূহ হ'ল মিঃ অসম, জুনিয়ৰ মিঃ অসম, মাষ্টাৰ্ছ মিঃ অসম, মেন ফিট্‌নেছ আৰু মিছ ফিট্‌নেছ। ইচ্ছুক খেলুৱৈসকলে ৯৮৫৪৩-২৭৮১১ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

'এ' ডিভিজন ক্ৰিকেট লীগ

## তিনিচুকীয়া টাউন ক্লাব ফাইনেলত

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**
**তিনিচুকীয়া, ২০ ডিচেম্বৰ ঃ** তিনিচুকীয়া 'এ' ডিভিজন ক্ৰিকেট লীগৰ আজিৰ দ্বিতীয়খন ছেমি ফাইনেলত তিনিচুকীয়া টাউন ক্লাবে তিনিচুকীয়া ক্ৰিকেট একাডেমীক তিনি উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। তিনিচুকীয়া টাউন ক্লাবে টছত জিকি বেট ধৰাৰ সিদ্ধান্ত লয় আৰু ৩০ অভাৰত ৭ উইকেটত ১৫৯ ৰান কৰে। প্ৰত্যুত্তৰত তিনিচুকীয়া ক্ৰিকেট একাডেমীয়ে ২০.১ অভাৰত ৮৪ ৰানতে অল আউট হয়।

## চিৰাং ক্ৰিকেট লীগ

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**
**বঙাইগাঁও, ২০ ডিচেম্বৰ ঃ** চিৰাং জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত কাইলৈৰ পৰা আৰম্ভ হ'ব পঞ্চম সন্তোষ ব্ৰহ্ম সোঁৱৰণী চিৰাং জিলা ক্ৰিকেট লীগ। উদ্বোধনী খেলখন বিজনী যুৱক সংঘ (ইয়েলো) আৰু ৰুণীখাটাৰ টেনজিং ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

## দিখৌমুখ কলেজত ভাৰোত্তোলন, শক্তি উত্তোলন, দেহশ্ৰী প্ৰতিযোগিতা

৩৫ খন মহাবিদ্যালয়ৰ ১৫০ গৰাকী প্ৰতিযোগীৰ অংশগ্ৰহণ

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**
**শিৱসাগৰ, ২০ ডিচেম্বৰ ঃ** শিৱসাগৰৰ ঐতিহ্যমণ্ডিত দিখৌমুখ কলেজৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হয় ভাৰোত্তোলন, শক্তি উত্তোলন আৰু দেহশ্ৰী প্ৰতিযোগিতা। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাখনত ৩৫খন মহাবিদ্যালয়ৰ ১৫০গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতা উদ্বোধন কৰে বিশিষ্ট ক্ৰীড়া সংগঠক লক্ষীকান্ত মহন্তই। শিৱসাগৰ জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ, প্ৰাক্তন 'মিষ্টাৰ ইণ্ডিয়া' বিজিত গগৈকে ধৰি বহু গণ্য-মান্য ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে।




দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৰন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com

কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ

দৈনিক অসম
দেওবৰীয়া
চ'ৰা
দেওবাৰ, ২১ ডিচেম্বৰ, ২০২৫
Sunday, December 21, 2025



# হে মাতামহী মাটি, গানৰ ইন্তেকাল নাথাকে

**জোনমণি দাস**

হঠাৎ কি হৈ গ'ল গমেই নাপালোঁ
নিঠুৰ নিস্তব্ধতাই স্তব্ধ কৰিলে জুবিনৰ কেতেকী-কণ্ঠ
চৰাইবোৰে চিঞৰিবলৈ এৰিলে
পাহাৰে পাহৰি গ'ল নাচনী নিজৰাৰ ঠিকনা
আজানত সাৰ পোৱা ফেঁহুজালিৰ আকাশখন
এখন অন্ধকাৰ আইনাত ওপণ্ডি থাকিল।

হঠাৎ কি হৈ গ'ল গমেই নাপালোঁ
চিপচিপ বৰষুণত তিতি মাটি চহাই থাকোঁতেই
মানুহটো মাতে-কথাই গ'ল,
শিমলুজোপাত ফাগুন নুফুলিল
চ'ত সোমোৱাৰ পাছতো
ৰচকী গছবোৰে নিপিন্ধিলে
কুঁহিপাতৰ গহনা-গাঁঠৰি।

চন্দনৰ চিতাত টকলা মাৰি জুবিন শোৱাৰেপৰা
লুইতে গাবলৈ এৰিলে ঢৌখেলা পানীৰ নিনাদিত পদ
দিনবোৰে নবজোৰা হ'ল জাতি-হেঙুলৰ বীণ
ৰাতিবোৰে পাহৰিলে টোপনিৰ ৰীতি...

গানৰ দিগন্ত কঁপাই কেতিয়া আহি গুচি গ'ল
শৰৎ, হেমন্ত, শীত, বসন্ত


হাবিয়লি বাটটোতে বন হৈ মই গজি আছিলোঁ
কোন উপত্যকাৰ শোকে আহি গচকি গ'ল গমেই নাপালোঁ

হে মাতামহী মাটি
গানৰ ইন্তেকাল নাথাকে

এয়া এতিয়া কি কাল?

ইমান আকাল!

ফোনঃ ৯১০১০ ৩৮৬৫১



# ৰামানুজন

'মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ,
আমিও কৰিব পাৰোঁ জীৱন গঢ়িত;
অভিনয় শেষ হ'লে আয়ু-বেলি মাৰ গ'লে,
থই যাব পাৰোঁ খোজ সময়-বালিত।'
—আনন্দ চন্দ্ৰ আগৰৱালা

**স**ময় বালিত খোজ পেলাই থৈ যোৱা মহা মহা পুৰুষসকলৰ ভিতৰত অন্যতম আছিল ভাৰত সন্তান মহান গণিতজ্ঞ ৰামানুজন। আদিম কালৰে পৰাই ভাৰতবৰ্ষত বহু বিখ্যাত মনীষীয়ে জন্মগ্ৰহণ কৰিছে। সেইসকলে বিশ্বৰ বিভিন্ন ক্ষেত্ৰ, যেনে— গণিত, জ্যোতিৰ্বিজ্ঞান, ৰাজনীতি বিজ্ঞান আদিত নিজৰ নিজৰ অৱদান আগবঢ়াই গৈছে। ব্ৰহ্মগুপ্ত, আৰ্যভট্ট, বৰাহ-মিহিৰ, কৌটিল্য আদিৰ দৰে ৰামানুজনেও পুণ্যভূমি ভাৰতত জন্মগ্ৰহণ কৰি গণিতৰ ক্ষেত্ৰত তেওঁৰ নিজৰ বিৰল প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ যাবলৈ সক্ষম হৈছিল। বিৰল প্ৰতিভা, অসাধাৰণ জ্ঞান আৰু বুদ্ধিসম্পন্ন ব্যক্তিক বুজাবলৈ ইংৰাজীত 'জিনিয়াছ' বুলি এটা শব্দ আছে। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ বিদ্বান লোকসকলে ৰামানুজনৰ কথা কওঁতে বা লিখোঁতে 'মেথমেটিকেল জিনিয়াছ ৰামানুজন' বুলি কয় বা লিখে। বিদ্বান সমাজত ৰামানুজন কিমান শ্ৰদ্ধাৰ পাত্ৰ, তথা গণিতৰ ক্ষেত্ৰখনলৈ ৰামানুজনৰ অৱদানক বিদ্বান সমাজে কিমান গুৰুত্বপূৰ্ণ বুলি ভাবে, সেই কথা ইয়াৰ পৰাই অনুমান কৰিব পাৰি।

শ্ৰীনিবাস ৰামানুজনৰ জন্ম হৈছিল ১৮৮৭ চনৰ ২২ ডিচেম্বৰ তাৰিখে বৰ্তমানৰ তামিলনাডুৰ তাঞ্জোৰ জিলাৰ ইৰোড নামৰ ঠাইত থকা তেওঁৰ মোমায়েকৰ ঘৰত। এই ঠাইখন ৰাজধানী মাদ্ৰাজৰ পৰা প্ৰায় ৪০০ কিলোমিটাৰ দক্ষিণ-পশ্চিমে অৱস্থিত। ৰামানুজন আছিল মাক-দেউতাকৰ প্ৰথম সন্তান। তেওঁৰ দেউতাকৰ নাম আছিল কুপ্পুস্বামী শ্ৰীনিবাস আয়েংগাৰ আৰু মাকৰ নাম কোমলটম্মল।

> যিবোৰ সমস্যা সমাধান কৰিবলৈ ইউৰোপৰ গণিতজ্ঞসকলৰ এটা শতিকা লাগিছিল, সেইবিলাক সমাধান ৰামানুজনে কেনেকৈ ভাবি উলিয়াছিল, সি পৰম বিস্ময়কৰ বিষয়।



কেম্ব্ৰিজত সহকৰ্মী বিজ্ঞানীসকলৰ সৈতে শ্ৰীনিবাস ৰামানুজন



**চতুৰ্থী শিৰম**

ৰামানুজনৰ পিতৃগৃহ আছিল তামিলনাডুৰ তাঞ্জাভুৰ জিলাৰ কুম্বকোনম নামৰ নগৰখনত। বৃত্তিত তেওঁ আছিল কাপোৰৰ ব্যৱসায় প্ৰতিষ্ঠান এটাৰ হিচাপ ৰক্ষক। ৰামানুজনৰ মাক আছিল এগৰাকী অতি দৃঢ়চেতা আৰু শিক্ষিত মহিলা। জাতি আৰু সম্প্ৰদায় ভেদে নাম লিখাৰ পদ্ধতি বেলেগে বেলেগ। অসমীয়াসকলে সাধাৰণতে নিজৰ নামটোৰ পাছত দেউতাকৰ উপাধিটো লিখে। কিন্তু তামিলসকলৰ কোনো 'উপাধি' নাই। তেওঁলোকে নিজৰ নামটোৰ আগত দেউতাকৰ নামটো লিখে। ৰামানুজনৰ দেউতাকৰ নামটো শ্ৰীনিবাস, সেয়ে ৰামানুজনৰ নামটো হ'ল শ্ৰীনিবাস ৰামানুজন। আনহাতে, দেউতাকৰ নামটোৰ পৰা জানিব পাৰি যে ৰামানুজনৰ ককাকৰ নাম কুপ্পুস্বামী। বহুতে নামৰ শেষৰ ফালে নিজৰ গোষ্ঠী বা সম্প্ৰদায়ৰ নামটোও লিখে। ৰামানুজনৰ দেউতাৰ নামৰ শেষৰ 'আয়েংগাৰ'টো তেওঁলোকৰ সম্প্ৰদায়ৰ নাম। সেই অনুসৰি, ৰামানুজনৰ সম্পূৰ্ণ নামটো হ'লে শ্ৰীনিবাস ৰামানুজন আয়েংগাৰ।

ৰামানুজনৰ ঘৰৰ অৱস্থা ইমান সচ্ছল নাছিল। সৰুৰে পৰা অভাৱ-অনাটনৰ মাজত ডাঙৰ হোৱা ৰামানুজন বৰ চিন্তাশীল আছিল। শিশু ৰামানুজনক কেন্দ্ৰ কৰি তেওঁৰ মাক-দেউতাক অতিশয় চিন্তিত হৈ পৰিছিল; কিয়নো বয়স তিনি বছৰ পাৰ হৈ যোৱাৰ পাছতো ৰামানুজনৰ মাত-কথা ভালকৈ ফুটা নাছিল। পাঁচ বছৰ বয়সত মাক-দেউতাকে ৰামানুজনক ঘৰৰ ওচৰৰে কাংগেয়ান প্ৰাথমিক বিদ্যালয়ত ভৰ্তি কৰি দিছিল। এই বিদ্যালয়ত তেওঁ মাতৃভাষা তামিল আৰু সংস্কৃত ভাষা শিকিছিল। গণিত বিষয়ৰ প্ৰতি তেওঁৰ অধীৰ আগ্ৰহ আছিল। তেওঁৰ বিস্ময়কৰ স্মৃতিশক্তি আৰু তীক্ষ্ণবুদ্ধিৰ বাবে বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰৰ মাজত আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। বিদ্যালয়ৰ পঢ়া-শুনাত বিৰল মেধাৰ পৰিচয় দিয়া অকণমানি শিশু ৰামানুজন স্বভাৱ-চৰিত্ৰৰ ফালৰ পৰা আছিল অত্যন্ত শান্ত-শিষ্ট আৰু নম্ৰ। তেওঁ লগ-সংগ নিবিচাৰি অকলশৰে থাকি ভাল

> এটা অতি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰি, অভাৱ-অনাটন আৰু নানান আহুকালৰ মাজেৰে ডাঙৰ-দীঘল হৈও নিজৰ প্ৰতিভা, বিপুল শ্ৰম আৰু সাধনাৰ বলত ৰামানুজন বিশ্বৰ আগশাৰীৰ গণিতজ্ঞসকলৰ এগৰাকী হৈছিল।

পাইছিল। অভাৱ-অনাটনেৰে জুৰুলা ৰামানুজন স্বভাৱতে লাজুক প্ৰকৃতিৰ আছিল। স্কুল ছুটীৰ পাছত যেতিয়া লগৰ ল'ৰাবোৰে খেলিবলৈ ওলাই গৈছিল, ৰামানুজন তেতিয়া স্কুলৰ পৰা পোনে পোনে ঘৰলৈ ঘূৰি আহিছিল। আবেলি সময়ত তেওঁ নীৰৱে থাকি খিৰিকী এখনৰ কাষত বহি দূৰত লগৰীয়াহঁতে খেলা-ধূলা কৰাৰ দৃশ্য চাই থাকিছিল।

সুখ্যাতিৰে প্ৰাথমিক শিক্ষা সমাপ্ত কৰাৰ পাছত দহ বছৰ বয়সত ৰামানুজনক কুম্বকোনমৰ টাউন হাইস্কুলত ভৰ্তি কৰি দিয়া হৈছিল। অতি কম দিনৰ ভিতৰতে তেওঁ গণিত বিষয়ত দেখুওৱা পাৰদৰ্শিতাৰ বাবে শিক্ষকৰ প্ৰিয় হৈছিল। স্কুলৰ অধ্যক্ষগৰাকীয়েও ৰামানুজনক তেওঁৰ নম্ৰ আৰু শান্ত-শিষ্ট স্বভাৱৰ কাৰণে অত্যন্ত মৰম কৰিছিল। সংখ্যা ভাল পোৱা এই ল'ৰাজনে কুম্বকোনম টাউন হাইস্কুলৰ শ্ৰেণীৰ সময়সূচীবোৰ কম সময়ৰ ভিতৰতে অধ্যক্ষগৰাকীক প্ৰস্তুত কৰি দিছিল। হাইস্কুলৰ দিনবোৰত তেওঁ গণিত বিষয়টোৰ লগতে আন বিষয়তো পাৰদৰ্শিতা দেখুৱাইছিল। ৰামানুজন দক্ষিণ ভাৰতৰ 'কেম্ব্ৰিজ' হিচাপে জনাজাত কুম্বকোনমৰ চৰকাৰী কলেজত ভৰ্তি হৈছিল। কলেজীয়া দিনত আন আন বিষয়বোৰ আওকাণ কৰি গণিতৰ চিন্তাত মগ্ন হৈ তেওঁ গণিতৰ নানান নতুন নতুন উপপাদ্য, প্ৰমাণ আদি আৱিষ্কাৰ কৰিছিল। আন বিষয়ৰ পৰীক্ষাত অনুত্তীৰ্ণ হোৱা বাবে তেওঁৰ কলেজীয়া শিক্ষা আধৰুৱা হৈছিল। ৰামানুজনৰ দৰে বিৰল প্ৰতিভাৱান গণিতজ্ঞজনে বাৰে বাৰে পৰীক্ষাত অকৃতকাৰ্য হৈ মনত দুখ আৰু কষ্ট পাইছিল।

পৰীক্ষাত অকৃতকাৰ্য হোৱা সত্ত্বেও আৰু দৰিদ্ৰতাৰ মাজতো ৰামানুজনে বৰ উৎসাহেৰে গণিতৰ গৱেষণা কাৰ্য অব্যাহত ৰাখিছিল। গৱেষণাৰ ফলত তেওঁ আৱিষ্কাৰ কৰা প্ৰতিপাদ্য, টোকাবোৰ প্ৰণালীবদ্ধভাৱে লিখি ৰাখিছিল। এই টোকাবোৰেই পাছলৈ 'ৰামানুজনৰ নোটবুক' বা 'ৰামানুজনৰ টোকাবহী' নামেৰে জনাজাত হৈ পৰিছিল। ১৯০৩ চনৰ পৰা ১৯১৪ চনলৈ ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়লৈ যোৱাৰ সময়লৈকে তেওঁ কৰা আৱিষ্কাৰ আৰু প্ৰমাণবোৰ লিপিবদ্ধ কৰি ৰখা এনে টোকাবহীৰ সংখ্যা তিনিখন। ২৩ বছৰ বয়সত 'ভাৰতীয় ৪ পৃষ্ঠাত চাওক



# জীৱন ডিঙা বাই থাকা...



**নিৰ্মল ডেকা**

**অ**ম্বিকাগিৰী ৰায়চৌধুৰীৰ 'জীৱন কোচোৱা গীত গাওঁ' কবিতাটিৰ প্ৰথম শাৰীটো এনেকুৱা—

'সকলোতকৈ জীৱন সত্য
তাৰ বাদে একো সত্য নাই'

ব্যক্তিগত ব্যাথা-বেদনা বুকুত সাবটি লৈও দেশ আৰু দহৰ বাবে মানুহক জীয়াই থাকিবলৈ, জীৱনৰ গীত গাবলৈ তেওঁ তেওঁৰ ৰচনাৰে মানৱ সমাজক অনুপ্ৰাণিত, উদ্বুদ্ধ কৰি আহিছে। জীৱন কি? জীয়াই থকাৰ প্ৰয়োজন কি? শত-সহস্ৰ গ্ৰহ-নক্ষত্ৰ, কীট-পতংগ, হাতীপটীৰে ভৰা এই বিশাল বিশ্ব-ব্ৰহ্মাণ্ডত আমাৰ কায়িক অনুপস্থিতিয়ে আনৰ জীৱন যাত্ৰাত কিবা প্ৰভাৱ পেলাব জানো? এনে প্ৰশ্নই আমাৰ মনটোক মাজে সময়ে জোকাৰি যায়। কিছুমান প্ৰশ্ন নিজৰ মাজতে নীৰৱে মোলান পৰি যায়, কিছুমান প্ৰশ্নই অস্থিৰ কৰি তোলে, কিছুমান প্ৰশ্নৰ আকৌ বিচৰা ধৰণে উত্তৰ পোৱা নাযায়।

অলপতে হৈ যোৱা টী-২০ দৃষ্টিহীন ক্ৰিকেট বিশ্বকাপৰ ফাইনেলত ভাৰতে বিজয়ৰ মুকুট পিন্ধিবলৈ সক্ষম হয়। বিশ্বকাপ বিজয়ী ভাৰতীয় দলটোৰ এগৰাকী সদস্যা অসমৰ ছিমু দাস। নিতৌ অজস্ৰ খবৰেৰে আমাৰ চৌপাশ ঠাহ খাই থকাৰ পাছতো সৌ সিদিনালৈকে ছিমু দাসৰ বিষয়ে কোনেও একো আও-ভাও পোৱা নাছিল। নগাঁৱৰ কঠীয়াতলীৰ ছোৱালীজনীক লৈ আজি কৌতূহলৰ অন্ত নাই। জীৱনৰ বাটত বৈ যোৱাৰ কোনো অৱকাশ নাই। গৈ থকাই যে জীৱন। হাতত সাৰে ভৰিত সাৰে অষ্টম শ্ৰেণীতে দিল্লীলৈ নগৈ প্ৰতিবন্ধী ক্ৰিকেট দলক লগ নোপোৱাহেঁতেন আজিও ছিমু দাস সমগ্ৰ বিশ্বৰ বাবে অপৰিচিত হৈ থাকিলহেঁতেন। কঠোৰ ৪ পৃষ্ঠাত চাওক

> আত্মবিশ্বাসী মানুহে জীৱনৰ বাটত আহি পৰা হুল-জেং আঁতৰাই হ'লেও লক্ষ্যপ্ৰাপ্তিৰ হকে যুঁজি যায় অবিৰাম। তেওঁলোকৰ দৃষ্টিত গৈ থকাই যেন জীৱন।



# মোৰ গানে দিব নতুন ভাষা

**স**ংগীত যন্ত্ৰণাকাতৰ সময়ৰ সংগী, বিদীৰ্ণ হৃদয়ৰ মলম। সুখ-দুখ, আশা-হতাশা সকলো পৰিস্থিতিতে সংগীতপ্ৰেমীয়ে সংগীতত আশ্ৰয় লৈ শান্তি অনুভৱ কৰে। সংগীতৰ এক শক্তি আছে, যি বিশেষ শক্তিৰ বাবে সংগীতক একে সময়তে প্ৰতিবাদৰো ভাষা হোৱা দেখা যায় লগতে আশাবাদৰো। অসমত এতিয়া এজাকেই বতাহ, যাৰ নাম 'জুবিন গাৰ্গ'। 'জুবিন গাৰ্গ' নামৰ সত্তাটোৱে আমাৰ দৰে বহুতক গান শুনিবলৈ শিকালে। বিশেষকৈ Millennial আৰু Gen Zসকলক অসমীয়া গান শুনাৰ ক্ষেত্ৰত উৎসাহিত কৰা মানুহজনেই জুবিন গাৰ্গ। অসমীয়া সংগীতৰ পূৰ্বৰ ধাৰাটোলৈ বিংশ শতিকাৰ শেষৰ দুটা দশকত নতুন গতি-প্ৰকৃতি বিয়পাই দিয়াজনেই জুবিন গাৰ্গ। আমি late millenialৰ সময়ৰ মানুহখিনিয়ে 'অনামিকা', 'মায়া', 'মুক্তি', 'শব্দ', 'শিশু' আদিৰ গান শুনিয়ে অসমীয়া সংগীতৰ প্ৰতি আকৃষ্ট হ'লোঁ। আমি জুবিন গাৰ্গৰ গীতৰ সমানে সমানে ডাঙৰ হোৱা এটা প্ৰজন্ম— যাৰ গীতে আমাক লালন কৰিছে, যাৰ গীতৰ মাজত আমাৰ শৈশৱ, কৈশোৰ, যৌৱন একাকাৰ হৈ আছে।



**ডঃ আনন্দিতা ফুকন**

'touch it, touch your freedom, grab it, hold it and bring to your knees on, with you we all are with you make the world shine like the sun.' (শিশু)ৰ দৰে গীতৰ কলিয়ে ভীতিগ্ৰস্ত শিশু মনক পোহৰৰ সন্ধান দিয়ে, নতুন আশা দিয়ে। এই আশা স্বাধীন পথী হৈ আকাশ চোৱাৰ। কোনে কয় জুবিন গাৰ্গে নৱপ্ৰজন্মক পথভ্ৰষ্ট কৰা বুলি? আমাৰ দৰে এচাম মানুহেই নহয় জানো! পথভ্ৰষ্টকাৰীয়ে জানো নতুনক উদ্দেশ্যি এনেকৈ ক'ব পাৰে— 'ধুমুহাক আগচি আমি হ'ম sensation, সঁচাৰে গঢ়ি দিম new generation, নাথাকে ২ পৃষ্ঠাত চাওক



> এসময়ত মানুহজনক নাজানি যি ক'লোঁ পাহৰি এতিয়া আমি নজনা জুবিন গাৰ্গক গভীৰকৈ অধ্যয়ন কৰাতো আমাৰ দায়িত্ব নপৰে জানো!

## কবিতা

### গজল

**কাইফী আজমী**
**ভাবানুবাদ ঃ ইন্দ্ৰনীল গায়ন**

শিলত কটা ভগৱানক যদি সঁচাকৈয়ে লগ পোৱা
তেতিয়াহ'লে মই আজি জোনবাইৰ ওচৰৰ পৰা
উভতি আহিম

কেওপিনে শিলৰ দুৱাৰবোৰ থিয় দি আছে
কিন্তু সেই দুৱাৰ ৰখীয়াবোৰৰ ছাঁ ক'ত

অৰণ্যৰপৰা এজাক চেঁচা বতাহ বলিছে
কাগজৰ এই চহৰখন উৰি যাব নেকি?

কোন প্ৰেয়সীয়ে আজি পুনৰজন্ম লৈছে
কোনে সাঁচি থৈছে কলিজাত তাইৰ প্ৰেম

আজি পৃথিৱীখনে ন-কৈ গা ধুইছে
হৃদয়ে তোমাৰ পৰা কি শুনিবলৈ বিচাৰে?

### প্ৰেম-গণিত

**ৰশ্মিৰীয়া গগৈ**

এই যে হঠাতে সোমাই আহিলা
উপস্থিতিৰ আঘাতবোৰত
মোৰ আচৰণৰ আদিবিন্দুতে বিজুতি ঘটি
নিত্য ব্যৱহাৰিক জীৱন গ্ৰাফকেইডাল
তীব্ৰ 'ডিছকণ্টিনিউটী'ত
একেঠাইতে জমা হৈ পৰিল!

অনুমান কৰা যায়
এই প্ৰতিক্ৰিয়া আছিল
প্ৰেমজনিত ভংগুৰতাৰ 'ডেৰিভেটিভ'

ভয়ৰ কাঠগড়াত কোনোবা
প্ৰতিৰক্ষা ফাংচনৰ আপছেট
বাৰুকৈ অনুমেয়
যদিও ইয়াৰ পূৰ্ণ প্ৰমাণ এতিয়ালৈ
উপলব্ধ নহয়!

তোমাৰ চকু দুটা বন্ধ সমীকৰণ ৰেখাসহ
দুটি সীমাবদ্ধ অন্তৰাল

ভিতৰছোৱা অদৃশ্য অথচ পৰিৱৰ্তনশীল!

ইয়াত মোৰ আকুলতাবোৰ বাৰে বাৰে
প্ৰমাণ চোৱা হ'ল!

তাতে তোমাৰ এই উশাহ-ছিঙা মৌনতা!

কেৱল শুকান এটা কুঁৱা!
সীমা— $\alpha$
য'ত মোৰ অনুভূতিৰ ক্ষুদ্ৰতম
সঁহাৰিও ওভতাই পোৱা নাযায়!
প্ৰতিধ্বনি = শূন্য (প্ৰতিবাৰ)

তোমাক চুই চাব খোজা মুহূৰ্তবোৰ
(ঘটনা ঃ স্পৰ্শ)
এন্ধাৰৰ সমস্ত শত্ৰুতা

হঠাতে
স্পৰ্শ = শূন্য!

নিজক মোহাৰি-সামৰি পুনৰ আশ্ৰয়ত
তুমি নামৰ এটি দশমিক বিন্দুৰ পোহৰ!

প্ৰাপ্ত তথ্য অনুযায়ী
সমীকৰণ শেষ কৰি বিচাৰি পোৱা গৈছে

উপস্থিতি (তুমি)— বিষ (মই)[শান্তি]

ফোন ঃ ৬৯০০৬ ৭৮২০৫

### শুভবোধ

**ডঃ নীলিমা গোস্বামী শৰ্মা**

চৰায়ে
ডাক দিওঁতেই
সাৰ পোৱা মোৰ আই

সদিচ্ছাৰে স্নাত
যেন এটি প্ৰাৰ্থনা

পৃথিৱীক
ছাঁ-পোহৰ দিয়া...

ফোন ঃ ৯৪৩৫১ ৪৩৫৪৮

### সদিচ্ছা

**গীতিমণি হাটীমূৰীয়া**

আহকচোন, একেলগে বহি
অলপ কথা পাতোঁ
একেলগে হাঁহি-কান্দোন সামৰোঁ
ভগাই লওঁ সদিচ্ছা

ইজনে সিজনক অভিনন্দন জনাব পৰাকৈ
মনবোৰ ধুই লওঁ
বুকুৰ এন্ধাৰ পোহৰত এৰি দি
এবাৰ উপলব্ধি কৰোঁ...
কিয় কবৰ দিওঁ নিজেই নিজকে ঈৰ্ষাৰ গহ্বৰত!

একেলগে উঠিছোঁ বহিছোঁ
একেলগে বয়সৰ হিচাপত চশ্মা পিন্ধিছোঁ
ডাক্তৰৰ ওচৰত শৰীৰৰ বায়'ডাটা জমা দিছোঁ
তাৰপাছতো আমি বন্ধু হ'ব পৰা নাই
হ'ব পৰা নাই বিপ্ৰ!

আনৰ কৃতকাৰ্যতাত
শুভেচ্ছাৰ এথোপা ফুল যাচিবলৈ
এটা স্থায়ী শক্তিশালী মন বিচাৰি
ব'লক
খোজকাঢ়োঁ একেলগে
একেটা বাটেৰে।



# আধুনিক মন আৰু শিল্পকলা



**ডঃ জয়ন্ত ডেকা**

আধুনিক অভিধাৰ লগত সমাজতাত্ত্বিক আৰু ঐতিহাসিক পৰম্পৰাৰ গুৰুত্ব জড়িত হৈ আছে। পূৰ্ব পৰম্পৰাৰ লগত সমাজ বাস্তৱতাৰ বৰ্তমানক তুলনা কৰি যি সমাজ ব্যৱস্থা দেখা পোৱা যায়, তাতেই আধুনিক অৰ্থ লুকাই থাকে। আধুনিক সমাজ জীৱনৰ ভিন্ন অনুষংগেৰে শিল্পকলাৰ আন্দোলনবোৰ প্ৰতিষ্ঠিত হৈছিল। আধুনিক মানেই নতুনত্ব, সেই নতুনত্বৰ ধাৰণা পশ্চিমীয়া চিন্তা-চেতনাৰ মাজেৰেই প্ৰৱাহিত। ইউৰোপ আৰু আমেৰিকাৰ বৌদ্ধিক মতাদৰ্শৰ ছাঁত আধুনিক অৱধাৰণাৰ নিৰ্মাণ সম্ভৱ হৈছিল। আধুনিক পটভূমিৰ লগত আধুনিক মন এক গুৰুত্বপূৰ্ণ বিষয়। আধুনিক ধাৰণাৰ গতিশীলতাত 'আধুনিক মন'টো চাকি চোৱাৰ প্ৰয়োজন।

প্ৰখ্যাত সমালোচক জেমছ মেকফাৰলীনে 'দ্য মাইণ্ড ইন মডাৰ্নিজম'ত হিউগোভন হফমানষ্টাল (১৮৭৪-১৯২৯)ৰ দুটা প্ৰসংগৰ 'আধুনিক মন'ৰ অৱতাৰণা কৰিছে। ১৮৯৩ চনত হফমানষ্টালে আগবঢ়োৱা জীৱন সম্পৰ্কীয় ব্যাখ্যাই দুটা দিশ স্পষ্ট কৰে। প্ৰথমটো দিশত জীৱনৰ বিশ্লেষণ, আনটো ভাগত জীৱনৰপৰা পলায়নৰ চিত্ৰ নিৰ্দেশ কৰিছিল। হফমানষ্টালে দেখুওৱা এই দুয়োটা দিশৰ প্ৰথমটো দাপোণ প্ৰতিবিম্ব আৰু দ্বিতীয়টোৰ বাবে সপোন প্ৰতিবিম্বৰ কথা কৈছে। ব্যক্তি জীৱনক লৈ প্ৰয়োগ কৰা এনেকুৱা ধাৰণাত দুটা প্ৰসংগ স্পষ্ট হৈছে। ব্যক্তি এগৰাকীৰ আন্তঃক্ৰিয়াৰ শৰীৰ তত্ত্ব আৰু আন এজন ব্যক্তিৰ সপোন জীৱনৰ মাজেৰে প্ৰৱহমান।

ঊনবিংশ শতিকাৰ ইউৰোপীয় আধুনিক মনৰ বিকাশ আছিল প্ৰত্যাহ্বানেৰে ভৰা। আধুনিক মনৰ সংশ্লেষণত ক্ৰিয়াশীল বিজ্ঞানৰ উচ্চতৰ পদ্ধতিসমূহো বিভিন্ন মতদ্বৈধতাৰ সন্মুখীন হৈছিল। ইউৰোপীয় মনৰ উচ্ছ্বাসত অবৈজ্ঞানিক নৈৰ্ব্যক্তিকতা, অযৌক্তিক ৰহস্যময় ঘটনাৰ বৈশিষ্ট্যৰাজিক বিজ্ঞানসন্মত প্ৰণালীৰে অনুসন্ধান কৰাৰ প্ৰয়োজনীয়তা আহিছিল। এই সম্পৰ্কত এডৱাৰ্ড ভন হৰ্টমান (১৮৪২-১৮৯০)ৰ ১৮৯০ত প্ৰকাশিত ফিল'ছফী অৱ্ দ্য আনকন্‌ছিয়াছ' গ্ৰন্থৰ দশম সংস্কৰণত আৰোহী বিজ্ঞান পদ্ধতিৰে বৰ্তমানৰ মূলক অনুমানভিত্তিক স্বীকৃতি প্ৰদান কৰে। অষ্টাদশ শতিকাৰ শেষৰ আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিতে অস্বাস্থ্যকৰ মনোবিজ্ঞানে আধুনিক মনক নিৰীক্ষণ কৰিছিল। একেদৰে জিন মাৰ্টিন চাৰকট্ (১৮২৫-১৮৯৩)ৰ হিষ্টেৰিয়া আৰু তাৰ সন্মোহন সন্দৰ্ভত কৰা পৰীক্ষাই গুৰুত্ব লাভ কৰিছিল। আধুনিক মনৰ স্থিতিশীল পৰ্যায়ৰ ব্যাখ্যাত ফৰাচী চিকিৎসক লী বল্টৰ 'ষ্টাডী অন জু মেগ্‌নেটিজম' (১৮৮৩) আৰু বাৰ্নহেইম (১৮৪০-১৯১৯)ৰ 'এ ছাগেচ্‌চন' (১৮৮৪) গ্ৰন্থৰ কথাই ক'ব লাগিব। দুয়োগৰাকী চিকিৎসকে মনোবৈজ্ঞানিক অভিধাতকৈ মনোবিজ্ঞানৰ সন্মোহনৰ কাৰকসমূহৰ বিশ্লেষণত জোৰ দিছিল। আধুনিক মনৰ মানসিক স্থিতাৱস্থা সম্পৰ্কত ইটালীৰ অপৰাধতাত্ত্বিক চেজাৰ লমলেৰ'ছ (১৮৩৫-১৯০৯)-এ অপৰাধমূলক মনৰ অৱস্থা অধ্যয়ন কৰি স্নায়ৱিক ব্যতিক্ৰমসমূহক প্ৰচলিত বৈজ্ঞানিক ধাৰাৰে গৃহীত কৰিবলৈ কৈছিল। ঊনবিংশ শতিকাত ইউৰোপীয় মনত বৈজ্ঞানিক ধাৰণাই আধিপত্য লাভ কৰিলেও প্ৰশ্নৰ সন্মুখীন হৈছিল। এই সম্পৰ্কত আলোচনা আগবঢ়াই ফৰাচী সমালোচক ফাৰ্ডিনাণ্ড ব্ৰুনেটিয়েৰ (১৮৪৯-১৯০৬)-এ বিজ্ঞানসন্মত বিশ্বাসৰ ভেটি নিৰ্মাণৰ লগতে অভিব্যক্তিমূলক নীতিসমূহ জীৱ বিজ্ঞানৰ দৰে সাহিত্যত স্পষ্ট প্ৰয়োগত গুৰুত্ব দিছিল। একেদৰে বৈজ্ঞানিক মন সম্পৰ্কে আন্দোলিত কৰা বিপৰীত দিশসমূহৰ বিশ্লেষণো মন কৰিবলগীয়া।

জ্ঞানোদয়ৰ আধুনিকতাক যুক্তিৰ ধাৰণা বিংশ শতিকাৰ আৰম্ভণি হোৱাৰ আগৰপৰা সলনি হ'বলৈ ধৰে। যি বাস্তৱিক ধাৰণাত মানৱ মন আৰু বস্তুজগতৰ প্ৰভেদ আৰু প্ৰকৃতি সম্পৰ্কীয় মানৱীয় ধাৰণাৰ পৰিৱৰ্তন ঘটে। লগতে প্ৰাপ্তঃবয়স্ক ব্যক্তিসকল যৌক্তিক চিন্তাৰে পৰিচালিত হোৱাৰ ধাৰণা স্থিৰ হৈ পৰাত মানৱ মন আৰু বস্তুজগতৰ ধাৰণাও বেলেগ দিশত গতি কৰে। ঊনবিংশ শতিকাৰ শেষৰ সময়ছোৱা আছিল আধুনিক মনৰ গতিশীলতাত অতি গুৰুত্বপূৰ্ণ। ১৮৯৫ চনত ছিগমাণ্ড ফ্ৰয়েডৰ হিষ্টেৰিয়া ৰোগৰ বিশ্লেষণ প্ৰকাশ হয়। গূঢ় অৱচেতন মনৰ সন্ধানেৰে ফ্ৰয়েডে ১৯০০ চনত স্বপ্ন বিশ্লেষণ আৰু ১৯০১ চনত মনোবিকলন তত্ত্বৰ আধাৰত বিজ্ঞানসন্মত দৃষ্টিভংগী দাঙি ধৰে। ফ্ৰয়েডৰ মনোবিজ্ঞানৰ বিশ্লেষণৰ দৰে নাৎসেৰ দৰ্শনৰ আধাৰত বিচাৰি পাইছিল এপোলীয়ান আৰু ডায়নিচিয়ান, সংস্কৃত, শৃংখলাবদ্ধ বৌদ্ধিক চিন্তাৰ লগত অবৌদ্ধিক মনৰ সমাহাৰ, উশৃংখলাৰ মাজত সৃষ্টিশীল মন। এমিল ডাৰখেইমৰ দৰে সমাজতাত্ত্বিকৰ আলোচনাত স্থান পাইছিল ভাৰসাম্যহীন সমাজ আৰু পৰিৱৰ্তিত সময়ৰ প্ৰচণ্ড আঘাত। অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাই পৰিৱৰ্তন কৰা মনৰ ধাৰণা অভিব্যক্ত হৈছিল কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডৰিক এংগেল্‌ছৰ চিন্তাত।

১৮৪৮ চনত প্ৰকাশিত কমিউনিষ্ট মেনিফেষ্টো আৰু ১৮৫৭ চনৰ ডাচ কেপিটেলত যুক্তিবাদী বিজ্ঞান তত্ত্বৰ বিপৰীতে উৎপাদক শক্তিৰ অবিভাজ্য অৰ্থনৈতিক আৰু সামাজিক দিশত 'মন'ৰ বিচ্ছিন্নতাক স্পষ্ট কৰে। শ্ৰেণী সংগ্ৰামৰ ধাৰণাক প্ৰতিষ্ঠিত কৰিবলৈ যাওঁতে ব্যক্তিমনে মাৰ্ক্সীয় ৰাজনৈতিক দৰ্শনক প্ৰাধান্য দিয়া দেখা নগ'ল। কিন্তু আধুনিকতাৰ তৰপ অনুযায়ী মাৰ্ক্সীয় ৰাজনৈতিক দৃষ্টিভংগীৰ সময়সাপেক্ষে সামাজিক আৰু ঐতিহাসিক শ্ৰেণী সংগ্ৰাম মননত প্ৰৱাহিত হৈ ৰ'ল। ঊনৈশ শতিকাৰ শেষৰ সময়ছোৱাৰপৰা বিংশ শতিকাৰ প্ৰথমটো দশকলৈ বিজ্ঞানৰ উদ্ভাৱনী শক্তিসমূহৰ বিকাশত সমাজ ব্যৱস্থাৰ মন ক্ৰমাৎ পৰিৱৰ্তন হ'বলৈ ধৰে। সমালোচক মেলক'ম ব্ৰেড্‌বৰীৰ ভাষাত সাংস্কৃতিক ৰাজধানীলৈ পৰ্যবসিত লণ্ডন, বাৰ্লিন, ভিয়েনা, পেৰিছ আদি ডাঙৰ ডাঙৰ চহৰবোৰ বৌদ্ধিক কৰ্ষণৰ প্ৰাণকেন্দ্ৰ হৈ পৰে। ১৯০৯ৰপৰা ১৯১৪ চনৰ প্ৰথম মহাসমৰে বৌদ্ধিক মতাদৰ্শসমূহৰ আলোচনাত সমল যোগান ধৰে। প্ৰথম মহাযুদ্ধৰ সামৰণিত বিজ্ঞানৰ যন্ত্ৰপাতি ব্যৱহাৰত বিনষ্ট হোৱা সামাজিক পৰিৱেশৰ ৰুগ্নতা দেখা গৈছিল। বিজ্ঞানকেন্দ্ৰিক যান্ত্ৰিক সভ্যতাই মানৱীয় মূল্যবোধ, সুখ-স্বাচ্ছন্দ্য, সৌন্দৰ্য জীৱনৰ শৃংখলাবোধত আঘাত হানে। এনে এক জটিল পৰিৱেশৰ মাজেদি 'আধুনিক মন'ৰ অস্থিৰতা শিল্পকলাত ব্যঞ্জিত হ'বলৈ ধৰে। দ্ৰুত বিকশিত অৰ্থনীতি, ৰাজনৈতিক বাস্তৱতা যান্ত্ৰিক ঔদ্যোগীকৰণৰ পৰিণতিত ব্যক্তিৰ মাজত হেৰাই যোৱা জীৱনৰ সৌন্দৰ্য আৰু তাৰ অনিয়ন্ত্ৰিত পৰিৱেশৰ জটিলতাই গাঢ় কৰা 'আধুনিক মন'ৰ অৱধাৰণা শিল্পকলাৰ আন্দোলনত সোমাই পৰে।

আধুনিক মনৰ সংবেদনা প্ৰতিষ্ঠিত হোৱাৰ লগে লগে শিল্পকলাত মানৱীয় মূল্যবোধ আৰু অস্তিত্ববাদী চিন্তা-চৰ্চাৰ প্ৰতিফলন দেখা পোৱা যায়। এক নতুন দৰ্শনৰ পোহৰে মূল্যবোধ সম্পৰ্কে সজাগ আৰু সচেতন কৰে। ব্যক্তি মনৰ জীৱন সম্পৰ্কীয় ধাৰণাবোৰ সলনি হোৱাত শিল্পকলাৰ মাজেদি জীৱনক নতুনকৈ চোৱাৰ প্ৰয়াস কৰিলে। একেদৰে সংশয় ভীতিগ্ৰস্ততাৰ সমাজ বাস্তৱতা আধুনিক মনৰ পৰিৱৰ্তিত চেতনাৰে উদ্ভাসিত হোৱাত শিল্পকলাৰ বৌদ্ধিক কৰ্ষণৰ ভেটি সুদৃঢ় হয়। মননৰ গভীৰতাৰ আৱেগ-অনুভূতি প্ৰকাশৰ অৰ্থে আধুনিক মন নতুন শৈলী আৰু আংগিকৰ প্ৰতি আকৰ্ষিত হয়। একপ্ৰকাৰ আত্মসচেতনতা আৰু অন্তৰ্মুখীকৰণৰ জৰিয়তে যান্ত্ৰিক বহিঃপ্ৰকাশ ঘটে আধুনিক মন আৰু শিল্পকলাৰ। এই প্ৰক্ৰিয়াৰ লগত সংযুক্ত হৈ আছে শিল্পকলাৰ আংগিক, প্ৰায়োগিক শৈলী আৰু মৌলিকতা।

ৰাজনৈতিক আৰু অৰ্থনৈতিক শক্তিৰে সাম্ৰাজ্যবাদ বিস্তাৰ কৰা ইউৰোপৰ ভাৱনাত জীপ লোৱা আধুনিক মনৰ নতুন দৰ্শন আৰু আদৰ্শই শিল্পকলাক বাট দেখুৱায়। এক ঐতিহাসিক গুৰুত্বৰে আধুনিক মন শিল্পকলাৰ আন্দোলনত ঊনবিংশ শতিকাৰ শেষৰপৰা বিংশ শতিকালৈ ক্ৰিয়াশীল হৈ থাকে। আধুনিক মন আৰু শিল্পকলাৰ প্ৰসংগত সমালোচক পিটাৰ চাইল্ডে বাস্তৱ আৰু কল্পনাৰ বৈপৰীত্যত ফুটি উঠা পৰম বাস্তৱতাৰ সূচকবোৰৰ কথা উল্লেখ কৰে। তেওঁৰ আলোচনাত পৰম বাস্তৱতা একধৰণৰ আত্মমগ্নতাৰ ৰূপক বুলি অভিহিত কৰিছে। সমালোচকগৰাকীৰ মতৰ যথাৰ্থতা বিশ্লেষণ কৰিবলৈ গ'লে আমাৰ মনলৈ আহে ফ্ৰান্জ কাফ্‌কাৰ 'মেটামৰ ফছিছ' শীৰ্ষক গল্পটো। অৱচেতন মন আৰু কল্পনাৰ সংগতিহীনতাৰ মাজেৰে গল্পকাৰে কাহিনীভাগ প্ৰক্ষেপণ কৰাত পৰম বাস্তৱ মূৰ্ত হৈ উঠিছে।

ঊনবিংশ শতিকাৰ হফমানষ্টালৰ আধুনিক মনৰ প্ৰতিধ্বনি অনুৰণিত হৈছিল বিংশ শতিকাৰ চতুৰ্থটো দশকত। সেই সময়ছোৱা আছিল ইউৰোপীয় শিল্পকলাত আধুনিকতাৰ উচ্চতম পৰ্যায়। এনে এক সময়ত হফমানষ্টালৰ আধুনিক মনৰ ধাৰণা সজীৱ হৈছিল ভাৰ্জিনিয়া উল্‌ফৰ 'দ্য ৱেভছ' (১৯৩১) উপন্যাসখনত। আনন্দ আৰু শোকৰ জটিল অনুভূতি প্ৰক্ষেপিত উপন্যাসখনৰ চৰিত্ৰ বাৰ্নাডে হফমানষষ্টালৰ বৌদ্ধিক অনুশীলনকে প্ৰকট কৰে। একেই প্ৰসংগত ছেমুৱেল বেকেটৰ 'মাৰ্ফী' (১৯৩৮) উপন্যাসখনলৈ মনত পৰে। বেকেটৰ উপন্যাসখনত ধৰ্মীয় সংশয়, গভীৰ আত্মমগ্নতা, নৈৰাশ্যৰ মাজেদি আধুনিক মন গঢ়ে। দাৰ্শনিক চিন্তাৰে সাংস্কৃতিক অৱক্ষয় উদ্ভাসিত কৰি তোলা কাহিনীভাগত আধুনিক মনৰ বাস্তৱতা আৰু ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কেও প্ৰশ্ন উঠিছিল। শাৰীৰিক অৱস্থিতিৰ উৰ্দ্ধত আধুনিক মনৰ গতিশীলতা 'মাৰ্ফী'ত প্ৰতিফলিত হৈছে। একধৰণৰ শৰীৰ আৰু মনৰ পাৰস্পৰিক কাৰ্যৰ বিস্তৃত ব্যাখ্যাৰে ছেমুৱেল বেকেটে 'মাৰ্ফী' চৰিত্ৰৰ মাজেৰে উপন্যাসখনত চৰিত্ৰৰ ৰসায়ন সৃষ্টি কৰিছে।

সমালোচক পিটাৰ চাইল্ডে শিল্পকলাৰ আন্দোলনৰূপে আধুনিক মনৰ বিকশিত শৈলীৰ লগত জড়িত সমাজ-সাংস্কৃতিক কিছু কথা উত্থাপন কৰে। তেওঁ ঊনবিংশ শতিকাৰ মাজভাগৰপৰা বিংশ শতিকাৰ প্ৰথমভাগলৈ ইউৰোপৰ শিল্পকলাত প্ৰতিফলিত সামাজিক-মানসিক অৱস্থিতিৰ প্ৰতি পঢ়ুৱৈৰ দৃষ্টি আকৰ্ষণ কৰিছে। একেদৰে প্ৰখ্যাত ইতিহাসবিদ এলান বুল'কে বিংশ শতিকাৰ প্ৰথমছোৱাৰ সামাজিক স্থিতিৰ বিষয়ে আলোচনা আগবঢ়াই লণ্ডনৰ ব্যস্ত জীৱন প্ৰণালী আৰু ৰাজপথৰ ছবি এখনৰ প্ৰসংগ টানি আনে। ১৯০৪ চনৰ এই চিত্ৰকলাত প্ৰতিফলিত হৈছে জীৱনকেন্দ্ৰিক বৈপৰীত্যৰ সূচক। আনহাতে, ১৯০৭ চনৰ পিকাছোৰ 'Les Demoiselles d' Avignon শীৰ্ষক ছবি এখনৰে তেওঁ যান্ত্ৰিকতাৰ মাজেৰে সলনি হোৱা জীৱনৰ প্ৰৱহমানতাক তুলি ধৰিছে। চিত্ৰশিল্পৰ মাজেৰে 'আধুনিক মন'ৰ প্ৰতিনিধিত্বমূলক ইউৰোপীয় ধাৰণাটো সলনি হয় ৰসায়ন বিজ্ঞানৰ আৱিষ্কাৰসমূহ ব্যৱহাৰ কৰিবলৈ ধৰাত। চিত্ৰশিল্পীসকলে ৰসায়ন বিজ্ঞানৰ সফলতাৰ লগত সৃষ্টি কৰ্মসমূহৰ সাযুজ্য স্থাপন কৰি সামাজিক বাস্তৱতাক পোনপটীয়াকৈ প্ৰকাশ কৰে। ঊনবিংশ শতিকাৰ শেষ দশকৰপৰা আৰম্ভ হোৱা শিল্পকলাৰ আধুনিকতাত 'মন'ৰ মুক্ত প্ৰকাশে বিংশ শতিকাৰ কেইবাটাও দশক আৱৰি ৰাখে। বিজ্ঞানৰ পৰিঘটনাবোৰৰ লগত প্ৰত্যক্ষভাৱে শিল্পীসকল জড়িত হৈ পৰাৰ কাৰণে তেওঁলোকৰ অভিব্যক্তিয়ে সুকীয়া মৰ্যাদা লাভ কৰিলে। বিশেষকৈ ফৰাচী বিপ্লৱৰ সামৰণিত কলাকেন্দ্ৰিক উচ্চ পৰ্যায়ৰ সংগ্ৰহালয়, অভিলেখাগাৰসমূহ সকলোৰে বাবে মুকলি কৰি দিয়াত শিল্পকলাৰ প্ৰকাৰতাত ব্যাপক সফলতা আহে। শ্ৰেণীভুক্ত বাণিজ্যিক ব্যৱস্থাটোৰ এক গুৰুত্বপূৰ্ণ অংগৰূপে চিত্ৰকলাই স্থান লাভ কৰাত শিল্পীসকলৰ পৰিৱৰ্তনমুখী ধাৰাটোৰ প্ৰতি সঁহাৰি আছিল অভূতপূৰ্ব। বিজ্ঞানৰ নতুন আৱিষ্কাৰৰ লগত শিল্পীৰ আধুনিক মন সংযুক্ত হৈ পৰাৰ লগে লগে সামাজিক আৰু বৌদ্ধিক দিশত পৰিৱৰ্তন সাধন হয়। ভাস্কৰ্যসুলভ সমাহাৰেৰে আধুনিক মনকেন্দ্ৰিক শিল্পকলা আন্দোলনক সজীৱ কৰি ৰাখিলে প্ৰতীতিবাদ, ঘনবাদ, দাদাবাদ, অধিবাস্তৱবাদ, অভিব্যক্তিবাদ, চিত্ৰকল্পবাদ, প্ৰতীকবাদ, ভৱিষ্যবাদ আদি ধাৰাসমূহে। একধৰণৰ বৌদ্ধিক আন্দোলনৰ মৰ্যাদা লাভ কৰা শিল্পকলাবাদ সাহিত্যৰ উপাদানৰ লগত সংযুক্ত হৈ পৰে। প্ৰথমাৱস্থাত ইউৰোপ-আমেৰিকাৰ উপন্যাস, নাটক, কবিতা, চুটিগল্প, চলচ্চিত্ৰ, সংগীত আৰু দৃশ্যকলাত স্থান লাভ কৰে। পৰৱৰ্তী সময়ছোৱাত কৃতজ্ঞতা সূচকেৰে প্ৰাচ্যৰ লেখকসকলেও 'আধুনিক মন'ৰ শিল্পকলাক আদৰি লয়।■

ফোন ঃ ৯১২৭০ ৫৮৩০৩

> আধুনিক মানেই নতুনত্ব, **সেই নতুনত্বৰ ধাৰণা পশ্চিমীয়া চিন্তা-চেতনাৰ** মাজেৰেই প্ৰৱাহিত। ইউৰোপ আৰু আমেৰিকাৰ বৌদ্ধিক **মতাদৰ্শৰ ছাঁত আধুনিক অৱধাৰণাৰ নিৰ্মাণ** সম্ভৱ হৈছিল।

# বৈভৱপূৰ্ণ জুবিন বৈভৱ



২০২৫ চনৰ ১৯ ছেপ্টেম্বৰৰ দিনটো অসম আৰু অসমীয়াৰ বাবে এক পৰম শোকৰ দিন ৰূপে চিহ্নিত হৈ ৰ'ব। কিয়নো সেই দিনটোতেই কোনেও কল্পনা কৰিব নোৱৰাকৈ চিৰদিনৰ বাবে আঁতৰি গ'ল জুবিন গাৰ্গ। জীৱনৰ মাথোঁ ৫২টা বসন্ত গৰকা জুবিন গাৰ্গৰ এনে আকস্মিক প্ৰয়াণত একপ্ৰকাৰ যেন দিশহাৰা হৈ পৰিল লাখ লাখ অনুৰাগী। ৫২টা বছৰতে নিজে এক বিশেষণ হৈ পৰা জুবিন গাৰ্গনো কোন বুলি বৰ্ণনা কৰিবলৈ আমাৰ ভাষাৰ অভাৱ। অৱশ্যে অসমীয়া মানুহক জুবিন গাৰ্গ সম্পৰ্কত নতুনকৈ ক'বলগীয়া আছেইবা কি? গান গাই লাখ লাখ লোকৰ হৃদয়ত নিগাজি স্থান লোৱা জুবিন গাৰ্গজন ঘৰৰেই ল'ৰা নহয় জানো? পিছে কেতিয়াবা প্ৰয়োজন হ'লে ঘৰৰ ল'ৰাজনৰ কথাও কাৰোবাক ক'বলগীয়া হয়। ঘৰৰ ল'ৰাজন ডাঙৰ হৈ কেনেদৰে এটা নিজস্ব পৰিচয়ৰ অধিকাৰী হ'ল, কি আছিল তাৰ পটভূমি— সেইবোৰ গোটাই পেলালে, কেতিয়াবা উপন্যাসোপম কাহিনীও হৈ পৰে।



**জিষ্ণু মেধি**

অসমীয়াৰ বাবে চকুৰ আগতে ডাঙৰ হোৱা 'ঘৰৰ ল'ৰা' জুবিন গাৰ্গৰো 'জুবিন গাৰ্গ'জন হৈ উঠা পৰিক্ৰমাটো এক উপন্যাসোপম কাহিনীয়েই। সেই কাহিনীটোকে সণ্ঢালনিকৈ কৈছে লেখক-সাংবাদিক মৃণাল কুমাৰ বৰাই। কাহিনীটোৰ নাম দিছে 'জুবিন বৈভৱ'। সঁচা অৰ্থতে বৈভৱপূৰ্ণ আছিল জুবিন গাৰ্গৰ জীৱন। জুবিন গাৰ্গৰ শৈশৱ, কৈশোৰৰ পৰা পূৰ্ণবয়স্ক সময়লৈ যিমানবোৰ কথা, কাহিনী, উপ-কাহিনী, আলাপ আছে— সেই সকলোবোৰকে একেধাৰ মালাত গঁথাৰ দৰে 'জুবিন বৈভৱ'ত গাঁঠি পেলাইছে মৃণাল কুমাৰ বৰাই। চুটি চুটি বাক্য, অথচ প্ৰতিটো বাক্যতে শিশু জুবিন, কিশোৰ জুবিন, যুৱক জুবিন, গায়ক জুবিন, অভিনেতা-নায়ক জুবিন, সৰ্বোপৰি খেয়ালী জুবিনৰ খবৰ। অতি মনোগ্ৰাহী এই লিখনশৈলী। যিহেতু গানেই জুবিন গাৰ্গৰ সৰ্বোচ্চ পৰিচয়, সেয়ে 'জুবিন বৈভৱ'ত স্বাভাৱিকভাৱেই গান আৰু গায়ক-শিল্পী জুবিন গাৰ্গৰ কথাই অধিক। অধ্যায়বোৰো জুবিন গাৰ্গৰ একো একোটা জনপ্ৰিয় গানৰ স্তৱকেৰেই নামকৰণ কৰিছে। 'জুবিন বৈভৱ'ত সেয়াও এক ব্যতিক্ৰম। গান আৰু সাংগীতিক কথাবোৰ এনেকৈ গাঁথি নিয়া হৈছে যে পঢ়ুৱৈগৰাকীয়ে প্ৰথম পৃষ্ঠাৰ পৰা অন্তিম পৃষ্ঠালৈ বিচৰণ কৰিলেই এজন 'জুবিন গাৰ্গ নিৰ্মাণ' অৰ্থাৎ Making of Zubeen Garg সম্পৰ্কত পৰিপূৰ্ণ ৰূপত অৱগত হ'ব পাৰিব। এই পৰিপূৰ্ণ জুবিন গাৰ্গজনক জানিব পাৰিলেই পঢ়ুৱৈগৰাকীয়ে (পুনৰ) অনুভৱ কৰিব পাৰিব কিয় নশ্বৰদেহৰ ৰূপত জুবিন গাৰ্গ উভতি আহোঁতে বিমানবন্দৰৰ ভিতৰতে সেই নশ্বৰদেহৰ কাষলৈ ঢাপলি মেলিছিল বিমানবন্দৰৰ সকলো কৰ্মী, কিয় বৰঝাৰৰপৰা জুবিন গাৰ্গৰ নশ্বৰদেহ লৈ আনোতে হৈছিল জনসমুদ্ৰ, সৰুসজাইত দুদিন ধৰি দিনে-নিশাই কিয় ৰৈ আছিল লাখ লাখ মানুহ, সোণাপুৰত অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত কিয় বিৰ দি বাট নোপোৱা হৈছিল!




এইজন জুবিন গাৰ্গক, অসমীয়া সংগীতৰ এক স্বকীয় ধাৰাৰ সৃষ্টি কৰা জুবিন গাৰ্গক এক জীৱন কাহিনীৰ ৰূপত চিত্ৰায়িত কৰা কঠিন কাম। তাকো লেখাৰ মাধ্যমত, ছপা আখৰৰ ৰূপত! সেয়া তাতোকৈ কঠিন। কিন্তু 'জুবিন বৈভৱ' পঢ়ুৱৈয়ে যেতিয়া পঢ়িব, তেতিয়া অনুভৱ কৰিব যে লেখক মৃণাল কুমাৰ বৰাই যেন হেলাৰঙে কৰিপেলাইছে সেই কঠিন কাম! সমগ্ৰ 'জুবিন বৈভৱ'ত নাই অকণো চৰ্বিত চৰ্বণ। নাই অযথা গৰিমামণ্ডিত কৰাৰ চেষ্টা। নাই কোনো অতিৰিক্ত বৰ্ণনাৰ ভাৰ। অথচ সুখপাঠ্য। 'জুবিন বৈভৱ' নামটোও অতি আকৰ্ষণীয়। শুৱলা। গ্ৰন্থখন প্ৰকাশ কৰোঁতে অগ্ৰণী প্ৰকাশন গোষ্ঠী বনলতাই কোনো ত্ৰুটী ৰখা নাই। আটকধনীয়া প্ৰচ্ছদ, আটকধুনীয়া ছপা বন্ধা। হাতত ল'লেই মৰম লাগি যোৱাকৈ সজোৱা হৈছে 'জুবিন বৈভৱ'। সৰ্বাংগসুন্দৰ গ্ৰন্থখনিৰ দাম মাথোঁ ১৮০ টকা। পঢ়ি বুজিব পৰা দিনৰে পৰা আমি এতিয়ালৈ কিমান কিতাপ পঢ়িছো তাৰ সঠিক হিচাপ ৰখা নাই। কিন্তু একে বহাতে পঢ়ি শেষ কৰা এইখন আমাৰ দ্বিতীয় গ্ৰন্থ বা কিতাপ। প্ৰথমখন ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে'। সঁচাকৈ জুবিন গাৰ্গৰ বৈভৱপূৰ্ণ জীৱনৰ কথাৰে সজোৱা উৎকৃষ্ট গ্ৰন্থ 'জুবিন বৈভৱ'।■

# মোৰ গানে দিব নতুন ভাষা

১ পৃষ্ঠাৰপৰা আৰু কাৰো মনত frustration, অতীতক ভাঙি আনিম নতুন revolution.' নতুন প্ৰজন্মক বিপথে পৰিচালনা কৰাটো বাদেই, তেওঁ এনে এটি পোহৰময় সত্তা আছিল, যি নতুনৰ বাবে আন্ধাৰ পথৰ জোনাক যেন আছিল। 'ইউকেলিপ্টাচ গছৰ দৰে ওখ হ'ব খোজোঁ' বুলি কোৱা এই মানুহজনৰপৰাইতো অৰ্দ্ধশতাধিক নতুনে জাতিৰ স্বাৰ্থত নিৰ্ভীক হৈ মাত মাতিবলৈ শিকিলে। কাহানিও বুঢ়া নহওঁ বুলি কোৱা চিৰনতুন শিল্পীজনে সদায় নতুনক সোঁৱৰাই থাকিল— 'সজাগ হোৱাৰ পথ চিৰ নতুন, সজাগ হোৱাৰ মন চিৰ তৰুণ, চিন্তাৰ মাজেৰে আহে জোৱাৰ'।

জুবিন গাৰ্গৰ সংগীতে বিংশ শতিকাৰ শেষৰটো দশকৰপৰা একবিংশ শতিকাৰ তৃতীয় দশকৰ মাজভাগলৈকে প্ৰায় তিনিটামান দশকৰ মানুহক একেলগে ধৰি ৰাখিছিল। সাধাৰণ গায়ক, গীতিকাৰ অথবা শিল্পী এজনৰ বাবে ইমান দীঘলীয়া সময়ৰ এখিনি মানুহক এনেদৰে ধৰি ৰাখিব পৰাটো সহজসাধ্য নাছিল। জুবিন গাৰ্গে পাৰিছিল, পাৰিছিল সুধাকণ্ঠ ভূপেন হাজৰিকায়ো। কাৰণ এনে শিল্পী অসাধাৰণ আৰু বিৰল। জুবিন গাৰ্গৰ গীতৰ কথাৰ দিশে যদি চকু ফুৰাওঁ তেতিয়া দেখিম তেওঁৰ গীতৰ কথা কেৱল গীতৰ মাজতে সীমাবদ্ধ নাছিল, হাতে-কামেও আছিল। 'মন্ত্ৰী, এম এল এ সব পাপৰ হে মাত্ৰ দেখিবলৈ খাদ্য আচলতে শব্দ' বুলি কৈ শ্ৰোতাসমাজৰ বাঃ বাঃ আদায় কৰি জাতিৰ দুৰ্দিনত পিঠি দিয়াৰ দৰে চাৰিত্ৰিক বৈশিষ্ট্য এইজনা শিল্পীৰ অসমবাসীয়ে কাহানিও দেখা নাছিল। শাসনতন্ত্ৰ যে ভুল কৰা দেখিলে সুবিধাবাদীৰ দৰে নিজ সুবিধাৰ কথা নাভাবি কথাৰে থকা-সৰকা কৰা জুবিন গাৰ্গক আমি ইমান দিনে দেখি আহিছোঁ। জুবিন গাৰ্গৰ নিৰ্ভীক আৰু সাহসী চৰিত্ৰৰ বিশ্লেষণ বেলেগকৈ দিয়াৰ কোনো প্ৰয়োজন মোৰ মতে নাই। বিভিন্ন সাক্ষাৎকাৰত নিজকে চে গুৱেভাৰা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ শিষ্য বুলি পৰিচয় দিয়া জুবিন গাৰ্গে দুৰ্দিনত সদায় আৰ্তজনৰ কাষত থিয় দিছিল। এইবোৰ কথা বেলেগকৈ কোৱাৰ প্ৰয়োজন নাই, এইবোৰ কথা অসমবাসীয়ে ইমান দিনে দেখি, শুনি, বুজি উঠা চিনাকি কথা।

সংগীতক যদি আমি মানৱজাতিৰ জীয়াই থকা এটি অন্যতম মাধ্যম হিচাপে লওঁ, তেন্তে সংগীতত আশাবাদৰ ৰেঙণি থকাটো খুবেই জৰুৰী। ভাল শিল্পকৰ্ম এটি এনে হোৱা উচিত যি কৰ্মই মানুহক নিৰাশাৰ পোছাকবোৰ খুলি আশাবাদী হ'বলৈ শিকায়। জুবিন গাৰ্গৰ গীতসমূহত আশাবাদ সদায় বৈ থকা আমি দেখি আহিছোঁ। 'জগত পোহৰ কৰি আহিব প্লাৱন, আঁতৰাব অমানিশা বধিব ৰাৱণ', 'মোৰ গানত আছে বহুতো প্ৰকাশ, পোৱা নোপোৱাৰ মনৰ জোনাক', 'পোহৰৰে চাকিগছি আমি জ্বলামে এদিন জ্বলাম, সুৰে সুৰে গীত ৰচি আমি গানেৰেই জীৱন জুৰাম', 'জুয়ে পোৱা এই ইতিহাস আজি মাথোঁ অপহাস, দুহাতেৰে সাজোঁ আহা অভিনৱ ইতিহাস, গানে গানে জেউতি শান্তিতে মুকুতি সমুখত নতুন শতাব্দী', 'প্ৰভাতী পখীৰ গীতে আজি যেন বিচাৰে কিদৰে প্ৰাণ', 'ক'লা ডাৱৰে আৱৰা ধূসৰ এই পৃথিৱীত বিচাৰিছোঁ আমি সোণালী ৰ'দ'। ইমানবোৰ আশাবাদ একেলগে! তাকো একেজন গীতিকাৰৰ সৃষ্টিত! এই আশাবাদ নতুন দিনৰ, নতুন সময়ৰ, নতুনৰ বাবেই নাছিল জানো? তাৰ পাছতো আমি এদিনাখন এসময়ত কেনেকৈ ক'ব পাৰিছিলোঁ জুবিন গাৰ্গে 'নতুন' (নৱপ্ৰজন্ম)ক পথভ্ৰষ্ট কৰিছে বুলি! এসময়ত মানুহজনক নাজানি যি ক'লো পাহৰি এতিয়া আমি নজনা জুবিন গাৰ্গক গভীৰকৈ অধ্যয়ন কৰাতো আমাৰ দায়িত্বত নপৰে জানো! 'জুবিন গাৰ্গ' নামৰ জাতীয় সত্তাটোক গভীৰকৈ জানিবলৈ তেওঁৰ গীতত আশাবাদ, গীতৰ ভাষা, গীতৰ শব্দ বাছনি, নান্দনিক সৌন্দৰ্য, অন্তৰ্দৃষ্টিৰ লগতে বিভিন্ন তাত্ত্বিক দিশেৰে জুবিন গীতৰ অধ্যয়ন হোৱাটো অধ্যয়নশীল, লেখক, গৱেষক সমাজৰ দায়িত্ব। জুবিন গাৰ্গে আমাক বহুত দিলে, এতিয়া আমি তেওঁক কি দিম?■

# হামচফৰ

## স্মৃতি, একাকীত্ব আৰু মানুহৰ আভ্যন্তৰীণ সংযোগ





**উৎপল দত্ত**


ছবিখন আৰম্ভ হয় ঘেৰঘেৰাই বাজি থকা পুৰণি ৰেডিঅ' এটাৰ ক্লোজআপ শ্বটেৰে। ৰেডিঅ'ৰ অনুষ্ঠান আৰম্ভ হোৱা নাই, কিন্তু ৰেডিঅ'টি চলি আছে। তাৰ পাছৰ লং শ্বটত এটা ঘৰ, পুৰণি। আকৌ ক্লোজআপ— নামফলক— শ্ৰী সদানন্দ ৰামচন্দ্ৰ নাগৰকাৰ। নেপথ্যত মৃদু সংগীত। সেই সংগীতৰ লগত ছন্দ মিলাই কঁপি থাকে খিৰিকীৰ পৰ্দা। বিচনাত শুই থকাৰপৰা মানুহ এজনৰ হাত এখন কম্বলৰ তলৰপৰা ওলাই আহে, ৰেডিঅ'টিত থাপ্পৰ এটা মাৰে, ৰেডিঅ'টি বাজিবলৈ আৰম্ভ কৰে। এনেদৰেই আৰম্ভ হয় অভিজিত অৰবিন্দ ডালভি পৰিচালিত মাৰাঠী চুটি কাহিনীচিত্ৰ 'হামচফৰ'। এই ছবিখনে একেলগে স্মৃতি, একাকিত্ব আৰু মানুহৰ আভ্যন্তৰীণ সংযোগৰ সূক্ষ্ম মনস্তত্ত্বৰ অন্বেষণ কৰে। দেখাত সাধাৰণ যেন লগা দৈনন্দিন জীৱনৰ এক চিনাকি বস্তুৰ মাজেৰে ডালভিয়ে মানুহৰ মনোজগতৰ কিছু জটিল অনুভূতি অতি সংযত আৰু সংবেদনশীল ৰূপত উন্মোচন কৰিছে।

ছবিখনৰ কেন্দ্ৰীয় চৰিত্ৰটি হ'ল এজন বৃদ্ধ ব্যক্তি— সদানন্দ। নামটোৰ লগত মিল থকাকৈ তেওঁ হাস্যমুখৰ; পৰিয়াল, বন্ধু আদিৰ লগত তেওঁ আনন্দ মনেৰেই সময় অতিবাহিত কৰে। তেওঁৰ অন্যতম সংগী হ'ল সেই পুৰণি ৰেডিঅ'টি। ছবিৰ আৰম্ভণিতে যাক প্ৰতিষ্ঠা কৰা হৈছে। প্ৰায় অচল হৈ পৰা এই যন্ত্ৰটি তেওঁৰ ঘনিষ্ঠ সংগী, একান্ত ব্যক্তিগত স্মৃতিৰ আধাৰ। ভাৰতীয় পাৰিবাৰিক জীৱনত, বিশেষকৈ দূৰদৰ্শনৰ আগৰ সময়ছোৱাত ৰেডিঅ' কেৱল বিনোদনৰ মাধ্যম নাছিল, ই আছিল পৰিয়ালৰ এক সৰৱ সংগী— যিয়ে খবৰ, সংগীত আৰু দৈনন্দিন অভ্যাসৰ সৈতে মানুহক সংযুক্ত ৰাখিছিল। 'হামচফৰ' ছবিখনে এই সামূহিক সাংস্কৃতিক স্মৃতিবোৰ সজীৱ কৰি তোলে।

ছবিখনৰ মূল চৰিত্ৰ সদানন্দৰ দৈনন্দিন জীৱন আৰম্ভ হয় ৰেডিঅ'ৰ স'তে আৰু বিভিন্ন অনুষ্ঠানৰ লগে লগে দিনটো আগবাঢ়ি যায়। পৰিয়ালৰ সদস্য, তেওঁৰ বন্ধু-বান্ধৱ আদিৰ স'তে আনন্দময় পৰিৱেশতেই দিন অতিবাহিত হয় আৰু এনেদৰেই পৰিচালকে তেওঁৰ 'সদানন্দ' নামটোক কাহিনীৰ লগত সাঙুৰি দিয়ে। এদিন তেওঁৰ ৰেডিঅ'টি বেয়া হয়, পৰিয়ালৰ লোকে তেওঁক এটা নতুন আধুনিক ৰেডিঅ' আনি দিয়ে, এইটোৱে তেওঁক সন্তুষ্টি প্ৰদান কৰিব নোৱাৰে। বেয়া হোৱা ৰেডিঅ'টিক পেলনীয়া সামগ্ৰীৰ দৰে বিক্ৰী কৰি দিয়া হয়। এইখিনিৰপৰাই ছবিখনে এটা মোৰ লয়। সদাহাস্যমুখৰ ব্যক্তিগৰাকী নীৰৱ আৰু আনন্দহীন হৈ পৰে। দৰ্শকে অনুভৱ কৰিব পাৰে তেওঁৰ জীৱনৰ পৰা এটা অবিচ্ছেদ্য অংগ আঁতৰি গৈছে। স্মৃতিকাতৰতাই আচ্ছন্ন কৰি ৰখা সদানন্দই দেখা পায় যে ৰহস্যময় ছায়া-পোহৰৰ মাজেৰে এগৰাকী মহিলা আগবাঢ়ি আহিছে আৰু তেওঁৰ পিনে ৰেডিঅ' এটি আগবঢ়াই দিছে। কোনো ধৰণৰ উল্লেখ নাই, অথচ বুজি পোৱা যায় যে সেইগৰাকী মহিলা তেওঁৰ পত্নী যি এতিয়া আৰু নাই। এই মুহূৰ্তটিয়ে মানুহজনৰ চৰিত্ৰ, মানসিকতা, ইচ্ছা, স্মৃতি আদিৰ একোটা নতুন স্তৰ প্ৰকাশ কৰে। ৰেডিঅ'টিৰ প্ৰতি থকা আত্মীয়তাই নতুন মাত্ৰা লাভ কৰে। আগতে গুচি যোৱা পত্নীৰ ঠাই অধিকাৰ কৰি আছিল সেই ৰেডিঅ'টিয়ে— মুহূৰ্ততে এই কথা প্ৰকাশ হয়। ৰেডিঅ'টি তেওঁৰ বাবে অকল এটা যন্ত্ৰ নাছিল, ই আছিল সকলো সময়ৰ আন্তৰিক সংগী। এই অনুভৱ কোনো সংলাপ বা ব্যাখ্যাৰ সহায়ত নহয়; বৰঞ্চ নীৰৱতা, দৃষ্টি আৰু দেহভংগীৰ জৰিয়তে প্ৰকাশ পায়। পত্নীৰ চৰিত্ৰটো চলচ্চিত্ৰখনত স্পষ্টকৈ চিনাক্ত কৰা নহয়; তথাপি তেওঁৰ উপস্থিতি গভীৰভাৱে অনুভৱযোগ্য আৰু প্ৰভাৱশীল। তেওঁ পৰ্দাত দেখা দিয়া সময়খিনিত সদানন্দৰ মুখমণ্ডলত প্ৰকাশ পোৱা সংযত অথচ তীক্ষ্ণ অনুভূতিবোৰে পৰিচালকৰ উদ্দেশ্য স্পষ্ট কৰি তোলে। এই দৃশ্যটো চলচ্চিত্ৰখনৰ অন্যতম শক্তিশালী অংশ, এইখিনিক পৰিচালক ডালভিৰ দৃশ্যভিত্তিক কাহিনী কথন দক্ষতাৰ উৎকৃষ্ট নিদৰ্শন বুলিও ক'ব পাৰি।

'হামচফৰ'ৰ চৰিত্ৰবোৰৰ মুখত কোনো সংলাপ নাই। চলচ্চিত্ৰখনত থকা কথাবোৰ হ'ল কেৱল ৰেডিঅ'ৰপৰা অহা বিভিন্ন কণ্ঠস্বৰ। এই সৃজনশীল সিদ্ধান্তই চলচ্চিত্ৰখনৰ মানসিক গভীৰতা অধিক বৃদ্ধি কৰে। স্মৃতি যেনেকৈ বহু সময়ত নীৰৱতাৰ মাজতেই হঠাৎ উদয় হয়, তেনেদৰে এই কণ্ঠস্বৰবোৰেও প্ৰৌঢ় ব্যক্তিগৰাকীৰ লগত ৰেডিঅ'ৰ সম্বন্ধটিক অধিক নিবিড় কৰি তোলে। একাকিত্বপূৰ্ণ মনোজগতখন উন্মুক্ত কৰে।

> সাধাৰণ যেন লগা এটা বস্তুৰ **মাজেৰে গভীৰ প্ৰেম, বিচ্ছেদ** আৰু স্মৰণৰ অৰ্থ সন্ধান কৰি **এই ছবিখনে প্ৰমাণ কৰে যে** সময় আগবাঢ়ি গৈ থাকিলেও **কিছুমান অনুভৱে কেতিয়াও** মানুহক এৰি নাযায়।






গৌৰৱ কুলকাৰ্ণীৰ চিত্ৰগ্ৰহণে ৰঙীন ছবিখনৰ বিভিন্ন মুড সংযত আৰু সংবেদনশীলভাৱে ধৰি ৰাখিছে। অৱশ্যে কিছু ম্লান ৰঙৰ ব্যৱহাৰে চলচ্চিত্ৰখনৰ দাৰ্শনিক সুৰ আৰু অধিক তীব্ৰ কৰি তুলিব পাৰিলেহেঁতেন বুলি ভাব হয়। ছবিখন প্ৰধানতঃ দুটা ভাগত বিভক্ত, এটা ভাগত ৰেডিঅ'টিৰ ব্যস্ত উপস্থিতি, আনটোত অনুপস্থিতি। প্ৰথম ভাগত কাহিনীৰ গতি উত্তেজনাপূৰ্ণ আৰু আনন্দমুখৰ। দ্বিতীয়ভাগৰ গতি কিছু জটিল। পৰিয়ালৰ সদস্যসকলৰ পুৰণি ৰেডিঅ'টি বিচৰাত ব্যস্ত আৰু ছবিৰ নায়ক স্মৃতিকাতৰতাত স্থৱিৰপ্ৰায়। এই দুয়োটা জটিল বিভাজনৰ কাহিনীৰ গতিক ময়ূৰ হৰদাসৰ সম্পাদনাই মসৃণভাৱে ধৰি ৰাখি কাহিনীৰ আৱেগিক ৰূপটিৰ প্ৰকাশ হোৱাত বৰঙণি আগবঢ়াইছে। শব্দ পৰিকল্পনাত আদিত্য বেদেকাৰে বিশেষ কৃতিত্ব প্ৰদৰ্শন কৰিছে। শব্দৰ ব্যৱহাৰত প্ৰদৰ্শন কৰা দক্ষতাই ৰেডিঅ'টোক প্ৰায় এক জীৱন্ত চৰিত্ৰলৈ ৰূপান্তৰ কৰিছে। অভিনেতাসকলৰ অভিনয় সংযত আৰু স্বাভাৱিক, যিয়ে কাহিনীৰ আৱেগিক ওজন স্বাভাৱিকভাৱে আগবঢ়াই নিছে। মূল চৰিত্ৰ সদানন্দ পৰিয়াল আৰু বন্ধু-বান্ধৱৰ স'তে আনন্দ-স্ফূৰ্তিৰ মাজেৰে থাকে যদিও আচলতে পত্নীক হেৰুওৱাৰ পাছত তেওঁ নিঃসংগ। ৰেডিঅ'টিয়েই তেওঁৰ সংগী আৰু সেই নিঃসংগতাক আৱৰণ দি ৰখাৰ বাবেই তেওঁ বহিৰ্মুখী ৰূপত নিজকে প্ৰকাশ কৰে। আৱেগিকভাৱে এই বহুমাত্ৰিক জটিল চৰিত্ৰটি বিজয় পাটকৰে জীৱন্ত কৰি তুলিছে।

মূলতঃ 'হামচফৰ' এখন মনত ৰাখিবলগীয়া চিনেমা, যিয়ে আমাক এই কথা মনত পেলাই দিয়ে যে স্মৃতি কেৱল অতীতৰ অংশ নহয়, ই বৰ্তমানত মানুহক সংগ দিয়া এক সক্ৰিয় শক্তি। সাধাৰণ যেন লগা এটা বস্তুৰ মাজেৰে গভীৰ প্ৰেম, বিচ্ছেদ আৰু স্মৰণৰ অৰ্থ সন্ধান কৰি এই ছবিখনে প্ৰমাণ কৰে যে সময় আগবাঢ়ি গৈ থাকিলেও কিছুমান অনুভৱে কেতিয়াও মানুহক এৰি নাযায়। আধুনিক কোলাহলৰ মাজত 'হামচফৰ'-এ স্মৃতিৰ শীতল স্পৰ্শৰ প্ৰতি মনোযোগ দিয়ে আৰু তাতেই হৃদস্পন্দন বিচাৰি পায়। ■


ফোন ঃ ৭০০২১ ৫৩৯৬৪

# পাৰ্ল এছ বাকৰ 'দ্য চাইল্ড হু নেভাৰ গ্ৰিউ'ৰ অসমীয়া ৰূপ



**দেৱিকা দত্ত**

পাৰ্ল এছ বাকৰ আত্মজীৱনীমূলক গ্ৰন্থ The Child Who Never Grew বিশ্ব সাহিত্যত মাতৃত্বৰ অন্তৰ্দ্বন্দ্ব বুজিবলৈ অত্যন্ত মূল্যৱান দলিল। Down Syndromeত আক্ৰান্ত কন্যা কেৰ'লৰ জীৱনক লৈ এগৰাকী আন্তৰ্জাতিক খ্যাতিসম্পন্ন লেখিকাৰ মনোজগতত যি দুখবোধ, দ্বন্দ্ব, অন্তৰ্দহন আৰু ধীৰ আত্মসমৰ্পণ চলিছিল, সেই সকলো অনুভৱ এই গ্ৰন্থখনত তেওঁ অত্যন্ত নীৰৱ অথচ গভীৰ শক্তিৰ সৈতে প্ৰকাশ কৰিছে। এই নীৰৱতাক, এই কোমল অথচ কণ্টকিত অনুভৱৰ পথটোক অসমীয়া ভাষালৈ সলনি কৰাটো এগৰাকী অনুবাদকৰ বাবে অতি কঠিন অভিযান। গীতালি বৰাই সেই অভিযানক উজাগৰ সংবেদনশীলতা, শৈল্পিক আৰু সংবেদনশীল ভাষা আৰু গভীৰ মনোযোগেৰে সফল কৰি তুলিছে।




বাকৰ মূল পাঠত উপশীৰ্ষক নাই। সমগ্ৰ বৰ্ণনা আত্মজৈৱনিক স্বীকাৰোক্তিৰ দৰে একে ধাৰাত প্ৰৱাহিত হৈছে। সেই অখণ্ডতা, সেই মেলানকলিক ছাঁ আৰু নীৰৱ বেদনা— ইয়াক অন্য ভাষালৈ অনুবাদ কৰোঁতে যিকোনো পৰ্যায়ত ভঙা বা খণ্ডিত হোৱাৰ সম্ভাৱনা থাকে। কিন্তু গীতালি বৰাই এই স্থানান্তৰক অতি বিচক্ষণতাৰে সামৰি লৈছে। তেওঁ মূলতঃ উপশীৰ্ষক নথকা গ্ৰন্থখনত উপশীৰ্ষক সংযোজন কৰিছে, যিয়ে কাহিনীৰ অনুভূতিৰ গতি আৰু ছন্দক ম্লান নকৰি বৰঞ্চ পাঠকৰ সহানুভূতি আৰু বেদনা উপলব্ধিৰ পথ অধিক সুগম কৰি তুলিছে। এই উপশীৰ্ষক সংযোজনৰ কাম অনুবাদকৰ নিজৰ অধ্যয়নপুষ্ট মন, সাহিত্যিক বিচাৰবোধ আৰু মূল গ্ৰন্থখনৰ অন্তৰ্ভাগলৈ নিজকে লৈ যাব পৰাৰ ক্ষমতাৰ প্ৰমাণ। উপশীৰ্ষকবোৰত কেতিয়াবা ক্ষণিক শ্বাস— বিৰতি, কেতিয়াবা স্মৃতিৰ তাগিদা, কেতিয়াবা বেদনাৰ স্ফটিকৰ দৰে স্বচ্ছ স্থিতি— এই সকলোবোৰে পাঠকক এক অতুলনীয় সুখানুভূতি প্ৰদান কৰিছে। ফলস্বৰূপে গ্ৰন্থখন অসমীয়া সাহিত্যত একেবাৰে নতুন এক অভিজ্ঞতা, অথচ মৌলিকতাৰে ভৰপূৰ।

অনুবাদ গ্ৰন্থখনৰ প্ৰথম উপশীৰ্ষক 'শীতৰ অৰণ্য এখনৰ মাজে মাজে খোজকঢ়াৰ পিছত' সন্মুখত বৈ থকা এটা বিষাদঘন কাহিনীৰ prologue হৈ পৰিছে। 'চুবুৰীয়াসকলে ফুচফুচাইছিল'— এই দ্বিতীয়টো উপশীৰ্ষকে নিঃসন্দেহে শিশু কেৰ'লক ওচৰচুবুৰীয়াই আৰম্ভ কৰা আলোচনাৰ কেন্দ্ৰবিন্দু কৰা আৰু মাতৃ পাৰ্ল এছ বাকে মুখামুখি হোৱা শোক আৰু অপ্ৰস্তুত মুহূৰ্তবোৰৰ আগজাননী দিছে। তৃতীয়টো উপশীৰ্ষক 'জন্মৰো বহু আগৰেপৰা মই মোৰ ছোৱালীজনীক ভাল পাইছিলোঁ' মমতাৰে ভৰা মাতৃহৃদয়ৰ প্ৰতীক। 'প্লামৰ কলি আৰু নীলা চকুৰ কেঁচুৱাটো'—এই চতুৰ্থ উপশীৰ্ষকে গীতালি বৰাৰ অনুবাদলৈ থলুৱা এক কাব্যিক সৌন্দৰ্য আনিছে। আনহাতে, ইয়াৰ পৰৱৰ্তী শীৰ্ষক 'হাতৰ পৰা সৰি পৰা বগা শংখৰ খোলা'ই আশাৰ যতি পৰাৰ ইংগিত দিছে। 'সত্যক অতি নিৰ্দয় শব্দৰ মাজতো সুমুৱাই ৰাখিব পাৰি', এই সপ্তম উপশীৰ্ষকটোৱে কেৰ'লৰ মাকে লগ পোৱা নিৰ্মম সত্যক দাঙি ধৰিছে। একেধৰণে 'আশাৰ শেষত আত্মাৰ ৰক্তক্ষৰণে' আশাহত মাতৃৰ বিধ্বস্ত ৰূপ এটাৰ আগলৈ পাঠকক আগুৱাই নিয়ে। এইখিনিতে প্ৰথম অধ্যায়ৰ সমাপ্তি ঘটিছে।

দ্বিতীয় অধ্যায়ৰ প্ৰথম উপশীৰ্ষক হৈছে 'এটি প্ৰতিবন্ধী শিশু মানেই এটা জখমী উদাস পৰিয়াল', যি কেৰ'ল আৰু পাৰ্ল এছ বাকৰ জীৱন কাহিনীলৈ একধৰণৰ সাৰ্বজনীন অনুভৱ **৪ পৃষ্ঠাত চাওক**



# ইলিছ



**ডঃ দীপশিখা ভাগৱতী**

'মাছটো কেনেকুৱা আছিল খাবলৈ? ভাল আছিলনে? — সিমান সোৱাদ নাছিল, মাছটো অলপ নৰম আছিল, আচলতে সৰু ইলিছৰ সোৱাদ কম'

এটি নিতান্ত মধ্যবিত্তীয় জীৱনধাৰী পৰিয়ালৰ এটি সৰু 'ঘটনা'ক লৈ, গল্পকাৰ ৰিজু হাজৰিকাৰ এটি চুটিগল্পৰ আধাৰত নিৰ্মাণ হৈছে পৰিচালক হিমজ্যোতি তালুকদাৰৰ চুটি ছবি— ইলিছ। আপাতদৃষ্টিত তেনেই গতানুগতিক এটা ঘটনা, যি প্ৰত্যেকটো মধ্যবিত্ত পৰিয়ালৰ নৈমিত্তিক জীৱনধাৰাৰ এক সঘন অংগ, যাক অলপ দুখ মনেৰে হ'লেও পৰিয়ালটিৰ গৃহস্থ বা গৃহিণীয়ে আলহী আপ্যায়নৰ ধৰ্ম বুলিয়েই ধৰি লৈ সান্ত্বনা লভে — তেনে এটি কথাই এক বিস্তৃত ৰূপেৰে, বহুস্তৰীয় মূল্যায়নেৰে উজ্জীৱিত হৈ উঠিছে ইলিছত। অসমীয়া পাগশালৰ এটি মুখ্য অংগ— মাছ। এই মৎস্যকেন্দ্ৰিক কথা এটা ছবিখনত থিয় দিছে কঠোৰ হিচাপ-নিকাচত চলিবলগীয়া হোৱা, এজন উপাৰ্জনকাৰীৰ ভাৰসাতে আৱৰ্তিত এটি সৰু পৰিয়ালৰ জমা-খৰচৰ সৈতে জড়িত calculative happinessৰ তথা ইয়াৰ সমান্তৰালকৈ এটি তুলনামূলকভাৱে অসংবেদনশীল চৰিত্ৰৰ কাৰ্যকলাপে তেনেই ধ্বংস কৰি পেলোৱা এটি সৰল হেঁপাহৰ প্ৰতীকী মেটাফৰৰ ৰূপত।

চিনাকি, প্ৰাসংগিক diegetic sound (মাছ বেপাৰীৰ চাইকেলৰ টিলিঙা, মাছ মাছকৈ চিঞৰা শব্দ) আৰু পতি (অনিৰ্বাণ চৌধুৰীৰ চৰিত্ৰত দীপজ্যোতি কাকতি) পত্নী (অপৰ্ণা দত্ত চৌধুৰী)ৰ নিতান্ত ঘৰুৱা কথোপকথনৰ শব্দৰ মাজেৰে, পৰিয়ালৰ আসন্ন বিবাহ এখনত এটা ভাল উপহাৰ দিয়াৰ হিচাপ-নিকাচত ব্যস্ত এটি দৃশ্যৰে ইলিছৰ আৰম্ভণি। বহু দিনৰ পাছত, এবিধ বিলাসী মাছৰ এখন সোৱাদভৰা আঞ্জা হেঁপাহেৰে ৰান্ধি খোৱাৰ যা-যোগাৰত পৰিয়ালটিৰ দিনটো আশা আৰু আনন্দেৰে পাৰ হয়। গৃহস্থৰ অফিচতো ইলিছকেন্দ্ৰিক আলোচনা-বিলোচনা। সন্ধিয়া পাগশালত সৰিয়হেৰে ৰন্ধা ইলিছৰ 'দামী' চৰ্বী সাজু হৈ উঠে। ল'ৰা-ছোৱালীহঁতে তৃপ্তিৰে খাই উঠাৰ ঠিক পিছতেই এক অনাহূত আলহীৰ আগমন হয়। তেওঁ অকণো সংকোচ নকৰাকৈ কেইবাটুকুৰাও মাছ উদৰস্থ কৰে। আটাইৰে খাই হোৱাৰ পাছত গৃহিণীৰ পাতত ৰয়গৈ মাথোঁ অকণমান জোল। তাৰেই সানি তেওঁ দুগৰাহ ভাত মুখলৈ নিয়ে, মুখত অলপ বেজাৰ, কাষত পানীৰ জাৰ লৈ দোষী দোষী ভাবেৰে গৃহস্থ।

পত্নীয়ে সোধে, 'মাছটো কেনেকুৱা আছিল খাবলৈ? ভাল আছিলনে?'

উত্তৰ আহে, 'সিমান সোৱাদ নাছিল, মাছটো অলপ নৰম আছিল, আচলতে সৰু ইলিছৰ সোৱাদ কম...' এয়া যে মাথোঁ পত্নীক দিয়া এক অব্যাখ্যেয় দোষবোধ জড়িত সান্ত্বনাহে, তাক দৰ্শকে সহজেই অনুধাৱন কৰি লয়। অসমীয়া মধ্যবিত্ত পৰিয়ালত আলহীক দিয়া উচ্চ আপ্যায়ন, আটাইৰে খোৱা-লোৱা শেষ হোৱাৰ পাছতহে গৃহিণীগৰাকী খাবলৈ বহা, তেওঁৰ ভাগত প্ৰায়েই মিলা শুদা, নাইবা আনে খোৱাৰ পাছত চৰু-কেৰাহীৰ তলিত 'ৰোৱা' অৱশিষ্ট— এই সকলো সঘন সংঘটিত কথাৰে হিমজ্যোতি তালুকদাৰে নিৰ্মাণ কৰি তুলিছে তেওঁৰ ন্যূনতমবাদী, সৰল অথচ যথেষ্ট চিন্তাশীল ছবিখন। ভাৰতীয় সংস্কৃতিৰ সৰলতা আৰু গতিশীলতাৰ ওপৰত গুৰুত্ব আৰোপেৰে ইলিছৰ কাহিনীভাগ আপাতদৃষ্টিত পাতলীয়া, কিন্তু আঁৰে আঁৰে এক ম্লান উত্তাপেৰে বিন্যাসিত। ই নগৰীয়া পৃথিৱীয়ে সামৰি লোৱা জীৱনধাৰণজনিত জটিলতা, বিভ্ৰান্তি আৰু সংগ্ৰাম অন্বেষণ কৰাৰ চেষ্টা নকৰে; ৰাতি খোৱাৰ পৰত আহি ওলোৱা এজন প্ৰায় অচিনাকি ব্যক্তিক বিৰক্তিৰ অনুভৱেৰে চোৱাৰ পূৰ্বানুমানমূলক ধাৰণাটো ইয়াত অনুপস্থিত, বৰঞ্চ ইয়াত গৃহিণীগৰাকীয়ে নিজে হেঁপাহেৰে ৰান্ধি-বাঢ়ি, বহুদিনৰ মূৰত খাবলৈ আশা কৰি থকা মাছৰ আঞ্জাখন নিশাৰ আলহীক খুৱাই, নিজে পৰিস্থিতিক মানি লৈ শুদা ভাত খোৱা ঘটনাটোৰ মাজেৰে ইলিছে কোমলভাৱে আমাক সেই আমাৰ চিনাকি গৃহস্থালিসমূহৰ অখণ্ডতাৰ কথা মনত পেলাই দিয়ে, যি সময়ত আতিথ্যৰ মূল্য আছিল আটাইটকৈ বেছি। ইয়াৰ সমান্তৰালকৈ মধ্যবিত্ত পৰিয়ালত এগৰাকী পত্নীৰ সবিৰাম প্ৰান্তীয় অৱস্থানটোও effortlessly প্ৰোজ্বল হৈ পৰিছে। আধুনিক মানৱ সমাজ আৰু ইয়াৰ জটিলতাসমূহৰ ওপৰত গুৰুত্ব দিয়া এক আৱেগিক, সৰল কাহিনীৰে ৰচনা কৰা ইলিছ এখন সহজভাৱে নিৰ্মিত চলচ্চিত্ৰ। ক্ল'জ শ্বট আৰু মিডিয়াম ক্ল'জ শ্বটতে মূলতঃ দৃশ্যগ্ৰহণ কৰা ছবিখনত অভিনেতা-অভিনেত্ৰীসকলৰ কুশল প্ৰদৰ্শনৰ সৈতে পাৰিবাৰিক বান্ধোনৰ এক মৰমভৰা, অনুপ্ৰেৰণামূলকভাৱে তৰংগ স্বতঃস্ফূৰ্তভাৱেই অনুভৱ কৰা হয়। ইলিছৰ অধিকাংশ ভিজুৱেলতেই এক উৎকণ্ঠাৰ স্বৰ বিদ্যমান। সংলাপ আৰু ডাইজেটিক শব্দেৰে গঠিত soundscape (শ্ৰৱণপৰিৱেশ)-এ দৈনন্দিন জীৱনৰ কোলাহল আৰু মাত্ৰাক তুলি ধৰে। পৰিস্থিতিৰ মাত্ৰা অনুসৰি এই শাব্দিক প্ৰাবল্যৰ অনুভৱ বিভ্ৰান্তিকৰো হৈ উঠে।


বগা নেটৰ কাপোৰেৰে ঢাকি থোৱা এটা সৰু টিভি, কাঠৰ সাধাৰণ ডিজাইনৰ অনুজ্জ্বল অথচ পৰিষ্কাৰ ছোফা, জীৱন বীমাৰ ৰচিদ পত্ৰ, ক্ৰম্পটনৰ সৰু ষ্টেণ্ড ফেন, পুৰণি এটা ৰেডিঅ', ভি চি ডি প্লেয়াৰ, নিপ্প' বেটেৰী, লোহাৰ কেৰাহী— এই সকলো চিনাকি মধ্যবিত্তীয় উপাদানৰ সুষম সজ্জাই সৃষ্টি কৰিছে সংহত 'Mise-en-scène' ৰ। ইয়াৰ লগতে এজন অসংবেদনশীল মানুহৰ (অতিথিৰ চৰিত্ৰত জ্যোতি ভূঞা) বিৰক্তিকৰ উপস্থিতিৰ বিপৰীতে সংযোজিত হৈছে এটি ভদ্ৰ পৰিয়ালৰ বিনয়ী উত্তাপ। ছবিখনে ইয়াৰ বিষয়বস্তুৰ দিশৰপৰা দৰ্শকক মনত পেলাই দিব পৰিচালক অশ্বিনী ধীৰৰ হাস্য-ব্যংগৰে ভৰপূৰ চলচ্চিত্ৰ 'অতিথি তুম কব যাওগে' (২০১০) লৈ।

Calculative happinessৰ সৰল ভাষাৰে, মধ্যবিত্ত পৰিয়ালৰ চিনাকি জীৱনধাৰাৰ কাহিনীৰে ইলিছ হিমজ্যোতি তালুকদাৰৰ এখন সুনিৰ্মিত, সূক্ষ্ম চুটি ছবি। ■

> সৰল ভাষাৰে, মধ্যবিত্ত পৰিয়ালৰ চিনাকি **জীৱনধাৰাৰ কাহিনীৰে ইলিছ** হিমজ্যোতি **তালুকদাৰৰ** এখন সুনিৰ্মিত, সূক্ষ্ম চুটি ছবি।











'শ্বোলে'ৰ পৰা 'ধামাল'লৈ

# কমেডী কিং আছৰানী

হেমাংগ গোস্বামী

ৰূপালী ছবিজগতত এনে কিছুমান অসামান্য প্ৰতিভাৰ অভিনেতা আছে, যিসকল নায়ক নহ'লেও বলিষ্ঠ অভিনয়েৰে মানুহক হাঁহিবলৈ আৰু কেতিয়াবা চকুলো টুকিবলৈ বাধ্য কৰায়। পৰ্দাত তেওঁলোকৰ উপস্থিতিয়ে দৰ্শকৰ অতিৰিক্ত মনোযোগ দিবলৈ বাধ্য কৰায়। তেনে এগৰাকী সুদৰ্শন যশস্বী অভিনেতা আছিল আছৰানী। নিৰ্দোষ কমিক টাইমিং আৰু বহুমুখী অভিনয়েৰে তেওঁ ভাৰতীয় চিনেমা জগতত সৰ্বস্তৰৰ দৰ্শকৰ মাজত সৰ্বকালৰ বাবে এক অবিস্মৰণীয় হৈ ৰ'ব। পোহৰৰ উৎসৱৰ মাজতে বলীউডৰ সাংস্কৃতিক জগতখনক অন্ধকাৰ কৰি চিৰবিদায় ল'লে আছৰানীয়ে। জীৱনজুৰি হাস্যমধুৰ অভিনয়ৰ মাজেৰে লক্ষ লক্ষ অনুৰাগীৰ হৃদয়ত নিগাজি স্থান ল'বলৈ সক্ষম হোৱা আছৰানীৰ মৃত্যুৱে শোক-সাগৰত পেলাই থৈ গ'ল বলীউডৰ লগতে ভাৰতীয় চলচ্চিত্ৰ উদ্যোগক। দীপাৱলীৰ দিনাই সোমবাৰে বৰ্ণাঢ্য জীৱন-নাট সামৰিলে হিন্দী ছবিজগতৰ চিৰসেউজ অভিনেতা আছৰানীয়ে। ৮৪ বছৰ বয়সত দেহাৱসান ঘটে প্ৰতিভা অভিনেতাগৰাকীৰ। বাৰ্দ্ধক্যজনিত ৰোগত দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল অভিনেতাগৰাকী। আছৰানীৰ মৃত্যুৰ লগে লগে পাঁচ দশকৰ অভিনয় জীৱন এটিৰ অন্ত পৰিল। ছবিজগতত এক মহাশূন্যতাৰ সৃষ্টি হ'ল। পাঁচ দশকৰো অধিক সময়ৰ কেৰিয়াৰ জীৱনত আছৰানীয়ে ৪০০ৰো অধিক হিন্দী আৰু গুজৰাটী ছবিত অভিনয় কৰিছিল। বিশ্বপ্ৰসিদ্ধ কমেডিয়ানগৰাকীৰ প্ৰকৃত নাম গোবৰ্দ্ধন আছৰানী। 'শ্বোলে', 'চুপকে চুপকে', 'মেৰে আপনে', 'বাৱৰ্চি', 'অভিমান', 'সৰগম', 'মালামাল ৱীকলি', 'ভুল ভুলাইয়া', 'ধামাল' আদি জনপ্ৰিয় চিনেমাবোৰত কৰা অবিস্মৰণীয় অভিনয়ৰ কথা কোনেও পাহৰিব নোৱাৰে। আন বহু অভিনেতাৰ দৰেই মুম্বাইৰ ছবিজগতখনত নায়ক হোৱাৰ অযুত সপোন লৈ অহা জয়পুৰৰ সুদৰ্শন চেহেৰাৰ সুদক্ষ অভিনেতাগৰাকীয়ে ছবিজগতত নায়কৰ আসন ল'ব নোৱাৰিলে যদিও ঘাইকৈ কমেডিয়ান অভিনেতাৰূপেই দৰ্শকৰ হৃদয়ত স্থায়ী আসন এখন অধিকাৰ কৰি ল'বলৈ সক্ষম হয়। সত্তৰৰ দশকত ৰমেশ চিপ্পীৰ 'শ্বোলে' ছবিত অমিতাভ বচ্চন, ধৰ্মেন্দ্ৰ বা আমজাদ খানৰ সৈতে অভিনয় কৰা জেইলাৰৰ চৰিত্ৰটো নিশাটোৰ ভিতৰতে জনপ্ৰিয় হৈ পৰিছিল। সেই চৰিত্ৰত তেওঁৰ সংলাপবোৰ দৰ্শকে বহুদিনলৈ মনত ৰাখিছিল। শ্বোলে (১৯৭৫) - যদিহে শ্বোলেক জয় আৰু বীৰুৰ বন্ধুত্বৰ ওপৰত নিৰ্মিত চিনেমা বুলি কোৱা হয়, তেন্তে 'অংগ্ৰেজ কে জামানে কে জেলাৰ' বুলি ক'লে আছৰানীৰ নাম ল'বই লাগিব। সেয়া আছিল নিঃসন্দেহে আছৰানীৰ অন্যতম চিনাকি চৰিত্ৰ। এই চিনেমাখনত তেওঁৰ কমিক টাইমিং আৰু এক্সপ্ৰেছিভ মুখখনে তেওঁক হিন্দী চিনেমাৰ অন্যতম স্মৰণীয় চৰিত্ৰ হিচাপে গঢ়ি তুলিছে। চুপকে চুপকে (১৯৭৫) - হৃষীকেশ মুখাৰ্জী পৰিচালিত এই ছবিখনত ধৰ্মেন্দ্ৰ, শৰ্মিলা ঠাকুৰ, জয়া বচ্চন আৰু অমিতাভ বচ্চনে মুখ্য চৰিত্ৰত অভিনয় কৰিছিল। মূল তাৰকাসকলৰ অভিনয়ৰ উপৰি কোনেও পাহৰিব নোৱাৰা এটা ধেমেলীয়া, চতুৰ চৰিত্ৰত ভুমুকি মাৰিছে আছাৰানীয়ে। তেওঁৰ সংলাপ আৰু পৰিস্থিতিগত কমেডীশৈলী আজিও সকলোচাম দৰ্শকৰ বাবে সমানে প্ৰিয়। অভিমান (১৯৭৩) - যিসকলে এই চিনেমাখন চাইছে তেওঁলোকে জানে যে অমিতাভ বচ্চন আৰু জয়া বচ্চনৰ সৈতে আছৰানীৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ আছিল। আছৰানীয়ে কিমান গুৰুত্বপূৰ্ণ অভিনয় কৰাৰ লগতে কমেডিয়ান হিচাপেও যে সুন্দৰ অভিনয় কৰিব পাৰে তাৰেই আভাস বন্দী কৰিছে এই চিনেমাখনে। ভুল ভুলাইয়া (২০০৭) - পূৰ্বপুৰুষৰ ঘৰত কৰ্মৰত মুৰাৰীৰ ৰূপত আছৰানীয়ে মনোবৈজ্ঞানিক কমেডীৰে ভৰা এই ছবিখনত এক উজ্জ্বল দৃষ্টি আকৰ্ষক চৰিত্ৰত অভিনয় কৰিছিল। নামী-দামী ছুপাৰষ্টাৰৰ কাষত তেওঁৰ উপস্থিতিয়ে কমেডীত তেওঁৰ প্ৰাসংগিকতা কোনোগুণে কম নহয় তাকেই প্ৰতীয়মান কৰি তোলে। ধামাল (২০০৭) আৰু হেৰা ফেৰী (২০০০) - এই দুয়োখন চিনেমাতে আছৰানীৰ অসাধাৰণ কমিক টাইমিঙে দৰ্শকক প্ৰাণখুলি হাঁহিবলৈ বাধ্য কৰায়।

গুণী অভিনেতা আছৰানী আৰু আমাৰ মাজত নাই, কিন্তু প্ৰজন্মৰ পাছত প্ৰজন্মৰ বাবে তেওঁ আদৰ্শ আৰু প্ৰেৰণা হৈ ৰ'ব। ছবিসমূহৰ অনবদ্য চৰিত্ৰসমূহেই আছৰানীক চিৰস্মৰণীয় কৰি ৰাখিব।

কমিক টাইমিং আৰু অভিনয়ৰ বাবে পৰিচিত ভাৰতীয় চিনেমাৰ সকলো স্তৰৰ দৰ্শকৰ বাবে এখন জনপ্ৰিয় মুখ। ১৯৪১ চনৰ ১ জানুৱাৰীত জন্মগ্ৰহণ কৰা ৰাজস্থানৰ জয়পুৰৰ বাসিন্দা গোবৰ্দ্ধন আছৰানী। জয়পুৰৰ ছেইণ্ট জেভিয়াৰ স্কুলত অধ্যয়ন কৰিছিল আছৰানীয়ে। পঢ়া-শুনা অথবা ব্যৱসায়ৰ প্ৰতি বিশেষ কোনো আগ্ৰহ নাছিল। ৰাজস্থান মহাবিদ্যালয়ত অধ্যয়ন কৰা সময়ত কণ্ঠশিল্পী হিচাপে ভুমুকি মাৰিছিল। পিছলৈ ষাঠিৰ দশকত চিনেমাৰ প্ৰতি থকা অগাধ প্ৰেমৰ বাবে তেওঁ মুম্বাইলৈ যায়। ১৯৬৪ চনত আছৰানীয়ে পুণেৰ ফিল্ম ইনষ্টিটিউটত যোগদান কৰে আৰু ১৯৬৬ চনত স্নাতক পাঠ্যক্ৰম সমাপ্ত কৰে। ১৯৬৭ চনত 'হৰে কাঁচ কি চুড়িয়া' ছবিত অভিনেতা বিশ্বজিতৰ বন্ধুৰ চৰিত্ৰত অভিনয় কৰি হিন্দী ছবিত অভিষেক ঘটায়। বাকী সকলো ইতিহাস। প্ৰায় পাঁচ দশক ধৰি বলীউডত দপদপাই আছিল আছৰানীয়ে। এটা সময় আছিল যেতিয়া তেওঁ কমেডী চৰিত্ৰৰ সমাৰ্থক হৈ পৰিছিল। আছৰানীৰ কমেডী বুলিলেই বলিয়া হৈছিল দৰ্শক। দশক দশক ধৰি হিন্দী চিনেমাত অনবদ্য ভূমিকা পালন কৰি দৰ্শকৰ হৃদয়ত এক বিশেষ স্থান দখল কৰিছিল। তেওঁৰ মৃত্যুৰ বাতৰিয়ে দেশৰ চলচ্চিত্ৰ উদ্যোগ আৰু অনুৰাগীসকলক স্তম্ভিত কৰি তুলিছে। বিগত কেইবাটাও দশকত গোবৰ্দ্ধন আছৰানীয়ে হিন্দী চিনেমাক বহু স্মৰণীয় চৰিত্ৰ প্ৰদান কৰিছে। ৫০ বছৰীয়া কেৰিয়াৰ জীৱনৰ সৰ্বোত্তম সময় আছিল ১৯৭০ চন। সেই সময়ত তেওঁ আটাইতকৈ বক্স অফিচ হিট ছবিৰ জনপ্ৰিয় ভূমিকাত আছিল। অভিনয়ৰ উপৰি আছৰানীয়ে কেইবাখনো ছবিৰ পৰিচালনা আৰু কাহিনীও ৰচনাও কৰিছিল। আছৰানীৰ পত্নী মঞ্জু বানছাল স্বামীৰ সফলতাৰ অন্যতম আঁৰৰ মানুহ। আছৰানীৰ দীৰ্ঘদিনীয়া সহযোগী বাবুভাই থিবাই প্ৰায় দুটা দশক আছৰানীৰ লগত মেনেজাৰ হিচাপে কটায়। জনপ্ৰিয় অভিনেতা আছৰানী ব্যক্তি হিচাপে কেনে আছিল আৰু অমিতাভ বচ্চনৰ সৈতে তেওঁৰ সম্পৰ্ক কেনেকুৱা আছিল সকলো কথাকেই মনলৈ আহিছে বাবুৰ। প্ৰথম অৱস্থাত মিষ্টাৰ যোশী আছৰানীৰ মেনেজাৰ আছিল। সেই সময়ত বাবুভাই আৰু আছৰানীৰ লগত কামৰ যোগেদি চিনাকি হৈছিল। বাবুৰ মুখেৰে শুনক— যোশীৰ মৃত্যুৰ পাছত ছাৰে মোক কৈছিল, এতিয়া তুমি মোৰ যত্ন লোৱা। কাৰণ আমি বহুদিনৰ চিনাকি। তাৰ পৰাই আমাৰ যাত্ৰা আৰম্ভ হ'ল। আছৰানী আছিল এজন অতি দায়িত্বশীল ব্যক্তি। তেওঁ আছিল অতি সৎ স্বভাৱৰ। তেওঁ অভিনেতা হিচাপে মহান আছিল, কিন্তু ব্যক্তিগতভাৱেও অতি নম্ৰ আৰু ভদ্ৰ আছিল। তেওঁ কেতিয়াও কাৰো লগত কাজিয়া কৰা নাছিল। তেওঁ সকলোৰে লগত মিলি যাব পাৰিছিল।

মই ৪০ বছৰ ধৰি উদ্যোগটোত আছোঁ। আন বহু তাৰকাৰো বিজনেছ মেনেজাৰ আছিলোঁ। শ্বুটিং ছেটত প্ৰায়ে আছৰানীক লগ পাইছিলোঁ। তেওঁৰ লগত কাম কৰাৰ আগতেই আমি ইজনে সিজনক চিনি পাইছিলোঁ। তেওঁৰ জীৱনশৈলী বৰ সহজ-সৰল আছিল। পুৱা শুই উঠি খোজ কাঢ়িবলৈ গৈছিল, যোগাসন কৰিছিল। তাৰ পিছত কামৰ বাবে ওলাই গৈছিল। শ্বুটিং ছেটত দেৰিকৈ উপস্থিত হোৱাটো ভাল নেপাইছিল। সদায় সময়ত উপস্থিত হৈছিল। ক'ৰবাত দেৰি হোৱাৰ সম্ভাৱনা থাকিলে আগতীয়াকৈ প্ৰযোজকক জনাইছিল। নিয়মৰ মাজেৰে চলিবলৈ তেওঁ ভাল পাইছিল। সদায় শিকিবলৈ হেঁপাহ আছিল। তিনি শতাধিক ছবিত অভিনয় কৰা আছৰাণীয়ে জীৱনৰ অপৰাহ্নতো অনুভৱ কৰিছিল চলচ্চিত্ৰ জগতত প্ৰতিদিনে কিবা নহয় কিবা এটা শিকিবলগীয়া আছে। সহকৰ্মীসকলৰ কাম-কাজ চাই তাৰ পৰাও শিকিব বিচাৰিছিল। আজিকালি শ্বট এটা হ'লে অভিনেতাজন ভ্যান বা ৰুমলৈ যায়। আছৰানী তেনেকুৱা নাছিল। ছেটত বহি আন তাৰকাৰ শ্বট চাইছিল। আছৰানীয়ে কৈছিল, শ্বটৰ আগত আৰু পিছত শ্বুট কৰা দৃশ্যবোৰত অভিনেতা-অভিনেত্ৰীসকলে কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে চাব লাগিব। শ্বট নাথাকিলেও মই মোৰ সহ-অভিনেতাসকলৰ কাম অধ্যয়ন কৰিব লাগিব। সেইটো বুজি লৈহে মই নিজকে প্ৰস্তুত কৰিম। আছৰানীয়ে কেতিয়াও ছেটৰ পৰা বহু দূৰলৈ যোৱা নাছিল। শ্বুটিং ছেটত তেওঁ স্পট বয়ৰ পৰা আৰম্ভ কৰি তাৰকালৈকে সকলোৰে লগত আনন্দময় আৰু বন্ধুত্বপূৰ্ণভাৱে সময় কটাবলৈ ভাল পাইছিল। দৈনন্দিন জীৱনতো আছৰানী ছাৰ আছিল অতি ধেমেলীয়া মানুহ। তেওঁ ইমান ধেমেলীয়াকৈ কথাবোৰ ক'ব যে কোনেও হাঁহি ৰখাবই নোৱাৰে। যেতিয়াই কোনো অনুষ্ঠানলৈ গৈছিল তেতিয়াই তেওঁৰ স্বভাৱসিদ্ধ ৰসিকতাৰ যাদুৰে দৰ্শকক মোহিত কৰিছিল। তেওঁৰ আছিল অসাধাৰণ হাস্যৰস। সৰু সৰু কথাবোৰতে ধেমেলীয়া কথা কৈ দৰ্শকক হাঁহিবলৈ বাধ্য কৰাইছিল। এটা আমোদজনক কাহিনীৰ বিষয়ে থিবাই কয়— অমিতাভ বচ্চনে মুম্বাইৰ ফিল্ম চিটিত 'কৌন বনেগা কৌৰপতি'ৰ শ্বুটিং কৰি আছিল। আছৰানীয়েও তাত এখন ছবিৰ শ্বুটিং কৰিছিল। ছেটটো ওখ ঠাইত স্থাপন কৰা হৈছিল। টেকনিচিয়ান আৰু আন আন শিল্পীসকলে ওপৰলৈ খোজ কাঢ়ি গৈ আছিল। সেই সময়ত অমিতাভ বচ্চনৰ গাড়ীখনো সেইফালেৰে গৈ আছিল। আছৰানীক দেখি তেওঁ নামি আহি গাড়ীত বহিবলৈ অনুৰোধ জনায়। শ্বুটিং ছেটটো ওখ ঠাইত আছে সেয়ে তেওঁক তাত নমাই দিব। এই কথা শুনি আছৰানীয়ে অমিতাভক মিচিকিয়া হাঁহিটিৰে কয়, 'হেৰা, তুমি এজন ছুপাৰষ্টাৰ। আৰু আমি হ'লো চৰিত্ৰ অভিনেতা। মোৰ খোজ কঢ়াৰ অভ্যাস আছে। মই যাব পাৰিম।' অৰ্থাৎ অমিতাভৰ দৰে ছুপাৰষ্টাৰৰ প্ৰস্তাৱ একে আষাৰতে নাকচ কৰি দিলে। আজিকালি এনে কাম কোনে কৰিব? সুযোগৰ সুবিধা ল'বলৈ সকলোৱে সাজু, কিন্তু আছৰানী তেনেকুৱা নাছিল।

কোনো বঁটা প্ৰদান অনুষ্ঠানলৈ যোৱা নাছিল আছৰানী। কোনো পাৰ্টীলৈ যোৱা নাছিল। সেইটোৱেই আছিল তেওঁৰ ব্যতিক্ৰমী স্বভাৱ। মেনেজাৰে তেওঁক বহুবাৰ কৈছিল, আপুনি যিখিনি কৰিছে তাৰ বাবে বঁটা পাব লাগে। তেওঁ কৈছিল, 'এই সকলোবোৰ কথা বাদ দিয়া। আমি কাম কৰি থাকিব লাগিব। দৰ্শকে মোৰ কাম ভাল পায়। মানুহে মোক ফোন কৰে, ইভেণ্ট-চিনেমাৰ বাবে ফোন আহে। গতিকে মই কিয় দুখী হওঁ? দৰ্শকৰ মৰম মোৰ বাবে এটা ডাঙৰ সন্মান। ছবিৰ অনুষ্ঠানত বঁটা পাওঁ বা নাপাওঁ, সেইটো ডাঙৰ কথা নহয়....।' গতিকে এই বিষয়টোৰ ওপৰত তেওঁ বিশেষ একো নাভাবিলে। দৰ্শকে তেওঁক কিমান ভাল পায় অথচ উদ্যোগটোত তেওঁ প্ৰাপ্য সন্মান নাপালে। দৰ্শকৰ মৰমেই আছিল তেওঁৰ বাবে আটাইতকৈ উল্লেখযোগ্য বঁটা সন্মান। অভিনেতাজনে ঘৰতে ৰন্ধা খাদ্য খাই ভাল পাইছিল। আজিৰ ষ্টাৰৰ দৰে হোটেলৰ পৰা অনা খাদ্য বা বিশেষ খাদ্য তেওঁ কেতিয়াও অনা নাছিল। শ্বুটিং ছেটত অহা খাদ্যখিনিকে তেওঁ ৰংমনে খাইছিল। তেওঁ কোনো হাই প্ৰ'ফাইল মনোভাৱৰ লোক নাছিল। ছবিত তেওঁ লোৱা পাৰিতোষিক বহুত কম আছিল। তেওঁ দাবী নকৰিছিল। যি দিছিল তাকেই লৈছিল। তেওঁৰ মতে প্ৰযোজকে সাধ্যানুসাৰে দিব পৰা পাৰিতোষিকহে বিচাৰিব লাগে। সেইখিনি বাজেটত থাকিব লাগিব। মোৰ পাৰিতোষিক বৃদ্ধি কৰা উচিত নহয়। বঢ়াব লগা হ'লে অলপ অলপকৈ বঢ়াব, যাতে প্ৰযোজকৰ কোনো সমস্যা নহয়। তেওঁ কেতিয়াও কোনোধৰণৰ পাৰিশ্ৰমিক বৃদ্ধিৰ দাবী নজনালে। তেওঁ আছিল অতি ডাউন টু আৰ্থ ব্যক্তি।

পৰিচালক প্ৰিয়াদৰ্শনৰ 'ভূতবাংলা'ৰ শ্বুটিং সম্পূৰ্ণ কৰিছে আছৰানীয়ে। এই চিনেমাখনতো অক্ষয় কুমাৰৰ সৈতে কাম কৰিছিল। অক্ষয়ৰ সৈতে 'হাৱন' চিনেমাৰ শ্বুটিং সম্পূৰ্ণ হোৱা নাই। এইখনেই আছিল আছৰানীৰ জীৱনৰ অন্তিমখন চিনেমা। তেওঁ টেলিভিছন ধাৰাবাহিক 'সংস্কাৰ'তো কাম কৰাৰ কথা আছিল। কিন্তু হঠাতে অসুস্থ হৈ পৰাৰ পাছত সেই ধাৰাবাহিকখনৰ শ্বুটিং বাতিল কৰা হয়। গুণী অভিনেতা আছৰানী আৰু আমাৰ মাজত নাই, কিন্তু প্ৰজন্মৰ পাছত প্ৰজন্মৰ বাবে তেওঁ আদৰ্শ আৰু প্ৰেৰণা হৈ ৰ'ব। ছবিসমূহৰ অনবদ্য চৰিত্ৰসমূহেই আছৰানীক চিৰস্মৰণীয় কৰি ৰাখিব। ■

ফোন ঃ ৭০০২৬৯৭১৬২





# পাৰ্ল এছ বাকৰ 'দ্য চাইল্ড হু নেভাৰ গ্ৰিউ'ৰ অসমীয়া ৰূপ

৩ পৃষ্ঠাৰপৰা লৈ আনিছে। ইয়াৰ ঠিক পিছৰ উপশীৰ্ষকেও 'এবাৰ মই এই কথা ভাবি অন্তৰতে কান্দি উঠিছিলোঁ যে মোৰ ছোৱালীজনী মৰিলেই ভাল আছিল'—সেই একেই অনুভৱ লৈ আহিছে যে এয়া আৰু আন বহুতৰো কাহিনী। 'অনিবাৰ্য যাতনা যেন পানীৰ সোঁতলৈ প্ৰক্ষেপিত এটি শিল' 'সন্তানৰ ভৱিষ্যত লৈ শোকগ্ৰস্তা মাতৃৰ এক মেটাফ'ৰ। হতাশাক লৈ পিছৰটো উপশীৰ্ষকেও এক অন্ধকাৰ পৰিস্থিতিৰ মাজলৈ পাঠকক লৈ যায়। 'কেৰ'লৰ পৰা মোৰ পৰা দূৰৈত আন এখন পৃথিৱীৰ সন্ধান' নামৰ উপশীৰ্ষকৰ মাজেৰে অনুবাদক গীতালি বৰাই মাতৃ পাৰ্ল এছ বাকৰ আশাৰে ভৰা সংগ্ৰামৰ এক নতুন অধ্যায়লৈ পাঠকক আগবঢ়াই নিছে। এইদৰে প্ৰতেকটো উপশীৰ্ষকৰ জৰিয়তে তেওঁ prologueৰ দৰে পাঠকক মাক আৰু কেৰ'লৰ সংগ্ৰামখনৰ প্ৰতিটো স্তৰ আৰু আলিদোমোজাৰ তীক্ষ্ণ নেৰেটিভ নিৰ্মাণ কৰিছে। অনুবাদ গ্ৰন্থখনৰ শেষৰটো উপশীৰ্ষক 'আশা একধৰণৰ সান্ত্বনা'ৰ মাজত আমি বিচাৰি পাওঁ নিজৰ সন্তানক সুস্থ হোৱাৰ আকুল মিনতিৰে ভৰা মাকবোৰৰ প্ৰতিচ্ছবি। নিজৰ বলিষ্ঠ প্ৰকাশভংগীৰ মাজেৰে এইদৰে গীতালি বৰাই প্ৰতিটো উপশীৰ্ষকক মেটাফ'ৰিক সৌন্দৰ্যৰে জীপাল কৰি তুলিছে।

গীতালি বৰাৰ অনুবাদৰ মুখ্য শক্তি হৈছে ভাষাৰ সংবেদনশীল ব্যঞ্জনা। বাকৰ ভাষাৰ বৈশিষ্ট্য হৈছে নীৰৱতা-ক্ৰন্দন আৰু উচ্ছ্বাসেৰে ভৰা নহয়; ই শান্ত, স্থিৰ আৰু গভীৰ ব্যক্তিগত এক স্বীকাৰোক্তি। এই মুহূৰ্তবোৰক অলংকাৰহীন, সৰল, অথচ হৃদয় ব্যাপি থকা শব্দবোৰে শাশ্বত কৰি তুলিছে। গীতালি বৰাই এই সত্য গভীৰভাৱে উপলব্ধি কৰিছে। তেওঁ মেদযুক্ত 'সৃষ্টি শব্দ ব্যৱহাৰ নকৰি, স্বতন্ত্ৰ অসমীয়া ধ্বনিত এক নম্ৰ, নিঃশব্দ, কিন্তু দুচকুক আৰ্দ্ৰ কৰি তুলিব পৰা অনুভূতিৰ ভৰা পৰিৱেশ সৃষ্টি কৰিছে। অসহায় মাতৃত্বৰ যন্ত্ৰণা, গোপন দোষবোধ, ডাক্তৰৰ পৰা সমাজলৈকে এক ধৰণৰ আতংক, এক সক্ষম আৰু সুস্থ সন্তানেৰে ভৰা এটা সাধাৰণ জীৱনৰ স্বপ্ন পূৰণ কৰিব নোৱাৰাৰ গভীৰ ব্যথা— এই সকলো দিশ তেওঁ অনুবাদত অত্যন্ত সাৱধানতাৰে নীৰৱ, স্পষ্ট, কোমল শব্দৰ ভাৱ আৰু থমকি থমকি আগবঢ়া বৰ্ণনাৰে সজীৱ কৰি তুলিছে।

গীতালি বৰাৰ অনুবাদত মাতৃত্বৰ সংবেদনশীলতা কেৱল অনুভৱৰ বৰ্ণনা নহয়, ই মূল লেখিকাৰ মাজত অহৰহ চলি থকা আত্মগ্লানিৰ জুইকুৰাও পাঠকৰ আগলৈ লৈ আহিছে।। মূল গ্ৰন্থৰ কেইবাঠাইতো পাৰ্ল এছ বাকে নিজৰ ভুল ধাৰণাৰ কথা স্বীকাৰ কৰিছে— ছোৱালীজনী এদিন 'স্বাভাৱিক' হ'ব বুলি অযৌক্তিক আশাবাদ, সমাজৰ দৃষ্টিৰ পৰা তাইক লুকাই ৰাখিবলৈ চেষ্টাৰ পিছফালে লুকাই থকা দোষবোধ, আৰু শেষত তাইৰ বয়স ডাঙৰ হোৱাত দেখাতকৈ বেছি বুজিবলৈ চেষ্টা কৰা এক ভয়ানক বাস্তৱতাৰ বোধ। এইবোৰ অনুভৱ কেৱল মাতৃত্বৰ ব্যক্তিগত দলিল নহয়; এয়া বহুত মাক আৰু দেউতাকে অৱচেতন মনত বহন কৰা বেদনা আৰু যন্ত্ৰণাৰ প্ৰতিলিপি। অসমীয়া ভাষাত এই অনুভৱক মূৰ্ত কৰি প্ৰকাশ কৰিবলৈ অনুবাদকৰ মেধা আৰু মন দুয়োটাই সমানভাৱে লাগে। গীতালি বৰাই এনে কঠিন মানসিক অৱস্থাবোৰক সঠিক শব্দৰে, সঠিক নিৰৱতাৰে — য'ত শব্দৰো এটা সীমা থাকে, অংকণ কৰিছে।

তেওঁ সেই সীমাবোৰক মানি লৈ বেদনাৰ ভাষাক গভীৰৰ পৰা গভীৰতম কৰিছে। অনুবাদৰ আন এটা মহত্বপূৰ্ণ শক্তি হৈছে সাংস্কৃতিক অনুকম্পাৰ সহাৱস্থান। বাকৰ অভিজ্ঞতা আমেৰিকান সমাজ ব্যৱস্থা, চিকিৎসা প্ৰণালী আৰু সামাজিক মূল্যবোধৰ মাজেৰে গঢ় লৈ উঠিছে। অসমীয়া পাঠক সেইখন সমাজৰ পৰা বহু দূৰত। কিন্তু মাতৃত্ব, সন্তানৰ অনিশ্চিত ভৱিষ্যতৰ ভয়, সমাজৰ সৰু-ডাঙৰ মন্তব্যই দিয়া যন্ত্ৰণা—এইবোৰ সম্পূৰ্ণ বিশ্বজনীন। গীতালি বৰাই ভাষাৰ অনবদ্য শৈলীৰে সেই দূৰত্ব নোহোৱা কৰিছে। পাঠকে সহজেই মাক আৰু সন্তানৰ মাজৰ শক্তিশালী আৰু সংবেদনশীল সম্পৰ্কৰ ভিতৰলৈ প্ৰৱেশ কৰিব পাৰে। নিজৰ মৌলিক সুতীব্ৰ আৰু সাৱলীল নেৰেটিভেৰে তেওঁ পাৰ্ল এছ বাকৰ গ্ৰন্থখনৰ অনুবাদলৈ এক অভিনৱত্ব আনিছে।

গীতালি বৰাৰ উপশীৰ্ষক সংযোজনৰ সিদ্ধান্তটোৱে গ্ৰন্থখনৰ অনুবাদ অধিক শক্তিশালী কৰিছে। প্ৰতিটো অংশ যেন অনুভৱৰ একোটা স্তৰ। কোনো ভাগত আশা, কোনো ভাগত অনিশ্চয়তা, কোনো ভাগত নিৰুপায় আত্মসমৰ্পণ। এই ভাগবোৰে পাঠকক বেদনাবিধুৰ এগৰাকী মাতৃক গভীৰ বোধেৰে উপলব্ধি কৰাত সহায় কৰে। উপশীৰ্ষককেইটা মূল পাঠৰ অভিযোজনহে— গ্ৰন্থখনৰ মৌলিকতাক অটুট ৰখাত সহায়হে কৰিছে; ই যেন পাঠকক হাতত ধৰি হাঁহি-কান্দোনৰ সেই অন্তৰ্যাত্ৰালৈ লৈ যোৱাৰ এটা সমান্তৰাল পথ।

অনুবাদ আমাৰ বাবে কেৱল ভাষান্তৰ নহয়; ই আন এক মানসিক আৰু প্ৰক্ৰিয়া, য'ত অনুবাদকৰ উপস্থিতি মূল লেখকৰ সৃষ্টিত মানি ল'ব লাগিব, কিন্তু একে সময়তে তেওঁ মৌলিকতা ৰক্ষা কৰি নিজৰ সাহিত্যিক শৈলীকো পাঠকক অনুভৱ কৰাব লাগিব। The Child Who Never Grew গ্ৰন্থখনিৰ অনুবাদত গীতালি বৰাই এই দুয়ো দিশ একেবাৰে সঠিক সমন্বয়ৰে আগুৱাই নিছে। অসমীয়া পাঠকৰ বাবে গ্ৰন্থখন কেৱল এগৰাকী মাতৃৰ কাহিনী নহয়; ই মানৱীয়তাৰ এক নিবিড় পাঠ, বেদনাৰ মাজতো আশাৰ তৰংগ আৰু মাতৃগৰাকীয়ে বাছি লোৱা সংগ্ৰামক বুজিবলৈ আৰু অনুভৱ কৰিবলৈ সহায় কৰা এক মনস্তাত্বিক দলিল।

পাৰ্ল এছ বাকৰ মূল সৃষ্টিৰ সৌন্দৰ্য ৰক্ষা কৰি গীতালি বৰাই যি সজীৱ আৰু মৰ্মস্পৰ্শী অসমীয়া ৰূপ দিছে, ই অনুবাদ সাহিত্যৰ ক্ষেত্ৰত অসমীয়া ভাষালৈ উল্লেখযোগ্য অৱদান। উপশীৰ্ষক সংযোজনৰ সুকৌশল, ভাষাৰ সংযম, বেদনা আৰু যাতনাৰ বৰ্ণনাৰ স্বাভাৱিকতা আৰু অনুভৱৰ অন্তৰ্যাত্ৰাক নীৰৱ ভাষাত প্ৰকাশ কৰাৰ কৌশল— এই সকলো মিলি এই অনুবাদ গ্ৰন্থখনক কেৱল 'ভাষান্তৰ' নহয়, এক সাহিত্যিক সৃষ্টিলৈ পৰিণত কৰিছে। এই গ্ৰন্থখনে নিঃসন্দেহে অসমীয়া পাঠকৰ হৃদয়ত বিশেষ স্থান ল'ব, আৰু অনুবাদকৰ সংবেদনশীল সাহিত্য শৈলী আৰু নেৰেটিভৰ সাক্ষ্য হিচাপে দীঘলীয়া দিনলৈ স্মৰণীয় হৈ থাকিব। ■

# ৰামানুজন

১ পৃষ্ঠাৰপৰা গণিত সংস্থা'ৰ আলোচনীত তেওঁৰ প্ৰথম গৱেষণা নিবন্ধ প্ৰকাশ পাইছিল। শুভাকাংক্ষীসকলে তেওঁক জি এইচ হাৰ্ডি নামৰ ইংলেণ্ডৰ এগৰাকী বিখ্যাত গণিতজ্ঞৰ লগত যোগাযোগ কৰিবলৈ উপদেশ দিছিল। সেইমতে তেওঁ হাৰ্ডিলৈ এখন চিঠি লিখিছিল আৰু নিজৰ গাণিতিক দক্ষতাৰ পৰিচয় হিচাপে তেওঁ কৰা প্ৰায় ছকুৰি গাণিতিক সমস্যাৰ সমাধানো লগতে পঠিয়াই দিছিল। ১৯১৩ চনৰ ১৬ জানুৱাৰীত হাৰ্ডিলৈ লিখা ৰামানুজনৰ চিঠিখন এনেধৰণৰ—

**শ্ৰদ্ধেয় মহোদয়,**

সনিৰ্বন্ধে মই আপোনাক মোৰ পৰিচয় দিব খুজিছোঁ। মই মাদ্ৰাজ বন্দৰ ন্যাসৰ কাৰ্যালয়ত গণনা বিভাগৰ এজন কেৰাণী হিচাপে কাম কৰোঁ। .... মোৰ বিশ্ববিদ্যালয় পৰ্যায়ৰ একো শিক্ষা নাই, কিন্তু সাধাৰণ স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিলোঁ। স্কুল এৰাৰ পাছৰ পৰা মোৰ আজৰি সময়খিনিত মই গণিতৰ চৰ্চা কৰি আছোঁ। মই বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত শিকোৱাৰ দৰে প্ৰচলিত পদ্ধতি অনুসৰণ কৰা নাই, মই নিজেই এটা পথ ঠিক কৰি লৈছোঁ।....

মই এই চিঠিৰ লগত সংলগ্ন কাগজ-পত্ৰবোৰ আপোনাক পঢ়ি চাবলৈ অনুৰোধ কৰিব খোজোঁ।...

একান্তভাৱে আপোনাৰ
**শ্ৰীনিবাস ৰামানুজন**

'এজন অখ্যাত ভাৰতীয় কেৰাণীৰ চিঠি' নামেৰে পৰিচিত এই চিঠি আৰু তাৰ সৈতে সংলগ্ন গাণিতিক উপপাদ্যবোৰ চাই হাৰ্ডি অভিভূত হৈ পৰিল। হাৰ্ডিয়ে পাছত লিখিছিল, "যিবোৰ সমস্যা সমাধান কৰিবলৈ ইউৰোপৰ গণিতজ্ঞসকলৰ এটা শতিকা লাগিছিল, সেইবিলাক সমাধান ৰামানুজনে কেনেকৈ ভাবি উলিয়াছিল, সি পৰম বিস্ময়কৰ বিষয়।" কেম্‌ব্ৰিজলৈ গৈ ৰামানুজনে হাৰ্ডিৰ অধীনত গণিতৰ বিভিন্ন শাখাবোৰ প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰিবলৈ ধৰিছিল। ৰামানুজনৰ গৱেষণাৰ বিষয় আছিল 'সংখ্যা তত্ব'। এটা অখণ্ড সংখ্যাক দুটা সৰু সৰু অখণ্ড সংখ্যাৰ যোগফল হিচাপে কিমান ধৰণে প্ৰকাশ কৰিব পাৰি— সেইটোৱেই গণিতলৈ তেওঁৰ সৰ্বোৎকৃষ্ট অৱদান বুলি ধৰা হয়। ৰামানুজনৰ প্ৰতিভাৰ স্বীকৃতিস্বৰূপে ইংলেণ্ডৰ 'ৰয়েল ছ'চাইটী'য়ে ১৯১৮ চনত তেওঁক সভ্যপদ যাঁচে। তেওঁ ছ'চাইটীৰ দ্বিতীয় ভাৰতীয় সভ্য। সেই সময়ত যথেষ্ট কম বয়সতে বিয়া-বাৰু পতাৰ নিয়ম আছিল। ১৯০৯ চনত ২২ বছৰ বয়সত তেওঁ ৯ বছৰীয়া জানকীৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল।

বিলাতৰ দৰে ঠাণ্ডা দেশত তেওঁ কঠোৰ ধৰ্মীয় নীতি-নিয়মৰ মাজত থকা বাবে ১৯১৭ চনত যক্ষ্মাত আক্ৰান্ত হৈছিল। তেওঁৰ দৰে সাত্বিক মানুহৰ বিলাতত চিকিৎসা কৰোৱাও টান হৈ পৰিছিল। উপায় নাপাই কেম্‌ব্ৰিজৰ কৰ্তৃপক্ষই তেওঁক ভাৰতলৈ পঠিয়াই দিয়ে। কিন্তু তেওঁ সৰহ কাল বাছি নাথাকিল। ১৯২০ চনত পঁচিছ এপ্ৰিলৰ দিনা মাত্ৰ তেত্ৰিছ বছৰ বয়সত এই মহান সন্তানগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। এইগৰাকী মহান গণিতজ্ঞৰ জন্মদিন ২২ ডিচেম্বৰ তাৰিখটোক ভাৰতীয়সকলে 'ৰাষ্ট্ৰীয় গণিত দিৱস' ৰূপে পালন কৰি তেওঁক শ্ৰদ্ধাৰে সোঁৱৰে। এটা অতি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰি, অভাৱ-অনাটন আৰু নানান আহুকালৰ মাজেৰে ডাঙৰ-দীঘল হৈও নিজৰ প্ৰতিভা, বিপুল শ্ৰম আৰু সাধনাৰ বলত ৰামানুজন বিশ্বৰ আগশাৰীৰ গণিতজ্ঞসকলৰ এগৰাকী হৈছিল।

প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষত বিজ্ঞানৰ বিভিন্ন শাখাৰ লগতে গণিতৰো জ্ঞান-চৰ্চা হৈ আহিছে। সেই সময়ত গণিত চৰ্চাক কিমান উচ্চ স্থান দিয়া হৈছিল সেই কথা যজুৰ্বেদৰ এটা শ্লোকৰ পৰা জানিব পাৰি ঃ

"যথা শিখা ময়ূৰাণাং নাগানাং মনয়ো যথা
তদ্‌বেদাংগ শাস্ত্ৰানাং গণিতং মূৰ্ধনি স্থিতম্‌।"

যাৰ অৰ্থ হৈছে, "ময়ূৰ পখীৰ শিৰত যিদৰে জঁ থাকে, সাপৰ শিৰত যিদৰে মুকুতা থাকে, ঠিক সেইদৰে সকলো জ্ঞানৰ শীৰ্ষত থাকে গণিত।" ■

(লেখিকা অসম জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী)

# জীৱন ডিঙা বাই থাকা...

১ পৃষ্ঠাৰপৰা পৰিশ্ৰম আৰু একাগ্ৰতাৰ বাটত যে জীৱনৰ জ্যোতি অম্লান হৈ থাকে সেই কথা প্ৰমাণ কৰি দেখুৱালে এইগৰাকী অসম কন্যাই।

আত্মবিশ্বাসী মানুহে জীৱনৰ বাটত আহি পৰা হুল-জেং আঁতৰাই হ'লেও লক্ষ্যপ্ৰাপ্তিৰ হকে যুঁজি যায় অবিৰাম। তেওঁলোকৰ দৃষ্টিত গৈ থকাই যেন জীৱন। কিছু বছৰ পূৰ্বে উত্তৰ প্ৰদেশৰ সূৰয তিৱাৰীৰ খবৰ সৰ্বত্ৰ বিয়পি গৈছিল। ঘৰৰ বাহিৰে-ভিতৰে, বাছ ষ্টেণ্ড, ৰে'ল ষ্টেছন, গাঁৱৰ চ'ক সকলোতে মানুহৰ মুখে মুখে কেৱল সূৰয তিৱাৰীৰ আলোচনা। আলোচনা হ'বৰে বিষয়। ২০১৭ চনত কোনোবা যমৰ আগতেল খোৱাই চলন্ত ৰে'লৰপৰা সূৰযক ঢকিয়াই দিছিল। এই আকস্মিক দুৰ্ঘটনাত সূৰয়ে চিৰদিনৰ বাবে হেৰুৱাইছিল দুয়োখন ভৰি আৰু এখন হাত। মৃত্যুৰ আকাশী সৰগ ভাগি পৰাৰ পাছতো সূৰযৰ স্বপ্নৰ জ্যোতি জঁই পৰি যোৱা নাছিল। দুগুণ উদ্যমেৰে বুকুত বল বান্ধি দিন-ৰাতি একাকাৰ কৰি দিয়া সূৰযৰ সপোন ফলিয়ালে। সৰ্বভাৰতীয় লোকসেৱা পৰীক্ষা উত্তীৰ্ণ হৈ সূৰয হৈ পৰিল শত-সহস্ৰজনৰ নয়নৰ মণি।

বিশ্ববিশ্ৰুত জাৰ্মান পদাৰ্থবিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ পকা থেকেৰা যেন মুখখন দেখিলে কোনেনো তেওঁক মানসিকভাৱে দুৰ্বল ব্যক্তি বুলি ক'ব! পিছে আজি আমি জনা বা পঢ়া আইনষ্টাইনে পঢ়া-শুনাত বিশেষ ফল দেখুৱাব পৰা নাছিল। মানসিকভাৱে দুৰ্বল আছিল বুলি শিক্ষকে কোৱাৰ পাছত আইনষ্টাইন প্ৰাথমিক শিক্ষাৰপৰা বঞ্চিত হ'বলগীয়া হৈছিল! পৰৱৰ্তী সময়ত এই আইনষ্টাইনে আপেক্ষিকতাবাদৰ তত্বৰে সকলোকে হতচকিত কৰি সময়ৰ গতিত হৈ পৰিল বিশ্বৰ এগৰাকী মহান বিজ্ঞানী।

ম'ট'ৰ নিউৰন ৰোগ (Motor neuron disease)-ৰ দৰে মাৰাত্মক ব্যাধিৰ সৈতে সহবাস কৰিও বিজ্ঞান জগতৰ এক চমৎকাৰী সত্তা হিচাপে ষ্টিফেন হকিঙে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। বৰং লগাই কথা ক'ব নোৱৰা বৃটেইনৰ বিজ্ঞানীগৰাকীয়ে হুইল চেয়াৰৰপৰাই ৰ'জাৰ পেনৰ'জৰ সৈতে লগ লাগি আইনষ্টাইনৰ আপেক্ষিকতাবাদ তত্বৰ আধাৰত মহাকাশ আৰু সময়ৰ আৰম্ভণি বিগ বেঙৰ জৰিয়তে আৰু শেষ কৃষ্ণগহ্বৰত হয় বুলি প্ৰমাণ কৰি দেখুৱাইছিল।

হেলেন কেলাৰৰ নাম নুশুনা মানুহ হয়তো নায়েই! পৃথিৱীৰ প্ৰথমগৰাকী বিশেষভাৱে সক্ষম স্নাতক তথা আমেৰিকাৰ এগৰাকী আগশাৰীৰ লেখক আৰু শিক্ষক হিচাপে কেলাৰৰ কিৰীটি আজিও চৰ্চিত।

পৃথিৱীৰ আটাইতকৈ কঠিন-কষ্টকৰ যেন লগা কামবোৰ মানুহেই কৰি গৈছে, দুৰ্গম-দুৰ্ভেদ্য যেন লগা লক্ষ্যতো মানুহেই উপনীত হৈছে সগৌৰৱেৰে। কেৱল লক্ষ্যপ্ৰাপ্তি হোৱাতেই মানুহৰ এই যাত্ৰা থমকি ৰোৱা নাই। সমাজৰ বাটকটীয়াসকলে ভৱিষ্যৎ প্ৰজন্মৰ বাবে দি গৈছে হেজাৰ-বিজাৰ প্ৰশ্নৰ উৎস।

অপৰিসীম কৌতূহল, নতুন দেশ আৱিষ্কাৰ কৰা, বেপাৰ-বাণিজ্যৰ বাবে সামুদ্ৰিক পথৰ সন্ধানৰ উদ্দেশ্যৰেই দূৰ অতীতত বিভিন্ন প্ৰান্তৰ নাৱিকসকলে নিৰ্জন সমুদ্ৰত জাহাজ মেলি দিছিল। অনুসন্ধিৎসু মনৰ অধিকাৰী তথা দুঃসাহসিক নাৱিক ক্ৰিষ্টফাৰ কলম্বাছে এনেকৈ ১৪৯২ খ্ৰীষ্টাব্দত আমেৰিকা আৱিষ্কাৰ কৰিব পাৰিছিল। আমেৰিকা আৱিষ্কাৰৰ পাছত মানুহে আৰু হাত সাৱটি বহি থাকিব পাৰেনে? নোৱাৰে। নিৰ্জন-নিৰাশ্ৰয় সাগৰৰ প্ৰচণ্ড সোঁত, বতাহৰ হোঁ-হোৱনিক নেওচি সমগ্ৰ পৃথিৱী চলাথ কৰি ফুৰা নাৱিকসকলে ১৭৬৯ খ্ৰীষ্টাব্দত নিউজিলেণ্ড আৱিষ্কাৰ কৰিলে। নিউজিলেণ্ড দক্ষিণ-পশ্চিম প্ৰশান্ত মহাসাগৰৰ এখন দ্বীপৰাষ্ট্ৰ। এই দ্বীপৰাষ্ট্ৰখনৰ ওচৰতে অষ্ট্ৰেলিয়া। এই নিউজিলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ মাজতে অৱস্থিত তাছমান সাগৰ। গতিকে, নিউজিলেণ্ড আৱিষ্কাৰৰ পাছত অষ্টেলিয়াৰ সন্ধান পাবলৈ নাৱিকসকলৰ বেছি সময় নালাগিল। ইয়াৰ পাছত দক্ষিণ মহাসাগৰতনো আৰু কি আছে তাক জানিবলৈ জেমছ কুক উদগ্ৰীৱ হৈ পৰিছিল। দক্ষিণ মহাসাগৰত জাহাজ মেলি দি জেমক কুকে এণ্টাৰ্কটিকা প্ৰদক্ষিণ কৰিলে। ইতিহাসে জেমক কুককেই এণ্টাৰ্কটিকা অভিযানৰ প্ৰথম বাটকটীয়া বুলি দোহাৰিছে। কিন্তু পেক-আইচ অতিক্ৰম কৰি তেওঁ এণ্টাৰ্কটিকালৈ যাব নোৱাৰিলে। জেমক কুক উভতি আহিছিল। যিখন মহাসাগৰত চৌপাশে কেৱল বৰফৰ শুভ্ৰ আচ্ছাদন, সাগৰৰ ঢৌৰ হোঁ-হোৱনি, য'ত জীৱ-জন্তু, চৰাই-চিৰিকটিৰ কোনো চিন-ছাব নাই তেনে এখন মহাদেশ আৱিষ্কাৰ কৰি মানুহৰ কিবা উপকাৰ হ'ব বুলি জেমছ কুকে বিশ্বাস কৰা নাছিল। কিন্তু কালৰ গতিত সকলো কথাৰ চিত্ৰপট সলনি হৈ গৈ থাকিল। জেমছ কুকে তৈয়াৰ কৰা এণ্টাৰ্কটিকাৰ নক্সাই মানুহক আৰু অধিক কৌতূহলীহে কৰি তুলিলে। অতীতত দুৰ্গম, দুৰ্ভেদ্য বুলি গণ্য কৰা এই মহাদেশখনত এতিয়া বিশ্বৰ ২৯খন দেশে প্ৰায় ৭০টা গৱেষণা কেন্দ্ৰ স্থাপন কৰিছে। জলবায়ু, জীৱনবিজ্ঞান, ভূতত্ব আৰু অধিক বৈচিত্ৰ্যপূৰ্ণ অধ্যয়নৰ উদ্দেশ্যে ভাৰতে এণ্টাৰ্কটিকাত এতিয়ালৈ তিনিটা গৱেষণা কেন্দ্ৰ স্থাপন কৰিবলৈ সক্ষম হৈছে। ১৯৮৩ চনত স্থাপিত প্ৰথমটো গৱেষণা কেন্দ্ৰ 'দক্ষিণ গংগোত্ৰী' বন্ধ হোৱাৰ পাছত ১৯৮৯ আৰু ২০১২ চনত স্থাপিত 'মৈত্ৰী' আৰু 'ভাৰতী' বৰ্তমান কাৰ্যক্ষম হৈ আছে। কিন্তু প্ৰশ্ন হৈছে আৰ্কটিক আৰু এণ্টাৰ্কটিকাত ভাৰতৰ মেৰু অভিযান ইয়াতেই থমকি ৰ'ব নেকি? নিশ্চয় নৰয়। দেশত মেৰু গৱেষণাক আগুৱাই নিয়াৰ উদ্দেশ্য ভাৰতে 'মৈত্ৰী-দ্বিতীয়' নতুন গৱেষণা কেন্দ্ৰ স্থাপনৰো পৰিকল্পনা কৰিছে। জেমছ কুকে এই বিচিত্ৰ মহাদেশখনৰ সন্ধান নিদিয়াহেঁতেন বিজ্ঞান-গৱেষণাৰ ক্ষেত্ৰখনত মানৱ জাতি কিমানদূৰ পিছুৱাই গ'লহেঁতেন তাৰ সঠিক গণনা দিয়াটো কাৰোপক্ষে সম্ভৱ নহয়। ভৌতিক জগতৰ সকলোখিনি ধূলি-ধোঁৱা হৈ উৰি গ'লেও মানুহৰ এই উত্তৰণৰ যাত্ৰাৰ অন্ত নাই। কৌতূহলৰ কোনো সীমা নাই। অনুসন্ধিৎসাৰ বেগ টুটা নাই। সেইবাবে জীৱনৰ গতিত যতি পেলাই কৰ্মৰ সোঁত ঘোলা নকৰি, আমন-জিমনকৈ বহি নাথাকি, আতোলতোল জীৱনটোক আথে-বেথে সমৃদ্ধ কৰি আগুৱাই গৈ থকাহে যুগুত। জীৱনৰ বাটত সাহস নেহেৰুৱাই স্থিৰ দৃষ্টি আৰু স্থিৰ লক্ষ্যৰে আগুৱাই যাবলৈ গীতেৰে প্ৰেৰণা দিছে এইদৰে— অ' জীৱন ডিঙা বাই থাকা, বান্ধ হে... ■

ফোন ঃ ৮৬৩৮৪১৩৩৮৫